


গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

দ্বাদশ বছৰ ■ সংখ্যা ৩৪২ ■ গুৱাহাটী ■ বৃহস্পতিবাৰ, ২১ জুলাই, ২০২২, ৪ শাওণ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 342 Dainandin Barta ■ Guwahati, Thursday ■ 21 July, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only




# হাৰ্টথ্ৰব জুবিন গাৰ্গ পিছলি পৰিল বাথৰুমত

**ডিব্ৰুগড়ৰ সঞ্জীৱনী হাস্পতালত মূৰত পাঁচটা চিলাই ঃ বিয়লি এয়াৰ এম্বুলেঞ্চেৰে আনিলে গুৱাহাটীলৈ ঃ আয়ুৰছুন্দ্ৰা হাস্পতালত ভৰ্তি**



## প্ৰয়োজনত ৰাজ্যৰ বাহিৰলৈ নিবলৈ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২০ জুলাই ঃ** ডিব্ৰুগড়ত অসুস্থ হৈ চিকিৎসাধীন হোৱা জুবিন গাৰ্গক এয়াৰ এম্বুলেন্সেৰে প্ৰেৰণ কৰিলে গুৱাহাটীলৈ। ডিব্ৰুগড় মনোহাৰী ৰিজৰ্টৰ স্নানাগাৰত পৰি মূৰত আঘাতপ্ৰাপ্ত হৈ ডিব্ৰুগড়ৰ ব্যক্তিগত চিকিৎসালয় সঞ্জীৱনী ডায়গনেষ্টিক এণ্ড হাস্পতালত পুৱা ভৰ্তি কৰোৱা হৈছিল জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গক। মূৰত পাঁচটাকৈ চিলাই পৰা জুবিনক ৰাজ্য চৰকাৰৰ তৎপৰতাত আজি বিয়লি ৩.৩৮ বজাত সঞ্জীৱনী ডায়গনেষ্টিক এণ্ড হাস্পতালৰ পৰা অত্যাধুনিক সৰঞ্জাম থকা এম্বুলেঞ্চে গ্ৰীন কৰিড'ৰ কৰি লৈ যায় ডিব্ৰুগড় মোহনবাৰী বিমানবন্দৰলৈ। তাৰ পৰা ৪ বজাৰ পাছত অসম চৰকাৰে এয়াৰ ■ ৮ পৃষ্ঠাত



### অনলাইনতে উপলব্ধ হ'ব জন্ম-মৃত্যুৰ প্ৰমাণ-পত্ৰ

## গুৱাহাটীত দেশৰ অতিৰিক্ত মহাপঞ্জীয়ক সঞ্জীৱ কুমাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও, ২০ জুলাই ঃ** ৰাজ্যত জন্ম-মৃত্যু পঞ্জীয়নৰ ব্যৱস্থা শীঘ্ৰে অনলাইনতে উপলব্ধ হ'ব। ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই গুৱাহাটীত ভাৰতৰ অতিৰিক্ত মহাপঞ্জীয়ক সঞ্জীৱ কুমাৰ আৰু উপ-মহাপঞ্জীয়ক ■ ৮ পৃষ্ঠাত

### বগাহাতীত পৰিণত বেবেজীয়াৰ পানী যোগান কেন্দ্ৰ

## একাংশ অভিযন্তা-বিষয়া-ঠিকাদাৰৰ সোণৰ কণী পৰা হাঁহত পৰিণত নগাঁও জনস্বাস্থ্য কাৰিকৰী বিভাগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বেবেজীয়া, ২০ জুলাই ঃ** এতিয়া যেন একাংশ বিষয়া-অভিযন্তা-ঠিকাদাৰৰ বাবে সোণৰ কণী পৰা হাঁহত পৰিণত হৈছে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ নগাঁও ■ ৮ পৃষ্ঠাত

## ২৫ মেগাৱাটসম্পন্ন বকো সৌৰশক্তি প্ৰকল্প উদ্বোধন




### জুবিন গাৰ্গৰ আশু আৰোগ্য কামনা মুখ্যমন্ত্ৰীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২০ জুলাই ঃ** স্বচ্ছ আৰু সেউজ শক্তিৰ দিশত বৃহৎ পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বকোৰ ভালুকঘাটাত ২৫ মেগাৱাট সম্পন্ন বকো সৌৰশক্তি প্ৰকল্পৰ শুভ উদ্বোধন কৰে। উল্লেখযোগ্য যে এই প্ৰকল্পৰ জৰিয়তে ৬৫ হাজাৰ গ্ৰাহকক সামৰি লোৱা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে জলবায়ু পৰিৰ্বতন আজি এক বিশ্বজনীন সমস্যা হিচাপে চিহ্নিত হৈছে। গেছ কয়লা ইত্যাদি উৎসৰ পৰা শক্তি উৎপাদন, পে'ট্ৰল, ডিজেল চালিত যান-বাহনৰ ফলত কাৰ্বন নিৰ্গমন বৃদ্ধি পাইছে। আনহাতে গছ-গছনি ধ্বংসৰ ফলত বায়ুমণ্ডলত কাৰ্বনডাই অক্সাইডৰ পৰিমাণ বাঢ়িছে। ইয়ে সূৰ্য আৰু পৃথিৱীৰ মাজত থকা আৱৰণ ধ্বংস কৰিছে। ফলত ■ ৮ পৃষ্ঠাত

**চি ই এম জীৱন চন্দ্ৰ কোঁৱৰৰ মন্তব্য**

## ৰাজধানী সম্প্ৰসাৰণ হ'লে আহিব তিৱা স্বায়ত্ত পৰিষদলৈ ভাবুকি


*মধ্যাহ্ন ভোজনৰ ৰন্ধন কৰ্মীয়ে চাকৰি নিয়মীয়াকৰণৰ দাবীত গুৱাহাটীৰ চচলত প্ৰতিবাদী কাৰ্যসূচী, বুধবাৰে*

**দৈনন্দিন বাৰ্তাৰ সেৱা, জাগীৰোড, ২০ জুলাই ঃ** অসম ৰাজ্যিক ৰাজধানী ক্ষেত্ৰ উন্নয়ন প্ৰাধিকৰণ ২০১৭ আইনৰ ভিত্তিত তিৱা স্বায়ত্ত পৰিষদৰ এলেকাধীন জাগীৰোডলৈকে ৰাজধানী সম্প্ৰসাৰণৰ বিষয়টোক তিৱা স্বায়ত্ত পৰিষদে নিজা দৃষ্টিভংগী প্ৰকাশ কৰে যে, তিৱা জনগোষ্ঠীৰ আশা-আকাংক্ষাৰ কেন্দ্ৰবিন্দু তিৱা স্বায়ত্ত পৰিষদ। এই পৰিষদখন শৈক্ষিক, সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু ভূমি অধিকাৰৰ জৰিয়তে তিৱাসকলৰ উন্নয়ন নিশ্চিত কৰাৰ অৰ্থে গঠন কৰা হৈছিল। কিন্তু পৰিষদৰ কাৰ্যক্ষমতা সীমিত হোৱা হেতুকে পৰিষদ এলেকাৰ সকলো জাতি-জনগোষ্ঠীৰ ■ ৮ পৃষ্ঠাত

**দৈয়াং নদীত বিভিন্ন স্থানত মাছধৰা বাণ**

## বিলুপ্তিৰ পথত থলুৱা প্ৰজাতিৰ মাছ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ২০ জুলাই ঃ** গোলাঘাট জিলাৰ দ্বিতীয় প্ৰধান নদী হিচাপে বিবেচিত দৈয়াং নদীৰ বিভিন্ন স্থানত মাছধৰা বাণসমূহে দুৰ্লভ তথা থলুৱা প্ৰজাতিৰ মাছৰ বিলুপ্তিৰ লগতে ভৱিষ্যতৰ বাবে ভাবুকি নমাই আনিছে। নগা পাহাৰৰ পৰা বৈ অহা দৈয়াং নদীখনে অসম-নাগালেণ্ড সীমাৰ এক বিস্তীৰ্ণ অঞ্চলৰ দুয়োপাৰে উৰ্বৰ ■ ৮ পৃষ্ঠাত

### বৰপথাৰ আৰক্ষীৰ পুনৰ বৃহৎ সাফল্য

## ৩ কোটি টকাৰ ড্ৰাগ্‌ছ জব্দ



**দৈনন্দিন বাৰ্তাৰ সেৱা, দেওপানী, ২০ জুলাই ঃ** আজি বিয়লি দুই বজাত বৰপথাৰ আৰক্ষীৰ গোপন তথ্যৰ ভিত্তিত ভাৰপ্ৰাপ্ত বিষয়া দ্বিপেন বৰুৱাৰ নেতৃত্বত তথা বোকাজান মহকুমা আৰক্ষী বিষয়া জন দাস আৰু চি আৰ পি এফ বাহিনীৰ সহযোগত খাকৰাজান নিয়মীয়া তালাচীত তিশটাকৈ চাবোনৰ বাকচত ভৰাই অনা ৩২৩ গ্ৰাম নিষিদ্ধ ড্ৰাগ্‌ছ জব্দ ■ ৮ পৃষ্ঠাত

## ধুবুৰীৰ গৌৰীপুৰত ২ ড্ৰাগ্‌ছ সৰবৰাহকাৰী গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২০ জুলাই ঃ** পুনৰ ধুবুৰীত আৰক্ষীৰ অভিযানত ধুবুৰী জিলাৰ গৌৰীপুৰত আৰক্ষীৰ অভিযানত দুজন ড্ৰাগ্‌ছ সৰবৰাহকাৰীক আৰক্ষীয়ে গ্ৰেপ্তাৰ ■ ৮ পৃষ্ঠাত

## চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধিৰ দাবীত আছাৰ এবিটাৰ কাৰ্যালয় ঘেৰাও



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২০ জুলাই ঃ** দীৰ্ঘদিন ধৰি অসমৰ লাখ লাখ চাহ শ্ৰমিকৰ দৈনিক মজুৰি ■ ৮ পৃষ্ঠাত

## বিশ্বনাথত পুখুৰীত বিহ ঢালি মাছ নিধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিশ্বনাথঘাট, ২০ জুলাই ঃ** বিশ্বনাথ চাৰিআলিত মীনপালকৰ পুখুৰীত বিহ ঢালি মাছ নিধনৰ দৰে চাঞ্চল্যকৰ ঘটনা সংঘটিত হৈছে। বিহ দিয়াৰ ফলত গড়েহাগীৰ এজন ■ ৮ পৃষ্ঠাত

**ধুবুৰীত পুনৰ এনকাউণ্টাৰ**

## কুখ্যাত গো মাফিয়া আদম আলী আৰক্ষীৰ গুলীত নিহত



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২০ জুলাই ঃ** দীৰ্ঘদিনৰ পৰা পশ্চিমবংগত আত্মগোপন কৰি গো সৰবৰাহ কৰি আহিছিল আদম আলীয়ে। ইতিমধ্যে মৃত্যু হৈছে আদম আলীৰ। নিশা এক গোপন খবৰৰ ভিত্তিত হালাকুৰা অঞ্চলত অভিযান চলায় আৰক্ষীয়ে। আৰক্ষী অহাৰ উমান পাই আদম আলী পলাই যাবলৈ চেষ্টা কৰে যদিও আৰক্ষীয়ে খেদি খেদি পশ্চিমবংগৰ কোচবিহাৰৰ পৰা গ্ৰেপ্তাৰ কৰে। লগতে আদমৰ পৰা অস্ত্ৰও উদ্ধাৰ কৰে অভিযানৰ সময়ত। ঘটনাস্থলীতে আৰক্ষীয়ে সোধা-পোছা কৰাত ধুবুৰী, কোকৰাঝাৰ সীমান্তত আদমৰ সহযোগী থকাৰ কথা উল্লেখ কৰাত আদমক ধুবুৰী-কোকৰাঝাৰ সীমান্তলৈ লৈ যোৱা অৱস্থাত ■ ৮ পৃষ্ঠাত

## বাক্সাৰ ভাৰত-ভূটান সীমান্তৰ সুৱনখাটাত বন্যহস্তীৰ তাণ্ডৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২০ জুলাই ঃ** বাক্সা জিলাৰ ভাৰত-ভূটান সীমান্তত দৈনিক অব্যাহত আছে হাতী-মানুহৰ সংঘাত। খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা ওলাই অহা হাতীয়ে জনাঞ্চলত আতংকৰ সৃষ্টি কৰি আহিছে। যোৱানিশা বনাঞ্চলৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা বন্যহস্তীৰ জাক এটাই জিলাখনৰ সুৱনখাটা সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত উত্তৰকুছি মদাহি চুপাত পৱন দাস নামৰ লোকজনৰ ঘৰ-বাৰী ভাঙি পেলায়। হাতীয়ে ■ ৮ পৃষ্ঠাত

## গোলাঘাটত গাহৰিৰ আফ্ৰিকান ছোৱাইন ফিভাৰ

**শতাধিক গাহৰি নিধন পশুপালন বিভাগৰ ঃ ১৪৪ ধাৰা জাৰি গোলাঘাট জিলা প্ৰশাসনৰ ঃ পশু পালকৰ হাহাকাৰ, স্ব-নিয়োজনৰ পদক্ষেপত ব্যাঘাত**



**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ২০ জুলাই ঃ** গোলাঘাট জিলাৰ পদুমনি উন্নয়ন খণ্ডৰ অন্তৰ্গত আঠখেলীয়া বৰকছাৰী গাঁৱত অফ্ৰিকান ছোৱাইন ফিভাৰত আক্ৰান্ত হৈছে শতাধিক গাহৰি। বৰকছাৰী গাঁৱৰ বিশিষ্ট পশুপালক প্ৰতাপ হাজৰিকাৰ গাহৰি ফাৰ্মত বিগত কেউটা দিনত শতাধিক গাহৰিৰ অস্বাভাৱিক জ্বৰ, কঁপনি আৰু তেজ বমি হৈ থকাৰ পৰিপ্ৰেক্ষিতত পশু চিকিৎসকৰ কাষ চাপে। ■ ৮ পৃষ্ঠাত

## পৰ্বতঝোৰাত অপৈণত শাল গছ কাটি তহিলং

**পৰ্যবেক্ষণৰ বাবে নাই পৰ্যাপ্ত বিষয়া-কৰ্মচাৰী**

**মোৱামাৰীত বৃহৎ পৰিমাণৰ কুমলীয়া শাল গছৰ কুণ্ডা জব্দ**



**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ২০ জুলাই ঃ** কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা বন সংমণ্ডলৰ অধীনস্থ বাঁশবাৰীস্থিত ৰূপসী বনাঞ্চলিক কাৰ্যালয়ৰ বন কৰ্মীৰ দল এটাই আজি অভিযান চলাই বনাঞ্চলিক কাৰ্যালয়টোৰ অন্তৰ্গত মোৱামাৰী অঞ্চলত বৃহৎ পৰিমাণৰ কুমলীয়া শাল গছৰ কুণ্ডা জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে এটা দুষ্ট চক্ৰই পৰ্বতঝোৰা বনাঞ্চলৰ অপৈণত শাল গছবোৰ কাটি চুবুৰীয়া ৰাজ্য পশ্চিমবংগৰ বিভিন্ন অঞ্চললৈ সৰবৰাহ কৰি ৰমৰমীয়া ব্যৱসায় চলাই বনাঞ্চল ধ্বংসযজ্ঞ ■ ৮ পৃষ্ঠাত

## উজনিৰ বহুপথাৰত খাৰুৱা তেলৰ পাইপ ফুটাই তেল চুৰি দুষ্টচক্ৰৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, খুমটাই, ২০ জুলাই ঃ** খুমটাই ৰাজহ চক্ৰৰ অন্তৰ্গত বাদুলীপাৰত দেশৰ বৃহৎ তৈল প্ৰতিষ্ঠান অইল ইণ্ডিয়া লিমিটেডৰ দুলীয়াজানৰ পৰা বাৰাউনীলৈ যোৱা ■ ৮ পৃষ্ঠাত

**গোৱালপাৰাৰ ডুবাপাৰা লুপ্তচৰত নৃশংস হত্যাকাণ্ড**

## দাৰে ঘপিয়াই পত্নীক হত্যা

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৱালপাৰা, ২০ জুলাই ঃ** আজি পুৱা প্ৰায় ৭ মান বজাত স্বামী জহিৰুল ইছলামে পত্নী আনজেৰা খাতুনক ডিঙি কাটি হত্যা কৰে। আনজেৰা খাতুনৰ পৰিয়ালে অভিযোগ কৰে যে স্বামীৰ পৰিয়ালৰ লোকে পৰিকল্পিতভাৱে ডিঙি কাটি হত্যা কৰে আনজেৰাক। দীৰ্ঘ দিনৰ পৰা জহিৰুল ইছলাম আৰু আনজেৰা খাতুনৰ মাজত কাজিয়াৰ সূত্ৰপাত চলি আছিল। তাৰ ফলত আজি হত্যাকাণ্ড সংঘটিত হয়। আনজেৰা খাতুনৰ ৩ বছৰীয়া এটি ল'ৰা সন্তান থকাৰ লগতে ৫ মহীয়া গৰ্ভৱতী হৈ আছিল। হত্যাকাৰী স্বামী জহিৰুল ইছলাম ইতিমধ্যে পলাতক অৱস্থাত আছে। মৰনৈ আৰক্ষীয়ে পলাতক জহিৰুল ইছলামৰ পিতৃ মৈনুদ্দিন আৰু মাতৃ লালভানু নেছাক আটক কৰি সোধা-পোছা কৰি আছে। উল্লেখ্য যে পৰিয়ালৰ লোকে জানিবলৈ দিয়া ■ ৮ পৃষ্ঠাত

## অপেছাদাৰী নাট্য আন্দোলনৰ অন্যতম যোদ্ধা, প্ৰবীণ নাট্যশিল্পী নাজিম আহমেদলৈ 'বাণ থিয়েটাৰ বঁটা'

**বৰষা ৰাণী বিষয়া, গুণাকৰ দেৱগোস্বামী অভিনীত মুনীন বৰুৱাৰ 'হাতী আৰু ফান্দি', প্ৰভাত গোস্বামীৰ 'বাগ্ৰুকগিৰ বিষ্ণু ৰাভা', লক্ষ্যধৰ চৌধুৰীৰ 'ৰক্ষকুমাৰ' আৰু দীপক মহন্তৰ বহু চৰ্চিত 'গজপুৰীয়া' হ'ব মঞ্চস্থ**



**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২০ জুলাই ঃ** ৰাজ্যখনৰ নাটশিল্প ক্ষেত্ৰখনৰ পৰা এক জাতীয় অনুষ্ঠানলৈ উত্তৰণ ঘটা ১১৬ বছৰীয়া ঐতিহ্যৰে গৰিমামণ্ডিত তেজপুৰৰ বাণ থিয়েটাৰ কৰ্তৃপক্ষই ২০২২ - ২৩ বৰ্ষৰ 'বাণ থিয়েটাৰ বঁটা' অহা ৩১ জুলাইৰ সন্ধিয়া আনুষ্ঠানিক ভাবে প্ৰদান কৰিব অসমৰ অপেছাদাৰী নাট্য আন্দোলনৰ উত্তৰ পাৰৰ একনিষ্ঠ সাধক, অন্যতম যোদ্ধা, লখিমপুৰ নিবাসী চৈয়দ নাজিম আহমেদক। উল্লেখ্য যে, বিগত বছৰৰ দৰে এইবাৰো ৩১ জুলাইৰ নটসূৰ্য ফণী শৰ্মাৰ স্মৃতি দিৱসৰ লগত সংগতি ৰাখি পাঁচদিনীয়াকৈ বাণ থিয়েটাৰত আয়োজন কৰিবলৈ লোৱা 'নটসূৰ্য ফণী শৰ্মা সোঁৱৰণী নাট সমাৰোহ'ৰ বৰ্ণাঢ্য কাৰ্যসূচী আজি বাণ থিয়েটাৰ কৰ্তৃপক্ষই এক সংবাদমেলৰ জৰিয়তে সদৰী কৰে। বাণ থিয়েটাৰৰ সেউজ কক্ষত আয়োজিত সংবাদ মেলখনৰ আৰম্ভণিতে সাধাৰণ সম্পাদক জিতুমণি দেৱচৌধুৰীয়ে চলিত বৰ্ষৰ 'বাণ থিয়েটাৰ বঁটা' নাজিম আহমেদৰ দৰে নিষ্ঠাবান প্ৰবীণ নাট্যশিল্পীক প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰাৰ লগতে স্মৃতি দিৱসৰ দিনটোত সন্ধিয়া শ্ৰদ্ধাঞ্জলি আৰু সোঁৱৰণী অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাবে লোক সংস্কৃতিৰ বিশিষ্ট গৱেষক তথা মৰাণ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অনিল শইকীয়াৰ উপৰি সন্মানীয় অতিথি ৰূপে তেজপুৰৰ সাংসদ পল্লৱ লোচন দাস আৰু বিশিষ্ট অতিথি ৰূপে তেজপুৰৰ বিধায়ক ■ ৮ পৃষ্ঠাত


*কাছাৰত বান ক্ষতিগ্ৰস্ত আৰু খহনীয়া পৰিদৰ্শন কৰিলে জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই, বুধবাৰে*

# গোলাঘাট জিলাৰ বৰকছাৰী গাঁৱত গাহৰি, গাহৰিৰ মাংস, গাহৰিৰ দানা আৰু অন্য গাহৰিৰ মাংসৰ পৰা প্ৰস্তুত কৰা সামগ্ৰীৰ বিক্ৰীত নিষেধাজ্ঞা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, গোলাঘাট, ২০ জুলাই ঃ** গোলাঘাট জিলাৰ গমাৰিগুৰি উন্নয়ন খণ্ডৰ অধীনৰ বৰকছাৰী গাঁৱৰ এজন লোকৰ ঘৰৰ গাহৰি ফাৰ্মত হোৱা গাহৰিৰ অস্বাভাৱিক মৃত্যু আফ্ৰিকান ছোৱাইন ফিভাৰৰ ঘটনা বুলি নিশ্চিত হোৱাৰ পিছতেই গোলাঘাট জিলা দণ্ডাধীশে কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। অতিৰিক্ত জিলা দণ্ডাধীশ কুলদীপ হাজৰিকাই ফৌজদাৰী কাৰ্যবিধিৰ ১৪৪ ধাৰাৰ অধীনত এই নিষেধাজ্ঞা জাৰি কৰিছে । অসম চৰকাৰে এক নিৰ্দেশনা যোগে ইতিমধ্যে গাঁওখনক আফ্ৰিকান ছোৱাইন ফিভাৰৰ অভিকেন্দ্ৰ হিচাপে ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত এই ৰোগ যাতে অন্য ঠাইলৈ বিয়পিব নোৱাৰে তাৰ বাবে গাঁওখনৰ ১ কিলোমিটাৰ ব্যাসাৰ্ধলৈকে গাহৰি, গাহৰিৰ মাংস, গাহৰিৰ দানা আৰু অন্য গাহৰিৰ মাংসৰ পৰা প্ৰস্তুত কৰা সামগ্ৰীৰ বিক্ৰী নিষিদ্ধ ঘোষণা কৰা হৈছে । তদুপৰি বৰকছাৰী গাঁও (সংক্ৰমিত এলেকা)ৰ পৰা অসংক্ৰমিত এলেকালৈ গাহৰি, গাহৰিৰ মাংস, গাহৰিৰ দানা আৰু অন্য গাহৰিৰ মাংসৰ পৰা প্ৰস্তুত কৰা সামগ্ৰীৰ আদান-প্ৰদান নিষিদ্ধ কৰা হৈছে । গাহৰিক পেলনীয়া সামগ্ৰী খুওৱাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে । জৰুৰীভাৱে কাৰ্যকৰী হোৱাকৈ এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে । এই নিৰ্দেশ উলংঘা কৰিলে ভাৰতীয় দণ্ডবিধিৰ ১৮৮ ধাৰাৰ অধীনত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি নিৰ্দেশনাটোত কোৱা হৈছে ।




## মাজবাটত বন বিভাগৰ অনুষ্ঠান-প্ৰতিষ্ঠানত বিভিন্নধৰণৰ গছপুলি ৰোপণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ২০ জুলাই ঃ** ওদালগুৰি জিলাৰ মাজবাটৰ বিভিন্ন অঞ্চলত যোৱা ১৫ জুলাইৰ পৰা মাজবাট আঞ্চলিক বন বিভাগৰ কাৰ্যালয়ৰ তৰফৰ পৰা মাজবাট অঞ্চলত অনুষ্ঠান প্ৰতিষ্ঠানত বিভিন্ন প্ৰজাতিৰ গছপুলি ৰোপণ কৰা হৈ আছে বুলি মাজবাট আঞ্চলিক বনবিভাগৰ বিট অফিচাৰ মিন্টু বড়োৱে সাংবাদিক জানিবলৈ দিয়ে। জানিব পৰা মতে অসম চৰকাৰৰ নিৰ্দেশমৰ্মে ১৫ জুলাইৰ পৰা ১৫ আগষ্টলৈকে অসমৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত সেউজ বিপ্লৱ অনাৰ যি প্ৰয়াস কৰিছে তাৰে আধাৰত কালি মাজবাট বন বিভাগৰ তৰফৰ পৰা ওৰাং, মাজবাট, লালপানী, যগ্যপুৰ থানা ও আৰক্ষী চকীসমূহৰ লগতে, মাজবাট অঞ্চলৰ স্কুল-কলেজ বিদ্যালয়সমূহত বিভিন্ন প্ৰজাতিৰ গছৰ পুলি বিতৰণ কৰা হয়। আজি মাজবাট ৰাজহ চক্ৰৰ কাৰ্য্যালয়ৰ চৌপাশে ৰাজহ চক্ৰ বিষয়া উৎপল কুমাৰ ডেকা, বন বিভাগৰ বন বিষয়া বিজয়ানন্দ ভোবৰাৰ উপস্থিতিত বিভিন্ন মূল্যৱান গছৰ পুলি ৰোপণ কৰা দেখা যায়। বন বিভাগৰ বীট অফিচাৰ মিন্টু বড়োৱে সাংবাদিক কয় যে অসম চৰকাৰৰ সেউজ ধৰণী নিৰ্মাণৰ উদ্দেশ্যক আমাৰ বন বিভাগৰ তৰফৰ পৰা এই কাৰ্যসূচী ১৫ আগষ্টলৈকে অবিৰতভাৱে চলি থাকিব।

## কৃষক মুক্তি সংগ্ৰাম সমিতিৰ প্ৰতিষ্ঠা দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপথাৰ, ২০ জুলাই ঃ** আজিৰ পৰা প্ৰায় দুই দশক পূৰ্বে গোলাঘাট জিলাৰ ধনশিৰি মহকুমাৰ বৃহত্তৰ টেঙানিত জন্ম হৈছিল টেঙানি সংগ্ৰাম সমিতি নামেৰে এক বৃহৎ গণ আন্দোলনৰ। টেঙানিত চলা উচ্ছেদ অভিযানৰ সময়তেই উচ্ছেদৰ বিৰুদ্ধে সন্মুখৰ পৰা নেতৃত্ব দি অখিল গগৈৰ নেতৃত্বতে গঠন হৈছিল টেঙানি সংগ্ৰাম সমিতিৰ। টেঙানীৰ পৰা আৰম্ভ হোৱা ঐতিহাসিক ভূমি অধিকাৰ আন্দোলনৰ পিছত ২০০৫ চনৰ ২০ জুলাইত তেজপুৰৰ ত্যাগবীৰ হেম বৰুৱা ভৱনত গঠন হয় আপোচবিহীন, প্ৰগতিশীল, ঐক্যবদ্ধ গণ সংগঠন কৃষক মুক্তি সংগ্ৰাম সমিতিৰ। ২০ জুলাইত গঠন হোৱা সংগঠনটোৰ প্ৰতিষ্ঠা দিৱস টেঙানিৰ মধুৰীবিল জাতীয় বিদ্যালয়ৰ প্ৰাংগণত আজি সীমিত কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। অসমৰ জ্বলন্ত সমস্যাৰ ওপৰত আপোচবিহীন ভাৱে চলাই অনা আন্দোলন তথা সৰৱ ভূমিকাৰ বাবে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে অসমৰ সামাজিক ৰাজনৈতিক প্ৰেক্ষাপটত আজিও একক আৰু অনন্য। ভূমি অধিকাৰ আন্দোলন, ৰাজহুৱা বিতৰণ ব্যৱস্থা সংস্কাৰৰ বাবে আন্দোলন আৰু সফলতা, বৃহৎ নদীবান্ধৰ বিৰুদ্ধে আন্দোলন, তৈল সম্পদ ৰক্ষাৰ আন্দোলন, এ পি এচ চি কেলেংকাৰিৰ বিৰুদ্ধে আন্দোলন, টোল গে'টৰ বিৰুদ্ধে আন্দোলন, গুৱাহাটীত ভূ-মাফিয়াৰ পৰা মাটি কাঢ়ি আনি সাধাৰণ কৃষকক মাটি প্ৰদান কৰা, 'কা'ৰ বিৰুদ্ধে গণ আন্দোলন ইত্যাদি আন্দোলনৰ জৰিয়তে অসমৰ সামাজিক জীৱনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। আজি মধুৰীবিল জাতীয় বিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সপ্তদশ প্ৰতিষ্ঠা দিৱসত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক বিদ্যুৎ শইকীয়া, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ সভাপতি দেৱব্ৰত শইকীয়া, কৃষক মুক্তি সংগ্ৰাম সমিতিৰ উপ সভানেত্ৰী বিমলা গগৈ, জিলা সভাপতি শৰৎ শইকীয়া, বৃহত্তৰ টেঙানী উন্নয়ন সংগ্ৰাম সমিতিৰ সম্পাদক নিপেন দাস, দৈয়াং মুক্তিৰ উপদেষ্টা ধিৰেশ্বৰ দৈমাৰী , অজিত লাকৰা, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কাৰ্যকৰী সভাপতি কাশ্যপ নন্দন কলিতা আদি উপস্থিত থাকে। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ জিলা সভাপতি শৰৎ শইকীয়াই পতাকা উত্তোলনৰ পিছতেই এখন সভা অনুষ্ঠিত হয়। সভাখনত সভাপতিত্ব কৰে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ জিলা সভাপতি শৰৎ শইকীয়াই। সভাখনত টেঙানীৰ প্ৰায় দুই শতাধিক ৰাইজ উপস্থিত থাকে। সভাত চৰকাৰৰ জনগণ বিৰোধী নীতি সমূহৰ ওপৰত চোকা দৃষ্টি ৰাখি আন্দোলনৰ কাৰ্যসূচী আপোচহীনভাৱে চলাই নিবলৈ সংকল্পবদ্ধ হয়।



## নেচনেল ডিফেন্স একাডেমীৰ লিখিত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ডিমৌ আলুন নগৰৰ কৌশিক চেতিয়া

### শিৱসাগৰ জিলা উপায়ুক্তৰ উষ্ম অভিনন্দন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২০ জুলাই ঃ** নেচনেল ডিফেন্স একাডেমীৰ লিখিত পৰীক্ষাত অসমৰ একমাত্ৰ সন্তান হিচাপে সুখ্যাতিৰে উত্তীৰ্ণ হৈ সমগ্ৰ ৰাজ্যৰ লগতে শিৱসাগৰ জিলালৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে ডিমৌৰ মাজমজিয়া আলুন নগৰৰ কৌশিক চেতিয়া নামৰ এজন মেধাৱী ছাত্ৰই। ডিমৌ আলুন নগৰ নিবাসী জয়ন্ত চেতিয়া আৰু নিভা চেতিয়াৰ সুযোগ্য পুত্ৰ কৌশিক চেতিয়াই ২০২১ বৰ্ষত ১৪ নৱেম্বৰত অনুষ্ঠিত নেচনেল ডিফেন্স একাডেমীৰ লিখিত পৰীক্ষাত অৱতীৰ্ণ হৈছিল। এইগৰাকী মেধাৱী ছাত্ৰই অসমৰ একমাত্ৰ সন্তান হিচাপে উত্তীৰ্ণ হৈ শিৱসাগৰ জিলাৰ ডিমৌৰ লগতে সমগ্ৰ অসমকে গৌৰৱান্বিত কৰিবলৈ সক্ষম হৈছে। ইয়াৰ পূৰ্বেও কৌশিক চেতিয়াই মহীশূৰত ৱায়াৰ ফৰ্ছ চিলেকচন ব'ৰ্ডৰ পৰীক্ষাতো সফলতাৰে উত্তীৰ্ণ হৈ মেধাৰ পৰিচয় দিবলৈ সক্ষম হৈছে। সকৰে পৰা তীক্ষ্ণ মেধাসম্পন্ন কৌশিক চেতিয়াই ২০১৯ বৰ্ষত শিৱসাগৰ হলিমেন বিদ্যালয়ৰ পৰা ৯০ শতাংশ নম্বৰ লাভ কৰি হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈছিল। ২০২১ বৰ্ষত ডিব্ৰুগড় কেন্দ্ৰীয় বিদ্যালয়ৰ পৰা বিজ্ঞান শাখাৰ পদাৰ্থ বিজ্ঞান, ৰসায়ন, অংক আৰু কম্পিউটাৰ বিজ্ঞান মূল বিষয় হিচাপে লৈ ৯৫ শতাংশ লাভ কৰি উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। এইগৰাকী মেধাৱী ছাত্ৰই ভাৰতৰ এক সন্মানজনক অনুষ্ঠানত স্থান দখল কৰি শিৱসাগৰ জিলাৰ ডিমৌৰ লগতে অসমলৈ কৌশিকে যি গৌৰৱ কঢ়িয়াই আনাত কালি শিৱসাগৰ জিলা উপায়ুক্ত মেঘ নিধি দাহালে ছাত্ৰজনক অভিনন্দন জনায়। আনহাতে, আজি ডিমৌ আলুন নগৰৰ মেধাৱী ছাত্ৰজনৰ বাসগৃহ ডিমৌৰ ভালেসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত হৈ ছাত্ৰজনক শুভেচ্ছা জনোৱা পৰিলক্ষিত হয়।

## নগাঁৱত অচিনাক্ত যুৱকৰ মৃতদেহ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২০ জুলাই ঃ** নগাঁও চহৰৰ লাওখোৱা ৰোডৰ ৰূপহী বাছ আস্থানৰ সমীপৰ পৰা ১৭ জুলাইৰ পৰা স্থানীয় হয়বৰগাঁও আৰক্ষীয়ে এজন অচিনাক্ত যুৱকৰ মৃতদেহ উদ্ধাৰ কৰে। ৩০-৩৫ বছৰীয়া যুৱকজন পথৰ দাঁতিত থকা ড্ৰেইনত পৰি থকা দেখি স্থানীয় লোকে হয়বৰগাঁও আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ মৰ্গত পঠিয়াই। কি পৰিস্থিতিত যুৱকজনৰ মৃত্যু হ'ল, সেয়া জানিব পৰা হোৱা নাই। মৃত লোকৰ কোনো পৰিচয় নোলোৱাত পৰিচয় আৰক্ষীৰ লগতে চিকিৎসালয় কৰ্তৃপক্ষ। যাৰ বাবে আজিপৰ্যন্ত মৃতদেহটো মৰ্গত পৰি আছে।

## সাংবাদিকৰো আছে অনন্য প্ৰতিভা

## ব্যস্ততাৰ মাজতো অসম তথা শিৱসাগৰৰ বহু সাংবাদিকে নিজ প্ৰতিভাৰ উমান দিলে যুৱদলৰ প্ৰেক্ষাগৃহত

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২০ জুলাই ঃ** পুৱাৰ পৰা নিশালৈকে এক দুৰন্ত গতিৰে ৰ'দ-বৰষুণকো নেওচি সংবাদ বুটলি ফুৰা শিৱসাগৰৰ অধিকাংশ সাংবাদিকৰে আছে একো-একোটা প্ৰতিভা। কিন্তু সময় আৰু ব্যৱস্থাৰ ধামখুমীয়াত নিজৰ প্ৰতিভাসমূহ বিকশিত কৰাৰ সুযোগ নাপায়। সেয়েহে শিৱসাগৰ জিলা বাৰ্তাজীৱী সংঘৰ দ্বিতীয় দ্বি-বাৰ্ষিক অধিৱেশন সামৰণি পৰা নিশালৈ এইসকল সাংবাদিকক একত্ৰিত কৰি উদ্যোক্তাই শিৱসাগৰ যুৱদল প্ৰেক্ষাগৃহত আয়োজিত কৰে এক সাংস্কৃতিক সন্ধিয়াৰ। য'ত শিৱসাগৰৰ জ্যেষ্ঠ, কনিষ্ঠজনৰ পৰা অসমৰ কে'বাগৰাকীও জ্যেষ্ঠ সাংবাদিক আৰু বিশিষ্ট নিবন্ধকাৰৰ গীত-কবিতা আৰু যাদুৰ মায়াজালাৰে দিছিল এক অনন্য মাত্ৰা। বিশিষ্ট নিবন্ধকাৰ এনামউদ্দিন আহমেদে উদ্বোধন কৰা সাংস্কৃতিক সন্ধিয়াত আমাৰ অসম কাকতৰ উপ-সম্পাদক তথা গীতিকাৰ, সুৰকাৰ গৌতম শৰ্মাৰ গীতৰ যাদুৱে সকলোকে মন্ত্ৰমুগ্ধ কৰাৰ উপৰিও শ শ ছাত্ৰ-ছাত্ৰীক শিৱসাগৰৰ অডিঅ' চিটী অনুষ্ঠানৰ দ্বাৰা গীতৰ প্ৰশিক্ষণ দিয়া জ্যেষ্ঠ সাংবাদিক অতনু বৰাৰ গীতৰ অনুষ্ঠানেৰে জীপাল কৰিছিল সাংস্কৃতিক নিশা। অনুষ্ঠানত উপস্থিত থকা অসমৰ এগৰাকী বিশিষ্ট শিল্পী মহেন্দ্ৰ হাজৰিকাক অসমৰ বহুকেইগৰাকী বিশিষ্ট নিবন্ধকাৰ, জ্যেষ্ঠ সাংবাদিক দৰে বহু ব্যক্তিৰ লিখনিৰে সমৃদ্ধ কৰা তথা হিমাংশু নেওগ আৰু দ্ৰোণ খণ্ডীয়াৰ যুটীয়া সম্পাদনাত প্ৰকাশ পোৱা 'বাৰ্তা' স্মাৰক গ্ৰন্থখনি প্ৰদান কৰা অনুষ্ঠানত তেওঁ গীতৰ মাজেৰে শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰি সকলোকে আপ্লুত কৰে। অনুষ্ঠানত শিল্পী ৰাজভূষণ গগৈয়ে গীত পৰিৱেশন কৰা অনুষ্ঠানত গীতৰ মাজে মাজে শিৱসাগৰ জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি খলিলুৰ ৰহমান হাজৰিকা আৰু যাদুশ্ৰী আলতাফ হুছেইনৰ যাদুৰ মায়াজালেৰে সকলোৰে দৃষ্টি আৰ্কষণ কৰিছিল। একেটা অনুষ্ঠানতে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ কাঞ্চনজংঘাৰ বুৰঞ্জী আৰু গংগামোহন মিলিৰ দিচাংমুখৰ এবাটি আপং শীৰ্ষক কবিতা দুটি শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমাৰজ্যোতি মহন্তই আবৃত্তি কৰাৰ উপৰি গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই নিজৰ স্বৰচিত দুটি কবিতা আবৃত্তি কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল। ইয়াৰোপৰি বিশিষ্ট নিবন্ধকাৰ ড° উৎপল দত্তৰ লগতে সাংবাদিক নজিউল্লা হাজৰিকা, মফিদুল ইছলামকে ধৰি ভালেকেইগৰাকী সাংবাদিকে গীত-কবিতা পৰিৱেশন কৰি সকলোৰে মন মোহিত কৰিছিল।

## ভূমিস্খলনত নিহত শ্ৰমিকৰ বাসগৃহত বিধানসভাৰ বিৰোধী দলপতিৰ লগতে কংগ্ৰেছৰ কেবাজনো বিধায়ক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২০ জুলাই ঃ** বিধান সভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াসহ কংগ্ৰেছ বিধায়ক ক্ৰমে দিগন্ত বৰ্মণ , প্ৰদীপ সৰকাৰ , যাদৱ স্বৰ্গীয়াৰী আৰু স্থানীয় বিধায়ক ডা: আচিফ মহম্মদ নাজাৰ আজি উপস্হিত হয় মণিপুৰৰ টুপুলত ভূমিস্খলনত নিহত শ্ৰমিকৰ মৰিগাঁৱৰ লাহৰীঘাটৰ কুশতলিৰ বাসগৃহত । বিৰোধী দলপতি শইকীয়াই কয় : পঞ্চায়ত , তিৱা কাউঞ্চিল আছে যদিও ইয়াৰ পৰা ৰাইজ লাভান্বিত হোৱা নাই । ভূমিস্খলনত নিহত দেৱজিৎ ফুকন নামৰ শ্ৰমিক জনে নিজৰ ৯ বছৰীয়া ছোৱালী জনীৰ দাঁতৰ চিকিৎসাৰ ধন গোটাবলৈ মণিপুৰলৈ গৈছিল। দুৰ্ঘটনাটোত নিহত দুখীয়া শ্ৰমিকসকল ৰে'ল বিভাগৰ দৰে ৰাষ্ট্ৰীয় প্ৰকল্পত কাম কৰিবলৈ গৈছিল। বিষয়টো বিষয়টো দৃষ্টি গোচৰ কৰি প্ৰধানমন্ত্ৰী আৰু ৰে'লমন্ত্ৰীক ক্ষতিপূৰণ কৰি দাবী পত্ৰ সদুত্তৰ নোপোৱা বুলি আক্ষেপ কৰি বিৰোধী দলপতিগৰাকীয়ে। আনহাতে, মণিপুৰৰ ভূমিস্খলনত নিহত পৰিয়ালবোৰলৈ সাহায্য আগবঢ়োৱা তথা ঘোষণা কৰাৰ দায়িত্ব আছিল অসম চৰকাৰৰ। বিভন্ন সময়ত চৰকাৰে যুৱকৰ বাবে বহু আঁচনি ঘোষণা কৰিছিল যদিও ১৭জনকৈ শ্ৰমিকে কৰ্মহীন হৈ বাহিৰলৈ যাব লগা হ'ল সেইবিলাক আঁচনিয়ে ঢুকি নোপোৱাত। মুখ্যমন্ত্ৰীয়ে ১৭ খিলঞ্জীয়া যুৱক নিহত পৰিয়ালৰ ওচৰলৈ আহি সমবেদনা জনাব লাগিছিল। দুৰ্ভাগ্যজনক । আজিৰ মূল্যবৃদ্ধিৰ দিনত জৱকাৰ্ডৰ যি নিৰিখ সেয়া বৃদ্ধি কৰিব লাগে বুলি উল্লেখ্য কৰা শইকীয়াই ইউ ডি এফৰ বিধায়ল কৰীমুদ্দিন বৰভূঞাই ৰাষ্ট্ৰপতিৰ নিৰ্বাচত কংগ্ৰেছৰ ২০ জন বিধায়কে NDA প্ৰাৰ্থীক ভোট দিয়া বুলি কৰা বিস্ফোৰক মন্তব্য কৰাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে ৰাজ্যসভা নিৰ্বাচনৰ সময়ত কৰা তেনে মন্তব্য দিয়াৰ বাবে উচ্চ ন্যায়লয়ত আইনী ব্যৱস্থা ব্যৱস্থা লোৱা লৈছে। গতিকে তেওঁ যি কৰে কৰি থাকক।

## মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ 'সাঁকো' উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২০ জুলাই ঃ** নগাঁৱৰ উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠান মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত বাৰ্ষিক পুস্তিকা সাঁকো উন্মোচন কৰা হয়। বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ স্মৃতি-অনুভৱৰ মেটমৰা কথাৰে সামৰা ক্ষুদ্ৰ গ্ৰন্থ সাঁকো উন্মোচন কৰে বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° শ্যামলী দলৈৰ প্ৰমুখ্যে সহকাৰী অধ্যাপক-অধ্যাপিকাসকল ক্ৰমে ড° পাৰ্থপ্ৰতিম ফুকন, ড° চন্দ্ৰকমল চেতিয়া, ড° শিখামণি শৰ্মা, ড° চাহিন জাফ্ৰিয়ে। ইয়াৰ পাছতে বিভাগৰ বিদায়ী চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ মনৰ অনুভৱৰ এক বিশেষ অনুষ্ঠানো আয়োজন কৰা হয়। বিভাগৰ দ্বিতীয় ষাণ্মাসিকৰ ছাত্ৰী সংযুক্তা শাণ্ডিল্যই আঁত ধৰা উক্ত অনুষ্ঠানত অংশগ্ৰহণ কৰি বিশ্ববিদ্যালয়খনৰ সহকাৰী জনসংযোগ বিষয়া গৌৰীপ্ৰসাদ শৰ্মা, গৱেষক ছাত্ৰ গৌৰাংগ বৰা, হিৰণ্য কুমাৰ বৰাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি বক্তব্য আগবঢ়ায়। উল্লেখ্য যে এই বেলি প্ৰকাশ পোৱা সাঁকোৰ চতুৰ্থ সংখ্যাৰ সম্পাদনা কৰিছে বিভাগৰ দ্বিতীয় ষাণ্মাসিকৰ ছাত্ৰী কাৱেৰী দুৱৰাই।

## জাঁজীমুখ গাঁও পঞ্চায়তত এনৰেগা আঁচনিত এক কোটিৰ দুৰ্নীতি ঃ মুখ্যমন্ত্ৰীলৈ স্মাৰক-পত্ৰ প্ৰেৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২০ জুলাই ঃ** যোৰহাট জিলাৰ টীয়ক সমষ্টিৰ কলিয়াপানী উন্নয়ন খণ্ডৰ অন্তৰ্গত জাঁজীমুখ গাঁও পঞ্চায়তত বাট-পথ নিৰ্মাণৰ নামত এম জি এনৰেগা আঁচনিত ১ কোটিৰ অধিক টকাৰ বিয়াগোম কেলেংকাৰি সংঘটিত হোৱাৰ অভিযোগ তুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মালৈ স্মাৰক-পত্ৰ প্ৰেৰণ কৰিছে ছাত্ৰ সন্থাৰ ৰাজ্যিক সদস্য জিতু নেওগে। জানিব পৰা মতে জাঁজীমুখ গাঁও পঞ্চায়তৰ বৰমথাউৰি গাঁৱৰ বৰমথাউৰি মাজৰ গাঁৱৰ পথ নিৰ্মাণৰ নামত ৯ লাখ ৩০ হাজাৰ ৪১৫ টকা, লুইতপৰীয়া পৰা কটাৰিখাম পথ নিৰ্মাণৰ নামত ৮ লাখ ৪ হাজাৰ ২ শ ২৫ টকা আৰু সুনাই চুক পথ নিৰ্মাণৰ নামত ৮ লাখ ৯৮ হাজাৰ ৪২৫ টকা আবন্টন হৈছিল। এই কামকে ধৰি পঞ্চায়তখনত এনৰেগাৰ নামত এক কোটিৰ অধিক টকাৰ কাম সম্পূৰ্ণ নকৰি সিংহ ভাগ টকা পঞ্চায়তৰ গ্ৰাম্য সহায়ক ধীৰেন দাস আৰু খণ্ড উন্নয়ন বিষয়া অজয় গগৈ, কনিষ্ঠ অভিযন্তা আৰু পঞ্চায়তৰ সভাপতি মিলি আঁচনিখনৰ ধন আত্মসাৎ কৰা বুলি অভিযোগ কৰিছে। উল্লেখ্য যে এই দুৰ্নীতি সম্পৰ্কত ছাত্ৰ নেতাগৰাকীয়ে ভগামুখ থানাত এজাহাৰ দাখিল কৰাৰ লগতে পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন অভিকৰণৰ আয়ুক্তলৈ তদন্তৰ দাবীত স্মাৰক-পত্ৰ প্ৰেৰণ কৰিছিল। তদুপৰি উপায়ুক্ত আৰু যোৰহাট জিলা পৰিষদৰ কাৰ্যবাহী বিষয়াক পৃথকে পৃথকে স্মাৰক-পত্ৰ প্ৰদান কৰিছিল। তদন্তৰ দোহাই দি ভগামুখ আৰক্ষীয়ে গোচৰ পঞ্জীয়ন নকৰা আৰু যোৰহাট জিলা পৰিষদে তদন্তৰ প্ৰতিবেদন প্ৰকাশ নকৰা কাৰ্যই ৰাইজৰ মাজত সন্দেহৰ সৃষ্টি কৰা বুলি উল্লেখ কৰি প্ৰেৰণ কৰা স্মাৰক-পত্ৰত দুৰ্নীতি সংঘটিত কৰা খণ্ড উন্নয়ন বিষয়া,কনিষ্ঠ অভিযন্তা, জাঁজীমুখ পঞ্চায়তৰ গ্ৰাম্য সহায়ক আৰু পঞ্চায়ত সভাপতিগৰাকীৰ বিৰুদ্ধে তদন্ত কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে ছাত্ৰ নেতা জিতু নেওগে।

## ছিপাঝাৰ জনতা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ প্ৰবক্তা দীপা দেৱী ডেকাৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ২০ জুলাই ঃ** কামৰূপ জিলাৰ উত্তৰ গুৱাহাটী ৰাজহ চক্ৰৰ অন্তৰ্গত শালমাৰা নিৱাসী মুক্তিযুঁজাৰু শান্তিৰাম ডেকাৰ বোৱাৰী তথা ছিপাঝাৰ জনতা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অসমীয়া বিভাগৰ প্ৰবক্তা দীপা দেৱী ডেকাই কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে। সৰবৰহী



মহিলাগৰাকীৰ আকস্মিক মৃত্যুৰ খবৰ পাই শালমাৰা অঞ্চলৰ লগতে জন্মভূমি দৰঙৰ হালধাতো শোকৰ ছাঁ পৰে। ছিপাঝাৰ জনতা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত অসমীয়া বিষয়ৰ প্ৰবক্তা হিচাপে কৰ্মৰত শিক্ষয়িত্ৰীগৰাকী বহুদিন ধৰি ৰক্তজনিত আৰু লিভাৰৰ ৰোগত ভুগি আছিল। শেহতীয়াকৈ শৌচ-বমি হৈ দুৰ্বল হৈ পৰাত শিক্ষয়িত্ৰীগৰাকীক ততাতৈয়াকৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও চিকিৎসকে সুস্থ কৰি তুলিব নোৱাৰিলে । প্ৰয়াত প্ৰবক্তাগৰাকী হালধা হাইস্কুলৰ প্ৰাক্তন শিক্ষয়িত্ৰী, হালধা আঞ্চলিক মহিলা সমিতিৰ প্ৰাক্তন সম্পাদিকাৰ উপৰি নৱদীপ সাহিত্য সভা, বৰনদী প্ৰগতি সংঘ, স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত আছিল। প্ৰবক্তাগৰাকীৰ অকাল মৃত্যুত ছিপাঝাৰ জনতা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ হৰেন ডেকা প্ৰমুখ্যে সহকৰ্মীসকলে বাসভৱনলৈ আহি মৃতকৰ শেষকৃত্যত উপস্থিত থাকি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত বয়স আছিল ৫৮ বছৰ। ইহ সংসাৰত তেওঁ স্বামী টংকেশ্বৰ ডেকা, দুগৰাকী অবিবাহিত জীয়ৰী, এগৰাকী সদ্যবিবাহিতা জী-জোঁৱাই আৰু ভালেসংখ্যক আত্মীয় স্বজনক এৰি যায়।

## লাহৰীঘাটৰ কুশতলীত ত্ৰিৰংগা বিক্ৰী কেন্দ্ৰ মুকলি




**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২০ জুলাই ঃ** আজাদী কা অমৃত মহোৎসৱ ঘৰে ঘৰে ত্ৰিৰংগা আঁচনিৰ প্ৰতি লক্ষ্য ৰাখি আজি মৰিগাঁও জিলাৰ লাহৰীঘাটৰ কুশতলীত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান বিএমএমইউ লাহৰীঘাট উন্নয়ন খণ্ডৰ অধীনত অন্তোদয়া মণ্ডল পৰ্যায়ৰ সংগঠনে ত্ৰিৰংগা বিক্ৰী কেন্দ্ৰ মুকলি কৰে। ত্ৰিৰংগা বিক্ৰী কেন্দ্ৰটি উদ্বোধন কৰে লাহৰীঘাট খণ্ড উন্নয়ন বিষয়া মণিকা ৰাংখাং বাইদেউৱে। ত্ৰিৰংগা বিক্ৰী কেন্দ্ৰৰ মুকলি অনুষ্ঠানত বিপিএম ৰশ্মিৰেখা কলিতাৰ লগতে গ্ৰামীণ জীৱিকা সহায়ক গোটৰ মহিলাসকলো উপস্থিত আছিল।

## টংলাত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ নিৰ্মাণত বিসংগতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, খৈৰাবাৰী, ২০ জুলাই ঃ** 'যি সময়ত ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু চৰকাৰখনে দুৰ্নীতিৰ বিৰুদ্ধে সন্তম হৈ পৰিছে। তেনে সময়তে এচাম দুৰ্নীতিগ্ৰস্ত ভিচিডিচি মেম্বাৰ, বিষয়া, কিম্বা মধ্যভোগীয়ে দৰিদ্ৰ পৰিয়ালৰ নামত আবন্টন হৈ অহা প্ৰধানমন্ত্ৰী আৱাস নিৰ্মাণত অনিয়ম কৰাৰ বাবে উঠি-পৰি লাগিছে। উল্লেখ্য যে বিটিআৰৰ ওদালগুৰি জিলা ৬৪নং পানেৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত তথা ওদালগুৰি উন্নয়ন খণ্ডৰ মূৰমেলা ভিচিডিচিৰ টংলা বাঞ্চেৰীয়া গাঁৱত চেয়াৰমেন আৰু ইঞ্জিনীয়াৰৰ ছত্ৰছায়াত ভিচিডিচিৰ মেম্বাৰ ৰেহেনা আৰু চিৰাজুল নামৰ মধ্যভোগীয়ে বিভিন্ন অজুহাত দেখুৱাই ডাবি-ধমকিৰে প্ৰকৃত হিতাধিকাৰীৰ পৰা গৃহ নিৰ্মাণ কৰি দিয়াৰ ঠিকা লাভ কৰে। আৰু অতি নিম্ন মানৰ সামগ্ৰীৰে গৃহ নিৰ্মাণৰ কাম আৰম্ভ কৰাৰ লগতে বাঞ্চেৰীয়া গাঁৱৰ থানেশ্বৰী ৰাভা, গণক ৰাভাৰ লগতে কে'বাটাও পৰিয়ালত দুই-তিনিডাল ৰ'ড ব্যৱহাৰ কৰাৰ লগতে প্ৰয়োজনতকৈ কম ৯টা খুঁটাৰ সলনি ৭টা খুঁটা স্থাপনেৰে গৃহ নিৰ্মাণ কৰি দায়িত্ব সামৰিব বিচাৰিছে। যি কাণ্ডই সচেতন মহলত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। কিন্তু জিলা প্ৰকল্প সঞ্চালক, উন্নয়ন খণ্ড বিষয়া, জনপ্ৰতিনিধিয়ে পিএমএৱাইজি আঁচনিৰ সন্দৰ্ভত পূৰ্বতকৈ অধিক তৎপৰ হোৱা তৎসত্বেও ইঞ্জিনীয়াৰ, চেয়াৰমেন আৰু ভিচিডিচিৰ মেম্বাৰসকলে দৰিদ্ৰ পৰিয়ালৰ নামত আবন্টন হৈ অহা আৱাসত কেনেকৈ অনিয়ম কৰিবলৈ সুবিধা পালে। কেনেকৈ মধ্যভোগীয়ে হিতাধিকাৰীৰ ধন হাত পাতিবলৈ সাহস পাইছে সেয়াহে চিন্তনীয় বিষয় হৈ পৰিছে। কিন্তু আমাৰ এই প্ৰতিবেদন প্ৰকাশ পোৱাৰ পিছত এই কাণ্ডৰ বিৰুদ্ধে কোনে কি ব্যৱস্থা ল'ব সেয়াহে লক্ষণীয় হ'ব।

## ৰাশিফলত আজিৰ দিনটো

**৪ শাওণ, বৃহস্পতিবাৰ, ২ জুলাই, ১৪২৯ ভাস্কৰাব্দ**

**তিথি ঃ কৃষ্ণা অষ্টমী, নক্ষত্ৰ ঃ অশ্বিনী ঃ মীন ৰাশি**

**সূৰ্যোদয়- ৪-৪৭-২২ সূৰ্যাস্ত- ৬-১৩-৫৬**



■ **মেষ ঃ** অৰ্থ প্ৰাপ্তি ■ **বৃষ ঃ** সমস্যা সমাধান ■ **মিথুন ঃ** দাম্পত্যৰ শুভ ■ **কৰ্কট ঃ** ছাত্ৰ-ছাত্ৰীৰ সুনাম ■ **সিংহ ঃ** প্ৰেমত আনন্দ ■ **কন্যা ঃ** শ্ৰদ্ধা-ভক্তি বৃদ্ধি ■ **তুলা ঃ** ৰাজ সাহায্য ■ **বৃশ্চিক ঃ** আকাংক্ষীৰ সফলতা ■ **ধনু ঃ** শৰীৰ সম্পৰ্কে সচেতন হ'ব ■ **মকৰ ঃ** মানসিক দিশ উন্নতি ■ **কুম্ভ ঃ** পিতৃ-মাতৃৰ মৰম ■ **মীন ঃ** আনৰ সহযোগিতা।

## ৰণ্দিয়া শতদল সাহিত্য সভাৰ ভৰেশ কলিতা আৰু ডাঃ হিতেন্দ্ৰ কলিতাক পৰম সুহৃদ হিতৈষী সভ্য আৰু হিতৈষী সভ্যৰ প্ৰমাণ-পত্ৰ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ২০ জুলাই ঃ** ৰঙিয়াৰ ৰণ্দিয়া (শতদল) সাহিত্য সভাৰ জৰিয়তে অসম সাহিত্য সভাৰ পৰম সুহৃদ হিতৈষী সভ্য আৰু হিতৈষী সভ্য হোৱা ক্ৰমে—ৰঙিয়াৰ বিধায়ক ভৰেশ কলিতা আৰু বিশিষ্ট চিকিৎসক ডাঃ হিতেন্দ্ৰ কলিতাক আজি ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি নৃপেন্দ্ৰ কুমাৰ ভাগৱতীৰ সঞ্চালনাত অনুষ্ঠিত অনুষ্ঠানটিত মানপত্ৰ পাঠ কৰে সম্পাদক হেমন্ত কলিতাই। উল্লেখ্য যে স্থানীয় বিধায়ক তথা ৰাজ্যিক বিজেপিৰ সভাপতি ভৰেশ কলিতাৰ উদ্যোগত এইবেলি হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ষ্টাৰ আৰু ডিষ্টিংচন পোৱা ছাত্ৰ-ছাত্ৰীসকল আৰু বিদ্যালয় প্ৰধানসকলক বিশেষভাৱে অভিনন্দন জনোৱাৰ উদ্দেশ্যে এক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি ৰণ্দিয়া (শতদল) সাহিত্য সভাই অসম সাহিত্য সভাক গণমুখীকৰণৰ হেতু সকলো অভ্যাগতৰ মাজত এখন গোহাৰি বিতৰণ কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। অনুষ্ঠানৰ মঞ্চত আসন গ্ৰহণ কৰা কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি নৃপেন্দ্ৰ কুমাৰ ভাগৱতী, অসম শংকৰদেৱ সংঘৰ প্ৰাক্তন পদাধিকাৰ তথা ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ভৰেন্দ্ৰনাথ ডেকা, আবিমত্ত বিদ্যাপীঠৰ প্ৰাক্তন অধ্যক্ষ কামিনী ভূঞা, বিজেপিৰ উত্তৰ কামৰূপ জিলাৰ সভাপতি সুবল পাল আৰু ৰঙিয়া পৌৰসভাৰ পৌৰপতি অমৰেন্দ্ৰ লহকৰকো ৰণ্দিয়া শতদল সাহিত্য সভাৰ কৰ্মকৰ্তাসকলে প্ৰতীক সম্বলিত গামোচাৰে সম্বৰ্দ্ধনা জনায়। ৰঙিয়াৰ যুৱনেতা তথা পাণ্ডুৰী জিলা পৰিষদৰ সদস্য লিটন কলিতাই আঁতধৰা বিশেষ অভিনন্দন অনুষ্ঠানটিত ছাত্ৰ-ছাত্ৰী, অভিভাৱক, বিদ্যালয় প্ৰধানসকলসহ পাঁচ শতাধিক লোকে অংশগ্ৰহণ কৰে। অনুষ্ঠানটিত পৰম সুহৃদ হিতৈষী সভ্য আৰু হিতৈষী সভ্য ক্ৰমে—ভৰেশ কলিতা আৰু ডাঃ হিতেন্দ্ৰ কলিতাই অসম সাহিত্য সভাৰ গুৰুত্ব আৰু ৰণ্দিয়া সাহিত্য সভাই লৈ অহা পদক্ষেপৰ ভূয়সী প্ৰশংসা কৰে। উক্ত অনুষ্ঠানতে ৰঙিয়াৰ প্ৰায় আঢ়ৈশ কৃতী ছাত্ৰ-ছাত্ৰী আৰু পঞ্চাশৰো অধিক বিদ্যালয় প্ৰধানক গামোচা, একোটিকৈ গছপুলি, মানপত্ৰ আৰু শিক্ষণ সঁজুলিৰে সম্বৰ্ধনা জনায় বিধায়ক ভৰেশ কলিতা আৰু উদ্যোক্তাসকলে। শেষত অসম সংগীত পৰিৱেশনেৰে অনুষ্ঠানৰ সামৰণি কৰা হয়।

দৈনন্দিন বাৰ্তা
জাতি, মাটি আৰু দেশৰ সেৱাত
২১ জুলাই, ২০২২ ■ বৃহস্পতিবাৰ ■ ৪ শাওণ, ১৯৪৪ শক


# তামুলপুৰত ১১ দিনীয়া নাট কৰ্মশালাৰ শুভাৰম্ভ



**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২০ জুলাই ঃ** অসম নাট্য সন্মিসলনৰ তামুলপুৰ শাখাৰ উদ্যোগত আৰু তামুলপুৰ সাংস্কৃতিক কেন্দ্ৰৰ সহযোগত আজিৰে পৰা তামুলপুৰ ৰাজহুৱা প্ৰেক্ষাগৃহ ৩০ জুলাইলৈকে এঘাৰদিনীয়া নাট কৰ্মশালাৰ শুভাৰম্ভণি কৰা হয় ।আজি আবেলি চাৰি বজাত এক মাংগলিক পৰিৱেশত তামুলপুৰ উন্নয়ন খণ্ডৰ অধীনৰ টিচিএলচিচিৰ অধ্যক্ষ পৱিত্ৰ কুমাৰ নাৰ্জাৰীয়ে বন্তি প্ৰজ্বলন কৰি তথা তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বিভূতি ডেকাই নটসূৰ্যৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি নাট কৰ্মশালাখনিৰ মুকলি কৰে। নাট কৰ্মশালা খনিৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে অসম নাট্য সন্মিলনীৰ ৰত্নপীঠ মণ্ডলৰ সম্পাদক তথা তামুলপুৰৰ বিশিষ্ট নাট্যশিল্পী অভিজিত দাসে। নাট কৰ্মশালাখনি উদ্বোধন কৰি অভিজিত দাসে কয়, কৰ্মশালা খনিৰ জৰিয়তে অভিনয়ৰ প্ৰতি আগ্ৰহী তামুলপুৰৰ প্ৰতিভাৱান যুৱক-যুৱতীসকলে যথেষ্টখিনি জ্ঞান লাভ কৰাৰ লগতে নিজকে এজন দক্ষ অভিনেতা হিচাপে গঢ়ি তুলিব বুলি আশা প্ৰকাশ কৰে। অসম নাট্য সন্মিলন, তামুলপুৰ শাখাৰ সম্পাদক গোপীনাথ দাসে আঁত ধৰা আজিৰ নাট কৰ্মশালাৰ শুভাৰম্ভণি অনুষ্ঠানত অসম নাট্য সন্মিলনীৰ বাক্সা জিলা সমিতিৰ সভাপতি লক্ষী ৰাজবংশী, সম্পাদক চিন্ময় পাঠক, তামুলপুৰ শাখাৰ সভাপতি অনুপ নাথ, সাংস্কৃতিক কৰ্মী মুনিন্দ্ৰ তালুকদাৰ, অধিক দাস, প্ৰশিক্ষক বেণুধৰ পাটোৱাৰী (এনএছডি ছিক্কিম)ৰ লগতে ৫০গৰাকী প্ৰশিক্ষাৰ্থী উপস্থিত থাকে।

# জাইকা সাহায্যপ্ৰাপ্ত গুৱাহাটী পানী যোগান প্ৰকল্পৰ অগ্ৰগতি

# গৃহ সংযোগ সেৱাৰ 'ট্ৰায়েল ৰান' আবেদনৰ বাবে কাইলৈ মুকলি কৰা হ'ব ৱেবছাইট

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও, ২০ জুলাই ঃ** জাইকা সাহায্যপ্ৰাপ্ত গুৱাহাটী পানী যোগান প্ৰকল্পৰ জৰিয়তে গুৱাহাটী মহানগৰবাসীক পানী যোগানৰ 'ট্ৰায়েল ৰান' আৰম্ভ কৰাৰ উদ্দেশ্যে জনসাধাৰণৰ গৃহ সংযোগ সেৱাৰ বাবে অনলাইন আবেদনৰ ব্যৱস্থা কৰা হৈছে। কাইলৈ জনতা ভৱনত মুখ্যমন্ত্ৰী ব্লকৰ ভূমি মহলাত (গ্ৰাউণ্ড ফ্লৰ) মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংহলে দিনৰ ১২ বজাত জনসাধাৰণৰ গৃহ সংযোগৰ অনলাইন আবেদনৰ বাবে এক 'ৱেবছাইট আৰু ম'বাইল এপলিকেচন' মুকলি কৰিব। আবেদনকাৰীয়ে, এই ৱেবছাইটত গুৱাহাটী পানী যোগান প্ৰকল্পৰ পানী যোগানৰ বাবে অনলাইন আবেদন কৰিব পাৰিব। কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত তথা গুৱাহাটী জল ব'ৰ্ডৰ পৰিচালন সঞ্চালক পল্লৱ গোপাল ঝাই এই ক্ষেত্ৰত জনায় যে প্ৰথম পৰ্যায়ত পানী যোগানৰ 'ট্ৰায়েল ৰান'ৰ বাবে ৫টা 'ডিষ্ট্ৰিক মিটাৰিং এৰিয়া'(DMA) সামৰি লোৱা হৈছে। ডিএমএ ৫ ক ১- অমিয়া নগৰ (অংশ), ৰামছা ৰিজাৰ্ভৰ এলেকা; ডিএমএ ৫ ক ২- অমিয়া নগৰ (অংশ), ৰুদ্ৰনগৰ; ডিএমএ ৫ ক ৩ — কৃষ্ণ নগৰ, হলী চাইল্ড এলেকা; ডিএমএ ৫ ক ৪ — মিলনপুৰ, বামুণীমৈদাম, চানমাৰি, দূৰদৰ্শন আৰু জলসিঞ্চন কলনী; ডিএমএ ৫ ক ৫— ৰাজগড় আৰু পূব শৰণীয়া। পৰৱৰ্তী পৰ্যায়ত গুৱাহাটীৰ অন্যান্য অঞ্চলক সামৰি লোৱা হ'ব বুলি লগতে উপায়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে।

# বিশিষ্ট নাগাৰা নামৰ পাঠক কৈলাস তালুকদাৰৰ চিকিৎসাৰ দায়িত্ব ল'লে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই



**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২০ জুলাই ঃ** অসমৰ জনপ্ৰিয়, ৰাজ্যিক শিল্পী পেন্সনপ্ৰাপ্ত নাগাৰা নামৰ শিল্পী তথা নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বাঘমাৰাৰ গাঁওঁ নিৱাসী কৈলাস তালুকদাৰৰ উন্নত চিকিৎসাৰ দায়িত্ব ল'লে অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। কালি মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা নাগাৰা নামৰ শিল্পীগৰাকীলৈ ১ লাখ টকা প্ৰদান কৰে অসম চৰকাৰৰ মন্ত্ৰী তথা নলবাৰী সমষ্টিৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাই। ইফালে, চৰকাৰী পেন্সনপ্ৰাপ্ত শিল্পী তথা বিশিষ্ট নাগাৰা নামৰ পাঠক তালুকদাৰৰ উন্নত মানৰ চিকিৎসাৰ বাবে দিল্লীলৈ যোৱাৰ যাতায়াত আৰু থকা-খোৱাৰ সকলো সুবিধা বিনামূলীয়াকৈ প্ৰদান কৰি দিয়ে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই। আজি আবেলি বিশিষ্ট নাগাৰা নামৰ পাঠক কৈলাস তালুকদাৰ উন্নত চিকিৎসাৰ বাবে দিল্লীলৈ ৰাওনা হয়।

# মান্দাকাটাত মুনীন্দ্ৰ নাথ মহন্ত সোঁৱৰণী বাৰ্ষিক বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন



**দৈনন্দিন বাৰ্তাৰ সেৱা, বাইহাটা চাৰিআলি, ২০ জুলাই ঃ** বাইহাটা চাৰিআলিৰ নিকটৱৰ্তী মান্দাকাটাস্থিত ডি জে এগ্ৰ' উদ্যোগ প্ৰতিষ্ঠানটোৰ উদ্যোগত দীপজ্যোতি এণ্ড মিলি মহন্ত ফাউণ্ডেচনৰ সহযোগত মান্দাকাটা বাগান নিম্ন প্ৰাথমিক বিদ্যালয়ত মুনীন্দ্ৰ নাথ মহন্ত সোঁৱৰণী বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হয়। এই বিদ্যালয়খনৰ অস্থায়ী সভাগৃহত বিদ্যালয়খনৰ প্ৰধান শিক্ষক সোণাৰুদ্দিন আহমেদৰ সভাপতিত্বত আয়োজিত এই বঁটা প্ৰদান অনুষ্ঠানটোত আয়োজক তথা ডি জে এগ্ৰ' উদ্যোগটোৰ সঞ্চালক দীপজ্যোতি মহন্ত আৰু তেওঁৰ পত্নী তথা সঞ্চালিকা মিলি মহন্তই মুনীন্দ্ৰ নাথ মহন্তৰ সোঁৱৰণত মান্দাকাটাৰ চাহ বাগিচা অঞ্চলৰ শিক্ষাৰ্থীসকলৰ মানসিক উৎকৰ্ষ সাধনৰ উদ্দেশ্যে মান্দাকাটা বাগান নিম্ন প্ৰাথমিক বিদ্যালয়ৰ পঞ্চম বাৰ্ষিক পৰীক্ষাত সুখ্যাতিৰে প্ৰথম চাৰিটা স্থান দখল কৰা ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিবছৰে নগদ ধন, গামোচা, মানপত্ৰ, বঁটা প্ৰদান কৰি আহিছে। বিগত দুটা বছৰ ক'ভিড পৰিস্থিতিৰ বাবে এই বঁটা প্ৰদান অনুষ্ঠান আয়োজন কৰিব নোৱাৰা হেতুকে চলিত বৰ্ষত একেলগে ২০১৯, ২০২০ আৰু২০২১ বৰ্ষৰ বিদ্যালয়খনৰ পৰা ক্ৰমে প্ৰথম স্থান পোৱা জ্যোতিকা কৰ্মকাৰ,পৰিস্মিতা গোৱালা আৰু কৌশিক নাথক নগদ ১২,০০০ টকা, দ্বিতীয় স্থানপ্ৰাপ্ত অংকিতা খাৰিয়া, মনীষা কৰ্মকাৰ আৰু পম্পি ভূমিজক ১০,০০০ টকা, তৃতীয় স্থানপ্ৰাপ্ত ববিতা ৰাজগড়, বিবেক ভূমিজ আৰু মধুস্মিতা ওৰাঙক ৮,০০০ টকা আৰু চতুৰ্থ স্থান প্ৰাপ্ত শ্যামন্তিকা ৰাজগড়, বন্দিতা তাঁতী আৰু মমতা চান্দক ৩,০০০ নগদ ধনৰ লগতে সকলোকে একোখন মানপত্ৰ, গামোচাৰ লগতে একোটাকৈ বঁটা প্ৰদান কৰা হয়। এই বঁটা বিতৰণ অনুষ্ঠানত ডি জে এগ্ৰ' উদ্যোগ প্ৰতিষ্ঠানটোৰ বিষয়ববীয়াৰ লগতে শিক্ষকদ্বয় কৃষ্ণা শৰ্মা আৰু মইনুল হক চৌধুৰী, মান্দাকাটা গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য বীৰেন বৈশ্য, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অজিত কৰ্মকাৰ, সমাজকৰ্মী অচ্যুত দাস, ভগৱান দাস, সাগৰ ভূমিজৰ লগতে বিদ্যালয়খনৰ অভিভাৱক, অঞ্চলটোৰ গুণী-জ্ঞানী লোকসকল উপস্থিত থাকে।

**LOST**

I Have Lost my Higher secondary Final year Original ADMIT Card Roll 0744 No. 20141 Registration no. 065845 Session 2020- 21. Higher secondary final Examination, 2022 On the 15 the day of March 2022.

Yours faithfuly
Muzahidul Islam Sarker
S/0. Abdul Mozid Sarkar
Village. Khopati Pt1

**Franklin Templeton Mutual Fund**

Cordially invites you for a program under it's
**Investor Education and Awareness Initiative.**

Venue :
Hotel Daaysco Oley Allo, Paltan Bazar, G.S. Road
Guwahati-781008 (Formerly Kiranshree Portico)

Date: 23rd July, 2022
Time: 6.30 p.m.

Contact Person: Krushna Chandra Pattnaik (9755039449)

Due to limited seats, entry will be provided to registered attendees only. Please call on the above number to register by tomorrow.

All Covid protocols will be followed.

We look forward to your participation.

FRANKLIN TEMPLETON

Registered office: One International Centre, Tower 2, 12th & 13th Floor, Senapati Bapat Marg, Elphinstone (West) Mumbai - 400013

**Mutual Fund investments are subject to market risks, read all scheme related documents carefully.**

**IIFL FINANCE**

**CIN: L67100MH1995PLC093797**
**Regd. Office:** : IIFL House, Sun Infotech Park, Road No. 16V, Plot No.B-23, Thane Industrial Area, Wagle Estate, Thane - 400604 • Tel: (91-22) 41035000 • Fax: (91-22) 25806654 • E-mail: reach@iifl.com • Website: www.iifl.com

**সোণৰ গহনা নিলামৰ বাবে ৰাজহুৱা জাননী**

**ইয়াৰ দ্বাৰা জনসাধাৰণক জনোৱা হয় যে গ'ল্ড লোন একাউন্ট নম্বৰ,** GL12568161, GL12830154, GL12895736, GL13056648, GL13113015, [illegible] GL20376950, GL20377114, GL20379482, GL20380352, GL20382198, GL20384671, GL20386209, GL20386353, GL20386712, GL20387200, GL20394424, GL20397066, GL20398287, GL20405427, GL20406834, GL20406994, GL20408106, GL20408570, GL20409375, GL20409848, GL20410258, GL20410743, GL20412280, GL20415571, GL20415720, GL20415843, GL20417518, GL20417536, GL20425409, GL20426779, GL20429553, GL20429709, GL20431738, GL20433089, GL20433401, GL20434019, GL20436535, GL20445221, GL20445243, GL20445644, GL20446132, GL20446456, GL20447586, GL20448311, GL20449654, GL20453528, GL20453817, GL20460156, GL20460182, GL20460581, GL20460800, GL20461043, GL20461843, GL20462098, GL20462279, GL20462528, GL20463248, GL20466012, GL20466789, GL20467847, GL20467986, GL20468194, GL20469129, GL20469525, GL20469690, GL20474109, GL20474630, GL20475386, GL20476411, GL20478046, GL20478125, GL20478475, GL20478973, GL20479090, GL20479391, GL20480070, GL20480240, GL20480646, GL20480675, GL20481561, GL20481674, GL20483486, GL20484443, GL20484711, GL20485662, GL20492190, GL20492480, GL20492683, GL20493778, GL20494772, GL20495341, GL20495819, GL20496363, GL20497028, GL20498408, GL20499054, GL20501965, GL20504174, GL20504955, GL20508857, GL20511857, GL20513328, GL20514248, GL20514353, GL20514935, GL20515004, GL20515089, GL20515957, GL20516579, GL20517359, GL20518463, GL20526894, GL20527533, GL20528338, GL20529651, GL20530958, GL20531321, GL20532988, GL20533138, GL20533654, GL20535509, GL20536082, GL20536302, GL20538005, GL20544884, GL20545618, GL20545639, GL20545698, GL20546598, GL20548307, GL20550091, GL20551453, GL20552467, GL20553535, GL20553642, GL20554146, GL20555861, GL20563172, GL20565658, GL20567654, GL20568083, GL20568140, GL20569203, GL20569263, GL20569958, GL20570072, GL20570715, GL20572286, GL20575376, GL20581534, GL20581824, GL20583239, GL20584146, GL20584554, Gl20584946, GL20587989, GL20588874, GL20588943, GL20589967, GL20590497, GL20590510, GL20590864, GL20591232, GL20591842, GL20592028, GL20592060, GL20592155, GL20599243, GL20599265, GL20599427, GL20599976, GL20601225, GL20601912, GL20601925, GL20603052, GL20603448, GL20603578, GL20604332, GL20605122, GL20605498, GL20605551, GL20605855, GL20606320, GL20609072, GL20609927, GL20614971, GL20614979, GL20615626, GL20615851, GL20617641, GL20618795, GL20619383, GL20620111, GL20621907, GL20622034, GL20623861, GL20623982, GL20624031, GL20625339, GL20625751, GL20626531, GL20629778, GL20631224, GL20631891, GL20632022, GL20637525, GL20638936, GL20639250, GL20639326, GL20639806, GL20640061, GL20640236, GL20640269, GL20640566, GL20640633, GL20640869, GL20640978, GL20641160, GL20642898, GL20644876, GL20645006, GL20645366, GL20646128, GL20646911, GL20649023, GL20650522, GL20652410, GL20653427, GL20653481, GL20654085, GL20655105, GL20655825, GL20656041, GL20656114, GL20664505, GL20665008, GL20665771, GL20666476, GL20667481, GL20668834, GL20669035, GL20669350, GL20670019, GL20670278, GL20670391, GL20670932, GL20671656, GL20671979, GL20672372, GL20672937, GL20674176, GL20677254, GL20708936, GL20728895, GL20737102, GL20742910, GL20774755, GL20779237, GL20784442, GL20809930, GL20828839, GL20853748, GL20859566, GL20905314, GL20924576, GL20924844, GL20938858, GL20956517, GL20957756, GL20963767, GL20968780, GL20973051, GL20999964, GL21007969, GL21014421, GL21034541, GL21049303, GL21088352, GL21139685, GL21145675, GL21147439, GL21150435, GL21362993, GL21407636, GL21493057, GL21520944, GL21558481, GL21559194, GL21656419, GL21705317, GL21724252, GL21838319, GL21874072, GL21874821.

আমি বন্ধকত থোৱা সোণৰ গহনাৰ নিলাম 25-07-2022-ৰ ৰাতিপুৱা 10.00 বজাত পৰ্য্যায়ক্ৰমে মহকুমা / কেন্দ্ৰত আয়োজন কৰিছো য'ৰ পৰা এনে ল'ন লোৱা হৈছিল। এনে সদৰ / কেন্দ্ৰসমূহৰ ঠিকনা আমাৰ ৱেবছাইট www.iifl.com ত অৱগত কৰা হৈছে। আদায় নিদিয়া সকলো গ্ৰাহকৰ নিলামৰ জাননীৰ দ্বাৰা পূৰ্বেই অৱগত কৰা হৈছিল। আদায় নিদিয়া ঋণ লওঁতা সকলৰ বন্ধকত থোৱা সোণৰ গহনা আৰু অন্যান্য সবিশেষ, সংশ্লিষ্ট সদৰ / কেন্দ্ৰসমূহত উপলব্ধ। নিলাম প্ৰক্ৰিয়াৰ বিষয়ে সংশ্লিষ্ট শাখাসমূহত উপলব্ধ। এই জাননী প্ৰকাশ পোৱাৰ পিছতো আদায় নিদিয়া ঋণ লওঁতা সকলৰ প্ৰযোজ্য মূল্যসমূহৰ সৈতে সম্পূৰ্ণ বকেয়া আদায় দিয়াৰ বাবে বিকল্প থাকে, কিন্তু এই বিকল্প নিলামৰ তাৰিখ পৰ্যন্তহে প্ৰযোজ্য। যি কি নহওঁক, যি সকল ঋণ লওঁতাই 21-07-2022-ৰ এই প্ৰকাশনৰ দিনত বা ইয়াৰ পিছত তেওঁলোকৰ বকেয়া ধন আদায় দিয়ে, সেই সকলে আনুপাতিক প্ৰকাশন মূল্যও আদায় দিব লাগিব।

ডাক দিয়া সকলক 23-07-2022-ত সোণৰ গহনা পৰীক্ষণ কৰি তেওঁলোকৰ ক্ৰয়ৰ পৰিমাণ জনাবলৈ আমন্ত্ৰণ জনোৱা হৈছে। সোণৰ গহনা ''যেনেকৈ আছে য'ত আছে'' স্থিতি অনুসৰি নিলাম কৰা হৈছে। এই নিলাম কোম্পানীয়ে নিৰ্দ্ধাৰণ কৰা প্ৰক্ৰিয়া তথা নিয়ম আৰু চৰ্তৰ আধাৰত কৰা হ'ব। সংশ্লিষ্ট আদায় নিদিয়া সকলৰ ক্ষেত্ৰত কৰা এই নিলাম যদি নিলামৰ দিনত সম্পূৰ্ণ নহয়, তেন্তে বন্ধকত থোৱা সোণৰ গহনা পৰৱৰ্তী দিন (সমূহ) ত পুনৰ জাননীৰ অবিহনে কৰা হ'ব। নিলামৰ নিয়ম আৰু চৰ্তসমূহ কোম্পানীৰ স্ব-বিবেচনাত সলনি কৰা হ'ব। নিলামত ভাগ লোৱা আৰু ডাক গ্ৰহণ কৰাটো কেৱল কোম্পানীৰ স্ব-বিবেচনাত হ'ব।

আইআইএফএল ফাইনেন্স লিমিটেডে কোনো আগতীয়া জাননী নিদিয়াকৈ নিলাম তালিকাৰ পৰা যি কোনো একাউন্ট আঁতৰোৱাৰ অধিকাৰ সংৰক্ষিত ৰাখে আৰু কোনো আগতীয়া জাননী নিদিয়াকৈ নিলামৰ তাৰিখ বাতিল / সলনি কৰাৰো অধিকাৰ সংৰক্ষিত ৰাখে।

**Date: 21-07-2022**

যি কোনো অন্য সবিশেষৰ বাবে অনুগ্ৰহ কৰি যোগাযোগ কৰক:

**IIFL FINANCE LTD, 2nd Floor, Dipannita Complex, G S Road, Dispur, Guwahati - 781006 • Contact: 8876520262**

প্ৰাধিকৃত বিষয়া
(আইআইএফএল ফাইনেন্স লিমিটেড)

দৈনন্দিন বাৰ্তা
জাতি, মাটি আৰু দেশৰ সেৱাত

সম্পাদকীয়

২১ জুলাই ■ ২০২২ ■ ৪ শাওণ

# মুখ্যমন্ত্ৰীৰ গছপুলি ৰোপণ প্ৰকল্পৰ সকলোৰে সহযোগিতাৰ আৱশ্যক

অসম চৰকাৰে শেহতীয়াকৈ ৰাজ্যখনত সেউজ আৱৰণ বৃদ্ধিৰ বাবে লোৱা পদক্ষেপ আদৰণীয়। পৰ্যাপ্ত বনাৱৰণ থাকিলেহে পানী ভৈয়ামলৈ নামি অহাটো কিছু কমিব বুলি মুখ্যমন্ত্ৰীয়ে কৰা মন্তব্যই তাৎপৰ্য বহন কৰিছে। মুখ্যমন্ত্ৰীয়ে এনে পদক্ষেপৰ অংশ হিচাপে ৰাজ্য চৰকাৰে আৰম্ভ কৰা 'মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানক গছপুলি ৰোপণ প্ৰকল্প' জনতা ভৱন চৌহদত উদ্বোধন কৰে। এই প্ৰকল্পৰ যোগেদি ৰাজ্য চৰকাৰৰ সকলো শিক্ষানুষ্ঠান, কাৰ্যালয়, পঞ্চায়তীৰাজ প্ৰতিষ্ঠান চৌহদ আদিত অহা পোন্ধৰ আগষ্টলৈ গছপুলি ৰোপণৰ ব্যৱস্থা কৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে নামনি অসমত হোৱা বানৰ বাবে সততে ভূটানৰ বিদ্যুৎ প্ৰকল্পক দোষাৰোপ কৰি অহাৰ উল্লেখ কৰি কয় যে বিদ্যুৎ প্ৰকল্পৰ বিষয়টো এটা সুকীয়া আলোচনাৰ বিষয়। কিন্তু পাহাৰত বৰষুণ হ'লে নামনিলৈ পানী নামি আহিবই। এইবাৰ হোজাইত বৃহৎ বান হৈছে। তাততো কোনো বিদ্যুৎ প্ৰকল্প নাই। পাহাৰবোৰ টকলা হৈ গৈ আছে। গছ নাথাকিলে পানী কেনেকৈ ধৰি ৰাখিব। ভূটান-অসমৰ সীমান্তৱৰ্তী অংশসমূহত ব্যাপক হাৰত বন ধ্বংস হোৱাৰ উল্লেখ কৰি তেওঁ কয় যে, এই কথা উপলব্ধি কৰিব পাৰিব লাগিব। গুৱাহাটীত প্ৰৱল ৰূপত কৃত্ৰিম বান হৈ আছে, কিন্তু গুৱাহাটীৰ পাহাৰতো কোনো বিদ্যুৎ প্ৰকল্প নাই। বনাৱৰণ কমি যোৱাটো বানৰ অন্যতম প্ৰধান কাৰণ বাবে বনাৱৰণ বৃদ্ধি কৰাৰ পদক্ষেপ গ্ৰহণ কৰিব লাগিব। বন বিভাগক কঠোৰ সমালোচনা কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে, লগতে কয় কেৱল কাজিৰঙাৰ লগতে ব্যস্ত হৈ থাকে। উল্লেখ্য যে কাজিৰঙা সুৰক্ষিত হৈ থাকিবই লাগিব, কিন্তু একে সময়তে মানাহ, ওৰাং, ৰাইমনাৰ পিনে গুৰুত্ব দিব লাগিব। গুৱাহাটীৰ পাহাৰত প্ৰতি মাহত ড্ৰোণ উৰাবলৈ নিৰ্দেশ দিছিল চৰকাৰে এই বাবেই নতুনকৈ বেদখল ধৰা পৰিব অথচ ছমাহ পৰ্যন্ত বিভাগে মুখ্যমন্ত্ৰীক প্ৰতিবেদন দিব নোৱৰাৰ কথাও উল্লেখ কৰে। সেয়ে সময় মতে গম পাবৰ বাবে প্ৰতিখন বনাঞ্চলতে প্ৰতি ছমাহত ড্ৰোণ উৰুৱাবলৈ নিৰ্দেশ দিছে। বনাৱৰণ বৃদ্ধিৰ বাবে অধিক গছপুলি ৰোপণ কৰিব লাগিব বুলি উল্লেখ কৰি ভূটানৰ অংশত গছপুলি ৰোপণৰ বাবে ভূটানৰ ৰজাকো অনুৰোধ কৰাৰ কথা প্ৰকাশ কৰে। প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সময়তে আৰম্ভ কৰা ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োকাষত গছপুলি ৰোপণৰ কাৰ্যসূচীতো কাৰ্যত ৰূপায়ণ সম্পূৰ্ণ নহ'ল। শেহতীয়াকৈ নতুন চৰকাৰখনে বনাঞ্চল দখল কৰি থকা ভূমিহীন পৰিয়ালসমূহক আন ঠাইত সংস্থাপন কৰাৰ বাবে পৰিকল্পনা কৰিব লাগে আৰু তাৰ পিছতহে বেদখল উচ্ছেদ কৰিব লাগে। গছপুলি ৰোপণৰ বাবে নাৰ্ছাৰীৰ লগত বিক্ৰীৰ ব্যৱস্থাৰে আৰ্থিক লাভৰ কথা চিন্তা চৰ্চা কৰি এইক্ষেত্ৰত সফলতাৰে কাম কৰি থকা ৰাজ্যসমূহক আদৰ্শ হিচাপে লোৱাটো অতি প্ৰয়োজন। তেতিয়াহে সেউজীকৰণ ব্যৱস্থাত চৰকাৰ আৰু ৰাইজ উপকৃত হ'ব। মুখ্যমন্ত্ৰীগৰাকীক বিভাগ আৰু ৰাইজে সমৰ্থন-সহযোগ কৰাটোৰে হ'ব উত্তম।

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### মানুহৰ প্ৰতি প্ৰকৃতিৰ প্ৰত্যাহ্বান

সম্পাদক ডাঙৰীয়া

গোলকীয় বিশ্বায়নৰ ফলত সমগ্ৰ পৃথিৱীৰ লোকসকলৰ যাতায়াত, যোগাযোগ, জীৱন শৈলীৰ ব্যাপক পৰিৱৰ্তন ঘটিছে। সমান্তৰালকৈ প্ৰকৃতিৰ প্ৰতি মানুহৰ নিষ্ঠুৰতাও বাঢ়িছে। মানুহে নিজৰ প্ৰয়োজন পূৰণৰ বাবে নিৰ্বিচাৰে বনাঞ্চল ধ্বংসৰ লগতে অধিক পৰিমাণে গছ-গছনি কাটি থকা দেখা গৈছে। অৱশ্যে ভাৰত চৰকাৰে 'সেউজ ভাৰত অভিযান' আৰু ৰাষ্ট্ৰীয় বনানীকৰণ কাৰ্যসূচী ৰূপায়ণ কৰিছে। কিন্তু এনে কাৰ্যসূচীয়ে সাধাৰণ লোকসকলৰ চিন্তা আৰু দৃষ্টিভংগীত কিবা প্ৰভাৱ পেলাব পাৰিছেনে সেয়া লাখটকীয়া প্ৰশ্ন? কাৰণ চৰকাৰী আঁচনিবোৰ মানুহৰ দৈনন্দিন জীৱনৰ সৈতে সংযুক্ত কৰিব নোৱাৰিলে ব্যৱহাৰিকভাৱে বিশেষ ফলাফলৰ আশা কৰিব নোৱাৰি। জলবায়ু পৰিৱৰ্তনক লৈ সমগ্ৰ বিশ্বৰ লোকসকল চিন্তিত। ভাৰতৰ বনাঞ্চল ধ্বংস নিয়ন্ত্ৰণৰ স্বাৰ্থত ১৯৮০ চনত 'বন সংৰক্ষণ আইন' (FCA) সংসদে প্ৰণয়ন কৰিছিল। কিন্তু দুৰ্ভাগ্যজনকভাৱে এতিয়াও কাজিৰঙা, দিহিং পাটকাই, ডিমা হাচাও, কাৰ্বি আংলং, মানাহ ৰাষ্ট্ৰীয় উদ্যানকে ধৰি বিভিন্ন বনাঞ্চলত ধ্বংসযজ্ঞৰ খবৰ পোৱা যায়। এইবোৰ কেতিয়াবা চৰকাৰী পৃষ্ঠপোষকতাত চলে, কেতিয়া চোৰাং ব্যৱসায়ীৰ তৎপৰতাত। ৰাষ্ট্ৰসংঘৰ খাদ্য আৰু কৃষি সংস্থাৰ এক প্ৰতিবেদন অনুযায়ী ২০১৫ চনৰ পৰা ২০২০ চনৰ ভিতৰত বিশ্বৰ বনাঞ্চল ধ্বংসৰ হাৰ বছৰি এক কোটি হেক্টৰ বুলি অনুমান কৰা হৈছে। এতিয়া লোকসকল সচেতন হোৱাৰ সময় সমাগত। কেৱল বিশ্ব পৰিৱেশ দিৱসৰ সময়ত গছপুলি ৰোপণ কৰি দায়িত্ব সমৰিলে নহ'ব। পৰৱৰ্তী প্ৰজন্মক সুস্থ পৰিৱেশ উপহাৰ দিয়াৰ বাবে এতিয়াৰ পৰাই গছপুলি ৰোপণৰ লগতে পৰিৱেশ সংৰক্ষণৰ প্ৰতি অধিক দায়বদ্ধতাৰে গুৰুত্ব দিব লাগিব। জধে-মধে গছ-গছনি কাটি বনাঞ্চল ধ্বংস কৰিলে প্ৰকৃতিৰ কঠিন প্ৰত্যাহ্বানৰ কবলত ইতিহাস হৈ পৰিব পাৰে আমাৰ তথাকথিত সভ্যতা ।

■ আজনুৰ হক

*ফোন ঃ ৮৪৭২০-৫৮০৮৭*

### ছেবাৰ বিশ্বাসযোগ্যতা

অসম মাধ্যমিক শিক্ষা সংসদে (ছেবা) অনুষ্ঠিত কৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ খেলিমেলিক লৈয়ে প্ৰায়ে বিভিন্ন বিতৰ্ক হোৱা দেখা যায়। শিক্ষা জীৱনৰ প্ৰথম গুৰুত্বপূৰ্ণ পৰীক্ষাটোৰ ওপৰত শিক্ষাৰ্থী, অভিভাৱক, সচেতন ৰাইজ সকলোৰে দৃষ্টি নিবদ্ধ থাকে। ছাত্ৰ-ছাত্ৰীসকলে আশানুৰূপ ফল লাভ কৰিবলৈ পাৰ্যমানে চেষ্টা কৰে। লগতে অভিভাৱকসকলেও নিজৰ সন্তানৰ উৎকৃষ্ট ফলাফলৰ বাবে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি থাকে। বহু মেধাৱী শিক্ষাৰ্থীয়ে আশানুৰূপ ফল লাভ কৰিবলৈ সক্ষম নহ'লে মানসিকভাৱে ভাঙি পৰি আত্মহত্যাৰ দৰে কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰিবলৈও কুণ্ঠাবোধ নকৰে। সেয়েহে পৰীক্ষাৰ যাৱতীয় প্ৰতিটো স্তৰতে ছেবা তথা চৰকাৰে অত্যন্ত সাৱধানতা অৱলম্বন কৰিব লাগে। শিক্ষাৰ্থীসকলৰ জীৱনক লৈ হেতালি খেলাৰ অধিকাৰ কাৰোৰে নাই। আকাংক্ষিত ফলাফল লাভ কৰিবলৈ সক্ষম নোহোৱাত শেহতীয়াকৈ কেইবাজনো মেধাৱী শিক্ষাৰ্থীয়ে বহী পুনৰীক্ষণ কৰিছিল আৰু আচৰিতভাৱে তাৰে দুজন শিক্ষাৰ্থীয়ে প্ৰথম দহটা স্থানৰ ভিতৰত নিজৰ নাম সন্নিৱিষ্ট কৰিবলৈ সক্ষম হৈছে। এজনে ষষ্ঠ স্থান লাভ কৰাৰ বিপৰীতে আনগৰাকীয়ে দশম স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। ছেবাৰ ভুলৰ বাবেই ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ অবিনাশ সাধাৰণ গণিতত মাত্ৰ ৫৬ শতাংশ নম্বৰ লাভ কৰিছিল। কিন্তু পুনৰ বহী নিৰীক্ষণৰ অন্তত মেধাৱী ছাত্ৰজনে ১০০ শতাংশ নম্বৰ লাভ কৰি ৰাজ্যখনৰ ভিতৰত দশম শীৰ্ষস্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। আনহাতে, প্ৰাৰ্থনা দত্ত নামৰ মেধাৱী ছাত্ৰীগৰাকীয়ে ছেবাৰ ভুলৰ বাবে সাধাৰণ বিজ্ঞানত লাভ কৰিছিল ৬৭ শতাংশ নম্বৰ কিন্তু পুনৰ পৰীক্ষা বহী নিৰীক্ষণ কৰাত তেখেতে ৯৯ শতাংশ নম্বৰ লাভ কৰি শীৰ্ষৰ ষষ্ঠ স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। এই দুগৰাকী কৃতী শিক্ষাৰ্থীৰ লগতহে যে অকল এনে হৈছে তেনেকুৱা নিশ্চয় নহয় বা হ'ব নোৱাৰে। হয়তো তেনে আৰু হাজাৰ হাজাৰ শিক্ষাৰ্থীৰ লগত তেনেকুৱা হৈছে, যিয়ে ছেবাৰ ভুলৰ বাবেই নিজে ভবা মতে ফলাফল লাভ কৰিবলৈ সক্ষম হোৱা নাই। উক্ত শিক্ষাৰ্থী দুগৰাকীয়ে বহী পুনৰীক্ষণৰ বাবে আৱেদন কৰা বাবেহে ছেবাৰ এই ব্যাপক বিসংগতিৰ কথা পোহৰলৈ আহিছে, অন্যথা এই কথা কোনোৱে জানিবলৈ সক্ষম নহ'লহেঁতেন। ছেবাই কৰা এনে ভুলবোৰৰ উচিত তদন্ত হ'বনে? এনেবোৰ ঘটনাই ছেবাৰ বিশ্বাসযোগ্যতাৰ ওপৰতো প্ৰশ্ন তোলে।

■ ৰাতুল শৰ্মা

*ফোন ঃ ৭০০২১-৭২৯১৮*

# তাইৱানক লৈ চীন-আমেৰিকাৰ সংঘাত আৰু ভাৰতৰ অৱস্থান



**ইপাৰ-সিপাৰ**

■ বেবী সোনোৱাল হাজৰিকা

তাইৱানক লৈ পুনৰ চীন আৰু আমেৰিকাৰ মাজত সংঘাত বাঢ়িল। তাইৱানক স্বাধীন কৰাৰ যি কোনো চেষ্টাৰ বিৰুদ্ধে বেইজিঙে সামৰিক পদক্ষেপ ল'বলৈ বিন্দুমাত্ৰও দ্বিধাবোধ নকৰিব বুলি চীনে আমেৰিকাক সকীয়নি দিয়ে। যোৱা ১০ জুন ২০২২ তাৰিখে ছিংগাপুৰত অনুষ্ঠিত এছীয় নিৰাপত্তা সন্মিলনৰ ছাইডলাইনত মাৰ্কিন প্ৰতিৰক্ষা সচিব লইড অষ্টিনৰ লগত হোৱা আলোচনাত চীনৰ প্ৰতিৰক্ষা মন্ত্ৰী ওৱেই ফিংহেই এই সকীয়নি দিয়ে। ফিংহেই কয় যে, তাইৱানক চীনৰ পৰা বিচ্ছিন্ন কৰাৰ চেষ্টা কৰিলে যুদ্ধ কৰাৰ বাহিৰে চীনৰ বিকল্প নাথাকিব।

চীনৰ এই বক্তব্যক 'উচটনিমূলক আৰু শান্তি-নিৰাপত্তা ৰক্ষাৰ বিঘ্নিতকাৰী বুলি মাৰ্কিন প্ৰতিৰক্ষা সচিবে মন্তব্য কৰিছে। তেওঁ কয় যে, এতিয়া প্ৰায় প্ৰতিদিনে স্ব-শাসিত দ্বীপটোৰ (তাইৱান) কাষেদি ৰেকৰ্ডসংখ্যক চীনা বিমান উৰি গৈ আছে। যাৰ ফলত অঞ্চলটোৰ শান্তি আৰু স্থিতিশীলতাত ব্যাঘাত জন্মিছে। উল্লেখ্য যে, চীনে স্ব-শাসিত তাইৱানক নিজৰ দেশৰ অবিচ্ছেদ্য অংগ হিচাপে দাবী কৰি আহিছে। সেইদিনাৰ বৈঠকত ওৱেই ফিংহেই তাইৱানক অস্ত্ৰ বিক্ৰী কৰাৰ বাবে আমেৰিকাক তীব্ৰ ভাষাৰে নিন্দা কৰে। চীনৰ প্ৰতিৰক্ষা মন্ত্ৰীৰ উদ্ধৃতি দি তেওঁৰ মুখপাত্ৰই কয় যে, 'কোনোৱে যদি তাইৱানক চীনৰ পৰা বিচ্ছিন্ন কৰিব বিচাৰে, তেন্তে যিমান মূল্যই দিব নালাগক কিয় চীনৰ পিপ'লছ লিবাৰেচন আৰ্মীৰ (পি এল এ) হাতত যুদ্ধৰ বাহিৰে অন্য কোনো বিকল্প নাথাকিব। পি এল এই 'তাইৱানৰ স্বাধীনতা'ৰ যি কোনো চেষ্টাই বিনষ্ট কৰি দিব আৰু দেশৰ সাৰ্বভৌমত্ব আৰু আঞ্চলিক অখণ্ডতা ৰক্ষা কৰিব।'

আনহাতে, মাৰ্কিন প্ৰতিৰক্ষা সচিব অষ্টিনে তাইৱানৰ স্থিতিশীলতা বজাই ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। তেওঁ মন্তব্য কৰিছে যে, শক্তি প্ৰয়োগৰ মাধ্যমেৰে উত্তেজনা নিৰসনৰ চেষ্টা কৰা নাযায়।

এনেদৰে চীন আৰু আমেৰিকাৰ মাজত থকা সংঘাত ছিংগাপুৰৰ বৈঠকত স্পষ্ট ৰূপত দেখা দিলে। এনেও ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধত চীন ৰাছিয়াৰ পক্ষত থকা বাবে আমেৰিকাৰ চীনৰ ওপৰত খং উঠি আছে। আনহাতে, কৰ'না মহামাৰী চলি থকা সময়তে চীনে অৰ্থনৈতিক দিশত আমেৰিকাৰ দখলত থকা শীৰ্ষস্থান অধিকাৰ কৰি ল'লে। আকৌ ভাৰত-প্ৰশান্ত (ইণ্ডো-পেচিফিক) মহাসাগৰীয় অঞ্চলত চীনে দ্ৰুততাৰে প্ৰভাৱ বিস্তাৰ কৰিবলৈ তৎপৰ হৈ আহিছে বুলি অভিযোগ আছে। বেইজিঙে দক্ষিণ চীন সাগৰত আধিপত্য বিস্তাৰৰ চেষ্টা চলাই আহিছে। সেয়া ৰোধ কৰিবলৈ আমেৰিকায়ো চেষ্টাৰ ত্ৰুটি কৰা নাই।

কিছুদিন আগতে চীনক প্ৰত্যাহ্বান জনাই আমেৰিকাই দুখন ৰণতৰী পঠিয়াইছিল। যাৰ ফলত এক সংঘাতময় পৰিস্থিতিৰ উদ্ভৱ হৈছিল। প্ৰশান্ত মহাসাগৰেদি এই অঞ্চলত আমেৰিকাৰ স্বাৰ্থ জড়িত আছে বাবে অঞ্চলটোত ৱাশ্বিংটনৰ তীক্ষ্ণ নজৰ আছে। আমেৰিকাৰ বাবে তাতোকৈ ডাঙৰ কথাটো হ'ল চীনৰ ওপৰত তীক্ষ্ণ নজৰ ৰখা। চীনেও বিভিন্ন অংশত সামৰিক ঘাটি গঢ়ি প্ৰতিপক্ষৰ ওপৰত চাপ সৃষ্টিৰ চেষ্টা চলাইছে। জাপান, ভিয়েটনাম, তাইৱান আদি দেশসমূহো চীনৰ এই ভূমিকাত অসন্তুষ্ট হৈ পৰিছে। ভাৰতো লাডাখৰ পৰা অৰুণাচল প্ৰদেশ পৰ্যন্ত সীমান্তত চীনৰ পিপ'লছ লিবাৰেচন আৰ্মীৰ তৎপৰতাত অসন্তুষ্ট। চীনা সেনাৰ আগ্ৰাসী ভূমিকাত নতুন দিল্লী সদা-সতৰ্ক।

ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত চীনৰ আগ্ৰাসী মনোভাৱ আৰু ক্ৰমবৰ্ধমান শক্তিৰ বাবে বিশ্বৰ প্ৰতিখন দেশে ভাৰতৰ মুখলৈ চাই আছে বুলিও মাৰ্কিন প্ৰতিৰক্ষা সচিব লইড অষ্টিনে মন্তব্য কৰিছে। লগতে অষ্টিনে এয়াও দাবী কৰিছে যে, চীনক প্ৰতিহত কৰি এছিয়াত ভাৰসাম্য প্ৰতিষ্ঠা কৰিব পাৰিব একমাত্ৰ ভাৰতে।

'ছিংগাপুৰ ইণ্টাৰনেচনেল ইনষ্টিটিউট অৱ ষ্ট্ৰেটেজিক ষ্টাডিজ'ৰ দ্বাৰা আয়োজিত এখন সন্মিলনৰ বক্তৃতাত অষ্টিনে উল্লেখ কৰে যে, একমাত্ৰ ভাৰতৰ ক্ৰমবৰ্ধমান শক্তিয়েহে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত স্থিতিশীলতা প্ৰতিষ্ঠা কৰিব পাৰিব। লগতে তেওঁ কয় যে, ভাৰতৰ ক্ৰমবৰ্ধমান সামৰিক সক্ষমতা আৰু প্ৰযুক্তিগত দক্ষতা এই অঞ্চলত স্থিতিশীল শক্তি হৈ উঠিব পাৰে বুলি মাৰ্কিন যুক্তৰাষ্ট্ৰই বিশ্বাস কৰে। অনুষ্ঠান চলি থকা সময়ত তেওঁ ভাৰতক উল্লেখ কৰি কয় যে, ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত চীনে আগ্ৰাসী মনোভাৱ গ্ৰহণ কৰিছে আৰু অবৈধভাৱে নিজৰ সামুদ্ৰিক সক্ষমতা বৃদ্ধি কৰিছে।

অষ্টিনে আৰু মন্তব্য কৰে যে, ভাৰত সীমান্তত চীনে নিজৰ অৱস্থান কঠোৰ কৰিছে। তেওঁৰ মতে, চীনে তাইৱানক নিজৰ অংশ বুলি গণ্য কৰে। ইয়াৰ উপৰি চীনে অন্যান্য দেশৰ কিছু অংশও দাবী কৰি আহিছে আৰু ইয়াৰ বাবে আগ্ৰাসী পন্থা অৱলম্বন কৰিছে। অষ্টিনৰ মতে, চীনে দক্ষিণ চীন সাগৰত আগ্ৰাসী আৰু অবৈধ পন্থা গ্ৰহণ কৰিছে। এই অৱস্থাত আমেৰিকাই মিত্ৰ দেশসমূহৰ কাষত থিয় দিছে। লগতে তেওঁ স্পষ্টকৈ মন্তব্য কৰে যে, 'আমি আমাৰ পাৰস্পৰিক প্ৰতিৰক্ষা প্ৰতিশ্ৰুতি পালনত অটল থাকিম।'

অষ্টিনে চীনৰ আগ্ৰাসী মনোভাৱৰ কথা উল্লেখ কৰিবলৈ গৈ কয় যে, ভাৰতৰ লগতো চীনৰ সীমান্ত বিৰোধ আছে আৰু লাডাখ চেক্টৰত আক্ৰমণাত্মক মনোভাব গ্ৰহণ কৰিছে। আনহাতে, ভিয়েটনাম, তাইৱান, ফিলিপাইনছ, ব্ৰুনেই, মালয়েছিয়া আদি দেশৰো কিছু অংশক চীনে নিজৰ বুলি দাবী কৰি আহিছে। অষ্টিনে উল্লেখ কৰে যে, চীনৰ এই নীতি আৰু ভৱিষ্যৎ আগ্ৰাসনক প্ৰতিৰোধ আৰু পৰাজিত কৰিবলৈ আমেৰিকা সম্পূৰ্ণ প্ৰস্তুত। তেওঁ লগতে উল্লেখ কৰে যে, 'আমি আমাৰ বন্ধুসকলৰ কাষত থিয় দিছোঁ আৰু আমাৰ সকলোৰে নিৰাপত্তা পৰিকাঠামোক পাৰদৰ্শী কৰাৰ বাবে একেলগে কাম কৰিছোঁ।

তেওঁ কয় যে, 'আমি দেখিছোঁ যে ভাৰতৰ সীমান্তত বেইজিঙে ধাৰাবাহিকভাৱে আগ্ৰাসী কাৰ্যকলাপ বৃদ্ধি কৰি আছে। ভাৰত-প্ৰশান্ত মহাসাগৰীয় দেশসমূহক এনেদৰে ৰাজনৈতিক ভীতি প্ৰদৰ্শন কৰা, অৰ্থনৈতিক হাৰাশাস্তি কৰা বা জলদস্যুৰ দ্বাৰা আক্ৰমণ বা শান্তিহৰণ কৰা ভাল কথা নহয়।' উল্লেখ্য যে, এই অনুষ্ঠানত চীনৰ সামৰিক বাহিনীৰ কৰ্মকৰ্তাও উপস্থিত আছিল। দক্ষিণ-পূব এছিয়া সন্দৰ্ভত ভাৰত দীৰ্ঘদিন ধৰি মাৰ্কিন যুক্তৰাষ্ট্ৰৰ অংশীদাৰ। চীনে নিজৰ প্ৰভাৱ খটুৱাই বা শক্তি প্ৰদৰ্শন কৰি সমগ্ৰ এছিয়া মহাদেশত নিজৰ দাদাগিৰি দেখুৱাব খোজে। এই কথাটো আমেৰিকাৰ নখ দৰ্পণত। যোৱা কিছু বছৰ ধৰি চীন ক্ৰমশঃ শক্তিশালী দেশ হৈ উঠিছে। তাতে ৰাছিয়াৰ লগত বন্ধুত্ব দৃঢ় হোৱাত চীনৰ বেপৰোৱা মনোভাব প্ৰকাশ পাইছে। প্ৰায়ে চীনে নিজৰ অংশ বুলি দাবী কৰি তাইৱান দখল কৰাৰ ভাবুকি দি আহিছে। ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত সামৰিক দিশৰ পৰা গুৰুত্বপূৰ্ণ বিভিন্ন দ্বীপ চীনে দখল কৰাই নহয়, কিছুমান কৃত্ৰিম দ্বীপ সৃষ্টি কৰি সামৰিক ঘাটি হিচাপে ব্যৱহাৰ কৰিছে। অন্য দেশৰ উপকূলৱৰ্তী সম্পদক চীনে নিজৰ কামত লগাইছে বুলিও অভিযোগ আছে। যোৱা ২৪ জুন ২০২২ তাৰিখে জাপানৰ টকিঅ'ত অনুষ্ঠিত হৈ যোৱা কোৱাড সন্মিলনতো চীনৰ এনে কাৰ্যৰ বিৰোধিতা কৰা হৈছে। চীনৰ নাম উল্লেখ নকৰাকৈ কোৱাড সন্মিলনত আন্তৰ্জাতিক আইন মানি চলিবলৈ কোৱাৰ লগতে ভাৰত -প্ৰশান্ত মহাসাগৰীয় অঞ্চলত কোনো দেশৰ দাদাগিৰি মানি লোৱা নহ'ব বুলি চীনক সকীয়াই দিয়া হৈছিল।

ভাৰত সীমান্তত চীনে সদায় প্ৰৰোচনামূলক উত্তেজনা অব্যাহত ৰাখিছে। সেয়ে চীনৰ ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখি দেশৰ প্ৰতিৰক্ষা ব্যৱস্থাক উন্নত কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰে নতুন পদক্ষেপ ল'বলগীয়া হৈছে। ভাৰতৰ প্ৰতিৰক্ষা বিভাগে এইবাৰ ভাৰত মহাসাগৰ, দক্ষিণ চীন সাগৰ আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত ভাৰতীয় নৌবাহিনীক শক্তিশালী কৰাৰ লক্ষ্যৰে পানীৰ তলত ড্ৰোণ মোতায়েন কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। যি মূলতঃ ছাবমেৰিণ আৰু পানীৰ তলত শত্ৰুপক্ষৰ গতিবিধিৰ ওপৰত নজৰ ৰাখিব।

প্ৰসংগক্ৰমে উল্লেখ্য যে, ২০১৯ চনতেই 'আণ্ডাৰ ৱাটাৰ ড্ৰোণ'ৰ প্ৰয়োজনীয়তা আহি পৰিছিল। কাৰণ চীনৰ নৌবাহিনীয়ে নিয়মিতভাৱে ভাৰতীয় আঞ্চলিক জল সীমাত ড্ৰোণ ব্যৱহাৰ কৰিছে। ২০১৯ চনৰ ১১ ডিচেম্বৰত চীন চৰকাৰৰ এখন বৈজ্ঞানিক গৱেষণাৰ জাহাজৰ পৰা 'আপগ্ৰেডেড আণ্ডাৰ ৱাটাৰ গ্লাইডাৰ' মোতায়েন কৰিছিল। যিটোৱে পূব ভাৰত মহাসাগৰ অঞ্চলত নজৰদাৰী চলাইছে বুলি ভাৰতৰ ধাৰণা। সেনা সূত্ৰৰ খবৰ মতে, মাৰ্কিন যুদ্ধ জাহাজৰ সেনাবাহিনীয়েও চীন সাগৰত চীনা আণ্ডাৰ ৱাটাৰ ড্ৰোণ চিহ্নিত কৰিছে। গতিকে ভাৰতৰ বাবে সুৰক্ষা ব্যৱস্থা সম্পূৰ্ণৰূপে কটকটীয়া কৰাৰ প্ৰয়োজন আহি পৰিছে। যাতে সম্ভাব্য বিপদৰ পৰা দেশক ৰক্ষা কৰিব পৰা যায়।

# সামাজিক কৰ্তব্য আৰু দায়বদ্ধতা

■ আচিক আহমেদ

এই পৃথিৱীত মানুহৰ মনবোৰ সুন্দৰ কৰি জগতখনো সুন্দৰভাৱে সজাই তুলিবলৈ যত্ন কৰা উচিত। মনত কোনো ধৰণৰ কপট নৰখাকৈ শিশুৰ দৰে মুক্ত আৰু পৰিষ্কাৰ মনৰ হ'বলৈ যত্ন কৰি অন্তৰত বিশুদ্ধ ভাব ৰাখি আনৰ স'তে পাৰস্পৰিক বুজাবুজি আৰু সহযোগিতাৰে চলিব লাগে। কাৰোবাৰ ভুল দেখিলে সমালোচনাৰ পৰিৱৰ্তে ভুলবোৰ গঠনাত্মক সমালোচনাৰে দেখুৱাই দিয়ক। এই সমাজত আমাৰ ভাই-ভনী, মা-দেউতাৰ সমান কোনোৱে হ'ব নোৱাৰে হয়, বিশ্বাস সকলোৰে ক্ষেত্ৰত বেলেগ বেলেগ ধৰণৰ। কাৰোবাৰ ক্ষেত্ৰত কম-বেছি পৰিমাণে থাকিব পাৰে সেয়া ডাঙৰ কথা নহয়, তথাপি কিন্তু আমাৰ নিজৰ মা-দেউতা, ভাই-ভনীৰ সমান হ'ব নোৱাৰিলে অন্ততঃ আমি আনক যিমান পাৰোঁ সিমানেই নিজৰ বুলিয়েই ভাবিবই পাৰো। কাৰোবাৰ প্ৰতি আত্মীয়-স্বজনৰ দৰেই মৰম-ভালপোৱা ১০০ শতাংশ বিলাবলৈ সম্ভৱ নহ'ব পাৰে, তথাপি কিন্তু আমি আনক যিমান পাৰো সিমানেই নিজৰ পৰিয়ালৰ দৰে কিয় ভাবিবলৈ সমৰ্থ নহয়? কিয় আমাৰ মানসিকতাবোৰ আজিও উচ্চ নহয়? আনৰ মা-ভনী নিজৰ মা-ভনীৰ সমান হ'ব নোৱাৰিলেও নিজৰ মা-ভনী, নিজৰ বাবে যেনেকুৱা আনৰ বাবেও তেনেকুৱাই। আমাৰ নিজৰ মা-ভনীৰ দৰে আন মা-ভনীৰো শাৰীৰিক গঠন, অৱয়ৱ, পৰিয়ালৰ প্ৰতি থকা দায়িত্ববোধ একেই তেন্তে আমি আনকো নিজৰ মা-ভনীৰ দৰে কিয় ভাবিব নোৱাৰো? কিয় আনক সৎ কামনাৰ দৃষ্টিৰে চোৱাৰ পৰিৱৰ্তে বেয়া নজৰেৰে লক্ষ্য কৰো? কিয় সমাজত আজিও নাৰীৰ লগত ধৰ্ষণৰ দৰে বহুতো অমানৱীয় কাৰ্য চলি আছে? আনকো নিজৰ মা-ভনী, ভাই বা বন্ধু-বান্ধৱীৰ দৰে ভাবিব লাগিব। প্ৰকৃততে আমি সকলোৰে লগত ভাই-ভনীৰ দৰেই থকাটো সম্ভৱ নহয়, তাত কোনোবা হয়তো দাদা, খুৰী বা জীৱনসংগী বা আন ব্যক্তিও হ'ব পাৰে। গতিকে যিটো অঞ্চলত কাৰোবাৰ জীৱন সংগী গঢ়াৰ আশাই নাথাকে সেই অঞ্চলত আৰু বিয়াৰ পাছত অন্ততঃ আন ছোৱালীৰ স'তে ভাই-ভনীৰ দৰে থাকিব পাৰো আৰু তেতিয়া মনত বেয়া কামনা নাইবা বেয়া চিন্তা-ভাবনাই ঠাই ল'ব নোৱাৰে। কিন্তু সকলোৰে ভাই-ভনী হ'ব নোৱাৰে। আন কিছুমান মানুহ আপোনাৰ আত্মীয়-স্বজনৰ দৰেও হ'ব পাৰে, মুঠৰ ওপৰত আন ব্যক্তিৰ প্ৰতি আমাৰ মনত সৎ ভাব থাকিলেই সেয়াই যথেষ্ট। তেতিয়া হিংসা, বিদ্ৰোহ, ধৰ্ষণ আদিৰ দৰে কাৰ্য পৰিলক্ষিত নহয় সমাজ সুন্দৰ হৈ পৰিব। মানুহৰ মনবোৰ সুন্দৰ হ'লে জগতখনো অধিক সুন্দৰ হৈ পৰিব। সমাজত নাৰীৰ স'তে চলি থকা নিৰ্যাতন, বোৱাৰী নিৰ্যাতন, ধৰ্ষণ আদিৰ বিৰোধিতা কৰি যোগ্য নাৰীক বিশেষ সন্মান দিবলৈ যত্ন কৰিব লাগিব, কিয়নো নাৰী হৈছে সৃষ্টিৰ প্ৰতীক, নাৰীক নদীৰ লগত তুলনা কৰা হয়, নাৰী হ'ল মমতাময়ী, সহনশীলা, লক্ষ্মী আৰু বহুতো। ইয়াৰ উপৰি আজিৰ সমাজ বিশুদ্ধভাৱে নিৰ্মাণ কৰিবলৈ আমি সাজু হ'ব লাগে। প্ৰতিজন ব্যক্তিৰ মানসিকতা সলনি হ'লে সমাজো সলনি হ'ব।

তেনেদৰে জীৱনত আপোনাৰ বিষয়ে কোনোবাই মিছাকৈ অভিযোগ দিয়া ব্যক্তিবোৰৰ চিন্তাধাৰাই নেতিবাচক। গতিকে জীৱনত আনৰ বিষয়ে নেতিবাচক কথা কওঁতে সদায় সাৱধান হ'ব অন্যথা যাৰ ভুল তেওঁৰ আগত ক'ব। আনৰ আগত ক'লে আনৰ ভুল আনে সংশোধন কৰিব নোৱাৰে। মানুহৰ মাজত পাৰস্পৰিক বুজাবুজিৰ বহু প্ৰয়োজন। সদায় ইজনে সিজনৰ লগত পাৰস্পৰিক বুজাবুজি আৰু সহযোগিতাৰে চলক তথাপি কিন্তু আনক অভিযোগ নতুবা নেতিবাচক মন্তব্য সহজে নিদিব, জীৱনত প্ৰতিযোগিতা কৰক তথাপি কিন্তু হিংসা নকৰিব। কিয়নো এখন তাল অকলে কেতিয়াও নাবাজে। এখন বাজিলেহে আনখন তাল বাজিব।!পৃথীৱিত কোনো মানুহেই পাৰ্ফেক্ট নহয়। আপোন ভালে জগত ভাল। সমাজত ভাল-বেয়া বিচাৰ নকৰি প্ৰকৃত বিচক্ষণজনহে মিলি থাকিব পাৰে। আপুনি যিমানেই সাকৰাত্মক হ'ব সিমানেই আপোনাৰ প্ৰতিটো কথাই প্ৰতি সাকৰাত্মক দিশটো প্ৰদৰ্শন হোৱাৰ লগতে জীৱন সুন্দৰময় হৈ পৰিব। তেনেদৰে প্ৰকৃততে কিছুমান ছোৱালীয়ে চুটি কাপোৰ পিন্ধিলে কিছুমান মানৱৰূপী দানৱ নতুবা দেৱতাৰ কু-নজৰৰ বাবে বেয়া প্ৰভাৱ পৰিব পাৰে, সেয়া হয়। ইয়াৰ জ্বলন্ত উদাহৰণ ধৰ্ষণ। লগতে দেখিবলৈ সৌন্দৰ্যময় নহয়। কিন্তু চুটি কাপোৰৰ নামত অৰ্ধনগ্ন হৈ পোছাক পৰিধান কৰাৰ কথা মই কোৱা নাই। আচলতে চুটি কাপোৰ পিন্ধাজনৰ দোষ তেওঁৰ হয় জানো? তেওঁ তেওঁৰ স্বাধীনতাত চলিছে, আনে ক'ব লগা কি আছে? !কিন্তু যিয়ে বেয়াকৈ কৈছে তেওঁৰ দৃষ্টিভংগী, লেতেৰা কাপোৰ চুটিকৈ পিন্ধাজনৰ নহয়। সেয়েহে মনত ৰাখিব কাৰোবাৰ মনত লংপেণ্ট, ছাৰ্ট পিন্ধিও মনত ভাল ভাব থাকিব পাৰে।

ইয়াৰ বিপৰীতে আন একাংশৰ মাজত ওৰণিৰ টানিও মনত হিংসা, বিদ্ৰোহ থাকিব পাৰে গতিকে পোনতে মনৰ পৰ্দা সঠিক কৰা উচিত। মনত ৰাখিব আপোনাৰ বাহ্যিক সৌন্দৰ্য কিমান ধুনীয়া সেয়া দৰকাৰী নহয়, ঘৰটো কিমান ডাঙৰ সেয়া দৰকাৰী নহয় কিন্তু আপোনাৰ মনৰ সৌন্দৰ্য কিমান, মনটো কিমান বিশাল সেয়াহে প্ৰয়োজনীয়। গতিকে মনত কোনো ধৰণৰ কপট নৰখাকৈ উচ্চ আৰু সাকাৰাত্মক চিন্তা-ধাৰাৰে, মুক্ত আৰু শিশুৰ দৰে পৰিষ্কাৰ মনৰ গৰাকী হ'বলৈ যত্ন কৰা উচিত। মানুহক মানুহৰ বাবে হৃদয়ৰ প্ৰয়োজন, য'ত মৰম, ভালপোৱা নিস্বাৰ্থভাৱে থাকিব লাগে।

ড° ভূপেন হাজৰিকাই কৈছিল— 'মানুহে মানুহৰ বাবে যদিহে অকণো নাভাবে /ভাবিব কোনেনো কোৱাঁ.... প্ৰকৃততে আমি সদায় মানুহ হ'বলৈ যত্ন কৰিব লাগে, আপোনাৰ ধন-সম্পত্তি, আপোনাৰ স্থান কিমান সেয়া ডাঙৰ কথা নহয়, ডাঙৰ কথাটো হ'ল আপোনাৰ মনটো কিমান ধনী !সৌন্দৰ্য আপোনাক নিজৰ মনৰ পৰা গঢ়ি তোলক। গতিকে সদায় বাহিৰত নাৰিকলৰ বাকলিৰ দৰে টান হ'লেও ভিতৰ ভাগ কোমল হ'বলৈ যত্ন কৰক। এজন মানুহৰ পৰিচয় তেওঁৰ মুখৰে শব্দ নতুবা শুৱলা কথাৰে নহয়। এজন মানুহৰ পৰিচয় হয় তেওঁৰ কৰ্মৰে। গতিকে আমি কেৱল নিজৰ কথা নাভাবি আনৰো সুখ-দুখ বুজিবলৈ সহানুভূতিৰ প্ৰয়োজন, কিয়নো আনৰ দুখত দুখী আৰু আনৰ সুখত সুখী হোৱাই হৈছে প্ৰকৃত মানৱ। আপুনি নিম্ন স্থান নতুবা মধ্য স্থানৰ হওক !আপুনি যিয়েই নহওক কিয় কিন্তু সদায় মানুহৰ বাবে হৃদয়ৰ প্ৰয়োজন, কেৱল শুৱলা শব্দৰ নহয় য'ত মৰম, দয়া, সহানুভূতিৰে বিপদৰ সময়ত আনলৈ সহায়ৰ হাত আগবঢ়াই দিব। সেয়ে কোৱা হয়— মানুহৰ পৰিচয় হয় এখন বহল অন্তৰ আৰু উচ্চ মানসিকতাৰে।

সত্যৰ পথৰ পৰা বিচলিত নহৈ, অন্যায়ৰ প্ৰতিবাদ কৰি সততাৰ পৰিচয়ৰে ন্যায় তথা শুদ্ধ পথত চলিবলৈ যত্ন কৰিব লাগিব, য'ত বিশ্বাসঘাতকতা, হিংসা-বিদ্ৰোহ, প্ৰলোভন, লোভ, লুণ্ঠন, শোষণ, অত্যাচাৰ, নিৰ্যাতন, অন্যায় আদি নাথাকিব আৰু নৈতিকতাৰ বিৰুদ্ধে মানুহে গতি নকৰিব। সামাজিক দৃষ্টিত পুৰুষ-মহিলাৰ স্থিতি সমান হ'ব লাগিব। পুৰুষ-মহিলাই সামাজিকভাৱে অধিকাৰ উপভোগ কৰিব পাৰিব লাগিব। ইয়াৰ উপৰি মানুহৰ মনবোৰ বিশাল আৰু উচ্চ মানসিকতাৰ স'তে সাকাৰাত্মক হ'লে সমাজতান্ত্ৰিক ব্যৱস্থা সুন্দৰ হৈ পৰিব। আনৰ অন্ধ ভক্ত হৈ থাকিলে নহ'ব, কথাবোৰ গভীৰভাৱে চালি-জাৰি চাব লাগিব, হৃদয়ত মানৱতা গুনৰে পৰিপূৰ্ণ হৈ থাকিব লাগিব, যোগ্যজনে শুদ্ধ বিচাৰেৰে উচিত স্থান পাব লাগিব আৰু আমি প্ৰলোভন বিক্ৰী নাযাই বিবেকেৰে কাম কৰিব লাগিব। আনক অনুধাৱন কৰিব নোৱৰাকৈ সহজতে বিচাৰ কৰিবলৈ নাযাব, আপুনি হয়তো নাজানিব পাৰে কাৰ স'তে কি ঘটনা চলি আছে। তেনেদৰে ছোৱালী ঘৰৰ ভিতৰত সোমাই থাকিলে চৰিত্ৰ ভাল, ক'লা মেকুৰী সন্মুখৰে পাৰ হ'লে যাত্ৰা বেয়া আদি ভ্ৰান্ত ধাৰণা পৰিত্যাগ কৰক। আনক বদনাম দিবলৈ চেষ্টা নকৰিব। সদায় সাকাৰাত্মক হ'বলৈ যত্ন কৰক। কোনোবাই কাৰোবাৰ লগত নিজৰ ভাই-ভনী ভাবি নতুবা বন্ধু-বান্ধৱীৰ ৰূপত কথা পাতিব পাৰে নতুবা মিলা-প্ৰীতিৰে থাকিব পাৰে, সেয়া দেখি আপুনি আচল ৰহস্য নজনাকৈ নেতিবাচক মন্তব্য মনলৈ নানিব বা দিব নাযাব, সেয়া ছ'চিয়েল মিডিয়াতেই হওক নতুবা বাস্তৱ জীৱনতেই। এনেকুৱা বহু ধৰণৰ কথা কেতিয়াবা একাংশ মানুহে অনুধাৱন কৰিব নোৱাৰি কিছুমান মানুহক সমাজত মিছলীয়া বদনামৰ বশৱৰ্তী কৰি তোলে, গতিকে সদায় আনৰ প্ৰতি সাকাৰাত্মক আৰু ভাল চিন্তা ৰাখক।

বাস্তৱবাদী আৰু বিশ্বাসী হ'বলৈ শিকক, মিছলীয়া নহ'ব। আনক প্ৰতাৰণা নকৰিব, সোণৰ হৰিণাৰ পাছত দৌৰি নিজৰ লক্ষ্যক বিসৰ্জন নিদিব। সুবিধাবাদী নহ'ব, নিজস্ব স্বাৰ্থৰ পাছত দৌৰি আনৰ অন্যায় নকৰিব, আনৰো নিজৰ পৰিয়ালৰ দৰেই ভাল দৃষ্টিৰে চাওক, কামনাৰ চকুৰে নাচাব। মিছলীয়া কথাৰে হৃদয় জিনাতকৈ বাস্তৱেৰে হৃদয়ত ঠাই লোৱাতহে প্ৰকৃত বিধৰ সঁচা ব্যক্তি ।আপোনাৰ স্থান যিয়েই নহওক কিয় মানুহ হ'বলৈ যত্ন কৰক, হৃদয়খন চাফা হ'বলৈ যত্ন কৰক। আপোনাৰ অন্তৰত থকা চিন্তা-ভাবনা, আপোনাৰ মানসিকতাৰ আপোনাৰ আচল পৰিচয়। গতিকে মানুহৰ মনবোৰ সুন্দৰ হ'লে আনকো নিজৰ মা-দেউতা, ভাই-ভনীৰ দৰেই যেন লাগিব, মৰম উপজিব !কোনো ধৰণৰ হিংসা, বিদ্ৰোহ, ভেদাভেদ নাথাকিব। সকলোৰে মাজত একে দেহৰ ৰক্ত তথা একেখন নাৱৰ যাত্ৰীৰ পৰিচয়ৰে এখন বহুৰঙী ফুলনি বাগিচাৰ দৰেই অনৈক্যৰ মাজত মিলা-প্ৰীতিৰে এক হোৱাৰ পৰিচয় আমাৰ মাজত থাকিব, মানুহবোৰৰ মাজত শ্ৰদ্ধা, সন্মান নিজস্ব গুৰুজনাৰ প্ৰতি ভক্তি অটুট ৰাখিব। মানুহবোৰৰ মাজত আদৰ্শ, নৈতিকতাৰে পৰিপূৰ্ণ হৈ থাকিব। সকলোৱে নিজৰ জাতি-জনগোষ্ঠী, সংস্কৃতি, পৰম্পৰা তথা ৰীতি-নীতিৰ আধাৰত চলিব। আমি আমাৰ নিজৰ সুখ-দুখৰ মাজত ব্যস্ত নাথাকি, আনৰো সুখ-দুখৰ সমভাগী হ'বলৈ চেষ্টা কৰিব লাগে, কিয়নো আনৰ সুখত সুখী আনৰ আনৰ দুখত দুখী হোৱাই প্ৰকৃত মানৱ আৰু তেতিয়া ইজনে সিজনৰ মাজত কোনো মতানৈক্যৰ সৃষ্টি নকৰি মানৱতাৰ সুন্দৰ নিদৰ্শন দাঙি ধৰি এখন অধিক সুন্দৰ সমাজ সাজিবলৈ সক্ষম হ'ব।

*ফোন ঃ ৯৩৬৫৮-৬৫০৮২*

# সাম্প্ৰতিক সময়ৰ আটাইতকৈ মাৰাত্মক নিচা হৈছে 'ধৰ্মীয় নিচা'

■ জুলহাছ আলী আহমেদ

সম্প্ৰতি ধৰ্মীয় মাদকতাই সমগ্ৰ দেশব্যাপী কালৰূপ ধাৰণ কৰা পৰিলক্ষিত হৈছে। ধৰ্মৰ নিচাত মাতাল একাংশ অতি ধৰ্মান্ধ লোকে মানৱতাৰ সকলো সীমা চেৰাই গৈ জীৱশ্ৰেষ্ঠ মানুক পদে পদে লাঞ্ছনা, অপমান কৰি গৈছে। শাৰীৰিক তথা মানসিকভাৱে হাৰাশাস্তি কৰাৰো ধৃষ্টতা অনেক আছে। য'ত ধৰ্ম, জাত-পাতৰ বাচ-বিচাৰ নকৰি দ্বিধাহীনভাৱে মানুহে মানুহৰ হ'ব লাগিছিল কিন্তু আজি সেই মানুহেই মানুহৰ কাল হৈ থিয় দিছে। ইয়াতকৈ লজ্জাজনক আৰু পৰিতাপৰ বিষয় মানৱ সমাজৰ বাবে আৰু কি হ'ব পাৰে। ধৰ্ম শাস্ত্ৰৰ পাত লুটিয়াই চালে দেখা যায় যে, 'ক'তো হিংসা, ঘৃণা, নিন্দা, বিভেদ, বিদ্বেষ, ঈৰ্ষা, শত্ৰুতা তথা বৈষম্যৰ কথা উল্লেখ নাই বৰঞ্চ, মানৱ সেৱাক ঈশ্বৰ পূজাৰ লগত তুলনা কৰা হৈছে, কোৱা হৈছে পৰমাত্মাই পৰমেশ্বৰ। য'ত জীৱ ত'ত শিৱ এই উদাৰ বাণীযাৰে মনুষ্য জাতিক কৃতাৰ্থ কৰা ধৰ্মক আজি এচামে ৰাগীয়াল বস্তুত পৰিণত কৰা দেখিবলৈ পোৱা গৈছে। যিগৰাকী মহান ব্যক্তিয়ে কোটি টকা খৰচ কৰি এজন ভিন্ন ধৰ্মৰ লোকক বচাব পাৰে তেনেকুৱা দেৱতাৰূপী ব্যক্তিক ধৰ্মীয় নিচাগ্ৰস্ত ব্যক্তিয়েই মানসিকভাৱে টৰ্চাৰ কৰিব পাৰে। উল্লেখ্য যে, সৌসিদিনা লক্ষ্ণৌত ২ হাজাৰ কোটি ব্যয় সাপেক্ষে নিৰ্মাণ কৰা উত্তৰপ্ৰদেশৰ সৰ্ববৃহৎ লুলু ম'লত নামাজ পঢ়াৰ এটা ভিডিঅ' ছ'চিয়েল নেটৱৰ্কিং চাইটত ভাইৰেল হোৱাৰ পাছতেই হিন্দু মহাসভাকে ধৰি একাংশ উগ্ৰ হিন্দুত্ববাদী সংগঠনৰ আক্ৰমণৰ লক্ষ্যবস্তুত পৰিণত হৈ পৰিছে উক্ত ম'লখনৰ স্বত্বাধিকাৰী ইউছুফ আলী। ধৰ্মীয় মাদকতাত মাতাল একাংশ অতি ধৰ্মান্ধ লোকৰ দ্বাৰা লাঞ্ছনা, অপমান-অপদস্থৰ সন্মুখীন হোৱা এইগৰাকী ইউছুফ আলী নামৰ উদাৰবাদী ব্যক্তিজনেই ২০১২ ইংৰাজী বৰ্ষত অসাৱধানতাৰে গাড়ী চলাই চুডানৰ এগৰাকী ছাত্ৰক হত্যা কৰাৰ অভিযোগত আৰব আমিৰাতৰ এখন শাৰিয়া আদালতে মৃত্যুদণ্ডৰে দণ্ডিত কৰা বে' কৃষ্ণন নামৰ এজন ভাৰতীয় হিন্দুৰ হৈ ৫ লাখ দিহৰাম অৰ্থাৎ ভাৰতীয় হিচাবত ১ কোটি টকা ক্ষতিপূৰণ বা জৰিমনা আদায় দি শ্ৰী বে' কৃষ্ণনক ফাঁচী হোৱাৰ পৰা ৰক্ষা কৰিছিল। যিজন ইউছুফ আলীয়ে জাতি, ধৰ্ম তথা দল-মত নিৰ্বিশেষে গুজৰাটৰ ভূমিকম্পৰ পৰা আৰম্ভ কৰি কেৰালাৰ বানপানী, ছুনামিকে ধৰি য'তেই প্ৰাকৃতিক দুৰ্যোগে দেখা দিছে ত'তেই ত্ৰাণকৰ্তাৰ ৰূপত আৱিৰ্ভাৱ হৈছে আৰ্তজনৰ কাষত। দুৰ্যোগ কবলিত এলেকাত উপস্থিত হৈ ক্ষতিগ্ৰস্ত লোকসকলক কোটি কোটি টকাৰ সাহায্য আগবঢ়াই অহা ইউছুফ আলীয়ে হিন্দু, মুছলমান, বৌদ্ধ, খ্ৰীষ্টান আদি ধৰ্ম, বাজ-বিচাৰ নকৰি এতিয়ালৈকে প্ৰায় ৫৭ হাজাৰ ভাৰতীয় যুৱক-যুৱতীক কৰ্মসংস্থাপনৰ ব্যৱস্থা কৰি দিছে। আজি সেইগৰাকী বহল মনৰ মহান দাতা ইউছুফ আলী হিন্দুত্ববাদীসকলৰ হাতত অপমানিত, লাঞ্ছিত হ'বলগীয়া হৈছে। ইউছুফ আলীয়ে নতুনকৈ মুকলি কৰা তেওঁৰ ব্যক্তিগত মল এটাত তেওঁ বিশ্বাস কৰা ধৰ্মৰ কিছু ধৰ্মীয় নিয়ম-নীতি বা আচাৰ-অনুষ্ঠান পালন কৰাৰ অধিকাৰ নিশ্চয়ই আছে আৰু ভাৰতীয় সংবিধানে সেইটো দিছেও। তেনেস্থলত ইউছুফ আলীক এইদৰে টাৰ্গেট কৰি লোৱাৰ উদ্দেশ্য কি? আচলতে এয়া ধৰ্মীয় গোড়ামীৰ নামান্তৰ আৰু ধৰ্মীয় নিচাসক্তৰ পৰিচায়ক। যিখন দেশৰ আকাশে-বতাহে পুৱা-গধূলি শংখ-ঘণ্টা আৰু নাগাৰাৰ ধ্বনি শুনিবলৈ পোৱা যায়, যিখন ভাৰতাত্মাৰ পৰা পুৱা-গধূলি আৰু দুপৰীয়া দেশৰ গগন-পৱনত ভাহি আহে আজান আৰু জিকিৰৰ ধ্বনি। যি বিশ্বৰ সৰ্বসুন্দৰতম, স্বৰ্গতুল্য ভাৰতত সময়ে সময়ে অনুষ্ঠিত হৈ অহা বিভিন্ন জাতি-ধৰ্মাৱলম্বী লোকসকলৰ উৎসৱ-পাৰ্বণ আদিয়ে একতাৰ এনাজৰীৰ ছবিখনৰেই ইংগিত বহন কৰি আহিছে, আজি সেই বিশ্ব জিলিকা সম্প্ৰীতিৰ ছবিখনত যেন কালিমা সানিবলৈ প্ৰয়াস কৰা হৈছে। যিটো ধৰ্ম, সমাজ তথা ৰাষ্ট্ৰৰ বাবে অশনি সংকেত।

*ফোন ঃ ৯৭০৬৬-৬৬১৯২*



# জ্ঞান-বিজ্ঞান সমিতি অসমৰ প্ৰতিষ্ঠা দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্দেৰীঘাট, ২০ জুলাই ঃ** ছিপাঝাৰ খণ্ড জ্ঞান-বিজ্ঞান সমিতিৰ উদ্যোগত জ্ঞান-বিজ্ঞান সমিতি অসমৰ প্ৰতিষ্ঠা দিৱসটি ১৯ জুলাইত জয়ন্তীপুৰ প্ৰাথমিক বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। সেই লৈ ৰাতিপুৱা সমিতিৰ পতাকা উত্তোলন কৰে সমিতিৰ সভাপতি প্ৰবীণ নাথে। দিনৰ দহ বজাৰ পৰা অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে প্ৰবীণ নাথে। বিশিষ্ট অতিথি হিচাপে ভাষণ ৰাখে জ্ঞান-বিজ্ঞান সমিতি, অসমৰ প্ৰাক্তন উপ-সভাপতি ভূষণ চন্দ্ৰ চহৰীয়াই। ইয়াৰ উপৰিও সভাত বাপুজী বালিকা উঃমাঃ বিদ্যালয়ৰ অৱসৰী প্ৰধান শিক্ষক শান্তিৰাম ডেকা, জ্ঞান-বিজ্ঞান সমিতি, অসমৰ সচিব দিলীপ কলিতা, জ্ঞান-বিজ্ঞান সমিতি, অসমৰ সমন্বয়ক ধ্ৰুৱজ্যোতি দাস আৰু খণ্ড সমিতিৰ কেইবাগৰাকী বিষয়ববীয়াই বিভিন্ন দিশত বক্তব্য দাঙি ধৰে। সভাত জ্ঞান-বিজ্ঞান সমিতি, অসমৰ উদ্যোগত অনুষ্ঠিত জ্ঞান-বিজ্ঞান বৃত্তি পৰীক্ষাত উত্তীৰ্ণ ছিপাঝাৰ খণ্ডৰ কেইবাগৰাকী কৃতি ছাত্ৰ-ছাত্ৰীক বঁটা প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানতে জ্ঞান-বিজ্ঞান সমিতি অসমে হৃতৈষী সদস্য সন্মানেৰে সন্মানিত কৰা ছিপাঝাৰ খণ্ড জ্ঞান-বিজ্ঞান সমিতিৰ প্ৰাক্তন সভানেত্ৰী কিৰণ ভাগৰতীক সম্বৰ্ধনা জনায়। অনুষ্ঠানটি অনুষ্ঠিত কৰাত বিভিন্নজন ব্যক্তিয়ে আগবঢ়োৱা সহায়ৰ বাবে ছিপাঝাৰ খণ্ড জ্ঞান বিজ্ঞান সমিতিৰ সচিবে সকলোলৈ কৃতজ্ঞতা জ্ঞাপন কৰে।

### কোন হ'ব পৰৱৰ্তী সাহিত্য সভাৰ সভাপতি-সম্পাদক?

# ডিব্ৰুগড়ৰ পংকজ কুমাৰ দত্ত অসম সাহিত্য সভাৰ ইতিহাসত প্ৰধান সম্পাদক পদৰ সৰ্বকনিষ্ঠ দাবীদাৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২০ জুলাই ঃ** অসম সাহিত্য সভাৰ নিৰ্বাচন সমাগত। সভাৰ পৰৱৰ্তী সভাপতি পদৰ বাবে চৰ্চালৈ আহিছে অৰুণাচল প্ৰদেশৰ বিশিষ্ট সাহিত্যিক যেহেঁ দেৱজে ঠেংচি, সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° জগদীশ পাটগিৰি, সূৰ্য হাজৰিকা আৰু নাহেন্দ্ৰ পাদুনৰ নাম। পৰৱৰ্তী প্ৰধান সম্পাদক পদৰ বাবে ৰমানন্দন বৰা, পংকজ কুমাৰ দত্ত, দেৱজিৎ বৰা আৰু ড° উপেন্দ্ৰজিত শৰ্মাৰ নাম চৰ্চিত হৈছে। অসমৰ জাতীয় জীৱনৰ সৰ্ববৃহৎ অনুষ্ঠানটোৰ পৰৱৰ্তী প্ৰধান সম্পাদক পদৰ বাবে ইতিমধ্যে গল্পকাৰ, সাংবাদিক পংকজ কুমাৰ দত্তৰ নাম চৰ্চিত হোৱাত আনন্দিত ডিব্ৰুগড়বাসী। ডিব্ৰুগড়ৰ সুসন্তান, গুৱাহাটী নিবাসী ছাত্ৰাৱস্থাৰ পৰাই সাহিত্য-সংস্কৃতিৰ সৈতে জড়িত পংকজ কুমাৰ দত্ত অসমৰ বৈদ্যুতিন মাধ্যমৰ এগৰাকী জ্যেষ্ঠ সাংবাদিক। অসম সাহিত্য সভাৰ মুখপাত্ৰ হিচাপে বৰ্তমান দায়িত্ব পালন কৰাৰ উপৰিও অসম সাহিত্য সভাৰ প্ৰকল্পৰ বিভিন্ন প্ৰকল্পৰ লগত জড়িত পংকজ কুমাৰ দত্ত হৈছে সভাৰ এশ বছৰীয়া ইতিহাসত প্ৰধান সম্পাদক পদৰ সৰ্বকনিষ্ঠ দাবীদাৰ। সাম্প্ৰতিক প্ৰজন্মৰ এগৰাকী সফল গল্পকাৰ পংকজ কুমাৰ দত্তৰ নাম সাহিত্য অকাডেমিৰ যুৱ বঁটাৰ বাবেও তালিকাভুক্ত হৈছিল। সাহিত্য আৰু সাংবাদিকতাৰ বাবে বিভিন্ন বঁটা লাভ কৰা পংকজ কুমাৰ দত্তৰ গল্প বাংলা, ওৰিয়া আদি ভাষালৈ অনুবাদ হৈছে। অসম প্ৰকাশন পৰিষদ, অসম সাহিত্য সভা, জ্যোতি প্ৰকাশন, বনলতা, পূৰ্বায়ন প্ৰকাশন আদিয়ে দত্তৰ গ্ৰন্থ প্ৰকাশ কৰিছে। 'অৰণ্যৰ ৰ'দ-বৰষুণ-হাজাৰ বছৰৰ অসমৰ প্ৰকৃতিৰ ইতিবৃত্ত' নামৰ গৱেষণামূলক গ্ৰন্থ প্ৰণয়ন কৰা পংকজ কুমাৰ দত্ত অসমৰ অৰণ্য আৰু পৰিৱেশ সংৰক্ষণ আন্দোলনৰ লগতো দীৰ্ঘকাল ধৰি জড়িত। অসম সাহিত্য সভাৰ অধিৱেশনকে ধৰি বিভিন্ন উপলক্ষত ভাষা সম্পৰ্কীয় কৰ্মশালা, গল্পকাৰ সন্মিলন, প্ৰকৃতি সাহিত্য লেখক সন্মিলন আদিৰ অন্যতম প্ৰধান উদ্যোক্তা পংকজ কুমাৰ দত্ত। যদি আলোচিত হোৱাৰ ধৰণেই হৈ উঠে তেন্তে অসম সাহিত্য সভাৰ ইতিহাসাত সৰ্বকনিষ্ঠ সম্পাদক হোৱাৰ পথত ডিব্ৰুগড়ৰ সু-সন্তান পংকজ কুমাৰ দত্ত।

# জুইত জাহ গ'ল শইকীয়া চুবুৰি গাঁৱৰ অযোধ্যা বজগাইৰ গৃহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিৰাঙুলি ২০ জুলাই ঃ** ঢেকীয়াজুলি ৰাজহ চক্ৰৰ অন্তৰ্গত শইকীয়া চুবুৰি গাঁৱৰ অযোধ্যা বজগাইৰ ঘৰত ১৯ জুলাইৰ সন্ধিয়া ৯ বজাত বিধ্বংসী অগ্নিকাণ্ড সংঘটিত হয়। অগ্নিকাণ্ডটোৰ ফলত ঘৰৰ বস্তুবোৰ যাৰতীয় নথিৰ লগতে গৃহটোও সম্পূৰ্ণৰূপে ভস্মীভূত হয়। ৰাইজৰ তৎপৰতাত কথমপি ৰক্ষা পৰে ঘৰৰ দুটাকৈ চিলিণ্ডাৰ আৰু পশুধন। পলমকৈ হ'লেও অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হোৱাত অৱশেষত ৰাইজৰ সহযোগত জুই নিৰ্বাপণ কৰা হয়। অতিকৈ দুখীয়া পৰিয়ালত সংঘটিত হোৱা অগ্নিকাণ্ডটোৰ ফলত পৰিয়ালটোলৈ ঘোৰ অমানিশা নামি আহে। এই ক্ষেত্ৰে চৰকাৰ তথা প্ৰশাসনৰ সহায় ভিক্ষা কৰিছে দুৰ্ভাগ্যা পৰিয়ালটিয়ে।

### কাইলৈ দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ কৃষ্টি প্ৰদৰ্শন

# দৰঙী উন্মোচন, দৰঙী শিৰোমণি বঁটা প্ৰদান অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২০ জুলাই ঃ** সাংস্কৃতিক জগতখন চহকী কৰি তোলা দৰঙী কলা কৃষ্টি সমূহৰ সংৰক্ষণ, সংবৰ্দ্ধন,গবেষণা,উত্তৰণ তথা বহুল প্ৰচাৰৰ লক্ষ্যৰে ১৯৭৪ চনতে প্ৰতিষ্ঠা লাভ কৰা দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘই সগৌৰৱে ৪৮ টকা বৰ্ষত ভৰি দিছে। দৰঙী ৰাইজ তথা দৰঙী লোকশিল্পীসকলৰ আত্মাস্বৰূপ সাৰ্বজনীন অনুষ্ঠানটিৰ গৌৰৱোজ্জ্বল ৪৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে কাইলৈ ২২ জুলাইত দিনজোৰা দৰঙী কলা- কৃষ্টি প্ৰদৰ্শনৰ মাজেৰে সংঘৰ স্থায়ী ভৱনত শিৰোমণি বঁটা ৰাজহুৱাভাৱে প্ৰদান কৰা হ'ব। পুৱা ১০ বজাত দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ প্ৰতিষ্ঠাপক সহকাৰী সম্পাদক নীলকান্ত চহৰীয়াই বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ আৰম্ভণি কৰাৰ পিছত ১০.৩০ বজাত ভোটা প্ৰজ্বলন কৰিব ছিপাঝাৰৰ প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়াই, ১১ বজাত দৰঙী লোক-কৃষ্টি প্ৰদৰ্শন। উদ্বোধন কৰিব ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে। দিনৰ ১২ বজাত মুখপত্ৰ দৰঙী উন্মোচন কৰিব দৰঙৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই। অনুষ্ঠানত সুহৃদ অতিথি হিচাপে মঙলদৈৰ বিধায়ক বসন্ত দাস, কলাইগাঁৱৰ বিধায়ক দুৰ্গাদাস বড়ো, দলগাঁৱৰ বিধায়ক মজিবুৰ ৰহমান, অসম মীন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, দৰঙৰ আৰক্ষী অধীক্ষক ৰাজমোহন ৰায়, দৰং জিলা পৰিষদৰ সভাপতি ধীৰেন্দ্ৰ ডেকা, দৰং জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ৰমেন মালাকাৰ, ছিপাঝাৰৰ সাংস্কৃতিক উন্নয়ন বিষয়া ধনদা দাস হাজৰিকা, ছিপাঝাৰৰ ৰাজহ চক্ৰ বিষয়া কমলজিৎ শৰ্মা, খণ্ড উন্নয়ন বিষয়া মদন বৰ্মন, এছ আৰ ডি গ্ৰুপ, মঙলদৈৰ সঞ্চালক অনুপম ডেকা, ওদালগুৰিৰ খণ্ড উন্নয়ন বিষয়া মনোজ বণিয়া, দলগাঁৱৰ বিশিষ্ট সমাজসেৱী কুলেন হাজৰিকা, মঙলদৈৰ বিশিষ্ট সমাজসেৱী কল্পসিং বৰদলৈ, ছিপাঝাৰৰ বিশিষ্ট সমাজসেৱী কুলদীপ বৰুৱা, মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলাকান্ত বৰা, ছিপাঝাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰদীপ চন্দ্ৰ ডেকা উপস্থিত থাকিব। বিয়লি ২ বজাত দৰঙী শিৰোমণি বঁটা প্ৰদান অনুষ্ঠান।

# আজি গৰুখুঁটি বহুমুখী কৃষি প্ৰকল্পত প্ৰথম বাৰ্ষিকী পালন আৰু ভূমি পূজন অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২০ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সপোনৰ গৰুখুঁটি বহুমুখী কৃষি প্ৰকল্পই ইতিমধ্যে এবছৰ অতিক্ৰম কৰিলে। সেই উপলক্ষে কাইলৈ ২১ জুলাইত গৰুখুঁটি বহুমুখী কৃষি প্ৰকল্পৰ প্ৰথম বাৰ্ষিকী পালন আৰু ভূমি পূজন অনুষ্ঠানটি প্ৰকল্পৰ কৃষিভূমিত দিনজোৰা কাৰ্যসূচীৰে আয়োজন কৰা হৈছে।পুৱা ৯ বজাত বন্তি প্ৰজ্বলন, ৯.১৫ বজাত পতাকা উত্তোলন, ৯.৩০ বজাত বৃক্ষৰোপণ, ১০ বজাত ভূমি পূজন, ১২ বজাত মুকলি সভা অনুষ্ঠিত হ'ব। ইতিমধ্যে প্ৰথম বাৰ্ষিকী পালনক লৈ কৃষি প্ৰকল্পৰ অধ্যক্ষ তথা বিধায়ক পদ্ম হাজৰিকা, সাংসদ দিলীপ কুমাৰ শইকীয়া, বিধায়ক ড° পৰমানন্দ ৰাজবংশী, বিধায়ক মৃণাল শইকীয়া তৎপৰ হৈ পৰিছে।

# গৰঙা বাগিচাত বিত্তীয় সাক্ষৰতাৰ সন্দৰ্ভত সজাগতা সভা সম্পন্ন



**দৈনন্দিন বাৰ্তাৰ সেৱা, খুমটাই, ২০ জুলাই ঃ** গোলাঘাট জিলাৰ কঁঠালগুৰি উন্নয়ন খণ্ডৰ অন্তৰ্গত গৰঙা চাহ বাগিচাত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ চিএফএল প্ৰকল্পৰ অধীনত কাকডোঙা বিত্তীয় সাক্ষৰতাৰ কেন্দ্ৰৰ উদ্যোগত চাহ বাগিচাৰ লোকসকলৰ মাজত বিত্তীয় আঁচনিৰ বিভিন্ন দিশৰ সন্দৰ্ভত এখন সজাগতামূলক সভা অনুষ্ঠিত কৰা হয়। গৰঙা বাগিচাৰ পৰিচালক ৰণবিজয় প্ৰতাপ সিংহৰ সহযোগত আয়োজিত উক্ত সভাত কৰ্মচাৰীসকলে বিত্তীয় সাক্ষৰ প্ৰদান, অন্তৰ্ভুক্তিকৰণত উৎসাহ যোগোৱা, হিতাধিকাৰীসকলক সমাজ কল্যাণ আঁচনি, সঞ্চয়,সুকন্যা সমৃদ্ধি যোজনা, প্ৰধানমন্ত্ৰীৰ জীৱনজ্যোতি বীমা, সুৰক্ষা বীমা যোজনা আদিৰ লগতে বেংকৰ বিভিন্ন উন্নয়নমূলক আঁচনিৰ বিষয়ে সজাগ কৰাৰ অৰ্থে বিত্তীয় সাক্ষৰতাৰ কেন্দ্ৰৰ ক্ষেত্ৰ সমন্বয়ক পূজা দেৱী নাথে আলোচনা আগবঢ়ায়। সভাত বাগিচা কৰ্মচাৰী টিকুৰ ৰহমান, যুৱ কংগ্ৰেছৰ ৰূপান্তৰ তাঁতী আদিৰ লগতে বাগিচাৰ তিনি শতাধিক শ্ৰমিক-কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে।

# ধুবুৰী কোকৰাঝাৰ সীমান্তত আৰক্ষীৰ গুলীত কুখ্যাত গো-মাফিয়া নিহত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২০ জুলাই ঃ** দীৰ্ঘ দিন ধুবুৰী জিলাত ত্ৰাস সৃষ্টি কৰা কুখ্যাত গো-মাফিয়া পৰ্দাৰ আদম আলী আজি ধুবুৰী আৰক্ষীৰ গুলীত নিহত হোৱা ঘটনাত চাঞ্চল্যৰ সৃষ্টি হৈছে। ঘটনা সম্পৰ্কে ধুবুৰীৰ আৰক্ষী অধীক্ষক অভিজিৎ দিলীপ গুৰাৱে জনায়, মোষ্ট ৱান্টেড আদম আলীক আৰক্ষীয়ে বিচাৰি আছিল। ধুবুৰী জে'লৰ পৰা ওলাই ইমান দিনে পশ্চিমবংগত আত্মগোপন কৰি আছিল। আজি ধুবুৰী-কোকৰাঝাৰ সীমান্তৰ ৰূপসী বাঁশবাৰী অঞ্চলত উপস্থিত হৈ আত্মগোপন কৰি থকাৰ তথ্যৰ ভিত্তিত ধুবুৰী এছ পিৰ নেতৃত্বত বিশাল বাহিনী ৰূপসী বাঁশবাৰী অঞ্চলত উপস্থিত হৈ আদমক কৰায়ত্তৰ চেষ্টা চলাওঁতে আদম আলীয়ে আৰক্ষীৰ দলৰ ওপৰত আক্ৰমণ চলায়। প্ৰত্যুত্তৰত আৰক্ষীয়েও গুলী চলায়। আক্ৰমণত আদম আলী গুৰুতৰভাৱে আহত হয়। আহত অৱস্থায় আদম আলীক ধুবুৰী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও পিছত তেওঁৰ মৃত্যু হয়। উল্লেখ্য, ধুবুৰীৰ বিভিন্ন থানাত আদম আলীৰ নামত বহুতো গোচৰ ৰুজু হৈ আছিল।

# সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ সাত দফীয়া দাবীৰ স্মাৰক-পত্ৰ প্ৰদান মুখ্যমন্ত্ৰীক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰৌতা চাৰিআলি, ২০ জুলাই ঃ** সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিয়ে আজি এক বিবৃতিযোগে জনাইছে যে- ইতিহাস প্ৰসিদ্ধ কোচ-ৰাজবংশীসকল নিঃশেষ হৈ যাবলৈ ধৰিছে। তথাপি এই অনুন্নত জাতি তথা জনগোষ্ঠীটোৰ অস্তিত্ব ৰক্ষাৰে যুঁজি বিগত ৩০ দশক ধৰি আন্দোলন কৰি আহিব লগা হৈছে ।কাৰণ উপযুক্ত প্ৰমাণ-পত্ৰ থকাৰ পাছতো ডি ভোটাৰ সজাই বিদেশীৰ নামত বাৰে বাৰে জাননী প্ৰেৰণ কৰি আছে। ডিটেনচন কেম্পত আবদ্ধ কৰি ৰাখিছে। বহুতৰে গোচৰ ৰুজু হৈ চলি আছে। অথচ 'কা'ৰ জৰিয়তে হিন্দু ধৰ্মাৱলম্বীসকলক সুৰক্ষা প্ৰদান কৰা হ'ব বুলি কৈছিল। কমতাপুৰ স্বায়ত্তশাসিত পৰিষদ গঠন কৰা হৈছে যদিও প্ৰকৃতাৰ্থত সন্তুষ্ট হোৱা নাই। বৃহত্তৰ ৰাজ্যখনৰ কোচ-ৰাজবংশীসকলক বঞ্চিত কৰি অকল ধুবুৰী, শালমাৰা, গোৱালপাৰা আৰু বঙাইগাঁৱক লৈহে পৰিষদ গঠন কৰা হৈছে। গতিকে বিদেশী সজোৱা হাৰাশাস্তি বন্ধ কৰা, ডি ভোটাৰ নাকচ কৰা, ৰাজনৈতিক আৰু সংস্থাপনৰ আসন সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰা, ডিটেনচন কেম্পত আবদ্ধ কৰি ৰখাসকলক মুকলি কৰি দিয়া, সকলো গোচৰ বিনাচৰ্তে নিষ্ক্ৰিয় কৰি দিয়া, এছটিৰ মৰ্যাদা দিয়া আদিকে ধৰি সাত দফীয়া দাবীৰ স্মাৰক-পত্ৰ এখন কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক প্ৰদান কৰা বুলি সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিয়ে আজি এক বিবৃতিযোগে জনাইছে।

# মাজুলীৰ প্ৰথমগৰাকী ফটোগ্ৰাফাৰ, তবলা বাদক আশুতোষ সেনৰ দেহাৱসান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ২০ জুলাইঃ** মাজুলীৰ সংগীতৰ ক্ষেত্ৰখনৰ এগৰাকী মহিমামণ্ডিত শাস্ত্ৰীয় সংগীতৰ শিল্পী, একাধাৰে তবলা, চেতাৰ আৰু হাৰমনিয়াম বাদক আৰু মাজুলীৰ প্ৰথমগৰাকী ফটোগ্ৰাফাৰ আশুতোষ সেনৰ ১৯ জুলাইৰ ৰাতি যোৰহাটত পৰলোকপ্ৰাপ্তি ঘটে। সেনৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে মাজুলীত শোকৰ বন্যা নামি আহে। মাজুলীৰ শাস্ত্ৰীয় সংগীতৰ ক্ষেত্ৰখনত প্ৰভূত বৰঙনি যোগাই এচাম সংগীত শিল্পী সৃষ্টি কৰাৰ ক্ষেত্ৰত আত্মত্যাগ কৰা এইগৰাকী শিল্পীয়ে সত্তৰ দশকতে ফটোগ্ৰাফাৰ হিচাপে আত্মপ্ৰকাশ কৰি জীৱন নিৰ্বাহৰ পথ ৰূপে গ্ৰহণ কৰি আন এক আদৰ্শ স্থাপন কৰি গৈছে। অতি অমায়িক আৰু সৰল স্বভাৱৰ এইগৰাকী ব্যক্তি মাজুলীৰ জনমানসত প্ৰতিষ্ঠিত হৈছিল। এই গৰাকী শিল্পীৰ মৃত্যু মাজুলীৰ সাংস্কৃতিক জগতৰ অপূৰণীয় ক্ষতি। শিল্পীগৰাকীৰ মৃত্যুত মাজুলীৰ বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰিছে। মাজুলী মিলন সংঘ, কমলাবাৰী সংগীতা, মাজুলী কেন্দ্ৰীয় সংগীত মহাবিদ্যালয়, ৰূপবৰণ চিত্ৰকলা বিদ্যালয়, কমাৰগাঁও ৰূপালী যুৱক সংঘ, শংকৰজ্যোতি কৃষ্টি সংঘ, মাজুলী জিলা সাহিত্য সভা, মাজুলী জিলা সাংবাদিক সন্থা, যুৱ-ছাত্ৰ পৰিষদকে ধৰি মাজুলীৰ বহুসংখ্যক সাংস্কৃতিক অনুষ্ঠানে সেনৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। মাজুলীৰ কমলাবাৰীৰ নিৱাসী এই গৰাকী শিল্পী কিছুদিন ধৰি অসুস্থ হৈ যোৰহাটত চিকিৎসাৰত অৱস্থাতে মৃত্যুৰ ওচৰত হাৰ মানে। ইহ সংসাৰত তেওঁ পত্নীসহ দুগৰাকী কন্যাক এৰি যোৱা আশুতোষ সেনৰ বয়স হৈছিল ৮৬ বছৰ।

### মুখ্যমন্ত্ৰীৰ প্ৰতিশ্ৰুতি আৰু আমোলাৰ গাফিলতি

# নাজিৰা মহকুমাৰ মেজেঙাৰ হুদুপৰাত নিৰ্মাণৰত দলঙৰ বাবে জীয়াতু ভুগিছে স্থানীয় ৰাইজে



**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২০ জুলাই ঃ** মন্ত্ৰীয়ে প্ৰতিশ্ৰুতি দিয়ে ৰাইজৰ বাবে কিন্তু বিভাগীয় আমোলাৰ গাফিলতি বাবে মন্ত্ৰীৰ বদনাম হয়। নিৰ্বাচনৰ সময়ত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নাজিৰাত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহি নাজিৰাৰ হুদুপৰা অঞ্চলত এখন দলং দিয়াৰ কথা কৈছিল আৰু কথা দি কথা ৰাখিছিল মুখ্য মন্ত্ৰীয়ে। signature project underat প্ৰদান কৰা হৈছিল উক্ত দলংখন আৰু উক্ত দলংখনৰ ঠিকা লাভ কৰিছিল গুৱাহাটীৰ এজন ঠিকাদাৰে। আজিৰ পৰা প্ৰায় দুবছৰ আগতে আৰম্ভ কৰা মাত্ৰ ১২ মিটাৰ দলংখন আজিও নিৰ্মাণ সম্পূৰ্ণ নহ'ল, যাৰ পৰিণাম ভুগিব লগা হৈছে স্থানীয় ৰাইজে। উক্ত দলংখন নিৰ্মাণৰ বাবে কাষতে এখন সৰু দলং সাজি দিছিল যদিও সেইখনো অহা-যোৱা কৰাৰ বাবে সুচল হৈ থকা নাই। ভগা ৰেলিঙৰ ওপৰতে সজা হৈছে দলংখন। যি কোনো মুহূৰ্তত দুৰ্ঘটনা হোৱাৰ আশংকা কৰিছে স্থানীয় ৰাইজে। নাজিৰা মহকুমাৰ অন্তৰ্গত মেজেঙাৰ হুদুপৰাত শামুকীয়া গতিত নিৰ্মাণ হৈছে এইখন পকী দলং। গুৱাহাটীৰ জনৈক হৰলালকা নামৰ ঠিকাদাৰে উক্ত দলংখনৰ ঠিকা লাভ কৰে। ঠিকাদাৰৰ চৰম গাফিলতিৰ বাবেই দলঙখন দুটা বছৰেও নিৰ্মাণ সম্পূৰ্ণ নোহোৱাত ৰাইজে যাতায়াতত যমৰ যাতনা ভোগ কৰিছে । প্ৰশাসন তথা বিভাগীয় কৰ্তৃপক্ষক এই দলংখন নিৰ্মাণ সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাইজে দাবী জনাইছে।

# নগাঁৱত অচিনাক্ত যুৱকৰ মৃতদেহ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২০ জুলাই ঃ** নগাঁও চহৰৰ লাওখোৱা ৰোডৰ ৰূপহী বাছ আস্থানৰ সমীপৰ পৰা ১৭ জুলাইৰ পুৱা স্থানীয় হয়বৰগাঁও আৰক্ষীয়ে এটা অচিনাক্ত যুৱকৰ মৃতদেহ উদ্ধাৰ কৰে। ৩০-৩৫ বছৰীয়া যুৱকজন পথৰ দাঁতিত থকা ড্ৰেইনত পৰি থকা দেখি স্থানীয় লোকে হয়বৰগাঁও আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসাৰ মৰ্গত ৰাখে। কি পৰিস্থিতিত যুৱকজনৰ মৃত্যু হ'ল, সেয়া জানিব পৰা হোৱা নাই। মৃত লোকৰ কোনো পৰিচয় নোলোৱাত বিমোৰত পৰিছে আৰক্ষীৰ লগতে চিকিৎসালয় কৰ্তৃপক্ষ। যাৰ বাবে মৃতদেহটো মৰ্গত পৰি আছে।

# টীয়কৰ হাটখোলা পানী যোগান আঁচনি পৰিদৰ্শন জিলা উপায়ুক্তৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২০ জুলাই ঃ** টীয়কৰ হাটখোলাস্থিত গ্ৰাম্য পানী যোগান আঁচনিৰ প্ৰাংগণত যোৰহাট জিলাৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মন উপস্থিত হৈ পানী যোগান আঁচনিৰ আন্তঃগাঁথনিৰ ওপৰত ৰাইজৰ লগত মত বিনিময় কৰে। উল্লেখযোগ্য টীয়কৰ টীয়ক পৌৰ এলেকাৰ উক্ত গ্ৰাম্য পানী যোগান আৰু বঙালী গাঁও পানী যোগান আঁচনি বহু দিনৰ পূৰ্বে স্থাপন কৰা হৈছিল, যাৰ বাবে নগৰাঞ্চলত এই পানী যোগান আঁচনি দুখনে প্ৰয়োজন মতে পানী যোগান ধৰাত ক্ৰমাৎ ব্যৰ্থ হৈ আহিছে। ইতিমধ্যে পানী যোগানৰ পাইপসমূহ প্ৰায় ধৰংস হৈ পৰিছে। সেয়ে এই দুয়োখন আঁচনি পুনৰুজ্জীৱিত কৰিবলৈ আজি বিভাগীয় কে'বাগৰাকীও মুৰব্বী বিষয়াৰ লগত উপায়ুক্তগৰাকী উক্ত আঁচনিত উপস্থিত হয় আৰু নতুন বৈজ্ঞানিক পদ্ধতিৰে আঁচনি দুখন পুনৰ মেৰামতি কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে লগতে টীয়কৰ বিভিন্ন সমস্যাৱাজিৰ ওপৰত উপস্থিত ৰাইজৰ লগত মত বিনিময় কৰে উপায়ুক্তগৰাকীয়ে। উক্ত সভাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ যোৰহাট সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা ভাস্কৰ শৰ্মা, সহঃ অভিযন্তা কবিতা গগৈ হাজৰিকা, টীয়কৰ ৰাজহ চক্ৰ বিষয়া সৌভিক ভূএগ্ৰা, টীয়ক পৌৰসভাৰ পৌৰপতি লাকী বৰবৰা গগৈকে প্ৰমুখ্য কৰি কেউগৰাকী ৱাৰ্ড আয়ুক্তৰ লগতে টীয়ক গ্ৰাম্য পানী যোগান আঁচনিৰ সভাপতি সুৰেন্দ্ৰ নাথ শইকীয়া, সম্পাদক চিদানন্দ বৰা, বঙালী গাঁও পানী যোগান আঁচনিৰ সম্পাদক শ্যাম ভূএগ্ৰাকে প্ৰমুখ্য কৰি ভালেসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকি উপায়ুক্তৰ এই পদক্ষেপক আদৰণী জনায়। উল্লেখ্য যে আলোচনাৰ পূৰ্বে জিলা উপায়ুক্তগৰাকীয়ে স্বাধীনতাৰ অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি এলানি গছপুলি ৰোপণ কৰি কাৰ্যসূচীৰ গ্ৰহণ কৰে।

# কবিৰালীত কীৰ্তিমানক কলাইগাঁও আছুৰ অভিনন্দন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২০ জুলাই ঃ** ওদালগুৰি জিলাৰ কলাইগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ অধীনস্থ কবিৰালী শাখা ছাত্ৰ সন্থাই আজি বৃহত্তৰ কবিৰালী অঞ্চলৰ উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক উষ্ম অভিনন্দন জ্ঞাপন কৰে। কবিৰালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কলাইগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি মাধুৰ্য শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানখনি উদ্বোধন কৰে প্ৰাক্তন ছাত্ৰনেতা, কলাইগাঁও প্ৰেছ ক্লাবৰ সভাপতি টংকেশ্বৰ বৰুৱাই। সভাখনত বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰি সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি জয়ন্ত কুমাৰ ভট্টাচাৰ্য আৰু সাংগঠনিক সম্পাদক বিতোপন দাসে অসমৰ জাতীয় জীৱনৰ উপৰি শৈক্ষিক ক্ষেত্ৰত প্ৰথম আৰু প্ৰধানকৈ অগ্ৰাধিকাৰ দি সদৌ অসম ছাত্ৰ সন্থাই নানা পদক্ষেপ-কাৰ্যসূচী গ্ৰহণ কৰা বুলি কয়। কঠোৰ অধ্যয়নত ব্ৰতী হৈ নিজৰ সোণোৱালী সপোন পূৰণ কৰি সুৰক্ষিত শৈক্ষিক ভৱিষ্যতৰ জৰিয়তে সমাজত ভাল মানুহ হিচাপে প্ৰতিষ্ঠিত হ'বলৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি ছাত্ৰনেতা দুগৰাকীয়ে আহবান জনায়। কলাইগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা ৰঞ্জিত নাথ, সাধাৰণ সম্পাদক ৰাতুল বৰুৱা আৰু কবিৰালী শাখা ছাত্ৰ সন্থাৰ সভাপতি ত্ৰৈলোক্য বৰুৱাই উদ্দেশ্য ব্যাখ্যা তথা আঁত ধৰা অভিনন্দন অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে সদৌ ওদালগুৰি জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰাঞ্জল পাটোৱাৰী, সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ সভাপতি পৰাগ চহৰীয়া, কবিৰালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ জীৱন চন্দ্ৰ চহৰীয়া আৰু অধ্যক্ষা চুমৰ্জি নাৰ্জাৰীয়ে শৈক্ষিক দিশৰ ওপৰত ভাষণ আগবঢ়াই কৃতিত্বৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনায়। উল্লেখ্য যে কবিৰালী শাখা ছাত্ৰ সন্থাই আয়োজন কৰা বিনামূলীয়া পাঠদানৰ সামৰণী অনুষ্ঠানৰ স'তে সংগতি ৰাখি অনুষ্ঠিত কৰা অভিনন্দন অনুষ্ঠানত অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক অকণ চন্দ্ৰ শইকীয়া, টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি প্ৰাঞ্জল ডেকা, সাধাৰণ সম্পাদক ৰিংকু ডেকা, আন্তঃ মঙলদৈ ছাত্ৰ সন্থাৰ সভাপতি অজয় শইকীয়া, মঙলদৈ বাণিজ্য মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সভাপতি লয়নমণি হাজৰিকা, কবিৰালী আঞ্চলিক বড়ো ছাত্ৰ সন্থাৰ উপদেষ্টা জগবন্ধু বড়ো, সাধাৰণ সম্পাদক মিত্ৰজিৎ খাখলাৰী আৰু কবিৰালী আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ সভাপতি ত্ৰিদীপ ৰাভাকে ধৰি কে'বাজনো ছাত্ৰনেতাই সন্মানীয় অতিথিৰ আসন অলংকৃত কৰে। ইয়াৰ পূৰ্বে পুৱা সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে কবিৰালী শাখা ছাত্ৰ সন্থাৰ সভাপতি ত্ৰৈলোক্য বৰুৱাই আৰু শ্বহীদ তৰ্পণ কৰে ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক মনোজ চহৰীয়াই।

# কমিউনিটী নাৰ্ছাৰীৰ সুবিধা গ্ৰহণৰ আহ্বান কোকৰাঝাৰ জিলা কৃষি বিভাগৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কোকৰাঝাৰ, ২০ জুলাই ঃ** শালি খেতিৰ বতৰত বিধ্বংসী বানত সৰ্বস্বান্ত হোৱা কৃষকক সহায়ৰ বাবে ৰাজ্যৰ কৃষি বিভাগে গ্ৰহণ কৰিছে কমিউনিটী নাৰ্ছৰী শীৰ্ষক আঁচনিৰ। এই আঁচনিৰ জৰিয়তে বানত ক্ষতিগ্ৰস্ত কৃষকক বিনামূলীয়াকৈ কঠীয়াৰ যোগান ধৰা হয়। সমগ্ৰ ৰাজ্যৰ লগতে কোকৰাঝাৰ জিলা কৃষি বিভাগেও জিলাখনৰ তিনিটাকৈ স্থানত কমিউনিটী নাৰ্ছাৰী শীৰ্ষক আঁচনি ৰূপায়ণ কৰিছিল। বুধবাৰে গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত চেৰফাংগুৰিস্থিত কমিউনিটী নাৰ্ছাৰীৰ কঠীয়া বিতৰণ কাৰ্যসূচীৰ শুভ উদ্বোধন কৰে ২৮নং গোসাঁইগাঁও সমষ্টিৰ বিধায়ক জিৰণ বসুমতাৰীয়ে। অনুষ্ঠানৰ শুভ উদ্বোধন কৰাৰ লগতে কে'বাগৰাকীও কৃষকৰ হাতত বিধায়কগৰাকীয়ে তুলি দিয়ে কমিউনিটী নাৰ্ছাৰীত উৎপাদিত কঠীয়া। আৰু পৰৱৰ্তী সময়ত বানত ক্ষতিগ্ৰস্ত প্ৰতিগৰাকী কৃষকক কৃষি বিভাগৰ সৈতে যোগাযোগ কৰি এই আঁচনিৰ সুবিধা গ্ৰহণৰ আহ্বান জনায় বিধায়কগৰাকীয়ে। ইয়োৰোপৰি কমিউনিটী নাৰ্ছাৰীত উৎপাদিত কঠীয়া কেৱল কোকৰাঝাৰ জিলাৰ কৃষককে নহয়, প্ৰয়োজন সাপেক্ষে আন জিলাৰ কৃষককো দিয়া হ'ব বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে বিধায়ক জিৰণ বসুমতাৰীয়ে। কৃষি বিভাগে গ্ৰহণ কৰা এই পদক্ষেপৰ শলাগ লোৱাৰ লগতে এই পদক্ষেপৰ বাবে জিলা কৃষি বিষয়াৰ লগতে বিভাগীয় বিষয়া-কৰ্মচাৰীসকলক ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ্য যে চেৰফাংগুৰিস্থিত গোসাঁইগাঁও আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰৰ ১৭ হেক্টৰ ভূমিত কমিউনিটী নাৰ্ছৰী আঁচনি ৰূপায়ণ কৰা হৈছিল। এই নাৰ্ছৰীৰ জৰিয়তে বাহাদুৰ চাব-১ আৰু বীনা ধান-১০ নামেৰে দুই ধৰণৰ কঠীয়া কৃষকৰ বাবে যোগান ধৰা হ'ব। ৰুৱাৰ উপযোগী হোৱাৰ পিছতে শীঘ্ৰেই ভূঁই ৰোৱাৰ কাম সম্পন্ন কৰিবলৈ আহ্বান জনায় কৃষি বিজ্ঞানী ড° কামেশ্বৰ দাসে। বাহাদুৰ চাব-১ প্ৰজাতিৰ কঠীয়া জুলাই মাহৰ ভিতৰত আৰু বীনা ধান-১০ প্ৰজাতিৰ কঠীয়া আগষ্ট মাহৰ ভিতৰত ৰুলে ভাল ফল লাভ কৰিব বুলি উল্লেখ কৰে ড° কামেশ্বৰ দাসে। বুধবাৰে আয়োজিত এই উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰে জিলা কৃষি বিষয়া বিনোদ বসুমতাৰী, কোকৰাঝাৰ মহকুমাৰ কৃষি বিষয়া বুৰলুং বুথুৰ নাৰ্জাৰী, গোসাঁইগাঁও মহকুমা কৃষি বিষয়া অসীম শইকীয়াৰ লগতে আঞ্চলিক কৃষি বিষয়া মকবুল হুছেইনে।



# ভূৰাগাঁও আৰক্ষীৰ অভিযানত জব্দ ২৫টাকৈ গৰু

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২০ জুলাই ঃ** ৰাজ্যত অব্যাহত আছে অবৈধ চোৰাং গৰুৰ বেহা। যোৱানিশা মৰিগাঁৱৰ ভূৰাগাঁও আৰক্ষীৰ অভিযানত জব্দ হয় ২৫টাকৈ চোৰাংভাৱে সৰবৰাহ কৰা গৰুসহ চোৰাং গৰু সৰবৰাহত ব্যৱহৃত এখন ট্ৰাক। ভূৰাগাঁও আৰক্ষী থানাৰ সহকাৰী উপ-পৰিদৰ্শক পংকজ বৰাই অভিযান চলাই এএছ-০১পিচি-০১১৪ নম্বৰৰ এখন ট্ৰাকেৰে ভূৰাগাঁৱৰ পৰা মৰিগাঁও অভিমুখে গৰুকেইটা লৈ গৈ থকা অৱস্থাত গেৰুৱাৰ পাত্ৰবড়ীৰ পৰা গৰুসহ ট্ৰাকখন জব্দ কৰাৰ লগতে ট্ৰাকখনৰ চালকক আটক কৰে।

*No. TECH/U&BDTD/BLDG/IFB/2022-23/27,* *Dated. 20.07.2022*

**PRESS NOTICE INVITING FOR BID**

The Executive Engineer, PWD (B&NH) Udalguri & Baksa District Territorial Building Division, Udalguri on behalf of Governor of Assam invites bids from approved and eligible Contractors registered with Public Works Deportment (Buildings), Assam/Contractors registered with Bodoland Territorial Council in the category of Class-I (A, B & C), Class-II & Class-III for 3 (three) nos of works for bids amounting to Rs.44,18,236.00 (approx) (Rupees forty four lakh eighteen thousand two hundred thirty six) only.

Details may be seen at in the office of the undersigned during office hours.

Sd/-
Executive Engineer. PWD (B&NH)
Udalguri & Baksa District Territorial
Building Division, Udalguri

**IPR(BTC)-207/2022**

*No. KDB/BTC/15th FC/E-TN/2022-23/700* *Dtd. Kokrajhar, the 19th July, 2022.*

PRESS NOTICE INVITING TENDER
(Tender No.15th FC-03 of 2022-23)

The undersigned invites fresh bids for 01 (One) No. of works under 15th Finance Commission during 2021-22 under Untied Grant during 2022-23 under Kokrajhar District from approved and eligible contractors registered with Public Works Department (Road/ Building), Assam and Bodoland Territorial Council for execution of work for a total A.A. amount of Rs.25,00,000.00 (Rupees Twenty Five Lakh) only.

Details may be seen at the website http://assamtenders.gov.in and also in the office of the undersigned during office hours.

Sd/-
Block Development Officer
Kokrajhar Development Block, Titaguri

**IPR(BTC)-206/2022**



নগাঁৱত বিপুণ বৰাৰ উপস্থিতিত তৃণমূল কংগ্ৰেছৰ যোগদান কাৰ্যসূচীৰ এক দৃশ্য। ফটো ঃ দ্বিপেন শইকীয়া

# যোগীঘোপাৰ কৰেঁয়া পাহাৰত ধ্বংসযজ্ঞ

## বন্ধৰ দাবীত উপায়ুক্তক আমছুৰ স্মাৰক-পত্ৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ২০ জুলাই ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমা অন্তৰ্গত যোগীঘোপাৰ কৰেঁয়া পাহাৰত দীৰ্ঘদিন ধৰি বহিৰাগত আৰ এছ বি আই নামৰ কেম্পানীটোৱে অবৈধভাৱে খননকাৰ্য চলাই আছে। এই অভিযোগ উত্থাপন কৰি আমছুৰ উত্তৰ শালমাৰা জিলা সমিতিৰ তৰফৰ পৰা উক্ত পাহাৰৰ ধ্বংসকাৰ্য বন্ধ কৰাৰ দাবীত কালি উপায়ুক্তক এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। স্মাৰক-পত্ৰত উল্লেখ কৰা মতে, কৰেঁয়া পাহাৰত খনন কাৰ্য সম্পূৰ্ণৰূপে বন্ধ কৰিব লাগে লগতে বেআইনীভাৱে প্ৰাকৃতিক সম্পদ ধ্বংসকাৰী বহিৰাগত কোম্পানীৰ বিৰুদ্ধে আইনগত ব্যৱস্থা ল'ব লাগে। পাহাৰখনৰ পৰা মাটি কঢ়িওৱা অন্য ৰাজ্যৰ পৰা অনা ডাম্পাৰসমূহৰ জিলা পৰিবহণ কাৰ্যালয়ৰ যোগেদি নথিপত্ৰ পৰীক্ষা কৰি বিহীত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। পাহাৰখনৰ পৰা মাটি কঢ়িওৱা ডাম্পাৰসমূহ অতি তীব্ৰ গতিত চলা-চল তথা দৌৰাত্ম্য বন্ধ কৰিব লাগে। দেওহাটীৰ চেনিখোৱাত কোম্পানীটোৱে বৈধ নথি-পত্ৰ নথকাকৈ বহুওৱা ক্ৰেছাৰ মেচিনটো বন্ধ কৰি দিব লাগে বুলি স্মাৰক-পত্ৰত উল্লেখ কৰে। জিলা আমছুৱে চাৰিদফীয়া স্মাৰক উপায়ুক্তক প্ৰদান কৰি অনতিপলমে ইয়াৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়। পাহাৰখনত খননকাৰ্য বন্ধ নকৰে পৰৱৰ্তী সময়ত গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে সংগঠনটোৱে।

# তামুলপুৰত ৰাভা কৃষ্টি লোক নৃত্যৰ কৰ্মশালাৰ সফল সামৰণি

## সাংস্কৃতিক বিনিময়ে আমাৰ মাজত সমন্বয় বৃদ্ধি কৰে ঃ হেমন্ত কুমাৰ ৰাভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২০ জুলাই ঃ** বিটিআৰৰ সাংস্কৃতিক বিভাগৰ অধীনস্থ তামুলপুৰ সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত আৰু নৃত্যাঞ্জলি কলা-কৃষ্টি কেন্দ্ৰ, তামুলপুৰৰ সহযোগত তামুলপুৰ জিলা সদৰত যোৱা ১২ জুলাইৰ পৰা অনুষ্ঠিত ৰাভা কৃষ্টি লোক-নৃত্যৰ কৰ্মশালাৰ আজি সফল সামৰণি পৰে। এই উপলক্ষে আজি আবেলি তামুলপুৰ সামূহিক কেন্দ্ৰত সাংস্কৃতিক কৰ্মী চিন্ময় পাঠকৰ সঞ্চালনাত অনুষ্ঠিত সামৰণী অনুষ্ঠানত উপস্থিত থাকি বিটিচিৰ মনোনীত এমচিএলএ হেমন্ত কুমাৰ ৰাভাই কয়— সম্প্ৰতি বিভিন্ন জনগোষ্ঠীসমূহৰ নিজস্ব কলা-সংস্কৃতিসমূহ হেৰাই যাব ধৰিছে। জনগোষ্ঠীসমূহৰ আজিৰ প্ৰজন্মই নাজানে নিজৰ সংস্কৃতিৰ কথা। তেনে সময়তে বিটিআৰৰ সাংস্কৃতিক বিভাগে বিভিন্ন জনগোষ্ঠীসমূহৰ লোক কৃষ্টিসমূহ আন জনগোষ্ঠীৰ নৱ-প্ৰজন্মৰ সন্মুখত চিনাকি কৰাই দিয়াৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লয়। এনে ধৰণৰ সাংস্কৃতিক বিনিময়ে আমাৰ মাজত সমন্বয় বৃদ্ধি কৰে



বুলিও মন্তব্য কৰে বিটিআৰৰ মনোনীত সদস্য হেমন্ত কুমাৰ ৰাভাই। সভাত উপস্থিত থাকি তামুলপুৰ জিলা ৰাভা ছাত্ৰ সন্থাৰ সভাপতি পূৰ্ণ সিং ৰাভাই কয়— ৰাভা জনগোষ্ঠী এটা নিজস্ব ভাষা, সাংস্কৃতিৰ পৰিপূৰ্ণ চহকী জনগোষ্ঠী। ৰাভা জনগোষ্ঠীৰ যি লোক নৃত্যৰ প্ৰশিক্ষণ গ্ৰহণ কৰিবলৈ আইন জনগোষ্ঠীৰ শিশু, কিশোৰ-কিশোৰী ওলাই আহিছে আমাৰ সমাজৰ বাবে শুভ লক্ষণ। ৰাভা জনগোষ্ঠীৰ কলা-সংস্কৃতিৰ উন্নয়নৰ বাবে বিটিআৰৰ সাংস্কৃতিক বিভাগ তথা তামুলপুৰ সাংস্কৃতিক কেন্দ্ৰই লোৱা পদক্ষেপক আদৰণি জনোৱাৰ লগতে প্ৰশিক্ষাৰ্থীসকলক অভিনন্দন জ্ঞাপন কৰে ৰাভা ছাত্ৰ সন্থাৰ নেতাগৰাকীয়ে। আজিৰ সামৰণী অনুষ্ঠানত তামুলপুৰ সাংস্কৃতিক কেন্দ্ৰৰ সাংস্কৃতিক উন্নয়ন বিষয়া যুগান্ত বায়ন, তামুলপুৰ প্ৰেছ ক্লাবৰ সম্পাদক গুণজিৎ দাস, নৃত্যাঞ্জলি কলা-কৃষ্টি কেন্দ্ৰৰ অধ্যক্ষ দেৱজিৎ ৰাজবংশী, ৰাভা মহিলা পৰিষদৰ নেত্ৰী মেনকা ৰাভাকে ধৰি কেইবাজনো ব্যক্তিয়ে ভাষণ প্ৰদান কৰে। সামৰণী অনুষ্ঠানত আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ সভাপতি ৰাজু ৰাভাৰ লগতে প্ৰশিক্ষাৰ্থী, অভিভাৱক-অভিভাৱিকাসকল উপস্থিত থাকে। যুৱ সাংস্কৃতিক কৰ্মী সঞ্জয় ৰাভা, জ্যোতিষ্মা ৰাভাই প্ৰশিক্ষণ প্ৰদান কৰা ৰাভা লোক নৃত্য প্ৰশিক্ষণ শিবিৰত তামুলপুৰ জিলা সদৰৰ প্ৰায় শতাধিক শিশু, কিশোৰ-কিশোৰীয়ে ৰাভা লোক নৃত্য হামজাৰ, খোকচি, ছাথাৰৰ প্ৰশিক্ষণ গ্ৰহণ কৰে। আজিৰ সামৰণী অনুষ্ঠানতে প্ৰশিক্ষাৰ্থীসকলৰ মাজত প্ৰমাণ-পত্ৰসমূহ বিতৰণ কৰে।

# আচাৰ্য পংকজ পাঠকৰ বিৰুদ্ধে ৰাইজৰ দলৰ জাতীয় নাৰী বাহিনীৰ বঙাইগাঁও সদৰ থানাত এজাহাৰ দাখিল

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২০ জুলাই ঃ** আচাৰ্য পংকজ পাঠকে সামাজিক মাধ্যম ফেচবুকযোগে একাংশ মহিলাক উদ্দেশ্যি কৰা অশ্লীল আৰু অপমানসূচক মন্তব্যৰ বিৰুদ্ধে এতিয়া মহিলা সমাজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আচাৰ্য পাঠকৰ বিৰুদ্ধে ঠায়ে ঠায়ে মহিলা সংগঠনে থানাত দাখিল কৰিছে এজাহাৰ। মঙলবাৰে বঙাইগাঁৱঁতো ৰাইজৰ দলৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদিকা তথা দলটোৰ ভগ্নী সংগঠন জাতীয় নাৰী বাহিনীৰ কেন্দ্ৰীয় সম্পাদিকা মমী ৰায় চৌধুৰীয়ে বঙাইগাঁও সদৰ থানাত আচাৰ্য পংকজ পাঠকৰ বিৰুদ্ধে এজন এজাহাৰ দাখিল কৰে। থানাত দাখিল কৰা এজাহাৰত উল্লেখ কৰা মতে যোৱা ১৬ জুলাইত সামাজিক মাধ্যমত আচাৰ্য পংকজ পাঠকৰ এটা ভিডিঅ' ভাইৰেল হয়। উক্ত ভিডিঅ'টোত আচাৰ্য পংকজ পাঠকে একাংশ মহিলাক উদ্দেশ্যি কেতবোৰ অশ্লীল, অপমানসূচক মন্তব্য কৰে। পংকজ পাঠকে কৰা মন্তব্যসমূহ এগৰাকী নাৰীৰ বাবে অত্যন্ত লজ্জাজনক। উক্ত ভিডিঅ'টোত আচাৰ্য পংকজ পাঠকে ইনষ্টাগ্ৰাম, ফেচবুকত ৰীল বনোৱা মহিলাসকলৰ চৰিত্ৰৰ ওপৰত আঙুলি উঠোৱাতেই ক্ষান্ত নাথাকি সেই মহিলাসকলৰ স্বামীসকলৰ পুৰুষত্বত ধৰি অপমানজনক মন্তব্য কৰিছে। যি সময়ত চৰকাৰে নাৰীৰ সবলীকৰণৰ কাৰণে কেতবোৰ ব্যৱস্থা হাতত লৈছে, তেনে সময়তে আচাৰ্য পংকজ পাঠকৰ এনে কাৰ্যকলাপে সমগ্ৰ নাৰী জাতিৰ নাৰীত্বত আঘাত কৰিছে। গতিকে জাতীয় নাৰী বাহিনীয়ে নাৰী জাতিৰ বিৰুদ্ধে অপমানসূচক মন্তব্য কৰা পংকজ পাঠকৰ বিৰুদ্ধে ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াগৰাকীয়ে যাতে এজাহাৰৰ ভিত্তিত উচিত তদন্ত কৰি উপযুক্ত ধাৰা মতে গোচৰ ৰুজু কৰি পংকজ পাঠকক ধৰি আনি সু-বিচাৰ কৰে তাৰ বাবে আৱেদন জনাইছে।

# লাচিত বৰফুকনৰ বিষয়ত বঙাইগাঁও জিলা প্ৰশাসনৰ লেখা আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২০ জুলাই ঃ** বঙাইগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ৰ পৰা বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা সাধাৰণ নাগৰিকৰ দ্বাৰা লিখা লাচিত বৰফুকনৰ সন্দৰ্ভত লিখনি আহ্বান কৰা হৈছে। লাচিত বৰফুকনৰ ৪০০সংখ্যক জন্ম-বাৰ্ষিকী উপলক্ষে চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ পৰা বীৰজনাৰ সম্পৰ্কত উপায়ুক্তৰ জৰিয়তে লিখনি বিচৰা হৈছে। লিখনিসমূহ ১০০-১০০০ শব্দৰ ভিতৰত লিখা হ'ব লাগিব। লিখনিসমূহ স্পষ্টকৈ হাতেৰে লিখা বা A4 Sizeৰ কাগজত টাইপ কৰা হ'ব লাগিব। ইচ্ছুক ছাত্ৰ-ছাত্ৰী বা সাধাৰণ নাগৰিকসকলে লিখনিসমূহৰ Hard copy নাইবা Soft copy জমা দিব লাগিব ssabongaigaon@rediffmail.com ই-মেইলযোগে Soft copy আৰু Hard copy জমা দিব বিচাৰিলে SSA Officeত (ডিপিঅ') কীৰ্তি গোস্বামীৰ হাতত জমা দিব পাৰিব। নিৰ্বাচিত ১০০টা লিখনি জিলা প্ৰশাসনৰ ৱেৱছাইটত আপলোড কৰা হ'ব আৰু ফেচবুক পেজতো আপলোড কৰা হ'ব। জিলাখনৰ পৰা ৫টা শ্ৰেষ্ঠ লিখনি সাধাৰণ প্ৰশাসন বিভাগলৈ পঠোৱা হ'ব আৰু লাচিত বৰফুকনৰ ৪০০সংখ্যক জন্ম-জয়ন্তী উপলক্ষে আয়োজিত অনুষ্ঠানত পুৰস্কৃত কৰা হ'ব। এই সমগ্ৰ প্ৰক্ৰিয়াটো ১৫ ছেপ্টেম্বৰৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব।

# এপল' হাস্পতালত তাৎক্ষণিক সম্পূৰ্ণ আঁঠু বদলিকৰণ অস্ত্ৰোপচাৰ সম্পন্ন

**দৈনন্দিন বাৰ্তা সেৱা, ২০ জুলাই ঃ** এপল' হাস্পতালত সকলো ধৰণৰ অত্যাধুনিক সা-সুবিধা থকা এছিয়াৰ সৰ্ববৃহৎ চেইন হাস্পতাল। এই হাস্পতালে অলপতে সফলভাৱে সম্পন্ন কৰে তাৎক্ষণিক সম্পূৰ্ণ আঁঠু বদলিকৰণ অস্ত্ৰোপচাৰ। জ্যেষ্ঠ অৰ্থপেডিক ছাৰ্জন ডাঃ মধন থিৰুভেংগাদাই কয় যে অস্ত্ৰোপচাৰৰ বাবে অৱহেলা কৰি শেষত জটিল আথ্ৰাইটিছ ৰোগত ভোগা ৰোগীসকলৰ বাবে সম্পূৰ্ণ আঁঠু বদলিকৰণ প্ৰক্ৰিয়াই একমাত্ৰ চিকিৎসা হয়গৈ। ৰোগৰ সঠিক সময়ত কৰা দৰকাৰী অস্ত্ৰোপচাৰে ৰোগীক ভাল ফল প্ৰদান কৰিব পাৰে, যদিও চিকিৎসকে ৰোগীৰ কম ৰক্তক্ষৰণ, কম চাপ আৰু অস্ত্ৰোপচাৰৰ কম সময়ৰ ভিতৰতে আৰোগ্য হোৱাত গুৰুত্ব দিয়ে। অস্ত্ৰোপচাৰৰ পাছৰ সকলো নিয়ম মানি ২৪-৪৮ ঘণ্টাৰ ভিতৰত ৰোগীক হাস্পতালৰ পৰা যাবলৈ দিয়া হয়। ডাঃ মধন থিৰুভেংগাদা আৰু তেওঁৰ দলে আগবঢ়োৱা সেৱাই বহুতো আন্তঃৰাষ্ট্ৰীয় ৰোগী তথা বহু পৰিয়াললৈ আশাৰ ৰেঙনি কঢ়িয়াই আনিছে।



# কৈলাসপুৰত কিশোৰৰ দুই কাণ কাটি অমানৱীয় অত্যাচাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকপথাৰ, ২০ জুলাই ঃ** প্ৰেমিকৰ দুই কাণ কাটি প্ৰেমিকাৰ পিতৃয়ে মধ্যযুগীয় অত্যাচাৰ চলোৱাৰ ঘটনা ঘটিছে তিনিচুকীয়া জিলাৰ কৈলাসপুৰ অঞ্চলৰ শিমলুগুৰিত। দুই কিশোৰ-কিশোৰীৰ প্ৰেমক কেন্দ্ৰ কৰি সৃষ্টি হোৱা এক অমানৱীয় ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে তিনিচুকীয়া জিলাৰ অৰুণাচল সীমান্তৱৰ্তী কৈলাসপুৰত। ঘটনাৰ বিৱৰণী মতে বৰডুমচা থানাৰ অন্তৰ্গত কৈলাসপুৰৰ শিমলুগুৰি গাঁও নিৱাসী তথা নিজকে স্থানীয় গাঁওৰক্ষী বাহিনীৰ সভাপতি বুলি কৈ ফুৰা চিত্ৰ গগৈৰ প্ৰথমা পত্নীৰ কন্যাৰ সৈতে একে গাঁৱৰে প্ৰয়াত বিজু সন্দিকৈৰ কিশোৰ পুত্ৰৰ সৈতে প্ৰেমৰ সম্পৰ্ক গঢ় লৈ উঠিছিল। জানিব পৰা মতে আজি বিয়লি চিত্ৰ গগৈৰ স্কুলীয়া কন্যাক লগ ধৰিবলৈ আহিছিল কিশোৰ প্ৰেমিকজন। নিজ কন্যাৰ শোৱনি কোঠাত কিশোৰ প্ৰেমিকজনক আৱিষ্কাৰ কৰি খঙত অগ্নিশৰ্মা হৈ কিশোৰজনক ৰছীৰে বান্ধি উপৰ্যুপৰি প্ৰহাৰ কৰিয়েই ক্ষান্ত নাথাকি চোকা অস্ত্ৰৰে কিশোৰজনৰ দুই কাণ কাটি পেলাবলৈ চেষ্টা কৰে। অৱশ্যে সোঁকাণখন ৯০ শতাংশই ওলমি পৰে যদিও বাঁও কাণখন আধা কটা অৱস্থাত থাকি যায়। এনে এক অদ্ভুত ঘটনা সংঘটিত হোৱাৰ পাছতো বৰডুমচা আৰক্ষীয়ে পিতৃহীন কিশোৰৰ পৰিয়ালৰ তৰফৰ পৰা এজাহাৰ দাখিল নকৰাৰ অজুহাতত অপৰাধী চিত্ৰ গগৈক আটক কৰা নাছিল। কিন্তু এই অমানৱীয় ঘটনাৰ বিষয়ে সংবাদ মাধ্যমত বাতৰি সম্প্ৰচাৰ হোৱাৰ পিছত বৰডুমচা আৰক্ষীয়ে আটক কৰে অভিযুক্ত পাষাণ চিত্ৰ গগৈক। ইতিমধ্যে আৰক্ষীয়ে চিত্ৰ গগৈৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি জে'ল হাজোতলৈ প্ৰেৰণ কৰিছে। আনহাতে, ছাত্ৰগৰাকী সম্প্ৰতি চিকিৎসাধীন হৈ আছে ডুমডুমা ৰূপাইৰ ডি চি বড়া নাৰ্ছিংহোমত। বৰ্তমানেও অঞ্চলটোত ঘটনাটোক লৈ ব্যাপক চৰ্চা অব্যাহত আছে।

# ধুবুৰীৰ গদাধৰ নৈত উদ্ধাৰ কিশোৰৰ মৃতদেহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২০ জুলাই ঃ** কালি ধুবুৰী আৰু গৌৰীপুৰ সংযোগী পথৰ পাগলা বাবাৰ মন্দিৰৰ কাষতে থকা গদাধৰ নৈত এগৰাকী কিশোৰৰ মৃতদেহ উদ্ধাৰ হোৱাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। উল্লেখ্য যে, ধুবুৰী চহৰৰ ১৪নং ৱাৰ্ডৰ আই জি ৰোডৰ বাসিন্দা জয় সৰকাৰ নামৰ সেই কিশোৰজন কালিৰে পৰা সন্ধানহীন হৈ আছিল। জানিব পৰা মতে, ধুবুৰীৰ কলেজ নগৰ আৰক্ষী চকীত কিশোৰগৰাকী নিৰুদ্দেশ হোৱাৰ ঘটনা সন্দৰ্ভত আৰক্ষীক অৱগত কৰিছিল পৰিয়ালৰ লোকে। ইতিমধ্যে ঘটনাস্থলীত উপস্থিত হৈ ধুবুৰী আৰক্ষীয়ে কিশোৰগৰাকীৰ মৃতদেহ নৈখনৰ পৰা উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে ধুবুৰী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰিছে।

# হাজোৰ কুলহাটী পাঁচগাঁও পঞ্চায়তৰ তৰফৰ পৰা দেৱব্ৰত কলিতাক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২০ জুলাই ঃ** সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত বিজ্ঞান শাখাত সুখ্যাতিৰে প্ৰথম দহটা স্থানৰ ভিতৰত সপ্তম স্থান দখল কৰি তীৰ্থনগৰী হাজোলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হোৱা দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ দেৱব্ৰত কলিতাক আজি হাজোৰ কুলহাটী পাঁচগাঁও পঞ্চায়তৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰে। সেই উপলক্ষে কুলহাটী পাঁচগাঁও পঞ্চায়তৰ কাৰ্যালয়ত এখন আদৰণী সভা অনুষ্ঠিত হয়। সভাত মেধাৱী ছাত্ৰ দেৱব্ৰত কলিতাৰ কৃতিত্বক অভিনন্দৰে ওপচাই দিয়াৰ লগতে এখন ফুলাম গামোচা, এখন পিতলৰ শৰাইৰে সম্বৰ্ধনা জ্ঞাপন কৰে পঞ্চায়ত কৰ্তৃপক্ষই। তদুপৰি আজিৰ সভাত শৈক্ষিক নৱজাগৰণ সৃষ্টিৰ ওপৰত গঠনমূলক বাখ্যাও



দাঙি ধৰে। আৰু আজিৰ সভাত উপস্থিত থাকে হাজো খণ্ড উন্নয়ন বিষয়া নন্দিতা চহৰীয়া, পঞ্চায়ত সভানেত্ৰী পদুমী দাস, আঞ্চলিক সদস্য পৰেশ দাস, সচিব দ্বিপেন্দ্ৰ কাকতি, কৰ সংগ্ৰাহক পংকজ দাসকে প্ৰমুখ্য কৰি প্ৰায়সংখ্যক বিশিষ্ট গণ্য মান্য ব্যক্তি।

# ভাওৰাগুৰিৰ সাতবিলত পাঁচদিনীয়া বিনামূলীয়া যোগ শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ২০ জুলাই ঃ** গোসাঁইগাঁও মহকুমাৰ ভাওৰাগুৰিস্থিত সাতবিলত বিনামূলীয়াকৈ পাঁচদিনীয়া যোগ প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰে। কোকৰাঝাৰ জিলা যোগ প্ৰচাৰক শ্যামল সাহাই উক্ত শিবিৰটোত প্ৰাণায়াম কৰি যোগাসন কৰায়। আজি প্ৰথম দিনা ৰাতিপুৱা গাঁওখনৰ ভালেসংখ্যক ল'ৰা-ছোৱালী উপস্থিত থাকি যোগাসন কৰে। আজিৰে পৰা আৰম্ভ হোৱা শিবিৰটো ২৩ জুলাইলৈকে চলিব আৰু দিনত দুটা সত্ৰত অৰ্থাৎ পুৱা আৰু আবেলি শিবিৰটোত যোগৰ প্ৰশিক্ষণ দিয়া হ'ব বুলি যোগ প্ৰচাৰক শ্যামল সাহাই সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়াৰ লগতে তেওঁ আৰু কয়— যোগাসন কৰিলে ইয়াৰ পৰা বিভিন্ন ধৰণৰ বেমাৰৰ পৰা প্ৰতিকাৰ পোৱা যায়।

# চাহ শ্ৰমিকৰ মজুৰি ৫২৫ টকালৈ বৃদ্ধিৰ দাবীত আছাৰ এবিটা কাৰ্যালয় ঘেৰাও

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২০ জুলাই ঃ** দীৰ্ঘদিন ধৰি অসমৰ লাখ লাখ চাহ শ্ৰমিকৰ দৈনিক মজুৰি সন্তোষজনকভাৱে বাগিচা মালিক গোষ্ঠী আৰু বিজেপি নেতৃত্বাধীন চৰকাৰখনে বৃদ্ধি নকৰাত সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা)ৰ সাধাৰণ সম্পাদক দেৱেন ওৰাঙে ক্ষোভ প্ৰকাশ কৰিছে। দৈনন্দিন প্ৰয়োজন হোৱা খাদ্যৰ আকাশলংঘী মূল্যবৃদ্ধিৰ সময়তো চাহ শ্ৰমিকসকল আঠ ঘণ্টা কৰ্ম কৰাৰ বিনিময়ত মাত্ৰ ২০৫ টকা লাভ কৰি আহিছে। বিভিন্ন ৰাজনৈতিক দলসমূহে চাহ শ্ৰমিকৰ ইছুক লৈ মাত্ৰ নিৰ্বাচনী প্ৰচাৰৰ সময়ত সৰৱ হোৱা দেখা যায় যদিও নিৰ্বাচন শেষ হোৱাৰ লগে লগে সকলোৱে মৌন হয়। সততে সৰকা সাথ সৰকা বিকাশৰ কথা কোৱা বিজেপি চৰকাৰখনেও চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধিক লৈ কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা দেখা নগ'ল। ২০১৮ চনত চৰকাৰে নিজে গঠন কৰি দিয়া মজুৰি বৃদ্ধি উপদেষ্টা মণ্ডলীয়ে চাহ শ্ৰমিকৰ মজুৰি ৩৫১.৩৩ টকা হ'ব লাগে বুলি প্ৰস্তাৱ আগবঢ়োৱাৰ পিছতো বিজেপি নেতৃত্বতাধীন চৰকাৰখনে অধিসূচনা জাৰি নকৰিলে আৰু সেই সময়ত বাগিচা মালিক গোষ্ঠীৰ সংগঠন CCPA অন্তৰ্গত টাই (TAI) আৰু ভাৰতীয় চাহ সন্থাই (ABITA) তীব্ৰ বিৰোধিতা কৰি উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হ'ল। বিভিন্ন সময়ত CCPA মজুৰি বৃদ্ধিবিষয়ক লৈ প্ৰবল বিৰোধিতা কৰি অহাৰ ফলত আজিকোপতি চাহ শ্ৰমিকসকলৰ মজুৰি সন্তোষজনকভাৱে বৃদ্ধি হোৱা নাই। এনে বিৰোধিতাৰ বাবে আৰু চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৫২৫ লৈ বৃদ্ধি কৰাৰ দাবীত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাই (আছা) কাইলৈ (২০ জুলাইত) দিনৰ ১১ বজাত ভাৰতীয় চাহ সন্থা অসম শাখাৰ (এবিটা) চাউলখোৱা থকা জ'ন-১ কাৰ্যালয় ঘেৰাও কৰিব আৰু পৰৱৰ্তী পৰ্যায়ত অসমত থকা টাই আৰু এবিটা কাৰ্যালয়সমূহতো তীব্ৰ প্ৰতিবাদ কৰিব বুলি সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা)ৰ সাধাৰণ সম্পাদক দেৱেন ওৰাঙে এক প্ৰেছ বিবৃতিযোগে জানিবলৈ দিছে।

# মৰিগাঁৱৰ চৰাইবাহী-বৰভগীয়াৰ ভদ্ৰকান্ত নাথৰ দেহাৱসান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ২০ জুলাই ঃ** মৰিগাঁও জিলাৰ চৰাইবাহী-বৰভগীয়া অঞ্চলৰ বিশিষ্ট শিক্ষাবিদ, খেলুৱৈ, সমাজ সংগঠক তথা ধৰ্মপৰায়ণ ব্যক্তি ভদ্ৰকান্ত নাথৰ মঙলবাৰে নিশা ১১.৩০ বজাত নিজা বাসভৱনত পৰলোকপ্ৰাপ্তি হয়। মৃত্যুৰ সময়ত নাথৰ বয়স হৈছিল ৭৮ বছৰ। উল্লেখ্য যে নগাঁও জিলাৰ ৰহাৰ ঐতিহ্যমণ্ডিত দীঘলদৰি কাকতিগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ত ১৯৬৭ চনৰ ৫ ফেব্ৰুৱাৰীৰ পৰা ২০০৩ চনৰ ২৮ ফেব্ৰুৱাৰীলৈ সুদীৰ্ঘ ৩৬ বছৰ প্ৰধান শিক্ষকৰূপে পদ অলংকৃত কৰা ভদ্ৰকান্ত নাথে অঞ্চলটোত বহুতকে শিক্ষিত কৰি তুলিছিল। সুদীৰ্ঘ দিন ভেস্পাৰ হাইস্কুলৰ শিক্ষকতাৰে ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ়োতা নাথে শিক্ষকতাৰ সমান্তৰালকৈ অঞ্চলৰ বহুকেইটা ধৰ্মীয় তথা সামাজিক অনুষ্ঠানৰ সৈতে জড়িত আছিল। তদুপৰি নাথ ছাত্ৰাৱস্থাত অঞ্চলটোত এগৰাকী ফুটবল আৰু ভলীবল খেলুৱৈ আছিল। ইপিনে ভদ্ৰকান্ত নাথৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে আজি পুৱা বিভিন্ন দল-সংগঠনৰ লগতে চৰাইবাহী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমল নাথ, চৰাইবাহী ঐতিহ্যমণ্ডিত কমিটী ভাওনাকে ধৰি বহু অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধি সমবেত হৈ নাথৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। পাছত এক শোকাকুল পৰিৱেশত আজি পুৱা নাথৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। নাথে মৃত্যুৰ সময়ত পত্নীৰ উপৰি দুজন পুত্ৰ আৰু তিনিগৰাকী বিবাহিত জীয়াৰীসহ নাতি-নাতিনীক মৃত্যুৰ সময়ত এৰি থৈ যায়।

# উত্তৰ জামুগুৰি সামূহিক স্বাস্থ্য কেন্দ্ৰত ২০খন বিছনাযুক্ত চিকিৎসালয়ৰ গৃহৰ আধাৰশিলা বিধায়ক পদ্ম হাজৰিকাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নদুৱাৰ, ২০ জুলাই ঃ** শোণিতপুৰ জিলাৰ উত্তৰ জামুগুৰি সামূহিক স্বাস্থ্য কেন্দ্ৰৰ আজি বিশখন বিছনাযুক্ত এটি চিকিৎসা গৃহৰ আধাৰশিলা স্থাপন কৰে চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই। চিকিৎসালয়খন পূৰ্বতে ত্ৰিশখন বিছনাযুক্ত আছিল যদিও আৰু বিশখন বিছনা বৃদ্ধি কৰি পঞ্চাশখন বিছনাযুক্ত চিকিৎসালয়লৈ উন্নীত কৰা হয়। আজি চিকিৎসালয় গৃহৰ আধাৰশিলা কৰি চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই কয়- ৰাইজৰ সু-চিকিৎসাৰ ব্যৱস্থাৰ্থে আমি এই চিকিৎসালয় এশখন বিছনাযুক্ত চিকাৎসালয়লৈ উন্নীত কৰাৰ কথা চিন্তা-চৰ্চা কৰিছো। ইতিমধ্যে এই সন্দৰ্ভত আমি মুখ্যমন্ত্ৰীগৰাকীৰ লগত আলাপ-আলোচনাও কৰিছো। সমষ্টিটোৰ বিভিন্ন প্ৰান্তত আমি ৭টা উপ-স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণৰ অনুমোদন লাভ কৰা বুলি মন্তব্য কৰে বিধায়ক পদ্ম হাজৰিকাই। আজিৰ এই আধাৰশিলা অনুষ্ঠানত চিকিৎসালয়খনৰ জ্যেষ্ঠ চিকিৎসক ৰূপক বৰুৱা প্ৰমুখ্যে অঞ্চলটোৰ ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।



# কামপুৰত থানাৰ পৰা পলাল চোৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২০ জুলাই ঃ** কামপুৰ থানাৰ পৰা যোৱানিশা এটা চোৰ পলাই যোৱাৰ ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত বাতৰি মতে নিশা কামপুৰ পৌৰ সভাৰ টকৌডুবিৰ এঘৰত চুৰি কৰিবলৈ প্ৰৱেশ কৰিছিল আব্দুল চালাম নামৰ চোৰ এটাই। চোৰটোৱে চুৰি কাৰ্য সংঘটিত কৰাৰ লগতে ঘৰটোৰ এগৰাকী মহিলাৰ শালীনতা হানিৰ অপচেষ্টা চলাইছিল বুলি জানিব পৰা গৈছে। পাছত মহিলাগৰাকীয়ে চিঞৰ-বাখৰ কৰাত পলায়ন কৰা চোৰটোক স্থানীয় ৰাইজে কৰায়ত্ত কৰে আৰু নিশাই কামপুৰ আৰক্ষীক গতাই দিয়ে। কিন্তু অতি আশ্চৰ্যজনক কথা যে আব্দুল চালাম নামৰ চোৰটো নিশাই থানাৰ পৰা পলায়ন কৰে। পলাতক চোৰটোক বিচাৰি আৰক্ষীয়ে অনুসন্ধান চলাইছে যদিও এই বাতৰি লিখা পৰ্যন্ত আটক কৰিব পৰা নাই।

# গৱেষণা সঁজুলি সম্পৰ্কীয় কৰ্মশালা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২০ জুলাই ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ উদ্যোগত ১৭ জুলাই তাৰিখে গৱেষণা সঁজুলি সম্পৰ্কীয় এখন এদিনীয়া কৰ্মশালা সম্পন্ন হয়। পুৱা ১০.৩০ বজাৰ পৰা আৰম্ভ হোৱা অনুষ্ঠানটোৰ উদ্বোধন কৰে বিভাগটোৰ মুৰব্বী ড° ত্ৰিবেণী শইকীয়াই। অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে অংশ লৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ প্ৰাধ্যাপিকা ড° মানসী গগৈয়ে গৱেষণা কৰ্মৰ বাবে গ্ৰহণ কৰিব লগা বিভিন্ন সঁজুলি যেনে লিকাৰ্টছ স্কেল, ইণ্টাৰভিউ, কুৱেশ্বনিয়াৰ আদিৰ বিষয়ে এক মননশীল বক্তব্য দাঙি ধৰে। প্ৰায় ৭০গৰাকী শিক্ষাৰ্থী উপস্থিত থকা অনুষ্ঠানত বিভাগটোৰ কেউজন অধ্যাপক, গৱেষক তথা ছাত্ৰ-ছাত্ৰীসকলো উপস্থিত থাকে। বিভাগৰ অধ্যাপিকা পূৰৱী কলিতাই আঁত ধৰা অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়াই অধ্যাপক গৌৰৱ প্ৰতিম হাজৰিকাই।

# আছাৰ পৰা বহিষ্কাৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি, গুৱাহাটী চহৰ সমিতিৰ সভাপতিক

**দৈনন্দিন বাৰ্তাৰ সেৱা, চামগুৰি, ২০ জুলাই ঃ** সদৌ আদিবাসী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি সমৰেন্দ্ৰ কিস্কু আৰু গুৱাহাটী চহৰ সমিতিৰ সভাপতি জিতেন লামাইক সংগঠনৰ (আছা) পৰা বহিষ্কাৰ কৰা হৈছে। আজি আছাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি প্ৰদীপ নাগ, সাধাৰণ সম্পাদক নোৱাছ বাৰ্লা স্বাক্ষৰিত এক প্ৰেছ বিবৃতি বাতৰি কাকতলৈ প্ৰেৰণ কৰিছে। প্ৰেছ বিবৃতিত উল্লেখ কৰা মতে সংগঠনৰ দুজন বিষয়ববীয়াই দীৰ্ঘদিন ধৰি আছাৰ সংবিধানবিৰোধী কাৰ্যকলাপত লিপ্ত থকাৰ তথ্য প্ৰমাণ সহকাৰে তেওঁলোকৰ হাতত আছে। এনে কাৰ্যৰ পৰা বিৰত থাকিবলৈ সকীয়াই দিয়াৰ লগতে সময়সীমা বান্ধি দিয়া হৈছিল। তেওঁলোকে সংগঠৰ নীতি-নিয়ম উলংঘা কৰাৰ অপৰাধত কেন্দ্ৰীয় সমিতিৰ সিদ্ধান্ত মৰ্মে তেওঁলোক দুয়োজনকে আজি বহিষ্কাৰ কৰা হয় বুলি প্ৰেছ বিবৃতিটোত উল্লেখ কৰিছে। লগতে এই বুলিও উল্লেখ কৰিছে যে আছা সংগঠনৰ পেড ব্যৱহাৰ কৰি কোনো সভা-সমিতি আহবান কৰা আৰু প্ৰেছ বিবৃতি দিয়াৰ পৰা অব্যাহতি দি তেওঁলোকৰ লগত সাংগঠনিক দিশত সংগঠনৰ কোনো সদস্যই যোগাযোগ নাৰাখিবলৈ আহবান জনাইছে যুটীয়া সম্পাদক পূৰণ গঞ্জুয়ে ।

# বনগীতৰ অমিয়া সুৰত ৰজনজনাই উঠিল ডিব্ৰুগড় সাহিত্য সভাৰ বাকৰি

## ডিব্ৰুগড় সাহিত্য সভা-বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ যৌথ উদ্যোগত আয়োজিত বনগীত কৰ্মশালালৈ শ শ অংশগ্ৰহণকাৰীৰ সোঁত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২০ জুলাই ঃ** ডিব্ৰুগড় সাহিত্য সভা আৰু বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ উদ্যোগত অসমীয়া জন-জীৱনৰ অমূল্য সম্পদক কণ কণ শিশু-কিশোৰৰ মাজত পৰিচয় কৰাই দিয়াৰ প্ৰশংসনীয় পদক্ষেপ। কেইবা শ শিশু-কিশোৰৰ মাজত প্ৰথমবাৰলৈ বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাব আৰু ডিব্ৰুগড় সাহিত্য সভাৰ অসমীয়া জাতীয় জীৱনৰ অবিচ্ছেদ্য অংগ বনগীতৰ বিশাল কৰ্মশালা। উল্লেখ্য যে, মানুহৰ প্ৰকৃতিৰ সৈতে ওতপ্ৰোত সম্পৰ্ক আছে। প্ৰকৃতিৰ এই অনন্য ৰূপৰ সৌন্দৰ্যৰ সৈতে নিজৰ মনোভাৱ বৰ্ণনাৰে লিখিত হোৱা গীতবোৰক কোৱা হৈছিল বনগীত। অসমীয়া জন-জীৱনৰ অনন্য স্পৰ্শৰ যিবিলাক গীত গালে শ্ৰোতাৰ মনচক্ষুত নিভাজ মোহনীয় প্ৰকৃতিৰ চিত্ৰখন ভাহি উঠে, যিবোৰ গীত গালে এক তীব্ৰ আৱেগে হৃদয় স্পৰ্শ কৰি যায় এই গীতসমূহ কিন্তু আধুনিকতাৰ ধামখুমীয়াত হেৰাই যোৱাৰ ক্ৰমান্বয়ে উপক্ৰম ঘটিছে। বৰ্তমান প্ৰায় চৰ্চা নোহোৱা তথা নতুন প্ৰজন্মৰ বাবেও প্ৰায় অচিনাকি এই 'বনগীত'ৰ এক কৰ্মশালাৰে কণ কণ শিশু-কিশোৰৰ মনত সাঁচি দিয়াৰ প্ৰচেষ্টা ডিব্ৰুগড় সাহিত্য সভা আৰু বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ যৌথ উদ্যোগত। থলুৱা অসমীয়া সংগীতৰ স্বকীয়তা ৰক্ষা কৰা এই বনগীতৰ কৰ্মশালাৰ সমল ব্যক্তি হিচাপে ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ শিল্পী তথা থলুৱা সংগীতৰ একনিষ্ঠ সাধক শিল্পী ভুৱন গগৈ উপস্থিত থাকি কেইবা শতাধিক শিশু-কিশোৰক প্ৰশিক্ষণ প্ৰদান কৰে। এই কৰ্মশালাত সহযোগী শিল্পী হিচাপে প্ৰশিক্ষণত সহায় আগবঢ়ায় ভাবনা গগৈ, ডিম্পল নাথ, পূজা প্লাৱিতা পাত্ৰ, বাদ্যযন্ত্ৰ-বিশিষ্ট লোকশিল্পী- জিতেন দাস, জনপ্ৰিয় মেণ্ডলিনবাদক তথা শিল্পী পদুম বৰগোহাঁই, মইনা পাৰিজাতৰ পৰিচালক তথা শিশু প্ৰেমী ৰাজীৱ ফুকন, শিল্পী চুমী ফুকন আদিয়ে। গ্ৰীষ্মকালীন বন্ধৰ প্ৰতি লক্ষ্য ৰাখি ডিব্ৰুগড় সাহিত্য সভাৰ লক্ষ্মীনাথ বেজবৰুৱা ভৱনত অনুষ্ঠিত হোৱা এই কৰ্মশালাক লৈ অভিভাৱক, শিশু-কিশোৰৰ বিপুল সঁহাৰি আগবঢ়াই অংশগ্ৰহণ কৰে। মাত্ৰ এদিনৰ বাবে আয়োজিত এই কৰ্মশালাত শিশু-কিশোৰৰ লগতে অভিভাৱকেও অংশগ্ৰহণ কৰে। ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতি বিভাস দুৱৰা, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰা আৰু সম্পাদক ৰাতুল বুঢ়াগোহাঁই, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ যুটীয়া সম্পাদক তথা ডিব্ৰুগড় সাহিত্য সভাৰ সাংগঠনিক সম্পাদক জেছিম আহমেদ, বৰ বিহুৱতী তথা সাংস্কৃতিক কৰ্মী ৰুবী সন্দিকৈ, ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা ড° ৰুণুমা শৰ্মা, লামডিং মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিক আৰাধনা দত্ত, অসম জাতীয়তাবাদী যুৱ পৰিষদৰ সাধাৰণ সম্পাদক উদয়ন কুমাৰ গগৈ, শিক্ষয়িত্ৰী উদয়ন্তী দত্ত হাজৰিকাৰ লগতে বহু বৰেণ্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে ডিব্ৰুগড় সাহিত্য সভাৰ সহকাৰী সম্পাদক, সাংবাদিক যাদৱ গগৈয়ে। উল্লেখ যে অসমীয়া জনজীৱন তথা চহা কথাৰ আপুৰুগীয়া সম্পদস্বৰূপ বনগীতসমূহৰ মাজৰ আনন্দিৰাম দাসৰ 'কোন সেই ৰূপহী ঘাট ঐ মইনা'ৰ লগতে বনগীত 'আঘোণী অ' আঘোণী,' ইকৰা পাতেৰে চৈখন সাজিলে', 'নৈ পাৰে পাৰে', 'জোনে দিশত নাচিছে' আদি আপুৰুগীয়া বনগীতসমূহে জীপাল কৰি তোলে সাহিত্য সভাৰ চৌহদ। স্বাভাৱিকতে জন-জীৱনৰ পৰা হেৰাই তথা লুপ্ত হ'বলৈ ধৰা বনগীতৰ কৰ্মশালাই যুৱ তথা শিশুসকলক আকৰ্ষণ কৰে।

# অ'এনজিচিৰ ব্যক্তিগত তৈলক্ষেত্ৰৰ দালাল প্ৰকৃতিৰ শ্ৰমিকৰ বিৰুদ্ধে সৰৱ অল অইল ফিল্ড ৱৰ্কাৰ্ছ ইউনিয়ন

## চাকৰি দিয়াৰ নামত বহু টকা আত্মসাৎ কৰাৰ অভিযোগ ইউনিয়নৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২০ জুলাই ঃ** অল অইল ফিল্ড ৱৰ্কাৰ্ছ ইউনিয়ন, অ'এনজিচিৰ শিৱসাগৰ যমুনাৰোডস্থিত মুখ্য কাৰ্যালয়ত এখনি জৰুৰী সভা অনুষ্ঠিত হৈ যায়। ইউনিয়নৰ সভাপতি আফিউদ্দিন আহমেদৰ সভাপতিত্বত কৰা সভাৰ আঁত ধৰে কাৰ্যকৰী সভাপতি কৃষ্ণকমল কলিতা আৰু সাধাৰণ সম্পাদক হেমন্ত মাউতে। ডেৰ শতাধিক শ্ৰমিক-কৰ্মচাৰী উপস্থিত থকা সভাত ব্যক্তিগত খণ্ডৰ তৈলক্ষেত্ৰৰ শ্ৰমিকসকলৰ ভৱিষ্যতৰ বিভিন্ন সা-সুবিধা তথা প্ৰাপ্য প্ৰাপ্তিৰ বিষয়ে আলোচনা কৰা হয়। সভাত আন এটি অতি স্পৰ্শকাতৰ বিষয় উত্থাপন হয় যে ইউনিয়নখন জন্মৰ পূৰ্বতে শিৱসাগৰৰে এজন স্থানীয় ব্যক্তিয়ে কোম্পানী আৰু শ্ৰমিকৰ মধ্যস্থতাকাৰী হিচাপে অৱস্থান কৰি কোম্পানীৰ মালিকপক্ষৰ লগত বুজাবুজি কৰি শ্ৰমিকৰ বিভিন্ন সময়ৰ বিভিন্ন সা-সুবিধা অতি কৌশলেৰে আত্মসাৎ কৰি আহিছিল আৰু শ্ৰমিকসকলৰ বিভিন্ন সমস্যাৰাজি নিজৰ ভোগ-বিলাসৰ আহিলা হিচাপে ব্যৱহাৰ কৰি আহিছিল বুলি অভিযোগ কৰিছে। আনকি ইউনিয়নখনে কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত উল্লিখিত ব্যক্তিজন এজন অতি কম পইচা পোৱা তৈলক্ষেত্ৰৰ শ্ৰমিক বুলি উল্লেখ কৰাৰ লগতে অতি কম সময়তে কোটিপতি হোৱা আৰু প্ৰসাদোপম অট্টালিকা, কে'বাখনো বিলাসী বাহন ক্ৰয় কৰা ব্যক্তিজনৰ বিৰুদ্ধে এতিয়া সৰৱ হৈ উঠিছে শ্ৰমিকসকল। বিবৃতিত উল্লেখ কৰা মতে, অল অইল ফিল্ড ৱৰ্কাৰ্ছ ইউনিয়নে যেতিয়াৰ পৰা দায়িত্বভাৰ লয় তেতিয়াৰ পৰাহে দালাল প্ৰকৃতিৰ শ্ৰমিকজনৰ প্ৰকৃত ৰূপটো স্পষ্টভাৱে ওলাই পৰিছিল বুলি উল্লেখ কৰিছে। আনকি ব্যক্তিজনৰ বিৰুদ্ধে শিৱসাগৰৰ বিভিন্ন অঞ্চলৰ কে'বাজনো দুখীয়া পৰিয়ালৰ যুৱকে কেইবাটাও গুৰুতৰ অভিযোগ আনাৰ লগতে চাকৰি দিম বুলি আশ্বাস প্ৰদান কৰি ডেৰ-দুবছৰ আগতেই উক্ত যুৱকসকলৰ পৰা দালাল প্ৰকৃতিৰ শ্ৰমিকজনে লক্ষাধিক টকা আত্মসাৎ কৰি আত্মগোপন কৰি আছে বুলি স্পষ্টকৈ উল্লেখ কৰিছে। আনকি চাকৰি দিম বুলি ধন আত্মসাৎ কৰাৰ অভিযোগ উঠা ব্যক্তিজনৰ লগত হোৱা দুৰ্গতীয়া যুৱকসকলৰ ধনৰ লেন-দেন কৰা প্ৰমাণ, ফোন ৰেকৰ্ডিং, মেছেজ ইত্যাদি ইউনিয়নখনৰ হাতত আছে বুলি বিষয়ববীয়াসকলে জানিবলৈ দিয়ে। সম্প্ৰতি ইউনিয়নৰ বিষয়ববীয়াসকলে অতি সোনকালে দালাল বুলি অভিযোগ উঠা ব্যক্তিজনৰ বিৰুদ্ধে আইনী ব্যৱস্থাৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব বুলি দুৰ্গতীয়া যুৱকসকলক আশ্বাস প্ৰদান কৰে ইউনিয়নখনে।




# ৰঙাপৰাত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ সন্দৰ্ভত সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাপৰা, ২০ জুলাই ঃ** দুৰ্যোগৰ সময়ত বানাক্ৰান্ত কৃষক ৰাইজক সহায়ৰ হাত আগবঢ়াবলৈ অসম চৰকাৰৰ কৃষি বিভাগে পদক্ষেপ গ্ৰহণ কৰি আহিছে। চলিত বৰ্ষৰ দুটাকৈ প্ৰলয়ংকৰী বানত ৰাজ্যখনৰ ৩৩খন জিলাৰ আঠৈ লাখ হেক্টৰ কৃষিভূমিৰ শস্য বানত বুৰ গৈছে। সেইবাবে ৰাজ্যৰ লাখ লাখ কৃষকৰ এতিয়া হাহাকাৰ অৱস্থা। বীমাৰ সুবিধা লাভ কৰা নাই কৃষকসকলে। বানত ক্ষতিগ্ৰস্ত কৃষক ৰাইজক সহায়ৰ হাত আগবঢ়াবলৈ কৃষি বিভাগে ইতিমধ্যে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। এই উপলক্ষে আজি ৰঙাপৰা সমষ্টিৰ ফুলগুৰি গাঁও পঞ্চায়তৰ অন্তৰ্গত হাতীচুবি গাঁৱত এখন সজাগতা সভা অনুষ্ঠিত হয়। ভাৰতীয় জনতা পাৰ্টীৰ কিষাণ মৰ্চাৰ উদ্যোগত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি ভাৰতীয় জনতা পাৰ্টী কিষাণ মৰ্চাৰ ৰঙাপৰা মণ্ডলৰ সভাপতি কমল শৰ্মা বৰুৱাই কয় যে বানপানী, খৰাং, শস্যৰ ৰোগ আদিকে ধৰি বিভিন্ন প্ৰাকৃতিক দুৰ্যোগৰ ফলত কেতিয়াবা শস্যৰ ক্ষেত্ৰত হোৱা ক্ষতিৰ বিপৰীতে ফচল বীমা আঁচনিৰ জৰিয়তে কৃষকক সকাহ দিয়াৰ বাবে অসম চৰকাৰৰ কৃষি বিভাগে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা নামৰ কেন্দ্ৰীয় চৰকাৰৰ ধ্বজাবাহী আঁচনিখন ৰূপায়ণ কৰি আছে। অসমত এই যোজনাখনৰ অধীনত খাৰিফ শস্য হিচাপে মাটিমাহ, শালি ধান আৰু ৰবি বতৰৰ শস্য হিচাপে গ্ৰীষ্মকালীন ধান, আলু, কুঁহিয়াৰ আৰু সৰিয়হ সামৰি লোৱা হৈছে। তেওঁ উক্ত আঁচনিৰ অধীনত কৰা শস্যৰ বীমাৰ অধীনত খাৰিফ শস্যৰ ক্ষেত্ৰত কৃষকসকলে বীমাৰ ধনৰাশিৰ বিপৰীতে ২ শতাংশ প্ৰিমিয়াম দিব লাগে বুলি উল্লেখ কৰে। প্ৰত্যেক বছৰে প্ৰাকৃতিক দুৰ্যোগত ৰাজ্যৰ বিশাল শস্যভূমি ক্ষতিগ্ৰস্ত হয় যদিও সেই অনুপাতে বীমাৰ সুবিধা লাভ কৰা নাই কৃষকে। এতিয়াও বিভিন্ন কাৰণত আঁচনিখনৰ সুবিধা লাভৰ বাবে কৃষক ৰাইজ আগবাঢ়ি অহা নাই বুলি তেওঁ আক্ষেপ কৰে। সভাত উপস্থিত ৰাইজক মাজত ফচল বীমা যোজনাৰ ফৰ্ম বিতৰণ কৰা হয়। শিক্ষক ৰাজেন বিশ্বকৰ্মাই আঁত ধৰা সভাত অঞ্চলটোৰ বহু কৃষক উপস্থিত থাকে। সভাত প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনি সন্দৰ্ভতো আলোচনা কৰা হয়।

# কোচ-ৰাজবংশী সন্মিলনৰ উদ্যোগত পলাহগড়ত বিনামূলীয়া পাঠদান শিবিৰৰ সামৰণী অনুষ্ঠান



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাওঁ, ২০ জুলাই ঃ** ভেৰগাওঁ জিলা শাখা কোচ-ৰাজবংশী সন্মিলনীৰ অন্তৰ্গত পলাহগড়ত আজি পূব টংলা আঞ্চলিক কোচ-ৰাজবংশী সন্মিলনীৰ উদ্যোগত আয়োজন কৰা বিনামূলীয়া পাঠদান শিবিৰৰ সফল সামৰণি পৰে। উল্লেখ্য যে গৰমৰ বন্ধত ছাত্ৰ-ছাত্ৰীক পাঠ্যপুথিৰ পৰা আঁতৰাই নাৰাখি শৈক্ষিক দিশত ব্যস্ত ৰাখিবলৈ বিনামূলীয়া পাঠদান কাৰ্যসূচী হাতত লোৱা হৈছে বুলি উদ্যাপন সমিতিয়ে জানিবলৈ দিয়ে। শিবিৰত পাঠদানৰ লগতে সংগীত বাখি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা আৰু বিভিন্ন দিশৰ ওপৰত ছাত্ৰ-ছাত্ৰীক জ্ঞান দিয়া হয়। ছাত্ৰ-ছাত্ৰীৰ সমবেত সংগীতেৰে আৰম্ভ হোৱা সভাৰ আঁত ধৰে পাঠদান শিবিৰৰ কেন্দ্ৰীয় পৰিচালক জ্যোতিষ চন্দ্ৰ চৌধুৰীয়ে। পূব টংলা আঞ্চলিক কোচ-ৰাজবংশী সন্মিলনৰ সভাপতি চিন্তামণি ডেকাই সভাপতিত্ব কৰা সভাখনত পাঠদান শিবিৰৰ প্ৰশিক্ষক বিজয় কুমাৰ ডেকা, দীপাংকৰ হাজৰিকা বৃন্দাবন বৰুৱা, নিকুঞ্জ বৰুৱা, হীৰকজ্যোতি ডেকা, সবিতা মহিলা, বিজয়া ডেকা আৰু ৰাজীৱ শৰ্মাক সন্মানসহকাৰে প্ৰশংসা-পত্ৰ প্ৰদান কৰা হয়। উক্ত সামৰণী অনুষ্ঠানত উপস্থিত থাকে ক্ৰমে— ভেৰগাওঁ জিলা কোচ-ৰাজবংশী সন্মিলনীৰ সভাপতি দেৱজিৎ কুমাৰ ডেকা, কাৰ্যকৰী সভাপতি তৰুণ চন্দ্ৰ বড়া, জাতীয় বিদ্যালয় অসম, টংলাৰ অধ্যক্ষ যোগেন্দ্ৰ নাথ ডেকা, সমাজ সেৱক হৰেন্দ্ৰ নাথ শইকীয়া, পূব টংলা আঞ্চলিক কোচ-ৰাজবংশী সন্মিলনীৰ উপদেষ্টা নৰেন্দ্ৰ বৰুৱা আৰু টংলা সাহিত্য সভাৰ সভাপতি গৌৰীশংকৰ দাসে।

# উত্তৰ-পশ্চিম তেজপুৰ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা শিক্ষাব্ৰতী অৰুণ কুমাৰ বৰাৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২০ জুলাই ঃ** উত্তৰ-পশ্চিম তেজপুৰ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা শিক্ষাব্ৰতী অৰুণ কুমাৰ বৰাৰ আজি তেওঁৰ নিজা বাসগৃহ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। অৰুণ কুমাৰ বৰাৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰম্ভ কৰে পৰিয়ালৰ লোকে । বিশিষ্ট শিক্ষাবিদ কুশল শইকীয়াৰ পৌৰোহিত্যত স্মৃতিচাৰণ সভাখনত শোণিতপুৰ জিলা সাহিত সভাৰ প্ৰাক্তন সভানেত্ৰী স্বাধীনতা মহন্তই অৰুণ কুমাৰ বৰাদেৱৰ সোঁৱৰণক প্ৰকাশ কৰি উলিওৱা অৰুণজ্যোতি উন্মোচন কৰে ।সভাখনত তেজপুৰৰ বিধায়ক পৃথ্বীৰাজ ৰাভা , মিলনবাকৰি ৰাস মহোৎসৱ সমিতি সভাপতি সুনীল শইকীয়া, কাৰ্যকৰীসভাপতি কুলেন শইকীয়া, সাহিত্য সভাৰ বিষয়ববীয়া বিপুল কুমাৰ নাথ, কামেশ্বৰ দাস, প্ৰশান্ত দাস, শিক্ষাবিদ লিলাম্বৰ বৰা, যতীন বৰুৱা, বসন্ত কাকতি আদি উপস্থিত থকা স্মৃতিচাৰণ কৰা সভাখনৰ আঁত ধৰে জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক অপূৰ্ব বৰা আৰু প্ৰশান্ত দাসে। শলাগৰ শৰাই আগবঢ়ায় অৰুণ বৰাৰ ভাগিন বিষ্ণুজ্যোতি কলিতাই।

# দৰঙৰ বাপুজী বালিকা বিদ্যালয়ৰ প্ৰশংসনীয় পদক্ষেপ



**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ২০ জুলাইঃ** দৰং জিলাৰ বিষ্ণুপুৰ সমল কেন্দ্ৰৰ অন্তৰ্গত বাপুজী বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ে ছাত্ৰীসকলৰ শৈক্ষিক ঘাটি পূৰণ কৰাৰ এক প্ৰচেষ্টা হিচাপে গৰমৰ বন্ধৰ কালছোৱাত শৈক্ষিক পদক্ষেপ গ্ৰহণ কৰে। নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰীসকলৰবাবে এই সময়ছোৱাত বিশেষ পাঠদানৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। এই পাঠদান কাৰ্যসূচীত বিদ্যালয়ৰ শিক্ষক হিৰণ্য কুমাৰ নাথ, দীনেশ ডেকা, লক্ষ্য চহৰীয়া, প্ৰেমদা ডেকা, দিগন্ত চহৰীয়া, ইজাজুল হক, নৃপেন্দ্ৰ নাথ কুমাৰ আদিয়ে সহযোগিতা আগবঢ়ায়। ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক পলাশ চমুৱাই নিয়মিত কাম-কাজৰ সমাকৰণ কৰি আহিছিল। ইয়াৰ উপৰি ষষ্ঠ, সপ্তম আৰু অষ্টম শ্ৰেণীৰ ছাত্ৰীসকলৰ বাবে প্ৰতি সপ্তাহত ঘৰুৱা কাম দিয়াৰ সমান্তৰালভাৱে পূৰ্বৰৰ্তী সপ্তাহৰ ঘৰুৱা কাম জমা লোৱাৰ ব্যৱস্থা কৰে। বিদ্যালয়ত ছাত্ৰীসকলক খেলৰ মাজেৰে পৰিৱেশ শিক্ষা প্ৰদান, চিত্ৰাংকণ, অংকন আদিত শিক্ষকসকলে গুৰুত্ব প্ৰদান কৰি আহিছে। বিদ্যালয়ৰ বিজ্ঞান শিক্ষক হিৰণ্য কুমাৰ নাথৰ তত্ত্বাৱধানত এই কাৰ্যসূচী পৰিচালিত হৈছে। তদুপৰি বন্ধৰ দিনকেইটাত শিক্ষক সকলে ছাত্ৰী সকলৰ নিজ নিজ গৃহলৈও গৈ অভিভাৱকক লগ ধৰি ছাত্ৰী সকলৰ বিদ্যায়তনিক আৰু স্বাস্থ্য পাতিৰ খা খবৰ লৈ আছে। বিদ্যালয়ৰ শিক্ষক ৰেবন চৌধুৰী, জ্যোতিষ নাথে গৃহ ভ্ৰমণত সহযোগিতা আগবঢ়ায়। উল্লেখ্য যে শেহতীয়াকৈ হৈ যোৱা প্ৰলয়ংকৰী বান বিদ্যালয়খন পানীত প্লাৱিত হোৱাৰ উপৰি বানপীড়িত লোকৰ শিবিৰো মুকলি কৰা হৈছিল। আনহাতে, গৰমৰ বন্ধ ঘোষণা কৰাৰ পূৰ্বেই প্ৰায় এটা পযেক ধৰি বানপানীৰ বাবেই শৈক্ষিক কাৰ্যত ব্যাঘাত জন্মিছিল। বিদ্যালয়খনে গ্ৰহণ কৰা এনে প্ৰশংসনীয় পদক্ষেপে কিছু পৰিমাণে হ'লেও ছাত্ৰীসকলৰ শৈক্ষিক দিশত যোগাত্মক প্ৰভাৱ পেলাব বুলি অভিভাৱকসকলে আশা কৰিছে।

# বকোৰ বালিঝাৰত দেশী জনগোষ্ঠীয় মঞ্চ, অসমৰ উদ্যোগত 'দেশী লোক নৃত্য'ৰ ওপৰত কৰ্মশালাৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২০ জুলাই ঃ** ৰাজ্যৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ অন্যতম জনগোষ্ঠী দেশী জনগোষ্ঠীয় মঞ্চ, অসমৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত আৰু বৰুৱা আঞ্চলিক সমিতিৰ সহযোগত বালিঝাৰ এম ই মাদ্ৰাছা প্ৰাংগণত আয়োজন কৰা হৈছে দেশী লোকনৃত্যৰ ওপৰত কৰ্মশালা। অহা ২২ জুলাইৰ পৰা ২৫ জুলাইলৈ পাঁচদিনীয়াকৈ আয়োজন কৰা হৈছে কৰ্মশালাখন। উল্লেখ্য যে ৰাজ্য চৰকাৰে সদ্য ঘোষণা কৰা খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ অন্যতম দেশী জনগোষ্ঠী। এই জনগোষ্ঠীৰ সামাজিক আৰু সাংস্কৃতিক দিশত আছে অভূতপূৰ্ব সমল। এই সমলসমূহ বিকশিত কৰি প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে জনগোষ্ঠীটোৰ উঠি অহা চামক আগ্ৰহী কৰি তুলিবলৈ লগতে জনগোষ্ঠীটোৰ স্বকীয়তা বজাই ৰাখিবলৈ আয়োজন কৰা হৈছে দেশী লোকনৃত্যৰ ওপৰত কৰ্মশালাখন। ইফালে উদ্যোক্তামণ্ডলীয়ে জনোৱা মতে, এই পাঁচদিনিয়া কৰ্মশালাই দেশী জনগোষ্ঠীয় লোকৰ উঠি অহা যুৱক-যুৱতীসকলৰ বাবে এক ইতিবাচক প্ৰভাৱ পেলাব। বালিঝাৰ এম ই মাদ্ৰাছা প্ৰাংগণত আয়োজন কৰা কৰ্মশালাৰ প্ৰথম দিনৰ কাৰ্যসূচীত পুৱা ন বজাত পতাকা উত্তোলন কৰিব দেশী জনগোষ্ঠীয় মঞ্চ, অসমৰ কেন্দ্ৰীয় প্ৰাক্তন ভাৰপ্ৰাপ্ত সভাপতি খয়াৰ আলী আহমেদ আৰু কৰ্মশালাখন শুভ উদ্বোধন কৰিব দেশী জনগোষ্ঠীয় মঞ্চ, অসমৰ মহানগৰ সমিতিৰ সভাপতি, বিশিষ্ট লেখক জাকিৰ হুছেইন সৰকাৰে। আনহাতে, কৰ্মশালাৰ সামৰণিৰ দিনা অৰ্থাৎ ২৫ জুলাইত দূৰদৰ্শন কেন্দ্ৰৰ জৰিয়তে সম্প্ৰচাৰ কৰা হ'ব কৰ্মশালাৰ কাৰ্যসূচী। উক্ত কাৰ্যসূচীত ভাগ ল'ব মঞ্চৰ কেন্দ্ৰীয় সভাপতি শ্বেইখ হেদায়তুল্ল্যাহ, সাধাৰণ সম্পাদক ছহিদুল ইছলাম, প্ৰাক্তন কেন্দ্ৰীয় সাধাৰণ সম্পাদক ছাহজালাল আহমেদৰ উপৰিও মঞ্চৰ শীৰ্ষ নেতৃবৰ্গই।

# কাইলৈৰ পৰা দুদিনীয়াকৈ স্বেচ্ছাসেৱী অনুষ্ঠান 'খোজ'ৰ উদ্যোগত জীৱন কৌশল কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২০ জুলাই ঃ** মানৱ জীৱনৰ বিভিন্ন স্তৰসমূহৰ মাজত কৈশোৰ কাল অতি স্পৰ্শকাতৰ আৰু গুৰুত্বপূৰ্ণ। মানৱ জীৱন গঢ়াৰ এই সময়ছোৱাত কিশোৰ, কিশোৰীসকলৰ বাবে আহে পৰিৱৰ্তনৰ এক বাহক হৈ। শাৰীৰিক, মানসিক আৰু আৱেগিক বিকাশ আৰু পৰিৱৰ্তনৰ বাহক কৈশোৰ কালছোৱা সু-সংহত চিন্তা, আচাৰ-ব্যৱহাৰ, জীৱন প্ৰণালীৰে গঢ়ি তুলিবলৈ হ'লে কিশোৰ, কিশোৰীসকলৰ লগতে শিক্ষক, অভিভাৱকৰো থাকিব লাগিব এক সমন্বিত প্ৰচেষ্টা। সুস্থ আৰু শক্তিশালী সমাজ গঢ়াৰ স্বাৰ্থত কৈশোৰ কালতেই আত্মনিয়ন্ত্ৰণৰ অভ্যাস গঢ়ি তুলিব লাগিব। এনে উদ্দেশ্যৰেই পৰিৱৰ্তিত সময়ৰ লগত সংগতি ৰাখি সুস্থ কৈশোৰ কালৰ এটি অনুশীলন কৰিব পৰা এটি পৰিৱেশ গঢ়িবলৈ স্বেচ্ছাসেৱী অনুষ্ঠান 'খোজ'-এ আয়োজন কৰিছে এক আন্তৰিক প্ৰয়াস। শিৱসাগৰৰ ৰংঘৰ চাৰিআলিৰ সমীপৰ জোনাকী নগৰস্থিত টেম্প'ল টাউন ইউৰ' স্কুলৰ প্ৰেক্ষাগৃহত আয়োজন কৰা হৈছে কৈশোৰকালক কেন্দ্ৰ কৰি এক 'জীৱন কৌশল কৰ্মশালা'। অহা ২২ আৰু ২৩ জুলাই, (শুকুৰ আৰু শনিবাৰে) অনুষ্ঠিত হ'বলগীয়া এই কাৰ্যসূচীত সমল ব্যক্তি হিচাপে উপস্থিত থাকিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ সহকাৰী প্ৰাধ্যাপক, ইতিবাচক শিক্ষাৰ গৱেষক ড° প্ৰাঞ্জল বুঢ়াগোহাঁই। অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক লক্ষ্য কৰি আয়োজিত এই কৰ্মশালালৈ আগ্ৰহী ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু শিক্ষক, শিক্ষয়িত্ৰীসকলক অংশগ্ৰহণৰ বাবে উদ্যোক্তাই অনুৰোধ জনাইছে। সবিশেষ জানিবলৈ ৯৪৩৫০৫৭২৮৫, ৬০০১০৯৮৭৫৯ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাই আহ্বান জনাইছে।

# অৱসৰপ্ৰাপ্ত কৰ্মচাৰী, সমাজকৰ্মী মোহন কৰ্মকাৰৰ দেহাৱসান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধনশিৰি, ২০ জুলাইঃ** অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ অসৱৰপ্ৰাপ্ত কৰ্মচাৰী, সমাজকৰ্মী মোহক (৭৩) কৰ্মকাৰে যোৱা ১৬ জুলাইত ইহলীলা সম্বৰণ কৰে। ১৯৪৯ চনৰ ২৯ নৱেম্বৰত ধনশিৰি মহকুমাৰ সৰুপথাৰ নগাজৰি খনিকৰ গাঁৱত জন্ম গ্ৰহণ কৰা মোহন কৰ্মকাৰে সৰুপথাৰতে স্কুলীয়া শিক্ষা আৰম্ভ কৰি পিছলৈ ডিফু কলেজত স্নাতক ডিগ্ৰী লাভ কৰে আৰু ডিফুতে ডিফু কোষাগাৰত চাকৰি জীৱন আৰম্ভ কৰে। কোষাগাৰৰ চাকৰি ইস্তফা দি পিছলৈ গোলাঘাট জিলাৰ সৰুপথাৰত লোকনিৰ্মাণ বিভাগত যোগদান কৰে। শেষলৈ বিভাগটোৰ উপ-গাণনিক হিচাপে পদোন্নতি লাভ কৰি চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। প্ৰয়াত কৰ্মকাৰ যোৱা কিছু মাহৰ পৰা দুৰাৰোগ্য অস্থি কৰ্কট ৰোগত ভুগি আছিল আৰু যোৰহাটস্থিত টাটা কেঞ্চাৰ চিকিৎসালয়ত চিকিৎসা কৰি আছিল আৰু কিছুদিন পূৰ্বে ঘৰলৈ যাবলৈ দিয়াত পৰিয়ালৰ লোকে ঘৰতেই চিকিৎসা কৰি কৰিছিল। কিন্তু নিয়তিৰ ওচৰত হাৰ মানি যোৱা ১৭ জুলাইত মোহন কৰ্মকাৰে ইহ সংসাৰৰ পৰা চিৰ দিনৰ বাবে বিদায় লয়। প্ৰয়াত মোহন কৰ্মকাৰে মৃত্যুৰ সময়ত পত্নীসহ তিনিজন পুত্ৰ-বোৱাৰী আৰু নাতি-নাতিনীক ইহ সংসাৰত এৰি যায়। প্ৰয়াত কৰ্মকাৰ সৰুপথাৰৰ বিভিন্ন সামাজিক কাম-কাজত ওতপ্ৰোতভাৱে জড়িত আছিল।

# তেজপুৰত জেঠৰ পথাৰত আঘোণৰ ব্যস্ততা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২০ জুলাই ঃ** তেজপুৰৰ উপকণ্ঠ ডিপোটা নদী কাষৰীয়া অঞ্চলসমূহত দেখিবলৈ পোৱা গৈছে এক ব্যতিক্ৰমী দৃশ্য। জেঠৰ পথাৰত আঘোণৰ ব্যস্ততা। বড়োধানৰ সোণোৱালী পথাৰে দৃষ্টি আকৰ্ষণ কৰিছে সকলোকে। জেঠৰ উদং পথাৰখন ভৰি পৰিছে সোণোৱালী শস্যই। চাৰিওফালে কেৱল দেখিবলৈ পোৱা গৈছে সোণোৱালী দৃশ্য। পুহৰ শেষৰ ফালে মাঘ মাহৰ পৰা শাওণৰ ব্যস্ততাৰ দৰে ভুঁই ৰুই আৰম্ভ কৰা এই বড়োধানৰ খেতি জেঠ আৰু আহাৰ মাহৰ প্ৰথম ভাগতে সোণগুটি ভঁৰাললৈ চপাব পাৰিব বুলি আশা প্ৰকাশ কৰিছে ডিপোটাৰ নিবনুৱা যুৱক চিন্তু শৰ্মা বৰদলৈয়ে। ডিপোটা নদীৰ পাৰত চিন্তু শৰ্মা বৰদলৈয়ে ১৪ বিঘা মাটিত বড়োধানৰ খেতি কৰি লাভৱান্বিত হোৱাৰ আশা কৰিছে। কাৰণ এই বড়োধানৰ খেতি বানপানীৰ অহাৰ আগতেই সামৰা হয়। প্ৰখৰ ৰ'দ আৰু উৎকট গৰমৰ পৰিৱেশৰ মাজতেই সোণালী ধানৰ মনোমোহা প্ৰাকৃতিক সৌন্দৰ্যই মন মুগ্ধ কৰি কৃষিজীৱীৰ জীৱনলৈ আশাৰ সঞ্চাৰ কঢ়িয়াই আনিছে। চালে চকুৰোৱা সোণগুটি ধানৰ আঁচলখনে বাটৰুৱাক ৰিঙিয়াই মাতিছে। প্ৰতিকূল বতৰৰ মাজতে ৰাইজ ব্যস্ত হৈ পৰিছে সোণগুটি চপোৱাত।

# বিশ্বনাথ শাখা আট্ছাৰ উদ্যোগত নীলপুৰত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

## উখল-মাখল পৰিৱেশত নীলপুৰত আটছাৰ বিশেষ অভিনন্দন অনুষ্ঠান




**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ২০ জুলাই ঃ** বিশ্বনাথ জিলাৰ সদৰ বিশ্বনাথস্থিত নীলপুৰ চাহ বাগিচাত আট্ছাৰ বিশেষ অভিনন্দন অনুষ্ঠান যোৱা ১৭ জুলাইত অনুষ্ঠিত হৈ যায়। বিশ্বানাথ শাখা আট্ছাৰ সভাপতি মহেশ ছত্ৰীৰ সভাপতিত্বত আৰু কেন্দ্ৰীয় আটছাৰ সহকাৰী সাধাৰণ সম্পাদক অনন্ত সোণাৰ আতিথ্যত অনুষ্ঠিত বিশেষ অভিনন্দন অনুষ্ঠানত বিশ্বনাথৰ মুঠ ৩৪০গৰাকী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা হয়। বিশিষ্ট অতিথি ৰূপে বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চিন্তামণি শৰ্মাৰ উপস্থিতিত সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা-পত্ৰ গামোচাৰে অভিনন্দন জনোৱা হয়। নীলপুৰ চাহ বাগিচাৰ প্ৰেক্ষাগৃহ প্ৰাংগণত বিশ্বনাথ শাখা আট্ছাৰ উদ্যোগত আৰু নীলপুৰ প্ৰাথমিক গোটৰ সহযোগত অনুষ্ঠিত বিশেষ অভিনন্দন অনুষ্ঠানত কেন্দ্ৰীয় আট্ছাৰ সাংগঠনিক সম্পাদক ঐৱন তাঁতী আৰু প্ৰচাৰ বিশ্বনাথ জিলা আটছাৰ সম্পাদক নীলোৎপল ৰবিদাসে শুভেচ্ছামূলক বক্তব্যত সম্প্ৰতি চাহ জনগোষ্ঠীটোৰ মাজত বিভিন্ন দল-সংগঠন তথা নেতা প্ৰতিষ্ঠা লাভ কৰা পৰিলক্ষিত হৈছে যদিও জনগোষ্ঠীটোৰ উত্তৰণত বিশেষভাৱে শৈক্ষিক উত্তৰণত নিম্নগামী হৈ থকাটো পৰিতাপৰ বিষয় বুলি কোৱাৰ লগতে এইক্ষেত্ৰত অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ চাহ জনগোষ্ঠীৰ সামগ্ৰিক উন্নয়নৰ হকে প্ৰতিগৰাকী অসমীয়াই যোগাত্মক দীৰ্ঘম্যাদী আঁচনি ৰূপায়ণত পূৰ্ণ সহযোগিতাৰ আহ্বান জনায়। তদুপৰি এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত বিশেষভাৱে কেন্দ্ৰীয় আটছাৰ প্ৰচাৰ সম্পাদক মিণ্টু ভূমিজ, কাৰ্যনিৰ্বাহক লব ভূএঞা, বিশ্বনাথ জিলা আট্ছাৰ ভাৰপ্ৰাপ্ত সভাপতি বাবুল গোৱালাকে ধৰি কে'বাগৰাকী বিশিষ্ট ব্যক্তিয়ে শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। আট্ছাৰ বিশেষ অভিনন্দন অনুষ্ঠানভাগে নীলপুৰ চাহ বাগিচাত সৃষ্টি কৰা এক উছৱমুখৰ পৰিৱেশত চাৰিআলি উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ অধ্যক্ষা স্বপ্না বৰা দাস, বিশ্বনাথ বাণিজ্য মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক গৌতম গোৱালা, কেন্দ্ৰীয় আট্ছাৰ প্ৰাক্তন সহকাৰী সম্পাদকদ্বয় ক্ৰমে— ৰূপনাথ ভূমিজ, দিগন্ত ঘাটোৱাৰ, আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ৰূপম দাস, আগছুৰ কেন্দ্ৰীয় উপ-সভাপতি দিলীপ গজুৰেল, সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক হেমন্ত গগৈ, আছাৰ বিশ্বনাথ জিলাৰ প্ৰাক্তন সভাপতি ৰবীন ঘাটোৱাৰ, আমছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক আমিল হক, বিশ্বনাথৰ জ্যেষ্ঠ সাংবাদিক নিৰঞ্জন হাজৰিকা, চাহ জনগোষ্ঠী সাহিত্য সভা, বিশ্বনাথ জিলাৰ সভাপতি ৰমেন ৰাউতীয়া, সম্পাদক কৃষ্ণ পাতৰ, আট্ছাৰ শোণিতপুৰ জিলাৰ প্ৰাক্তন সম্পাদক আনন্দ নাগ, আট্ছাৰ বিশ্বনাথ জিলাৰ ভাৰপ্ৰাপ্ত সভাপতি বাবুল গোৱালা, সম্পাদক নীলোৎপল ৰবিদাস, উপ-সভাপতি অমিত তছা, সহকাৰী সম্পাদক বিমল দীপ, প্ৰাক্তন আট্ছা নেতা ক্ৰমে— মাণিকৰাম তাঁতী, সুজিত ভূমিজ, সুচিত্ৰ পাইক, গণেশ বাচোৱাৰ, শ্যাম বাচোৱাৰ, বিধান বাচোৱাৰ, অৰূপ গোৱালা, অসম চাহ মজদুৰ সংঘ, বিশ্বনাথ শাখাৰ সম্পাদক নগেন গোৱালা, উপ-সভাপতি হিমাঞ্চল বাচোৱা, বিশ্বনাথ শাখা আট্ছাৰ উপ-সভাপতি ক্ৰমে— জিতেন তাঁতী, কিৰণ ওৰাং, ৰাজীৱ গোৱালা, সম্পাদক সদানন্দ তাঁতী, সহকাৰী সম্পাদক ক্ৰমে— চতন বাচোৱাৰ, জ্যোতিষ তাঁতী, ধৰমৰাজ সোণা, নদুৱাৰ শাখা আট্ছাৰ ভাৰপ্ৰাপ্ত সভাপতি ৰাধেশ্যাম তাঁতী, সম্পাদক গিৰীন্দ্ৰ কুৰ্মী, চাহ জনগোষ্ঠীয় বিশিষ্ট জনপ্ৰিয় শিল্পী শ্যাম কুমাৰ নাগ, আটুৱাৰ বিশ্বনাথ জিলাৰ উপ-সভানেত্ৰী লিপিকা ভৰদ্বাজ, আটুৱাৰ বিশ্বনাথ শাখা মহিলা সমিতিৰ সভানেত্ৰী অনিমা গোৱালা, সম্পাদিকা মমি সিং তাঁতী, বিশ্বনাথ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি নয়নজ্যোতি গোৱালা, সম্পাদক কুশল শৰ্মা, বিশ্বনাথ শাখা আট্ছাৰ অন্তৰ্গত উপ-শাখা আৰু প্ৰাথমিক বিষয়ববীয়াসকলৰ উপস্থিতিয়ে অভিনন্দন অনুষ্ঠানটিক এক বিশেষ মাত্ৰা বহন কৰিছিল।

No. APART/Seri-OPIU/17/19-20/591/3071

**REQUEST FOR QUOTATION**

Sealed Quotation in **2-bid** system affixing Court Fee stamp of Rs. 8.25 (Rupees Eight and paisa twenty Five) only **from reputed firms with experience in producing short/ documentary films** for Production of video on Muga Silk production process under APART, highlighting the Muga as a part Assamese tradition, pride of Assam and justifying the high cost of Muga Silk to be received on **11/08/2022** up to 12.00 P.M. and same will be opened on the same date at **11/08/2022** at 12.30 PM in the presence of the Firm authority or their authorized representative. If the last date of receiving Quotation is notified as Govt. Holiday, the tender will be received on the next working day. The Quotation document will be issued to the Contractor /Firms w.e.f **22/07/2022** to **10/08/2022.** The estimated amount for the work of Muga video making is 3,00,000/- (Three lakhs) only. The amount of Earnest Money Deposit (EMD) is 2% of the estimated amount i.e. Rs. 6000/- (Six thousand) only which is to be submitted with the Quotation.

The Quotation shall be submitted in two bid systems (Technical & Financial in separate envelopes) as per Annexure-I & Annexure-Il of quotation documents. Details Terms & Conditions etc. may be seen in the office of the Directorate of Sericulture, Assam, Guwahati-22, during the office hours.

**Sd/-**
Director
Sericulture, Assam, Guwahati-22

**Janasanyog/C/6882/22**

No. TMCH/Purchase/L.R. Patho/37/2014/

**TENDER NOTICE**

Sealed bid (Single envelope system) affixing court fee of Rs.8.25 (Rupees eight & twenty five paisa) only from the authorized Stockiest/Distributors or authorized Dealers are invited for supply of the Lab Reagents and Consumables to the Pathology department Tezpur Medical College & Hospital, Tezpur. The list of the items along with detailed terms & conditions may be collected on payment of Rs.1000/-(One Thousand) (Non Refundable) only from the office of the Medical Superintendent, Tezpur Medical College Hospital during office hours on all working days from 20th July' 2022 to 3rd August' 2022.

Prescribed Tender documents containing Terms and conditions can be downloaded from the website www.tmcassam.org which should be accompanied by requisite Tender cost of Rs.1000/- (One Thousand) ( Non Refundable) in the form of demand draft payable at Tezpur in favour of "The Member Secretary, SMET, "Tezpur Medical College & Hospital, Tezpur" payable at Tezpur.

The tenders are to be submitted to the office of the Medical Superintendent, Tezpur Medical College Hospital, Tezpur during office hours. Last date and time of submission will be 3rd August' 2022 at 1.00 PM. Tender will be opened on the same day at 2.00 PM. in presence of the intending tenderers' or their authorized representatives.

Sd/-
Principal cum-Chief Superintendent
Tezpur Medical College & Hospital Tezpur

Janasanyog /C/6815/ 22

## প্ৰথম পৃষ্ঠাৰ পৰা—

## হাৰ্টথ্ৰব জুবিন গাৰ্গ পিছলি

এম্বুলেঞ্চেৰে গুৱাহাটীলৈ নিয়ে আৰু আয়ুৰসুন্ত্ৰা হাস্পতালত উন্নত চিকিৎসাৰ বাবে ভৰ্তি কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জনপ্ৰিয় কণ্ঠশিল্পীগৰাকীৰ স্বাস্থ্যৰ অৱস্থা ভাৰৰ খবৰ ভাৰে লৈ ব্যৱস্থা গ্ৰহণ কৰে। ডিব্ৰুগড় জিলা উপায়ুক্ত বিশ্বজিত পেগুৰ উপস্থিতিত জনপ্ৰিয় শিল্পীগৰাকীক কটকটীয়া নিৰাপত্তা বেষ্টনীৰ মাজেৰে উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰা হয় জুবিনক। সম্প্ৰতি জুবিনৰ স্বাস্থ্যৰ অৱস্থা সুস্থিৰ বুলি চিকিৎসকে জনাইছে। অৱশ্যে জুবিনৰ দেহত ছ'ডিয়ামৰ পৰিমাণ হ্ৰাস পোৱাত কিছু জিৰণিৰ প্ৰয়োজনীয়তাৰ কথা জনাইছে চিকিৎসকে। উল্লেখ্য যে, ধেমাজি জিলাৰ জোনাইত অনুষ্ঠিত হোৱা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ অধিৱেশনৰ সংগীতানুষ্ঠানত অংশগ্ৰহণ কৰাৰ পিছতে কালি ৰাতি আছিল মোহনবাৰীৰ মনোহাৰী ৰিজৰ্টত। ইফালে আজি জুবিন গাৰ্গৰ অসুস্থতাৰ খবৰ পাই সঞ্জীৱনী হাস্পতালত উপস্থিত হয়হি পত্নী গৰিমা শইকীয়া গাৰ্গসহ আত্মীয়। শুভাকাংক্ষী আৰু অনুৰাগীৰে ভৰি পৰে হাস্পতালৰ চৌহদ। একাংশ শুভাকাংক্ষীৰ সৈতে হাস্পতালত চিকিৎসাধীন অৱস্থাতে মতবিনিময় কৰে জুবিন গাৰ্গে। ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, অসম জাতীয় দলৰ সভাপতি লুৰীণজ্যোতি গগৈ, জ্যোতি চিত্ৰবনৰ উপাধ্যক্ষ সুনীল বৰুৱাকে ধৰি একাংশ প্ৰমুখ্য কৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে জুবিনৰ স্বাস্থ্যৰ খুজ লয়।

## ধুবুৰীৰ গৌৰীপুৰত ২ ড্ৰাগছ

কৰাৰ ঘটনাত চাঞ্চল্যৰ সৃষ্টি হৈছে। আৰক্ষীৰ সূত্ৰ মতে যোৱানিশা ধৃত দুই সৰবৰাহকাৰী আবু বক্কৰ ছিদ্দিক (৩৬) গৌৰীপুৰ ৱাৰ্ড নং ৪, আৰু মহম্মদ মকবুল হুছেইন (৪২), গৌৰীপুৰ ৱাৰ্ড নং ৪। ধৃত দুয়োজনকে ভাৰতীয় দণ্ডবিধিৰ ২২ (চি) এন ডি পি এছ ধাৰাত গৌৰীপুৰ থানাত ৩০৬/২২ নম্বৰত গোচৰ ৰুজু কৰা হয়। ধৃত দুয়োজনকে বৰ্তমান সোধা-পোছা কৰি থকা হৈছে।

## বাক্সাৰ ভাৰত-ভূটান সীমান্তৰ

গাঁওখনত প্ৰৱেশ কৰি পৰন দাসৰ ঘৰ-বাৰী ভাঙি লণ্ডভণ্ড কৰাৰ লগতে ঘৰত থকা ধান-চাউল আদি খাই তহিলং কৰাৰ উপৰি ঘৰৰ আচবাবৰো ক্ষতিসাধন কৰে। ইয়াৰ উপৰি হাতীটোৱে ঘৰৰ চোতালত থকা শিৱ মন্দিৰ এটাবো ক্ষতিসাধন কৰে। আনহাতে, হাতীৰ জাকটোৱে কেইবাটাও পৰিয়ালৰ তামোল, নাৰিকল, কল আদি খোৱাৰ লগতে ভাঙি পেলায়। ঘটনাটো বন বিভাগক জনোৱাত পুৱা বাতাবাৰী ৰাংগলিক কাৰ্যালয়ৰ পৰা বন বিভাগৰ লোক ক্ষতিগ্ৰস্ত পৰিয়ালটোত উপস্থিত হৈ ক্ষয়ক্ষতিৰ খুজ লয়।

## বিলুপ্তিৰ পথত থলুৱা প্ৰজাতিৰ

ভূমি সৃষ্টি কৰি দৈ গোলাঘাট আৰু ধনশ্ৰী মহকুমাৰ সীমা বিভক্ত কৰি গোলাঘাটৰ প্ৰধান নদী ধনশ্ৰীত পৰিছেগৈ। নদীখনৰ দুয়োপাৰৰ অসমৰ বৃহত্তৰ কৃষিভূমিলৈ উৰ্বৰতা অনাৰ লগতে বিভিন্ন প্ৰজাতিৰ মাছ-কাছৰ বাবে প্ৰসিদ্ধ তথা এই নদীখন মুক্ত বিচৰণস্থলী। বৰ্তমান সময়ত মাছে প্ৰজনন কৰে বাবেই মীন বিভাগে জালেৰে মাছ ধৰা, নৈ, বিলত মাছ মৰা নিষিদ্ধ কৰিছে যদিও একাংশই এইবোৰলৈ কোনো ভ্ৰূক্ষেপ নকৰি মাছ মাৰি আহিছে। অতি পৰিতাপৰ বিষয় যে, জীৱশ্ৰেষ্ঠ মানুহেই দৈয়াং নদীৰ বিভিন্ন স্থানত ক্ৰমে ঘুলিঘাট, হেৰহেৰীঘাট, মুচৰ ভঙ্গা, হাতীঘুলি, মিলনপুৰ, কাছমাৰী, বিয়াকবোৰা, গবৈবিল, পদুমপথাৰ, মিলনপুৰ, সৰুপানী, পুৰণিগাট, দুবৰণি, দৈয়াংপাৰ, চিতলমাৰী, ভেলেকী আদি প্ৰায় বিশটা মান স্থানত বাঁহৰ কাঠিৰে বোবা মাছধৰা বাণ পাতি মাছ ধৰি মাছৰ বিভিন্ন প্ৰজাতিৰ বাবে চৰম বিপৰ্যয় নমাই অনাৰ লগতে মাছৰ প্ৰজাতিলৈ ভাবুকি কঢ়িয়াই আনিছে। এই ঠাইসমূহত মানুহে দিনে-নিশাই মাছ, কাছ ধৰি খোৱাৰ লগতে বহু সময়ত এই দৈয়াং নদী আৰু ইয়াৰ উপনৈসমূহ যেনে খিলাধাৰী, মোৰা নদী আদিত সহজলভ্য বিষাক্ত ৰাসায়নিক কীটনাশক দ্ৰব্য প্ৰয়োগ কৰি মাছ-কাছৰ সংখ্যা সীমিত কৰিছে। নদীত বিহ দিয়াৰ নামত এই ৰাসায়নিক কীটনাশক দ্ৰব্যৰ প্ৰয়োগে কেৱল মাছ-কাছৰ বাবেই নহয় ই পৰিৱেশ প্ৰদূষণতো যথেষ্ট বিৰূপ প্ৰভাৱ পেলাই আহিছে। অতিকৈ পৰিতাপৰ বিষয় যে, চৰকাৰ তথা মীন বিভাগৰ এটা বিয়াগোম বিভাগ থকাৰ পিছতো এই মৎস্য নিধন প্ৰক্ৰিয়া ৰোধ কৰাত ব্যৰ্থ হৈছে। এই নদীৰ মাছ ধৰা কাৰ্য বন্ধ কৰি বাণসমূহ উচ্ছেদৰ জৰিয়তে থলুৱা মাছৰ সুৰক্ষা আৰু সংৰক্ষণ কৰিবলৈ প্ৰকৃতিপ্ৰেমী ৰাইজে দাবী জনাইছে।

## দাৰে ঘপিয়াই পত্নীক হত্যা

মতে আজিৰ পৰা কেইমাহমান আগতে শাৰীৰিক অত্যাচাৰ সহিব নোৱাৰি জহৰুলৰ ঘৈণীয়েকে সংসাৰ নকৰো বুলি, স্বামীগৃহ এৰি মাক-দেউতাকৰ ঘৰলৈ উভতি আহিছিল। কিন্তু জহিৰুলৰ পৰিয়াল তথা সমাজৰ দুজনমান ব্যক্তিয়ে মহিলাগৰাকীৰ ঘৰলৈ যায় আৰু তাত গৈ মহিলাগৰাকী তথা মহিলাগৰাকীৰ পৰিয়ালক ধুৰন্ধৰ জহিৰুল বাহিনীয়ে বিভিন্ন কথাৰ প্ৰলোভন তথা আশ্বাস দি মহিলাগৰাকীক স্বামী গৃহলৈ ঘূৰাই আনে। কেইদিনমান পূৰ্বে দম্পতী হালৰ মাজত সন্দেহৰ আঁৰত স্বামী জহিৰুলে তেওঁৰ পত্নীক ভৰে-মধ্যে গালি-গালাজ কৰাৰ উপৰি শাৰীৰিকভাৱে মাৰধৰ কৰাৰ লগতে হত্যা কৰাৰ ভাবুকি দিয়ে আৰু সেই হত্যাৰ ভাবুকি আজি সত্যত পৰিণত কৰিলে হত্যাকাৰী জহিৰুলে। এই সন্দৰ্ভত আৰক্ষী প্ৰশাসনক হত্যাকাৰী জহিৰুলক আইনী তথা ন্যায়িক তদন্ত কৰি ফাঁচী দিবলৈ স্থানীয় ৰাইজৰ লগতে পৰিয়ালৰ লোকে দাবী উত্থাপন কৰিছে।

## একাংশ অভিযন্তা-বিষয়া

সমগুৰি বিভাগটো। উদাহৰণস্বৰূপে নগাঁও জিলাৰ বৃহত্তৰ বেবেজীয়াৰ পানী যোগান আঁচনিৰ কেন্দ্ৰটো মেৰামতিৰ নামত সামান্য কাম কৰিয়েই বৃহৎ পৰিমাণৰ টকা আত্মসাতৰ ফান্দ পাতিছে বিভাগটোৰ ঠিকাদাৰ আৰু দায়িত্বপ্ৰাপ্ত অভিযন্তাই। উল্লেখ্য যে, ১৯৯০ চনত তেতিয়াৰ অসম গণ পৰিষদ দলৰ চৰকাৰে দিনতে স্থাপন হোৱা বেবেজীয়া পানী যোগান কেন্দ্ৰটো বৰ্তমানলৈকে ৰাইজক পানী যোগান ধৰি আহিছিল যদিও বেবেজীয়াৰ কেন্দ্ৰটো মেৰামতিৰ নামত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ নগাঁও সমগুৰৰ অধীনস্থ ঠিকাদাৰ আৰু অভিযন্তাই কাম কৰাৰ নমুনা দেখি বৃহত্তৰ বেবেজীয়াৰ স্থানীয় বাসিন্দাসকলৰ চকু কপালত উঠিছে। এইক্ষেত্ৰত বেবেজীয়া পানীযোগান কেন্দ্ৰটিৰ লগত জড়িত হৈ থকা বহুক্ষেত্ৰৰ স্থানীয় ব্যক্তিয়ে সংবাদ মাধ্যমৰ আগত ৰাজহুৱা অভিযোগ উত্থাপন কৰি কয় যে যিটো সময়ত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত পানীযোগান আঁচনিৰ শ্মশানযাত্ৰা হৈছিল সেই সময়তো বেবেজীয়া পানী যোগান কেন্দ্ৰটোৱে বৃহত্তৰ বেবেজীয়াৰ ৰাইজক নিয়মীয়াকৈ বিশুদ্ধ পানী যোগান অব্যাহত ৰাখিছিল। যাৰ ফলত জনস্বাস্থ্য কাৰীকৰী বিভাগৰ তৰফৰ পৰা বেবেজীয়া কেন্দ্ৰটোৱে ৰাজ্যিক পুৰস্কাৰ পাবলৈ সক্ষম হৈছিল। কিন্তু পৰিতাপৰ বিষয় এই যে আজি কেন্দ্ৰটি মেৰামতিৰ নামত জনস্বাস্থ্য কাৰীকৰী বিভাগৰ পৰ্য্যায়ক্ৰমে ঠিকাদাৰজনে অভিযন্তাৰ লগত মিহিবালি কৰি কেন্দ্ৰটিৰ নামমাত্ৰ কাম কৰিয়েই সিংহভাগ ধন আত্মসাতৰ ফন্দি পাতিছে। ৰাইজে অভিযোগ কৰা মতে, পাম্প হাউছটো নতুনকৈ নিৰ্মাণ নকৰি কেন্দ্ৰটিৰ চাদৰ ওপৰত নতুনকৈ টিনপাত লগাই কাৰ্য সম্পাদন কৰি থয়। ইয়াৰ উপৰি কেন্দ্ৰটিত বিদ্যুৎ কক্ষত দৰ্জা-খিৰিকীত শিমলু কাঠ ব্যৱহাৰ কৰি একেবাৰে নিম্ন মানৰ কাম কৰি দায়িত্ব সামৰে। আনহাতে, কেন্দ্ৰটিৰ পানী টেংকীটো মেৰামতিৰ নামত সামান্যতম ৰং সানিয়েই দায়িত্ব সামৰা পৰিলক্ষিত হয় বুলিও ৰাইজৰ। আশ্চৰ্যজনক বিষয়টো এইটো যে কেন্দ্ৰটোৰ মেৰামতিৰ নামত কিমান টকা আবণ্টিত হৈছে সেই কথা বিভাগীয় বিষয়াৰ লগত আলোচনা কৰিছিল যদিও সেই কথা ৰাইজক অৱগত কৰাৰ পৰা দায়িত্বপ্ৰাপ্ত বিষয়জনে ৰহস্যজনক ভূমিকা পালন কৰাৰ গুৰুতৰ অভিযোগ উঠিছে। এইক্ষেত্ৰত ৰাইজে নগাঁও সদৰ সমষ্টিৰ স্থানীয় বিধায়ক ৰূপক শৰ্মা আৰু বিভাগীয় মন্ত্ৰীৰ ধ্ৰুৱ নগাঁও জনস্বাস্থ্য কাৰীকৰী বিভাগৰ নগাঁও সমগুৰৰ কাৰ্যবাহী অভিযন্তা পংকজ বৰদলৈৰ হস্তক্ষেপ দাবী কৰিছে।

## গুৱাহাটীত দেশৰ অতিৰিক্ত

সন্দীপ ৰয়ৰ সৈতে এই সম্পৰ্কে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। স্বাস্থ্য বিভাগৰ প্ৰধান সচিব অবিনাশ যোশী, লোকপিয়ল সঞ্চালন প্ৰক্ৰিয়াৰ ৰাজ্যিক সঞ্চালক নাৰায়ণ কোঁৱৰ, এন এইচ এমৰ ৰাজ্যিক সঞ্চালক ডাঃ এইচ এছ লক্ষ্মীপ্ৰিয়া, লোকপিয়ল সঞ্চালন প্ৰক্ৰিয়াৰ ৰাজ্যিক উপ-সঞ্চালক বিকাশ নাথ, অতিৰিক্ত স্বাস্থ্য সেৱা সঞ্চালক (প্ৰশাসন) প্ৰদীপ টিমুং, স্বাস্থ্য সেৱা সঞ্চালক ডাঃ কাবেং বংপিপী, পৰিসংখ্যাবিদ (ৰাজপত্ৰিত) তপন ডেকাৰ উপস্থিতিত অনুষ্ঠিত হোৱা আলোচনাত পৰ্বত দেশৰ অতিৰিক্ত মহাপঞ্জীয়কগৰাকীয়ে ৰাজ্যৰ জন্ম-মৃত্যুৰ পঞ্জীয়ন ব্যৱস্থাটো অতি সু-শৃংখল ৰূপত ডিজিটাইজেচন কৰি নাগৰিকৰ সুবিধাৰ্থে অনলাইন পঞ্জীয়ন ব্যৱস্থা লৈ ক্ষিপ্ৰ উদ্ৰীতকৰণৰ ক্ষেত্ৰত সহযোগিতাৰ আশ্বাস দিয়ে। এই আলোচনাত ৰাজ্যিক কাৰ্যত জন্ম-মৃত্যুৰ প্ৰমাণ-পত্ৰ অনলাইন পদ্ধতিৰে ৰাইজে গ্ৰহণ কৰিব পাৰিব।

## ৰাজধানী সম্প্ৰসাৰণ হ'লে

উন্নয়ন আৰু বিকাশৰ কাৰণে ভাৰতীয় সংবিধানৰ অধীনত ষষ্ঠ অনুসূচী স্বায়ত্ত শাসনৰ দাবী উত্থাপন হৈ আহিছে। যি সাংবিধানিক দাবীক সমৰ্থন কৰিছে তিৱা স্বায়ত্ত পৰিষদে। ৰাজধানী সম্প্ৰসাৰণৰ আইন প্ৰণয়ন হ'লে তিৱা স্বায়ত্ত পৰিষদৰ অস্তিত্বলৈ ভাবুকি অহাৰ লগতে ট্ৰাইবেল বেল্ট-ব্লকলৈ আহিব পাৰে ভাবুকি। যাৰ ফলত খিলঞ্জীয়া জনজাতীয় লোকসকলে হেৰুৱাব ভূমিৰ অধিকাৰ। সেয়ে অসম চৰকাৰে জনজাতি খণ্ড আৰু আৰেষ্টনীৰ লগতে তিৱা স্বায়ত্ত পৰিষদৰ যাতে কোনো অসুবিধাৰ সন্মুখীন নহয় সেই বিষয়ে যুক্তিপূৰ্ণ বিবেচনা কৰিবলৈ তিৱা স্বায়ত্ত পৰিষদে চৰকাৰক আহ্বান জনায়। উন্নয়ন হ'ব লাগে, কিন্তু জনজাতিসকলৰ সকলো অধিকাৰ সুৰক্ষিত হোৱাৰ লগতে পৰিষদক ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰিব লাগিব বুলি এক বিবৃতিযোগে জনাই তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰে।

## বিশ্বনাথত পুখুৰীত বিহ ঢালি

যুৱকৰ পুখুৰীত ওপঙিছে লাখ লাখ মাছ। অভিযোগ উঠা মতে, কোনো দুষ্ট চক্ৰই পুখুৰীটোত বিহ ঢলাৰ বাবে সংঘটিত হৈছে এই ঘটনা। উল্লেখ্য যে বিশ্বনাথৰ গড়েহাগী গাঁৱৰ সমীপৰ ৬নং চালিয়া চাপৰিৰ সীমান্ত বৰা নামৰ মীনপালকজনে প্ৰায় ৭-৮ বিঘা ভূমিত পুখুৰী খান্দি মৎস্য পালন কাৰ্যত জড়িত হয়। কেইবা লক্ষাধিক টকা ব্যয় কৰি মীনপালক সীমান্ত বৰাই পুখুৰীটোত পালনৰ বাবে এৰিছিল বহু লাখ মাছৰ পোনা। মীনপালনেৰে স্বাৱলম্বী হ'বলৈ সপোন ৰচা সীমান্তৰ সপোন আজি ভাঙি চুৰমাৰ কৰি পেলালে অজ্ঞাত দুষ্ট চক্ৰই। আজি দুপৰীয়া সীমান্তই নিজ পুখুৰীত মাছৰ দানা দিবলৈ যোৱাৰ সময়তে পুখুৰীত থকা মাছ মৰি ওপঙি থকা প্ৰত্যক্ষ কৰে। এতিয়া যুৱ মীনপালক সীমান্তৰ হাহাকাৰ অৱস্থা। সন্দেহ কৰা মতে, বিহ ঢালি পুখুৰীৰ মাছ নিধন কৰা হৈছে। ঘটনা সংক্ৰান্তত যুৱ মীনপালকজন বিশ্বনাথ চাৰিআলি থানাৰ কাষ চাপিছে যাতে দোষীক চিনাক্ত কৰি শাস্তি দিব পাৰি। এই ঘটনাই মীনপালকসকলক সন্ত্ৰস্ত কৰি তুলিছে।

## কুখ্যাত গো মাফিয়া আদম

বাঁশবাৰী অঞ্চলত আৰক্ষীৰ বাহনলৈ লক্ষ্য কৰি এম্বুছ কৰে। লগে লগে আৰক্ষীৰ হাতৰ পৰা আদম পলাই যাবলৈ চেষ্টা কৰে যদিও আৰক্ষীয়ে আদমক লক্ষ্য কৰি গুলীচালনা কৰে। এম্বুছত দুগৰাকীকৈ আৰক্ষী গুৰুতৰভাৱে আহত হয়। অস্ত্ৰ বিক্ৰীৰ বাবে আহিছিল আদম আলী। আদম আলী গো সৰবৰাহৰ উপৰি জে এম বিৰ লগত জড়িত আছিল। দেশদ্ৰোহিতাৰ অভিযোগত অভিযুক্ত আদম আলী। হাৰালাতো জড়িত কুখ্যাত আদম আলী।

## ২৫ মেগাৱাট সম্পন্ন বকো

বায়ুমণ্ডলৰ উত্তাপ বৃদ্ধি পাইছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। জলবায়ু পৰিৱৰ্তন ৰোধৰ বাবে মানুহে এখন বিশ্বযুদ্ধ ঘোষণা কৰিব লাগিব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বিশ্বত জলবায়ু পৰিৱৰ্তন ৰোধৰ দিশত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেতৃত্ব লৈছে। ২০৩৫ চনৰ ভিতৰত ভাৰতে ৫০ শতাংশ কাৰ্বন নিৰ্গমন ৰোধ কৰাৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰিছে। প্ৰধানমন্ত্ৰীৰ এই প্ৰয়াসৰ প্ৰতি সঁহাৰি জনাই ৰাজ্য চৰকাৰেও কাৰ্বন নিৰ্গমন ৰোধ কৰাৰ বাবে ইতিমধ্যে দৃঢ়তাৰে প্ৰয়াস চলাইছে। মুখ্যমন্ত্ৰীয়ে কয় যে অপৰম্পৰাগত শক্তিৰ পৰা বিদ্যুৎ আহৰণৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ লৈছে। সৌৰশক্তি প্ৰকল্প স্থাপনৰ জৰিয়তে বিদ্যুৎ উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আমগুৰিত ৭০ মেগাৱাট, ওদালগুৰিত ২৫ মেগাৱাট আৰু আজি বকোত ২৫ মেগাৱাট সৌৰ চালিত বিদ্যুৎ উৎপাদন প্ৰকল্প শুভাৰম্ভ কৰা হৈছে। শিলচৰ আৰু নগাঁৱতো অহা এমাহৰ ভিতৰত ৫০ মেগাৱাট সৌৰচালিত প্ৰকল্প শুভাৰম্ভ কৰিবলৈ ৰাজ্য চৰকাৰে চেষ্টা চলাইছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে ইলেট্ৰিকেল যান-বাহন ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিব লাগিব বুলিও কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ উন্নয়নৰ গতি অধিক ত্বৰান্বিত কৰিবলৈ ৰাজ্য চৰকাৰে বহু জনমুখী আঁচনি আৰু প্ৰকল্প ৰূপায়ণ কৰিছে। কৃষকৰ পৰা ধান ক্ৰয়, শিপিনীসকলৰ পৰা বস্ত্ৰ ক্ৰয়ৰ বাবে স্বনিৰ্ভৰ নাৰী আঁচনি, মাটি-বাৰীৰ সমস্যা সমাধানৰ ব্যৱস্থা, নিবনুৱাক সংস্থাপনৰ পদক্ষেপ, মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাই আদি পদক্ষেপসমূহৰ বিষয়ে আলোকপাত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অৰুণোদয় আঁচনিৰ ধন ১,০০০ টকাৰ পৰা ১,২৫০ টকালৈ বৃদ্ধি কৰা হ'ব। বকো সমষ্টিত নতুনকৈ ৬,০০০ গৰাকী মহিলাক অৰুণোদয় আঁচনিৰ জৰিয়তে সামৰি লোৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী অসমতো ৰূপায়িত কৰাৰ বাবে ব্যাপক পদক্ষেপ লোৱা হৈছে বুলি উল্লেখ কৰি অহা ১৩ৰ পৰা ১৫ আগষ্টলৈকে প্ৰতিটো পৰিয়াল, চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, প্ৰতিষ্ঠান আদিত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিবলৈ মুখ্যমন্ত্ৰীয়ে জনসাধাৰণক আহ্বান জনায়। প্ৰত্যেক ৰেচনৰ দোকানতে ৰাষ্ট্ৰীয় পতাকা উপলব্ধ হ'ব বুলি তেওঁ কয়। স্বাধীনতাৰ ৭৫ বৰ্ষ উদ্‌যাপনৰ প্ৰতি সঁহাৰি জনাই প্ৰতিখন ঘৰতে একোডালকৈ অমৃত বৃক্ষ ৰোপণ কৰিবলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে ভাষণত ডিব্ৰুগড়ত চিকিৎসাধীন হৈ থকা জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ আশু আৰোগ্য কামনা কৰে। শক্তিমন্ত্ৰী নন্দিতা গাৰ্লোছাই আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, হস্ততাঁত আৰু বস্ত্ৰশিল্প মন্ত্ৰী ইউ জি ব্ৰহ্ম, বিধায়কসকল ক্ৰমে নন্দিতা দাস, হেমাংগ ঠাকুৰীয়া, সুমন হৰিপ্ৰিয়া, ৰেকিবুদ্দিন আহমেদ, ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা, শক্তি বিভাগৰ শীৰ্ষ বিষয়া আৰু অন্যান্য গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

## ৩ কোটি টকাৰ ড্ৰাগ্‌ছ জব্দ

কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে এন এল-০৭ ই বি-০৫৫৬ নম্বৰৰ এখন স্কুটীত ম'বাইল সামগ্ৰীৰ লগত এটা বেগত ভৰাই অনা ড্ৰাগ্‌ছসহ এটা সৰবৰাহকাৰী আৰক্ষীৰ জালত পৰে খাকৰাজানৰ নিয়মীয়া তালাচীৰ সময়ত। সৰবৰাহকাৰীটোৱে ডিমাপুৰৰ পৰা গোলাঘাট অভিমুখে কঢ়িয়াই আনিছিল উক্ত ড্ৰাগ্‌ছখিনি। আটকাধীন সৰবৰাহকাৰীটোৰ নাম নেত্ৰ বাহাদুৰ সোণাৰ আৰু ঘৰ ডিনাপুৰ জিলাৰ শিঙৰীজান গাঁৱৰ বুলি জানিব পৰা গৈছে। জব্দকৃত ড্ৰাগ্‌ছখিনিৰ আন্তঃৰাষ্ট্ৰীয় বজাৰ মূল্য প্ৰায় তিনি কোটি টকা হ'ব বুলি আৰক্ষীয়ে সদৰী কৰিছে।

## পৰ্বতঝোৰাত অপৈণত শাল

চলাই অহিছে। এনেকি ধ্বংস হৈ যোৱা বনাঞ্চলসমূহত বিশ্ব বেংকৰ ধনেৰে পুনৰ গছপুলি ৰোপণ কৰি বনাঞ্চল বৃদ্ধিকৰণৰ দায়িত্ব লাভ কৰা যুটীয়া বন পৰিচালনা কমিটীৰ (জে এফ এম চি) সদস্যসকলেও উক্ত বনাঞ্চল ধ্বংস যজ্ঞত নামি পৰিছে। অন্যান্য দিনৰ দৰে আজিও উক্ত বনাঞ্চল ধ্বংস যজ্ঞ চলোৱা দুষ্ট চক্ৰটোৱে ৰূপসী বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত মোৱামাৰী অঞ্চলৰ অপৈণত শাল গছবোৰ কাটি আছিল। উক্ত খবৰ পাই ৰূপসী বনাঞ্চলিক বিষয়া দীপক ৰায়ৰ নেতৃত্বত বন কৰ্মীৰ দল এটাই মোৱামাৰী অঞ্চলত অভিযান চলাই প্ৰচুৰ পৰিমাণৰ অপৈণত শাল গছৰ কুণ্ডা জব্দ কৰিবলৈ সক্ষম হয় যদিও দুষ্ট চক্ৰটোৱে বনকৰ্মীৰ দলটোক দেখা পাই পলাই যায়। পিছত বনকৰ্মীৰ দলটোৱে শাল গছৰ কুণ্ডাবোৰ জব্দ কৰি বনাঞ্চলিক কাৰ্যালয়লৈ নিয়ে। মন কৰিবলগীয়া কথা যে এফালে বনাঞ্চলৰ পৰিমাণ বৃদ্ধি কৰাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানিক গছপুলি ৰোপণৰ এমাহজোৱা কাৰ্যসূচী, আনফালে বনাঞ্চল পহৰা দিয়া বন কৰ্মীৰ অভাৱত দুষ্ট চক্ৰই দিনে-নিশাই চলাই আহিছে বনাঞ্চল ধ্বংসযজ্ঞ। স্বয়ং বন কৰ্মীৰ অভিযানতে পোহৰলৈ আহিছে এই ভয়ংকৰ তথ্য। প্ৰয়োজনীয় বন কৰ্মীৰ অভাৱত বনাঞ্চলত দুষ্ট চক্ৰই ধ্বংসযজ্ঞ চলাইছে বুলি স্বয়ং বন কৰ্মীসকলেই উল্লেখ কৰিছে। গতিকে পৰ্যাপ্ত পৰিমাণে বন কৰ্মী নিয়োগ কৰি বনাঞ্চলসমূহ ৰক্ষণাবেক্ষণ দিয়াৰ বাবে স্থানীয় ৰাইজে বন বিভাগৰ লগতে অসম চৰকাৰৰ ওচৰত দাবী জনাইছে।

## চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধিৰ

বাগিচাৰ মালিকগোষ্ঠী আৰু বিজেপি চৰকাৰে বৃদ্ধি নকৰাত সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছাই তীব্ৰ আন্দোলন গঢ়ি তুলিছে। চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৫২৫ টকালৈ বৃদ্ধিৰ দাবীত আছা কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক দেবেন ওৰাঙৰ নেতৃত্বত আজি ডিব্ৰুগড়ৰ চাউলখোৱাস্থিত এবিটাৰ কাৰ্যালয় ঘেৰাও কৰে । চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৫২৫ টকালৈ বৃদ্ধি কৰক, শ্ৰমিকৰ ওপৰত শোষণ বন্ধ কৰক, অন্যায় বন্ধ কৰক, এবিটা হুচিয়াৰ ইত্যাদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। বৰ্তমান সময়ত অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিৰ সময়ত চাহ শ্ৰমিকে দৈনিক মজুৰি ২০৫ টকা লাভ কৰাটো দুৰ্ভাগ্যজনক বুলি আছাৰ সাধাৰণ সম্পাদক দেৱেন ওৰাঙে মন্তব্য কৰে। অতি নিম্নভাৱে চাহ শ্ৰমিকক দৈনিক মজুৰি প্ৰদান কৰি বাগিচাৰ মালিকগোষ্ঠী আৰু বিজেপি নেতৃত্বাধীন চৰকাৰখনে চাহ শ্ৰমিকৰ ওপৰত ঘোৰ অন্যায় কৰিছে বুলি ছাত্ৰ নেতাজনে কয়। পৰৱৰ্তী সময়ত চাহ শ্ৰমিকৰ দৈনিক মজুৰি বৃদ্ধিৰ ক্ষেত্ৰত কোনো ব্যৱস্থা নল'লে তীব্ৰ আন্দোলন গঢ়াৰ হুংকাৰ দিয়ে । উক্ত কাৰ্যসূচীত আছা কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক দেবেন ওৰাঙৰ লগতে উপ-সভাপতি ৰুস্তম কুজুৰ, তিনিচুকীয়া জিলা, চৰাউদেউ জিলা, শিৱসাগৰ, ডিব্ৰুগড় জিলাৰ বহু আছাৰ কৰ্মকৰ্তা উপস্থিত থাকে।

## গোৱালপাৰাত নাবালিকাক ধৰ্ষণ, আটক ধৰ্ষণকাৰী নুৰ মহম্মদ

### গোৱালপাৰাত সংঘটিত হৈছে মানৱ সমাজক লজ্জানত কৰা ঘটনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৱালপাৰা, ২০ জুলাই ঃ** গোৱালপাৰাত এটাৰ পিছত এটা ধৰ্ষণ কাণ্ডই গোৱালপাৰাৰ সচেতনমহলক চিন্তাত পেলাইছে। ইতিমধ্যে গোৱালপাৰাত আন এক শিশু ধৰ্ষণৰ কাণ্ডই মানৱ সমাজক লজ্জানত কৰিছে। জানিব পৰা মতে ১৭ জুলাই তাৰিখে নিশা নুৰ মহম্মদ নামৰ এজন ১৯ বছৰীয়া যুৱকে এজনী ১০ বছৰীয়া শিশু কন্যাক বলপূৰ্বকভাৱে ধৰ্ষণ কৰে। ইতিমধ্যে ভুক্তভোগী পৰিয়ালৰ লোকে গোৱালপাৰা সদৰ থানাত এখন এজাহাৰ দাখিল কৰে আৰু আৰক্ষীয়ে এজাহাৰৰ ভিত্তিত ধৰ্ষণকাৰী মহম্মদক আটক কৰি থানালৈ লৈ আনে। গোৱালপাৰা সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱজিৎ দাসে জনোৱা মতে, আৰক্ষীয়ে pocso আইনৰ সম্পূৰ্ণ নীতি-নিয়ম মানি নাবালিকাগৰাকীৰ স্বাস্থ্য পৰীক্ষা সম্পূৰ্ণ কৰায়। উল্লেখ্য যে pocso আইনৰ অধীনত কেছ নং ১৬১/২২ ইউ এছ ৩৭৬/(৩) IPC RWS ৬ নম্বৰত এক গোচৰ পঞ্জীয়ন কৰা হৈছে।

## অপেছাদাৰী নাট্য আন্দোলনৰ

তথা বিশিষ্ট অভিনেতা পৃথ্বিৰাজ ৰাভা আৰু শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই অংশ গ্ৰহণ কৰিব বুলি জানিবলৈ দিয়ে। আনহাতে এই অনুষ্ঠানতে গুৱাহাটীৰ ৰাজীৱ হৰি কৌশিকৰ 'বাণ মঞ্চৰ অৰ্কেষ্টাত অসমৰ জাতীয় সংগীতৰ সুৰ' শীৰ্ষক গ্ৰন্থ এখনো উন্মোচন হ'ব বুলিও সদৰি কৰে সম্পাদকগৰাকীয়ে। বাণ থিয়েটাৰৰ সভাপতি বংকিম শৰ্মাৰ লগতে সাধাৰণ পৰিচালক ভূপেন শৰ্মা, পংকজ বৰুৱাকে ধৰি একাংশ কাৰ্যনিৰ্বাহক সদস্য উপস্থিত থকা সংবাদমেলখনত সাধাৰণ সম্পাদক গৰাকীয়ে প্ৰতিদিনে অনুষ্ঠিত হ'ব লগা নাট সমূহৰ কথাও সদৰী কৰি সাংবাদিকৰ আগত সদৰী কৰে। ঘোষিত কাৰ্যসূচী অনুসৰি, ১আগষ্টৰ সন্ধিয়া ৬.৩০ বজাত বাণ থিয়েটাৰ প্ৰযোজিত আৰু জিতুমণি দেৱচৌধুৰী পৰিচালিত তথা প্ৰয়াত দীপক মহন্তৰ বহু চৰ্চিত নাটক 'গজপুৰীয়া' আনুষ্ঠানিক ভাবে উদ্বোধন কৰিব বাণ থিয়েটাৰৰ প্ৰাক্তন সভাপতি মহেন্দ্ৰ নাথ কেওঁটে। সেইদৰে ২ আগষ্টৰ একেসময়তে 'নাট্য বীথিকা' প্ৰযোজিত তথা প্ৰভাত গোস্বামী ৰচিত আৰু স্মিতা বৰ্মন পৰিচালিত 'বাগ্ৰুকগিৰ বিষ্ণু ৰাভা' শীৰ্ষক নাটক উদ্বোধন কৰিব অসমীয়া ক্লাবৰ সভাপতি অৰুণা দেৱীয়ে। ৩ আগষ্টৰ একে সময়তে অসম নাট্য সন্মিলনৰ তেজপুৰ শাখাৰ প্ৰযোজনাত লক্ষ্যধৰ চৌধুৰীৰ কালজয়ী নাটক গৌতম পাঠক পৰিচালিত 'ৰক্ষকুমাৰ' উদ্বোধন কৰিব বিশিষ্ট নাট্যশিল্পী নৰেন লহকৰে আৰু ৪ আগষ্টত গুৱাহাটীৰ 'নাট কথা' নাট্যানুষ্ঠানে মুনীন বৰুৱা ৰচিত আৰু মাণিক আহমেদ পৰিচালিত বিখ্যাত নাটক 'হাতী আৰু ফান্দি' আনুষ্ঠানিক ভাবে উদ্বোধন কৰিব বিশিষ্ট নাট্যকাৰ পৰিচালক তথা ঢেকীয়াজুলি লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শুকদেৱ অধিকাৰীয়ে। উল্লেখ্য যে, অতি জনপ্ৰিয় এই নাটখনত ৰাজ্যখনৰ যশস্বী নাট্যশিল্পী গুণাকৰ দেৱগোস্বামীৰ লগতে অসমীয়া চলচ্চিত্ৰৰ জনপ্ৰিয় অভিনেত্ৰী বৰষা ৰাণী বিষয়াই অভিনয় কৰিব। এই পাঁচদিনীয়া কাৰ্যসূচীত ৰাইজৰ উপস্থিতি আৰু সহযোগিতা বাণ থিয়েটাৰৰ পৰিয়ালে আন্তৰিকতাৰে কামনা কৰিছে।

## উজনিৰ বহুপথাৰত খাৰুৱা

খাৰুৱা তেল পৰিবাহী পাইপ ফুটাই সংগোপনে দুটাকৈ ভাল্‌ভ স্থাপন কৰি দীৰ্ঘদিন ধৰি তেল চুৰি চক্ৰই খাৰুৱা তেল চুৰি কৰি থকাৰ তথ্য পোহৰলৈ আহিছে। জিলাখনৰ দেৰগাঁও থানাৰ অন্তৰ্গত বাদুলীপাৰৰ উজনি বহুপথাৰ গাঁৱৰ মাজেৰে যোৱা পাইপ লাইনত বিভাগীয় দায়িত্বত থকা অইলৰ কৰ্মচাৰীয়ে পাইপ লাইনৰ নিয়মীয়া নিৰক্ষণত উক্ত স্থানত তেলৰ চেকুৰা আৰু গোন্ধ পাই চোৰা-চিতা কৰি তেল চুৰি হোৱাৰ সন্দৰ্ভত আৰক্ষীক খবৰ দিয়ে। ঘটনাস্থলীত তাৎক্ষণিকভাৱে দেৰগাঁও থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ময়ূৰজিত গগৈৰ নেতৃত্বত এটি আৰক্ষীৰ দল উপস্থিত হৈ উক্ত স্থানত দুডাল লোৰ পাইপ সমান্তৰালভাৱে ওপৰমুৱাকৈ মুখবন্ধ অৱস্থাত তল ফালৰ পৰা ওলাই থকা অৱস্থাত বিভাগীয় কৰ্মচাৰী আৰু আৰক্ষীয়ে প্ৰত্যক্ষ কৰাৰ লগতে নাতিদূৰত খাৰুৱা তেলৰ চেকুৰা প্ৰত্যক্ষ কৰে। তাৎপৰ্যপূৰ্ণ বিষয় যে মাটিৰ পৰা প্ৰায় ছফুট তলত থকা তেল পৰিবাহী পাইপডালত অতি নিখুঁতভাৱে তেল উলিয়াবৰ বাবে সামন্তৰালভাৱে প্ৰায় চাৰি ফুট দীঘল দুডাল সৰু সৰু লোৰ পাইপ ভাল্‌ভসহ সংযোগ কৰা প্ৰত্যক্ষ কৰি অনুমান কৰিব পাৰি যে খাৰুৱা তেল চুৰি কৰা দুষ্ট চক্ৰটো অতিকৈ পাকৈত আৰু এটা বৃহৎ চক্ৰ জড়িত আছে। কাৰণ প্ৰায় দুটা বছৰ আগতে উক্ত স্থানতে তিনিডাল লোৰ পাইপ স্থাপন কৰি চক্ৰটোৱে তেল চুৰি কৰিছিল আৰু উক্ত ঘটনা সন্দৰ্ভতো উক্ত পাইপ লাইন নিৰীক্ষণত থকা লোকজনে বিভাগীয় কৰ্তৃপক্ষ আৰু আৰক্ষীক খবৰ দিছিল। তাৎপৰ্যপূৰ্ণ বিষয় যে বাদুলীপাৰ পাম্পিং ষ্টেচনৰ পৰা কিছু নিলগতে যোৱা কেইমাহ মানৰ আগতে উক্ত পাইপ লাইনটো ফুটাই খাৰুৱা তেল চুৰি কৰিছিল দুষ্ট চক্ৰই। আনহাতে, বাদুলীপাৰৰ উজনি বহুপথাৰ অঞ্চলটোৰ নিৰ্জন ঠাইত দুবাৰকৈ পাইপ ফুটাই খাৰুৱা তেল চুৰি কৰা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। কাৰণ উক্ত পাইপ লাইনটোৰ কাষৰে যোৱা একমাত্ৰ পকী পথটোত নিশা হ'লে তেল পৰিবাহী টেংকাৰৰ শব্দ শুনিবলৈ পায় স্থানীয় ৰাইজে। ইফালে দুলীয়াজানৰ পৰা অহা বাৰাউনীলৈ যোৱা ক্ৰুড অইল পৰিবাহী পাইপ ফুটাই খাৰুৱা তেল চুৰি হোৱাৰ সময়ত যদি অকস্মাত অগ্নিকাণ্ডৰ দৰে ঘটনা সংঘটিত হ'লে নিশ্চিতভাৱে ভয়ংকৰ অগ্নিকাণ্ডৰ সূত্ৰপাত হ'লহেঁতেন বুলি সচেতন ৰাইজে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। ইতিমধ্যেই দেৰগাঁও আৰক্ষীয়ে সমগ্ৰ তেল চুৰি ঘটনাটো তদন্ত অব্যাহত ৰাখিছে।

## গোলাঘাটত গাহৰিৰ

গোলাঘাট জিলা পশু চিকিৎসালয়ৰ চিকিৎসকে আক্ৰান্ত গাহৰিসমূহৰ তেজৰ নমুনা সংগ্ৰহ কৰি পৰীক্ষা কৰাৰ পাছতেই এই গাহৰিসমূহ আফ্ৰিকান ছোৱাইন ফিভাৰৰ ভাইৰাছ থকা বুলি নিশ্চিত হয়। ইয়াৰ পাছতে পশুপালন বিভাগৰ তৎপৰতাত গোলাঘাট জিলা প্ৰশাসনে তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণ কৰে। গোলাঘাট জিলাৰ অতিৰিক্ত দণ্ডাধীশ কুলদীপ হাজৰিকাই এক নিৰ্দেশযোগে বৰকছাৰী গাঁওখনত গাহৰিৰ মাংস আৰু গাহৰিৰ দানা বিক্ৰী, গাহৰিৰ মাংসৰ পৰা প্ৰস্তুত কৰা সামগ্ৰী আদি বিক্ৰীৰ লগতে গাহৰিক পেলনীয়া বস্তু খুওৱাত নিষেধাজ্ঞা জাৰি কৰিছে। গোলাঘাট জিলা প্ৰশাসনে অঞ্চলটোত ১৪৪ ধাৰা জাৰি কৰি ফ্ৰামখনৰ পৰা এক কিলোমিটাৰ ব্যাসাৰ্দ্ধলৈকে নিষিদ্ধ কৰিছে গাহৰিৰ সৰবৰাহ আৰু ইয়াৰ উলংঘন হ'লে ভাৰতীয় দণ্ডবিধি ১৮৮ ধাৰাৰ অধীনত বিহিত ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিছে। উল্লেখ্য যে, শতাধিক গাহৰি পালন কৰা এই ফ্ৰামখনত আজি কিছুদিনৰ আগৰ পৰা গাহৰিৰ জ্বৰ, জুলুকা লগা আদি উপসৰ্গই দেখা দিয়াত দৈনিক ১০-১২টা কৈ প্ৰায় সত্তৰটা মান গাহৰিৰ মৃত্যু হোৱাত পশু চিকিৎসা বিভাগে ফ্ৰামখনৰ গাহৰিৰ ৰোগ পৰীক্ষা কৰি ১৮ জুলাইত গুৱাহাটীৰ পশু চিকিৎসা বিভাগৰ বিষয়া-কৰ্মচাৰী আহি বাকী থকা ৪০টা গাহৰি নিধন কৰে। ইফালে গাহৰি ফ্ৰামখনৰ গৰাকীয়ে জানিবলৈ দিয়া মতে, তেওঁলোকে গাহৰিৰ মাংসৰ বিক্ৰীৰ পৰিৱৰ্তে গাহৰিৰ পোৱালিহে উৎপাদন আৰু বিক্ৰী কৰে যদিও এই ৰোগত তেওঁলোকৰ দহ-বাৰ লক্ষাধিক টকাৰ লোকচান ভৰিছে। আনহাতে, এতিয়া সমগ্ৰ গোলাঘাট জিলাতে ক্ষুদ্ৰ বা বৃহৎভাৱে গাহৰি পালন কৰি স্ব-নিৰ্ভৰশীল হোৱা পশুপালকসকলে ছোৱাইন ফিভাৰৰ আতংকত হাহাকাৰ কৰাৰ লগতে এই গাহৰি পালন স্ব-নিয়োজনৰ পদক্ষেপৰ গাহৰি পালনেৰে বৰ্ধিত মাংসৰ চাহিদা পূৰণৰ লগতে আত্মসংস্থাপনৰ বাবে পদক্ষেপ গ্ৰহণ কৰা পশুপালকসকল গভীৰভাৱে আশংকাত ভুগিছে। বেংক, ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান, আত্মসহায়ক গোটৰ পৰা ঋণ লৈ, বহিঃৰাজ্যত কষ্ট কৰি সঞ্চয় কৰা ধন বিনিয়োগ কৰাৰ পিছত গাহৰিৰ ৰোগ বৃদ্ধিৰ ফলত গভীৰ আশংকাত ভুগিছে এইসকল গাহৰিপালক। আফ্ৰিকান ছোৱাইন ফিভাৰৰ নামত কেৱল নিষেধাজ্ঞা জাৰি কৰাতেই সীমাবদ্ধ নাথাকি জিলা পশুপালন আৰু পশু চিকিৎসা বিভাগে প্ৰতিষেধক প্ৰদান, পশুপালকক চৰকাৰে ক্ষতিপূৰণ প্ৰদান কৰা, পশুপালন বিভাগৰ ব্যৰ্থতা আঁতৰাই বিনামূলীয়াকৈ প্ৰতিষেধক প্ৰদান আৰু পশুধনৰ বীমাকৰণ কৰিবলৈ আহ্বান জনাইছে।

### বকতাত আফ্ৰিকান ফিভাৰত আক্ৰান্ত হৈ বহু গাহৰিৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড় ঃ** মৰাণৰ সমীপৰ শিৱসাগৰ জিলাৰ অন্তৰ্গত বকতাত গাহৰিৰ দেহত আফ্ৰিকান ছোৱাইন ফিভাৰত কেইবাটাও অঞ্চলত গাহৰি আক্ৰান্ত হৈ মৃত্যু হোৱাৰ খবৰে আতংকিত কৰি তুলিছে সকলোকে। বকতা খঙীয়া গাঁৱৰ জ্যোতিষ্ক খঙীয়াৰ প্ৰায় ৫০টাকৈ গাহৰি আক্ৰান্ত হৈ মৃত্যু হৈছে। জিলা পশু চিকিৎসালয়ৰ বিভাগে নমুনা সংগ্ৰহ কৰি পৰীক্ষা কৰাৰ পিছতেই ধৰা পৰা গাহৰিৰ দেহত আফ্ৰিকান ফিভাৰত ৫০টাকৈ গাহৰিৰ মৃত্যু হোৱাত বৃহৎ পৰিমাণৰ ক্ষতি হৈছে বকতা খঙীয়া গাঁৱৰ জ্যোতিষ্ক খঙীয়াৰ। আনহাতে জালুকনি বিলৰ হৃদয়া ফুকনৰ পোৱালিসহ ৬০টা, শিৱাজী ফুকনৰ ৬টা, বিশ্ব নাৰায়ণ চেতিয়াৰ ৩টা গাহৰি মৃত্যু হয়। হৃদয়া ফুকন আৰু জ্যোতিষ্ক খঙীয়াৰ এই বৃহৎ পৰিমাণৰ ক্ষতিত চৰকাৰক আহ্বান জনাইছে আৰ্থিক সাহায্য দি সহায়ৰ হাত আগবঢ়াবলৈ কিয়নো নিবনুৱা হৈ ঘৰতে পোহপালন দিছিল গাহৰি আৰু তাৰ জৰিয়তে স্বাৱলম্বী হৈছিল। এতিয়া লোককেইজনে দিক্-বিদিক হেৰুৱাই পেলাইছে।

## ৰহাৰ দক্ষিণ জাগীয়াল পঞ্চায়তত মুখ্যমন্ত্ৰীৰ সকাহ আঁচনিৰ সাহায্যৰ পৰা বঞ্চিতৰ তীব্ৰ প্ৰতিবাদ

### কেইবা শতাধিক বঞ্চিত লোকে পঞ্চায়ত কাৰ্যালয়ত লগালে তলা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ২০ জুলাই ঃ** ৰহাৰ দক্ষিণ জাগীয়াল গাঁও পঞ্চায়তত মুখ্যমন্ত্ৰীৰ সকাহ আঁচনিৰ সাহায্যৰ পৰা বঞ্চিত শ শ লোকে আজি পঞ্চায়ত কাৰ্যালয়ত সাব্যস্ত কৰিলে তীব্ৰ প্ৰতিবাদ। উল্লেখ্য যে দুটাকৈ বানে ৰহাৰ দক্ষিণ জাগীয়াল পঞ্চায়তৰ অধিকাংশ লোকৰ বিস্তৰ ক্ষতিসাধন কৰিছিল। কিন্তু বানৰ দুৰ্যোগৰ পিছতো পঞ্চায়তটোৰ বহু লোকে চৰকাৰে সকাহ আঁচনিৰ জৰিয়তে আগবঢ়োৱা ৩,৮০০ টকা পাবলৈ সক্ষম নোহোৱাত তীব্ৰ অসন্তুষ্ট হৈ পৰে আৰু দক্ষিণ জাগীয়াল পঞ্চায়তত এই সাহায্যৰ নামত ব্যাপক অনিয়ম হোৱাৰ অভিযোগ তুলি আজি পঞ্চায়ত কাৰ্যালয়ৰ সন্মুখত কেইবা শতাধিক পুৰুষ-মহিলা উপস্থিত হৈ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। বঞ্চিত লোকসকলে পঞ্চায়ত কাৰ্যালয় ঘেৰাও কৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে কাৰ্যালয়ৰ দুৱাৰত তলাও লগাই দিয়ে। পঞ্চায়তটোৰ সভাপতি, সচিবকে ধৰি আন কৰ্মচাৰীসকলৰ গাফিলতিৰ বাবেই এনেদৰে শ শ বন্যাৰ্তই ধন লাভৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ কৰিছে। মাত্ৰ নগণ্যসংখ্যক লোকেহে পঞ্চায়তটোত এই সাহায্য লাভ কৰা বুলি অভিযোগ তুলি বঞ্চিত প্ৰতিবাদকাৰীসকলে এনে অনিয়মৰ সুবিচাৰ নহ'লে পঞ্চায়তটোত অনিৰ্দিষ্ট কাললৈ তলা বন্ধ কাৰ্যসূচী ৰূপায়ণৰো হুংকাৰ দিয়ে। উল্লেখ্য যে কালি ৰহাৰ মাগুৰগাঁও পঞ্চায়ততো সাহায্যৰ পৰা কেইবা শতাধিক বানাক্ৰান্তই প্ৰতিবাদ সাব্যস্ত কৰিছিল।

### কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ স্মৃতি দিৱসত শোণিতপুৰ জিলা সাহিত্য সভাৰ বিশেষ স্মৃতিচাৰণ অনুষ্ঠান

## সাহিত্য অকাদেমি যুৱ বঁটাপ্ৰাপক অঞ্জন বাসকোটাক সম্বৰ্ধনা

### অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক, অধ্যাপক উপেন্দ্ৰিজিৎ শৰ্মাকে ধৰি বিশিষ্টজনৰ শ্ৰদ্ধাঞ্জলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২০ জুলাই ঃ** অসমৰ জাতীয় জীৱনৰ প্ৰাতঃ স্মৰণীয় পুৰোধা, কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ স্মৃতি দিৱসৰ আজিৰ দিনটো শোণিতপুৰ জিলা সাহিত্য সভাই তেজপুৰৰ দ পৰ্বতীয়া শাখা সাহিত্য সভাৰ সহযোগত এক বিশেষ কাৰ্যসূচীৰে উদ্‌যাপন কৰে। তেজপুৰৰ দ-পৰ্বতীয়া উচ্চমাধ্যমিক বিদ্যালয় প্ৰাংগনত পুৱা জিলা সাহিত্য সভাৰ সভাপতি বাসুদেৱ শৰ্মাৰ দ্বাৰা পতাকা উত্তোলন, উপসভাপতি বিপুল কুমাৰ নাথৰ দ্বাৰা স্মৃতি তৰ্পন আৰু দ পৰ্বতীয়া শাখা সাহিত্য সভাৰ সভাপতি চন্দ্ৰ শেখৰ শইকীয়াৰ মাল্যৰ্পনেৰে আৰম্ভ হোৱা স্মৃতি দিৱসৰ এই বিশেষ কাৰ্যসূচীৰ মূল সভা আনুষ্ঠানিক ভাবে উদ্বোধন কৰে সাহিত্য অকাডেমীৰ ২০২০ বৰ্ষৰ যুৱ বঁটাৰে বিভূষিত অঞ্জন বাসকোটাই। বিশিষ্ট সাহিত্যিক বাসকোটাক শোণিতপুৰ জিলা সাহিত্য সভাৰ তৰফৰ পৰা বিশেষ ভাবে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। শোণিতপুৰ জিলা সাহিত্য সভাৰ সম্পাদক দুলাল নাথে আঁত ধৰা মূল সভাখনত ভাৰ্গৱী কাশ্যপে বৰগীত পৰিৱেশন কৰে। উল্লেখ্য যে, তেজপুৰৰ একাংশ বিশিষ্ট ব্যক্তিৰ লগতে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সদস্য তথা নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° বিপিন চন্দ্ৰ কলিতা, তেজপুৰ সাহিত্য সভাৰ সভাপতি ড° ভূপেন শইকীয়া আদিয়ে অতিথি ৰূপে অংশ গ্ৰহণ কৰা মূল সভাখনত নিৰ্দিষ্ট বক্তা ৰূপে অংশ গ্ৰহণ কৰে অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক তথা অধ্যাপক ড° উপেন্দ্ৰজিৎ শৰ্মাই। নিৰ্দিষ্ট বক্তা শৰ্মাই আগবঢ়োৱা বক্তব্যত প্ৰসংগক্ৰমে অসমৰ জাতীয় জীৱনৰ প্ৰাতঃ স্মৰণীয় পুৰোধা কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাক স্মৰণ কৰাৰ লগতে তেওঁৰ জীৱন দৰ্শন আলোকপাত কৰে।

### তেজপুৰৰ কৃতী শিক্ষক তথা জাতীয়তাবাদৰ অন্যতম ধ্বজাবাহক অৰুণ কুমাৰ বৰাক স্মৰণ

## 'অৰুণজ্যোতি' শীৰ্ষক সোঁৱৰণী গ্ৰন্থ উন্মোচন

### কষ্টকৰ জীৱনৰ মাজেৰে লাভ কৰা শিক্ষাৰে আন দহজনক নিজৰ কৰ্মৰাজিৰে উদ্বুদ্ধ কৰি তুলিছিল অৰুণ কুমাৰ বৰাই ঃ ড° স্বাধীনতা মহন্ত

### অসমৰ আঞ্চলিকতাবাদী ধাৰাটোৰ সৈতে জড়িত প্ৰবল জাতীয়তাবাদী সত্তাৰ অধিকাৰী আছিল বৰা ঃ পৃথ্বিৰাজ ৰাভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২০ জুলাই ঃ** শিক্ষা তথা বিদ্যায়তনিক ক্ষেত্ৰখনৰ উত্তৰণ, সমাজৰ সাৰ্বিক দিশৰে উত্তৰণ আৰু বিকাশৰ অৰ্থে উৎসৰ্গিত হলেশ্বৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ এগৰাকী নিষ্ঠাবান কৃতী শিক্ষক অৰুণ কুমাৰ বৰা যোৱা ৮ জুলাইত ইহলীলা সম্বৰণ কৰাৰ পিছত আজি আদ্যশ্ৰাদ্ধৰ লগত সংগতি ৰাখি নিজ বাসগৃহতে আয়োজিত বিশেষ শ্ৰদ্ধাঞ্জলি আৰু স্মৃতিচাৰণ অনুষ্ঠানত বিশিষ্টজনে স্মৰণ কৰে। এক সংস্কাৰপূৰ্ণ আৰু সমাজখনক সকলো দিশতে আগুৱাই নিয়াৰ মানসিকতাৰে স্থানীয় অঞ্চলটিত এক সুস্থ শৈক্ষিক আৰু সাংস্কৃতিক পৰিৱেশ গঢ়ি তোলাৰ হাবিয়াস থকাৰ সৰ্বোপৰি জাতীয়তাবাদ আৰু আঞ্চলিকতাবাদৰ সত্বাৰ অধিকাৰী অৰুণ কুমাৰ বৰাক আজি গভীৰভাৱে এই অনুষ্ঠানত স্মৰণ কৰে তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই। এইগৰাকী সমাজকৰ্মীৰ পৰলোকপ্ৰাপ্তিত অঞ্চলবাসীয়ে এগৰাকী নিষ্ঠাবান সমাজকৰ্মী তথা শিক্ষানুৰাগী ব্যক্তিক কায়িকভাৱে হেৰুৱালে বুলি মন্তব্য কৰি বিধায়ক ৰাভাই কয় যে, হলেশ্বৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক অৰুণ কুমাৰ বৰা স্থানীয় অঞ্চলটোৰ বহু কেইখন বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সৈতে যেনেদৰে ওতঃপ্ৰোতভাৱে জড়িত থাকি অঞ্চলটোত এক সুস্থ শৈক্ষিক পৰিৱেশ গঢ় দিয়াত অহোপুৰুষাৰ্থ কৰিছিল, একেদৰে মিলন বাকৰি ৰাস মহোৎসৱকে ধৰি উত্তৰ-পশ্চিম তেজপুৰ শাখা সাহিত্য সভা, কদমকলি কলা মন্দিৰ, পদ্মনাথ গোহাঞি বৰুৱা ৰঙ্গমঞ্চকে ধৰি বহু সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ সৈতে ঘনিষ্ঠভাৱে জড়িত আছিল। অসমৰ আঞ্চলিকতাবাদী ধাৰাটোৰ সৈতে জড়িত প্ৰৱল জাতীয়তাবাদী সত্বাৰ অধিকাৰী প্ৰয়াত বৰা অসম গণ পৰিষদ দলৰো এগৰাকী নিষ্ঠাবান সদস্যৰ লগতে দলটোৰ শুভ চিন্তক আছিল বুলি কৈ বিধায়ক পৃথ্বিৰাজ ৰাভাই এনে এগৰাকী সমাজহিতৈষী শিক্ষানুৰাগী ব্যক্তিৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি বিদেহ আত্মাৰ সদ্‌গতি কামনাৰে পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। উল্লেখ্য যে, উত্তৰ পশ্চিম তেজপুৰ শাখা সাহিত্য সভাৰ উদ্যোগত, স্থানীয় ৰাইজ আৰু পৰিয়ালবৰ্গৰ সহযোগত অনুষ্ঠিত হোৱা এই অনুষ্ঠানত পৌৰোহিত্য কৰে এসময়ৰ সতীৰ্থ শিক্ষক তথা সমাজকৰ্মী কুশল শইকীয়াই। সভাখনত 'অৰুণজ্যোতি' শীৰ্ষক সোঁৱৰণী গ্ৰন্থ এখন আনুষ্ঠানিকভাৱে উন্মোচন কৰি শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট লেখিকা ডঃ স্বাধীনতা মহন্তই কৃতী শিক্ষকগৰাকীক স্মৰণ কৰি কয় যে, অৰুণ কুমাৰ বৰাই কষ্টকৰ জীৱনৰ মাজেৰে লাভ কৰা শিক্ষাৰে আন দহজনক নিজৰ কৰ্মৰাজিৰে উদ্বুদ্ধ কৰি তুলিছিল। নিজৰ ঘৰখনৰ লগতে সমাজৰ আন বহুজনক সহায় সহযোগিতা আগবঢ়োৱা অৰুণ কুমাৰ বৰাই নিজৰ কৰ্মৰাজিৰে যিমানেই বিলাবা সিমানেই মহান হ'বা এই আপ্ত বাক্যশাৰীক নিজৰ ক্ষেত্ৰতো সাৰ্থক কৰি তুলিছিল। অনুষ্ঠানটিত শোণিতপুৰ জিলা সাহিত্য সভাৰ উপ সভাপতি বিপুল কুমাৰ নাথ, বিশিষ্ট লেখক, কবি ড° যতীন বৰুৱা, অৱসৰপ্ৰাপ্ত শিক্ষক লীলাম্বৰ বৰা, স্থানীয় সমাজকৰ্মী কামেশ্বৰ দাস, যোগেন বৰা, উত্তৰ পশ্চিম তেজপুৰ শাখা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক অপূৰ্ব বৰা, সম্পাদক প্ৰশান্ত দাস, মিলন বাকৰি ৰাসোৎসৱ উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি কুলেন শইকীয়াকে ধৰি বিশিষ্টজনে স্মৰণ কৰে। সমগ্ৰ অনুষ্ঠানটিৰ অন্তত পৰিয়ালৰ তৰফৰ পৰা শলাগ জ্ঞাপন কৰে সমাজকৰ্মীগৰাকী ভাগিন তথা অগপৰ সক্ৰিয় কৰ্মী বিষ্ণুজ্যোতি কলিতাই।

# নামৰূপৰ শিল খাদত পৰি আঢ়ৈ বছৰীয়া শিশুৰ মৃত্যুত গভীৰ শোক প্ৰকাশ বিধায়ক তৰংগ গগৈৰ

## চাইক্য গাঁৱত থকা শিল খাদানত ৰাজহ চক্ৰ বিষয়া, আৰক্ষী দল, বন বিভাগৰ অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২০ জুলাই ঃ** নামৰূপৰ চাইক্য গাঁৱত থকা শিলৰ খাদানৰ পুখুৰীত পৰি এটি আঢ়ৈ বছৰীয়া কণমানি ল'ৰাৰ প্ৰাণ যোৱা বাতৰি দৈনন্দিন বাৰ্তাত প্ৰচাৰ হোৱাৰ পিছতে ঘটনা সন্দৰ্ভত ক্ৰমে সৰৱ আৰু কঠোৰ হৈ পৰিছে স্থানীয় বন বিভাগ, নামৰূপ আৰক্ষী আৰু নাহৰকটীয়া ৰাজহ চক্ৰ বিষয়া। চাইক্য গাঁৱৰ শিল খাদানৰ উন্মুক্ত পুখুৰীত পৰি শিশুটিৰ মৃত্যু হোৱা ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে বিধায়ক তৰংগ গগৈয়ে। বিধায়কগৰাকীয়ে অত্যন্ত ক্ষুব্ধভাবে ঘোষণা কৰে যে তৰংগ গগৈ বিধায়ক হৈ থকা কাৰ্যকালত কেতিয়াও এনে নীতিবিৰুদ্ধ কাম কৰিবলৈ দিয়া নহ'ব আৰু কোনোৱে এনে নীতিবিৰুদ্ধ খনন কৰিবলৈ আগবাঢ়িলেও কঠোৰ শাস্তিৰ সন্মুখীন হ'ব লাগিব বুলি সকীয়াই দিয়ে বিধায়কগৰাকীয়ে। লক্ষণীয় যে শিল খাদানৰ পুখুৰীৰ পোতাৰ বিপৰীতে এই পুখুৰীসমূহৰ পানী অসম পেট্ৰ কেমিকেললৈ যোৱা সন্দৰ্ভতো সৰৱ হৈ পৰে বিধায়ক গগৈ। ইফালে কালি ৰাজহ চক্ৰ বিষয়া শৰৎ গগৈৰ নেতৃত্বত নামৰূপ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নীল কমল বৰুৱা আৰু নামৰূপস্থিত দিল্লী খণ্ড বন কাৰ্যালয়ৰ বন বিষয়া-কৰ্মচাৰী সমন্বিতে চাইক্য গাঁৱৰ শিল খনন কৰা এলেকাত এক অভিযান চলায়। লক্ষণীয় যে গাঁওখনৰ শ শ বিঘা ভূমিত য'তে ত'তে অবৈধভাৱে শিল খান্দি গাঁওখনৰ বাট-পথ বিধ্বস্ত কৰি তোলাৰ লগতে অধিকসংখ্যক গাঁওবাসীৰ আগ চোতাল-পিছ চোতালত পুখুৰীৰ সৃষ্টি কৰি জীৱন যাপন দুৰ্বিষহ কৰি তুলিছে। শিল খান্দি বৃহৎ পুখুৰী সৃষ্টি হোৱাৰ পিছত উন্মুক্তভাৱে এৰি থোৱাৰ ফলত পূৰ্বেও কেইবাটাও শিশু-কিশোৰ, পশুধন মৃত্যু হৈছে। কালিৰ অভিযানৰ অন্তত নাহৰকটীয়া ৰাজহ চক্ৰ বিষয়া শৰৎ গগৈয়ে কয় যে তথ্য মতে শিলৰ খাদানত সৃষ্টি হোৱা বৃহৎ ভূমি খণ্ড দিল্লী চাহ বাগিচাৰ অধীনৰ। দিল্লী চাহ বাগিচাই কি দৰে নীতিবহিৰ্ভূতভাৱে এই ভূমিত শিল খান্দিবলৈ দিলে তাৰ জবাবদিহি হ'ব লাগিব বুলি চক্ৰ বিষয়াগৰাকীয়ে মন্তব্য দিয়ে। ইফালে শিল ব্যৱসায়ী তথা এ পি এলৰ কৰ্মচাৰী জনৈক্য গগৈয়ে উক্ত বিস্তৃত ভূমিত শিল খান্দি নিজে এক ৰাজকীয় জীৱন যাপন কৰি গাঁওবাসীৰ জীৱন বিধ্বস্ত আৰু কদৰ্যময় কৰি ধ্বংসৰ মুখলৈ ঠেলি দিলে বুলি গাঁওবাসীয়ে মন্তব্য কৰে।




## ঘগ্ৰাপাৰৰ বালিতাৰা হাইস্কুলত বিদ্যালয় পৰিচালনা-উন্নয়ন সমিতিৰ দুদিনীয়া প্ৰশিক্ষণৰ আৰম্ভণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২০ জুলাই ঃ** নলবাৰী জিলাৰ বড়িগোগ বনভাগ শিক্ষা খণ্ডৰ অন্তৰ্গত ৩১খন চৰকাৰী বিদ্যালয়ৰ প্ৰধান শিক্ষক, বিদ্যালয় পৰিচালনা-উন্নয়ন সমিতিৰ সভাপতি, উপ-সভাপতি তথা এগৰাকী সদস্যক আজিৰে পৰা দুদিনীয়াকৈ বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰশিক্ষণ অনুষ্ঠিত কৰে নলবাৰী জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকে। ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বালিতাৰা হাইস্কুল প্ৰেক্ষাগৃহত জিলা অধিবিদ্যা পৰিষদৰ সম্পাদক কৃষ্ণকান্ত মহন্তই আঁত ধৰা প্ৰশিক্ষণ আজি পুৱা ১০ বজাত আনুষ্ঠানিকভাৱে উদ্বোধন কৰে নলবাৰী জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক জয়ন্ত ঠাকুৰীয়াই। পৰিদৰ্শক ঠাকুৰীয়াই ভাষণত কয় যে- বিদ্যালয় এখনৰ উন্নতি নিৰ্ভৰ কৰে বিদ্যালয়খনৰ পৰিচালনা সমিতি, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ সু-সমন্বয়ৰ ওপৰত। ৰাজ্য চৰকাৰে শিক্ষা বিভাগৰ বাবে বহুতো কল্যাণকামী আঁচনি যুগুত কৰি দিয়ে। এই আঁচনিসমূহ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব লাগিব বিদ্যালয় উন্নয়ন তথা পৰিচালনা সমিতিয়ে। শিক্ষা বিষয়াগৰাকীয়ে নতুন শিক্ষা নীতি আৰু বিদ্যালয়সমূহৰ একত্ৰীতকৰণ প্ৰক্ৰিয়া অব্যাহত থকাৰ কথাও সদৰী কৰে। লগতে শিক্ষা বিষয়াগৰাকীয়ে বিদ্যালয়ৰ দুপৰীয়া আহাৰ খোৱাৰ সমান্তৰালভাৱে প্ৰথমে নেওঁতা খোৱাৰ বাবে শিক্ষাৰ্থীসকলক শিক্ষকসকলে শিকোৱাৰ পৰামৰ্শ দিয়ে। ঘগ্ৰাপাৰৰ বড়িগোগ বনভাগ শিক্ষা খণ্ডৰ অন্তৰ্গত ৩১খন হাইস্কুল, উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ, প্ৰধান শিক্ষক, পৰিচালনা সমিতিৰ সভাপতি, উপ-সভাপতি আৰু সদস্যসকলক সামৰি মুঠ ১২৪গৰাকীক প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই প্ৰশিক্ষণ কাৰ্যসূচীত সমল ব্যক্তি হিচাপে বক্তৃতা প্ৰদান কৰে অৱসৰী কৃতী প্ৰধান শিক্ষক ৰমণী বৰ্মন, পশ্চিম বনভাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মঞ্জুৱাণী ভূঞা, ৰঘুনাথ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক অপূৰ্ব নাথকে ধৰি ১২গৰাকী সমল ব্যক্তিয়ে। শিক্ষক তথা সমল ব্যক্তিসকলে এই দুদিনীয়া প্ৰশিক্ষণত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি, উপ-সভাপতি আৰু সদস্যসকলক এখন বিদ্যালয়ৰ সামগ্ৰিক উন্নয়ন, ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি, শিক্ষাদানৰ ক্ষেত্ৰত শিক্ষক-অভিভাৱকৰ দায়িত্ব আৰু কৰ্তব্য, বিদ্যালয়ৰ মধ্যাহ্ন ভোজন বিতৰণ ব্যৱস্থা, বিদ্যালয়ৰ আন্তঃগাঁথনি পুঁজিৰ সঠিক ব্যৱহাৰ, সমাজক জড়িতকৰণ, চৰকাৰী বিদ্যালয়ৰ প্ৰতি শিক্ষাৰ্থীক আগ্ৰহী কৰা, ছাত্ৰ-ছাত্ৰীৰ বেগৰ ওজন কমোৱা, শিশুৰ নিৰাপত্তা, বালিকা সদন, স্বচ্ছ বিদ্যালয়, পৰিপুষ্টি, সামাজিক হিচাপ- নিকাচৰ আদি বিষয়ৰ ওপৰত অৱগত কৰা হয়। পৰৱৰ্তী সময়ত জিলাখনৰ বিভিন্ন প্ৰান্তত এই প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব বুলি জিলা শিক্ষা বিভাগে জানিবলৈ দিয়ে।

## ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদৰ সচিবালয় প্ৰাংগণত গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ



**দৈনন্দিন বাৰ্তাৰ সেৱা, দুধনৈ, ২০ জুলাই ঃ** সেউজ অসম গঢ়াৰ চিন্তা-চৰ্চাৰে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আৰম্ভ কৰা গছপুলি ৰোপণ কাৰ্যসূচীৰ অংশ হিচাপে ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদৰ সচিবালয় প্ৰাংগণতো গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। এই গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই। সচিবালয় প্ৰাংগণত শিলিখা, কৰ্দৈ, ঔষধি গছৰ লগতে বিভিন্ন ধৰণৰ ফল-মূলৰ গছৰ পুলি ৰোপণ কৰা হয়। গছপুলি ৰোপণ কৰি পৰিষদৰ মুখ্য কাৰ্যবাহী টংকেশ্বৰ ৰাভাই কয় যে গছ-গছনি অবিহনে এটা অঞ্চল বা প্ৰাকৃতিকভাৱে সুন্দৰ পৰিৱেশ গঢ়ি তুলিবলৈ গছ-গছনিৰ প্ৰয়োজন। সেয়ে মুখ্যমন্ত্ৰীগৰাকীৰ বিশেষ কাৰ্যসূচীৰ অধীনত সমগ্ৰ ৰাভা হাচং এলেকাত থকা বিভিন্ন চৰকাৰী কাৰ্যালয়, অনুষ্ঠান প্ৰতিষ্ঠানে বিভিন্ন ফল-মূলৰ গছৰ লগতে ঔষধি গছৰ পুলি ৰোপণ কৰি ভৱিষ্যতৰ বাবে পৰিৱেশ উজ্জ্বল কৰি তুলিবলৈ সকলোকে আহ্বান জনায়। তেওঁ কয় যে অসমত ১৮ জুলাইৰ পৰা অহা ১৫ আগষ্টলৈ এই কাৰ্যসূচী চলি থাকিব। ইপিনে এই কাৰ্যসূচীৰ সময়ত পৰিষদৰ প্ৰধান সচিব প্ৰাঞ্জল চৌধুৰী, অধ্যক্ষ চাৰু মোহন ৰাভাৰ উপৰি কাৰ্যবাহী সদস্য, সাধাৰণ সদস্য আৰু পৰিষদৰ সকলো কৰ্মচাৰী উপস্থিত থাকে।

## শিৱসাগৰ নগৰত চৰকাৰী চাউলৰ অবৈধ সৰবৰাহকাৰী আটক

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২০ জুলাই ঃ** চৰকাৰী বিনামূলীয়া চাউলক কেন্দ্ৰ কৰি সুলভ মূল্যৰ ছ'চাইটীসমূহৰ লগতে সুলভ মূল্যৰ দোকানসমূহে অনিয়ম সংঘটিত কৰি অহাটো নতুন কথা নহয়। কালি শিৱসাগৰ আৰক্ষীয়ে এনে চৰকাৰী বিনামূলীয়া চাউলৰ অবৈধ সৰবৰাহ জব্দ কৰি এনে অভিযোগসমূহক প্ৰমাণিত কৰিলে। আজি বিয়লি জয়সাগৰ কলেজ চাৰিআলিৰ সমীপত জয়সাগৰ আৰক্ষী চকীয়ে চলোৱা তালাচী অভিযানত তিনি কুইণ্টল চৰকাৰী চাউল জব্দ কৰিবলৈ সক্ষম হয়। চাউল সৰবৰাহ কৰা ডিআই গাড়ীখনৰ লগতে আৰক্ষীয়ে গাড়ীচালকক আটক কৰিছে। আৰক্ষীৰ পৰা লাভ কৰা তথ্য অনুসৰি AS-04 BC-7782 নম্বৰৰ ডিআই গাড়ীখনে পঞ্চাশ কেজি ওজনৰ ষাঠি বেগ চৰকাৰী চাউল শিৱসাগৰ নগৰৰ বিশালৰ সমীপৰ ছানি বৰা নামৰ এজন লোকৰ সুলভ মূল্যৰ দোকানৰ পৰি নামতি চাৰিআলিৰ আটিকুৰ হুছেইন নামৰ এজন লোকৰ দোকানলৈ অবৈধভাৱে সৰবৰাহ কৰা হৈছিল। আৰক্ষীয়ে কালি বিয়লি গাড়ীসহ চাউল জব্দ কৰাৰ লগতে ডিআইৰ চালক অভিজিত বৰাক আটক কৰিছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

## 'হৰ ঘৰ তিৰংগা' শীৰ্ষক কাৰ্যসূচী সম্পৰ্কে সভা

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, কাজিৰঙা, ২০ জুলাই ঃ** ভাৰতৰ স্বাধীনতাৰ ৭৫ বৰ্ষপূৰ্তি উপলক্ষে উদ্‌যাপিত হৈ থকা 'আজাদী কা অমৃত মহোৎসৱ'ৰ অংশস্বৰূপ 'হৰ ঘৰ তিৰংগা' শীৰ্ষক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই কাৰ্যসূচী বোকাখাত মহকুমাত ৰূপায়ণৰ উদ্দেশ্যে মহকুমাধিপতিৰ কাৰ্যালয় কক্ষত মহকুমাধিপতি ডাঃ নেহা যাদৱৰ সভাপতিত্বত বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াৰ সৈতে এখন আলোচনা সভা অনুষ্ঠিত হয়। 'হৰ ঘৰ তিৰংগা' কাৰ্যসূচীৰ লক্ষ্য হৈছে জনসাধাৰণৰ হৃদয়ত দেশপ্ৰেমৰ অনুভূতি জাগ্ৰত কৰা আৰু ৰাষ্ট্ৰীয় পতাকাৰ ওপৰত সজাগতা বৃদ্ধি কৰা। 'হৰ ঘৰ তিৰংগা' কাৰ্যসূচীৰ অংশ হিচাপে জনসাধাৰণৰ অংশগ্ৰহণৰ জৰিয়তে ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈ প্ৰত্যেকেই নিজৰ ঘৰ, ব্যৱসায়িক প্ৰতিষ্ঠান, কাৰ্যালয়ত জাতীয় পতাকা উত্তোলন কৰি এই কাৰ্যসূচীক বোকাখাত মহকুমাত সফল কৰি তুলিবলৈ মহকুমাধিপতিগৰাকীয়ে বোকাখাতবাসীক আহ্বান জনায়।

## বজালীত গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদানৰ সফল সমাপ্তি

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাটাছাৰকুছি, বজালী, ২০ জুলাই ঃ** বজালীৰ কাৰৈমাৰীত আগ্ৰহ এন জি অ'ৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ সহযোগত গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদানৰ সফল সমাপ্তি। অঞ্চলটোৰ সকলো দুখীয়া ছাত্ৰ-ছাত্ৰীক গণিত, বিজ্ঞান আৰু ইংৰাজী বিষয়ত সম্যক জ্ঞান দিয়াৰ উদ্দেশ্যে আয়োজন কৰা হৈছিল বিনামূলীয়া পাঠদান শিবিৰটো। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ কাৰ্যকৰ্তা নৱজ্যোতি বৰ্মন আৰু আগ্ৰহ এন জি অ'ৰ সদস্য খৰ্গেশ্বৰ প্ৰতিম ৰয়ৰ লগতে 'এন জি অ'টোৰ সমূহ সদস্যৰ উদ্যোগত গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদান শিবিৰটি অনুষ্ঠিত কৰা হয়। উক্ত শিবিৰটিত কাৰৈমাৰী অঞ্চলৰ শিক্ষিত যুৱক ৰূপজ্যোতি পাঠক আৰু ছানদীপ মেধিয়ে শিক্ষাদান কৰে, লগতে অন্তিম দিনা বজালীৰ তিতকা হাইস্কুলৰ গণিত শিক্ষক অৰূপ কাকতি, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ বাণিজ্যিক বিভাগৰ প্ৰবক্তা উৎপল ৰয় আৰু পাঠশালাৰ বিশিষ্ট ব্যৱসায়ী অনুপ দাস উপস্থিত থাকে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত উপস্থিত হৈ প্ৰবক্তা উৎপল ৰয় আৰু শিক্ষক অৰূপ কাকতিয়ে বিভিন্ন উপদেশমূলক বক্তব্য আগবঢ়ায়।



## চিটী চেণ্টাৰৰ এক্সক্লুছিভ শ্ব'ৰূমত অপ' ৰেণো ৮ ছিৰিজ ৫-জি স্মাৰ্ট ফোন মুকলি অভিনেত্ৰী লোণিশ্ৰী দাসৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২০ জুলাই ঃ** অপেক্ষাৰ অন্ত পৰিল। বজাৰলৈ আহিল আগশাৰীৰ স্মাৰ্ট ফোন নিৰ্মাতা অপ'ৰ ৰেণো ৮ ছিৰিজৰ ৫-জি স্মাৰ্ট ফোন। মহানগৰীৰ চিটী চেণ্টাৰৰ অপ' এক্সক্লুছিভ শ্ব'ৰূমত আজি অপ' ৰেণো ৮ ছিৰিজৰ ৫-জি স্মাৰ্ট ফোন আনুষ্ঠানিকভাৱে মুকলি কৰে অভিনেত্ৰী লোণিশ্ৰী দাসে। অপ' ৰেণো ৮ ছিৰিজৰ ৫-জি স্মাৰ্ট ফোন মুকলি অনুষ্ঠানত উপস্থিত থাকে অপ'ৰ মাণ্ডলিক বিক্ৰী প্ৰবন্ধক আনিছুজ জামান, শ্ব'ৰূমৰ এলএফআৰ মুৰব্বী সন্দীপ




চৌধুৰীকে আদি কৰি কেইবাজনো বিশিষ্ট ব্যক্তি। ৰেণো স্মাৰ্ট ফোন মুকলি কৰি অভিনেত্ৰী লোণিশ্ৰী দাসে কয় যে অপ' স্মাৰ্ট ফোন এতিয়া সকলোৰে এক সপোনৰ স্মাৰ্ট ফোন হৈ পৰিছে। সকলো ক্ষেত্ৰতে শীৰ্ষ স্থানত আছে অপ' স্মাৰ্ট ফোন। অপ' ৰেণো ৮ প্ৰ'ত উপলব্ধ হৈছে মেৰি চিলিকন এক্স ইমাজিন এনপিইউ, ৪-০কে আল্ট্ৰা নাইট ভিডিঅ', ডাইমেনচিটী ৮১০০-মেক্স, ৮০ ৱাটৰ ছুপাৰভিইউচি, ৪ বছৰৰ অতিৰিক্ত দীৰ্ঘম্যাদী বেটাৰী আৰু ১২০ হাৰ্জ ৰিফ্ৰেজ ৰেট। যুৱক-যুৱতী তথা মহিলা আৰু কৰ্মৰত পেছাদৰী লোকসকলৰ বাবে এয়া এক সঠিক স্মাৰ্ট ফোন। উত্তৰ-পূবৰ বজাৰত এই স্মাৰ্ট ফোনে বিশেষভাৱে বজাৰ দখল কৰিব বুলি আশা প্ৰকাশ কৰে। ইপিনে অনুষ্ঠানটোত মাণ্ডলিক বিক্ৰী প্ৰবন্ধকে কয় যে ৰেণো ৮ প্ৰ'ৰ অৰ্থ হৈছে সকলো শৃংখলাৰ প্ৰতিশ্ৰুতি পূৰণ কৰা। ৰেণো স্মাৰ্ট ফোনত উপলব্ধ হৈছে অত্যাধুনিক ডিজাইন আৰু অত্যাধুনিক প্ৰযুক্তি। ৰেণো ৮ প্ৰ' দুটা শাখাত মুকলি হৈছে। এটা ৰেণো ৮ প্ৰ' ৫-জি আৰু এটা ৮-৫-জি। ৰেণো ৮ প্ৰ' বিশেষভাৱে ডুৱেল চিটছ চেট মাৰি চিলিকন এক্স ইমেজিং এণ্ড পি ইউ বুলি জনাজাত। আজিৰে পৰা এই স্মাৰ্ট ফোন বজাৰত মুকলি হৈছে। ৰেণো ৮ প্ৰ' ৪৫৯৯৯ টকাৰ পৰা বজাৰত উপলব্ধ হ'ব। খুচুৰা বিপণীসমূহত অহা ২৫ জুলাইৰ পৰা উপলব্ধ হ'ব এই স্মাৰ্ট ফোন। একেদৰে ৰেণো ৮ ৫-জি স্মাৰ্ট ফোন বজাৰত উপলব্ধ হ'ব ২৯৯৯৯ টকাৰ পৰা। ২৩ জুলাইৰ পৰা খুচুৰা বিপণীত এই স্মাৰ্টফোন উপলব্ধ হ'ব ১৯,৯৯৯ টকাত। ইপিনে শ্ব'ৰূমটোৰ এল এফ আৰ মুৰব্বী সন্দীপ চৌধুৰীয়ে কয় যে ৰেন' অপ ৮ প্ৰ ক্ৰয়ৰ ক্ষেত্ৰত গ্ৰাহকে লাভ কৰিব আকৰ্ষণীয় অফাৰ। বিশেষকৈ আইচিআইচিআই, এছবিআই কাৰ্ড আৰু অন্যান্য বেংকৰ পৰা ১০% লৈকে কেচবেক লাভ কৰাৰ লগতে ছমাহলৈকে ইএমআইৰ সুবিধা আছে। পেটিএমৰ লেনদেনত ৫%লৈকে কেচবেক লাভ কৰিব।

### নগাঁৱত মাইলছ ব্ৰনছনৰ প্ৰতিমূৰ্তি উন্মোচন ঃ মাইলছ ব্ৰনছনৰ জন্মদিনতে তেওঁলৈ নগাঁওবাসীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন

# নিজৰ মাতৃভাষাত অধ্যয়ন কৰিলে ছাত্ৰ-ছাত্ৰীৰ বুদ্ধিমত্তা প্ৰকাশ পাব

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, নৰৈ, ২০ জুলাই ঃ** 'বহু সময়ত আমি ভাবো অসমীয়া ভাষাক, অসমীয়া সাহিত্যক ভাল পাব লাগিলে খাচ অসমীয়া মানুহ হ'ব লাগিব। এই কথাষাৰ শুদ্ধ নহয়। যি মানুহৰ অন্তৰত অসমে বাসস্থান লৈছে, সেইজন মানুহৰ কাৰণেহে অসমীয়া ভাষা, সাহিত্য-সংস্কৃতি। সেই মানুহজন আমেৰিকা, লণ্ডন ক'ৰ পৰা আহিছে সেইটো আমাৰ বোধগম্য নহয়। মূল কথা হ'ল তেওঁৰ অন্তৰত অসমীয়া ভাষাই স্থান পাইছে নে নাই।' এই মন্তব্য অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াৰ। আজি নগাঁও জিলা সাহিত্য সভাৰ উদ্যোগত আৰু নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈৰ সাংসদ পুঁজিৰে নিৰ্মাণ কৰা অসমীয়া ভাষা সাহিত্যৰ উত্তৰণৰ কাণ্ডাৰী ড° মাইলছ ব্ৰনছনৰ প্ৰতিমূৰ্তি উন্মোচন কৰি দিয়া ভাষণত ড° শইকীয়াই কয়- মাইলছ ব্ৰনছন অসম এৰি যাব নোখোজা মানুহ আছিল। অসম এৰি যোৱাৰ সময়ত মাইলছ ব্ৰনছনে লিখি থৈ গৈছিল যে 'মই অসম এৰি গ'লেও মোৰ হিয়া অসমতে থাকি যাব'। বাহিৰৰ মানুহ এজন অসমীয়া ভাষাটোৰ প্ৰতি কিমান অনুৰাগী আছিল সেয়া মন কৰিবলগীয়া কথা। সেই অনুৰাগ আমি অসমৰ অন্য ভাষা-ভাষী লোকৰ মাজলৈ লৈ যাব নোৱাৰোনে ? ভাষণ প্ৰসংগত মাইলছ ব্ৰনছনে অসমীয়া ভাষাৰ বাবে কৰা সংগ্ৰামৰ কথা উল্লেখ কৰি ড° শইকীয়াই কয়— ১৮৩৬ চনৰ পৰা ১৮৭৩ চনলৈ অসমীয়া ভাষা এলাগি হৈছিল। সেই সময়ত চৰকাৰী কাৰ্যালয় আদিৰ পৰা চহকী অসমীয়া ভাষা নোহোৱা হৈ গৈছিল। অৱশ্যে অসমীয়া ভাষাই পুনৰ স্বকীয় স্থান পালে। এনে এক জটিল পৰিস্থিতিত অসমীয়া ভাষাৰ হকে বহুতে সংগ্ৰাম কৰিছিল, এই প্ৰতিবাদী কণ্ঠৰ অন্যতম আছিল মাইলছ ব্ৰনছন। তেওঁ লগতে কয়— আজি এটা প্ৰতিমূৰ্তি স্থাপন হ'ল। এই প্ৰতিমূৰ্তিটো ৰ'দ, বৰষুণ, তুফান আদিৰ সন্মুখত থিয় হৈ থাকিব। এই মূৰ্তিত এজন ব্যক্তিৰ ব্যক্তিত্ব আমি দেখা পাম। ইয়াত আমি সৰ্বাংগীণ পৰিস্থিতি এটা দেখা পাম। চহকী ভাষাৰ অসমীয়া জাতিয়ে এটা সময়ত স্বকীয়তা হেৰুৱাইছিল। সেই বেদনা আমি সদায় উপলব্ধি কৰিব লাগিব। ভাষণ প্ৰসংগত ড° শইকীয়াই কয়— অসমীয়া ভাষা পাঠ্যক্ৰমত দ্বিতীয় ভাষা হিচাপে ৰখা হৈছে। অসমীয়া এটা চহকী ভাষা। এই ভাষাৰ স্বকীয়তা আছে। পৃথিৱীৰ বহু ভাষা চহকী। অসমীয়া ভাষাক বিশ্ব দৰবাৰলৈ লৈ যাব লাগিব। নিজৰ মাতৃভাষাত ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰিলে তেওঁলোকৰ বুদ্ধিমত্তা প্ৰকাশ পাব। প্ৰসংগ ক্ৰমে ড° শইকীয়াই আনন্দৰাম ঢেকিয়াল ফুকনৰ কথা উল্লেখ কৰি কয়— আনন্দ ৰাম ঢেকিয়াল ফুকনেও অসমীয়া ভাষাৰ উত্তৰণৰ হকে কাম কৰিছিল। সম্প্ৰতি অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি কিছু ভাবুকিৰ সৃষ্টি হৈছে। পুনৰ মাইলছ ব্ৰনছনৰ প্ৰসংগ উল্লেখ কৰি ড° শইকীয়াই কয়- মাইলছ ব্ৰনছন এগৰাকী ভৱিষ্যতৰ পথ প্ৰদৰ্শক আছিল। তেওঁ লগতে কয়, পুৰণিক লৈ নতুনৰ দিশে আগুৱাই যাব লাগিব। নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱাই সভাপতিত্ব কৰা সভাত অংশ গ্ৰহণ কৰি নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে কয়- অসমীয়া ভাষাক স্বতন্ত্ৰ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ মাইলছব্ৰনছনে বিজ্ঞানসন্মতভাৱে যুঁজ দিছিল। নিজৰ বাৰবছৰীয়া শ্ৰমৰ ফচল হিচাপে ১৪ হাজাৰ থলুৱা অসমীয়া শব্দ সামৰি তেওঁ অসমীয়া-ইংৰাজী ভাষাৰ অভিধান ১৮৬৭ চনত প্ৰকাশ কৰি উলিয়াইছিল। এই শব্দাৱলীৰ দস্তাৱেজকে ভিত্তি হিচাপে লৈ যুক্তিপূৰ্ণভাৱে অসমীয়া ভাষাক প্ৰতিষ্ঠা কৰাৰ অবিৰত সংগ্ৰামখন সফল হ'ল আৰু ১৮৭৩ চনত ইংৰাজ প্ৰশাসনে অসমীয়া ভাষাক স্বীকৃতি দিলে। বৰদলৈয়ে লগতে কয়— আমেৰিকাৰ পৰা মূলতঃ ধৰ্ম প্ৰচাৰ কৰিবলৈ আহি অসমত উপস্থিত হোৱা ড° মাইলছ ব্ৰনছনে বুজি উঠিছিল যে অসমীয়া কেৱল এটা থলুৱা ভাষাই নহয়। ই অতি চহকী আৰু প্ৰাচীন ভাষা। ঊনৈছ শতিকাত অসমত অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠা কৰা সংগ্ৰামত সেনাপতিৰ ভূমিকা লোৱা মাইলছ ব্ৰনছনক অসমীয়া জাতিৰ হৈ আজি তেওঁৰ জন্মদিনত শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছো। সভাত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰি তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অধ্যাপক প্ৰশান্ত দাসে কয়— 'সাতসাগৰ তেৰ নদী পাৰ হৈ সুদূৰ আমেৰিকাৰ পৰা মাইলছব্ৰনছন আহি অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। তেওঁ ১৮৪১ চনত নগাঁৱলৈ আহি অসমীয়া ভাষাটোৰ প্ৰতি দেখুওৱা উদাৰ আচৰণ আমাৰ কাৰণে এক প্ৰেৰণা। অকল তেৰেঁই নহয় ব্ৰনছনৰ পত্নী মেৰী ব্ৰনছনৰ ভূমিকাও আছিল উল্লেখনীয়। নাৰী সমাজক জাগ্ৰত কৰাত অন্যতম ভূমিকা লোৱা মেৰী এগৰাকী আদৰ্শ নাৰী আছিল। তেওঁলোকৰ পৰিয়ালটো সমাজৰ বাবে এক প্ৰেৰণাৰ উৎস। আচলতে মাইলছ ব্ৰনছনৰ প্ৰতিমূৰ্তি বহু দিন আগতেই প্ৰতিষ্ঠা হ'ব লাগিছিল। মাইলছ ব্ৰনছনে লিখি থৈ যোৱা কেইবাখনো চিঠিত অসমীয়া সমাজক ভাল পোৱাৰ কথা উল্লেখ কৰিছে। উল্লেখ্য যে মাইলছ ব্ৰনছনৰ ওপৰত সম্প্ৰতি গৱেষণা কৰি আছে ইংৰাজী সাহিত্য বিভাগৰ অধ্যাপক প্ৰশান্ত দাসে। সভাত অংশগ্ৰহণ কৰি প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই কয় যে ইতিপূৰ্বেও মাইলছব্ৰনছনৰ স্মৃতি ৰক্ষাৰ বাবে প্ৰয়াস কৰা হৈছিল যদিও বিভিন্ন কাৰণত সেয়া হৈ নুঠিল। এতিয়া ব্ৰনছনৰ প্ৰতিমূৰ্তি স্থাপন হোৱাটো নগাঁওবাসীৰ বাবে গৌৰৱৰ বিষয়। সভাত সাহিত্যিক উপেন্দ্ৰ বৰকটকী বটদ্ৰৱাৰ বিধায়িকা শিৰামণি বৰা, নগাঁও বেপ্টিষ্ট মিছনেৰীৰ সভাপতি মাণিক দাস আদিকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। মাইলছ ব্ৰনছনৰ প্ৰতিমূৰ্তিটো নিৰ্মাণ কৰিছে ভাস্কৰ্য শিল্পী লক্ষ্যজিৎ বৰাই। নগাঁও জিলা সাহিত্য সভাৰ সম্পাদক ৰেৱত হাজৰিকাই আঁত ধৰা অনুষ্ঠানতে বিশিষ্ট লেখক পৰাণ কুমাৰ বৰুৱাৰ 'মাইলছ ব্ৰনছন আৰু অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠাৰ সংগ্ৰাম', ড° থুনু কলিতাৰ 'আইতাৰ জোনাকী চোতাল আৰু তৰা জিলমিল', ড° দিনেশ হাজৰিকাৰ 'কৃষি ব্যৱস্থাপনা খাদ্য আৰু অনান্য', স্বপ্না কলিতাৰ 'দ্বাদশ জ্যোতি লিংগ আৰু সপ্তপুৰী' আৰু স্মৃতা কলিতাৰ 'ওপজা গাঁৱৰ চিনাকি ছবি' গ্ৰন্থকেইখন মঞ্চত উপৱিষ্ট বিশিষ্ট ব্যক্তিসকলে উন্মোচন কৰে। ইয়াৰ আগতে নগাঁও মিছন চৌহদত স্থাপন কৰা মাইলছ ব্ৰনছনৰ প্ৰতিমূৰ্তি উন্মোচন কৰে অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াই। অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰে নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে। সভাত শলাগৰ শৰাই আগবঢ়াই নগাঁও জিলা সাহিত্য সভাৰ সাধাৰণ সম্পাদক ৰেৱত হাজৰিকাই।





## ভেৰগাঁও জিলা অনুসূচিত জাতি পৰিষদৰ অভিনন্দন অনুষ্ঠান সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ২০ জুলাই ঃ** ভাল মানুহ বা সুনাগৰিক হ'বলৈ হ'লে জীৱনজোৰা সাধনা লাগিব। ভেৰগাঁও জিলা অনুসূচিত জাতি পৰিষদৰ বিশেষ অভিনন্দন অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি কৃতী বিদ্যাৰ্থীসকলক উদ্দেশ্যি আজি এইদৰে কয় হৰিশিঙা ৰাজহ চক্ৰ বিষয়া মনীষা নাথে। শিক্ষা নগৰী টংলাস্থিত টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত ভেৰগাঁও জিলা অনুসূচিত জাতি পৰিষদৰ অভিনন্দন অনুষ্ঠানত পৰিষদৰ সভাপতি গৌৰাংগ দাসে সভাপতিত্ব কৰে। ভেৰগাঁও জিলা অনুসূচিত জাতি পৰিষদৰ সম্পাদক পৱন বণিয়াই আঁত ধৰা, উপ-সভাপতি প্ৰমোদ হাজৰিকাই উদ্বোধন কৰা অনুষ্ঠানত মনমোহন দাস, হীৰেন সূত্ৰধৰ, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ভেৰগাঁও জিলা শাখাৰ সম্পাদক মাধৱ বৰুৱা, নিৰ্মাণ সমিতিৰ সভাপতি নাৰেন্দ্ৰ ডেকা উপস্থিত থাকে। জিলা শাখাৰ অন্তৰ্গত বিভিন্ন আঞ্চলিকৰ বিষয়ববীয়া উপস্থিত থকা অনুষ্ঠানত হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ মেধাৱী বিদ্যাৰ্থীক ফুলাম গামোচা, জাপি আৰু মানপত্ৰৰে অভিনন্দিত কৰে।



No. MCH/HMS/2022/261/8,

**NOTICE INVITING e-TENDER**

Sealed e-Tenders in two bid systems are invited from the intending Supplier/Manufacturer/ Accredited Dealers for supply of Interventional Radiological Items (Diagnostic DSA and Peripheral DSA) under HMS, Gauhati Medical College Hospital, Guwahati,

**Important dates of the e-Tender**

1. Schedule A

| Sl. No. | Scheduled | Start Date | Start Time | End Date | End Time |
|---|---|---|---|---|---|
| 1. | e- Tender Publishing | 20/07/2022 | | - | - |
| 2. | e- Tender Download | 20/07/2022 | 4:00 PM | 12/08/2022 | 11:00 AM |
| 3. | Pre-Bid meeting | 27/07/2022 | 3:00 PM | Office of the Superintendent, Gauhati Medical College Hospital, Guwahati-32 | |
| 4. | Bid Submission | 04/08/2022 | 1:00 PM | 12/08/2022 | 12:00 Noon |
| 5. | Bid Opening | 16/08/2022 | 2:00 PM | | |
| 6. | Sample Verification | 17/08/2022 at 3:00 PM | | | |

2. Schedule B

| Sl. No. | Bid Security (E.M.D.) through online payment mode | Delivery/ Installation schedule/ Completion period | Tender fees in Rs. through online payment mode |
|---|---|---|---|
| 1. | Rs. 30,000/- (Thirty Thousand only) | 72 Hours | Rs.2,000/- (Two Thousand only) |

All other relevant information and the detailed Bid Documents are available in website **www.assamtenders.gov.in** and can be viewed from 20/07/2022. The Superintendent cum Member Secretary reserve the right to reject all or any tender without assigning any reason and is not bo nd to accept the lowest rate.

Sd/-
Superintendent cum Member Secretary
HMS, Gauhati Medical College Hospital
Guwahati-32

**Janasanyog/C/6864/22**

### ■ দৈয়াং নদীত বিভিন্ন স্থানত মাছধৰা বাণ ■

# বিলুপ্তিৰ পথত থলুৱা প্ৰজাতিৰ মাছ, কুম্ভকৰ্ণ নিদ্ৰাত মীন বিভাগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ২০ জুলাই ঃ** গোলাঘাট জিলাৰ দ্বিতীয় প্ৰধান নদী হিচাপে বিবেচিত দৈয়াং নদীৰ বিভিন্ন স্থানত মাছধৰা বাণসমূহে দুৰ্লভ তথা থলুৱা প্ৰজাতিৰ মাছৰ বিলুপ্তিৰ লগতে ভৱিষ্যতৰ বাবে ভাবুকি নমাই আনিছে। নগা পাহাৰৰ পৰা বৈ অহা দৈয়াং নদীখনে অসম-নাগালেণ্ড সীমাৰ এক বিস্তীৰ্ণ অঞ্চলৰ দুয়োপাৰে উৰ্বৰ ভূমি সৃষ্টি কৰি বৈ গৈ গোলাঘাট আৰু ধনশ্ৰী মহকুমাৰ সীমা বিভক্ত কৰি গোলাঘাটৰ প্ৰধান নদী ধনশ্ৰীত পৰিছেগৈ। নদীখনৰ দুয়োপাৰে অসমৰ বৃহত্তৰ কৃষিভূমিলৈ উৰ্বৰতা নমাই অনাৰ লগতে প্ৰাকৃতিক বিভিন্ন প্ৰজাতিৰ মাছ-কাছৰ বাবে প্ৰসিদ্ধ তথা এই নদী মুক্ত বিচৰণৰস্থলী। বৰ্তমান সময়ত মাছে প্ৰজনন কৰে বাবেই মীন বিভাগে জালেৰে মাছ ধৰা, নৈ, বিলত মাছ ধৰা নিষিদ্ধ কৰি ৰাখিছে যদিও একাংশই এইবোৰলৈ কোনো ভ্ৰূক্ষেপ নকৰি মাছ ধৰি আহিছে। অতি পৰিতাপৰ বিষয় যে জীৱশ্ৰেষ্ঠ মানুহেই দৈয়াং নদীৰ বিভিন্ন স্থানত ক্ৰমে ঘুলিঘাট, হেৰহেৰীঘাট, মুচৰভংগা, হাতীঘুলি, মিলনপুৰ, কাছমাৰী, বিয়াকৰোৱা, গবৈৰিল, পদুমপথাৰ, মিলনপুৰ, সৰুপানী, পুৰণিঘাট, দুৰৰণী, দৈয়াংপাৰ, চিতলমাৰী, ভেলেকী আদি প্ৰায় বিশটা মান স্থানত বাঁহৰ কাঠিৰে বোৱা মাছধৰা বাণ পাতি মাছ ধৰি মাছৰ বিভিন্ন প্ৰজাতিৰ বাবে চৰম বিপৰ্যয় নমাই অনাৰ লগতে বনৰীয়া মাছৰ প্ৰজাতিলৈ ভাবুকি নমাই আনিছে। এই ঠাইসমূহত মানুহে দিনে-নিশাই মাছ, কাছ ধৰি খোৱাৰ লগতে বহু সময়ত এই দৈয়াং নদী আৰু ইয়াৰ উপনৈসমূহ যেনে ঘিলাধাৰী নদী, মেৰানদী আদিত সহজলভ্য বিষাক্ত ৰাসায়নিক কীটনাশক দ্ৰব্য প্ৰয়োগ কৰি মাছৰ-কাছৰ সংখ্যা সীমিত কৰিছে। নদীত বিহ দিয়াৰ নামত এই ৰাসায়নিক কীটনাশক দ্ৰব্য প্ৰয়োগে কেৱল মাছ-কাছৰ বাবেই নহয় ই পৰিৱেশ প্ৰদূষণটো যথেষ্ট বিৰূপ প্ৰভাৱ পেলাই আহিছে। অতিকে পৰিতাপৰ বিষয় যে জিলাখনত মীন বিভাগ নামেৰে এটা বিয়াগোম বিভাগ থকাৰ পিছতো এই মৎস্য নিধন প্ৰক্ৰিয়া ৰোধ কৰাত ব্যৰ্থ হৈছে। এই নদীৰ মাছ ধৰা কাৰ্য বন্ধ কৰি বানসমূহ উচ্ছেদৰ জৰিয়তে থলুৱা মাছৰ সুৰক্ষা আৰু সংৰক্ষণ কৰিবলৈ প্ৰকৃতিপ্ৰেমী ৰাইজে দাবী জনাইছে।



*পদপথৰ ব্যৱসায়ীসকলে গুৱাহাটীৰ পাণবজাৰত ফুলৰ পুলি বিক্ৰী কৰিছে*

## বাক্সাৰ জগত চন্দ্ৰ দাসৰ দেহাৱসান

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ২০ জুলাই ঃ** বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত মছলাবাৰীৰ অসম সাহিত্য সভাৰ আজীৱন সভ্য তথা কনকলতা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰতিষ্ঠাপক শিক্ষক, সমাজসেৱক জগত চন্দ্ৰ দাসৰ উত্তৰ গুৱাহাটীৰ জিএনআৰ চি হাস্পতালত কালি পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৯ বছৰ। কিছুদিন ধৰি তেওঁ উচ্চ ৰক্তচাপ ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন অৱস্থাত আছিল। তেওঁ বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত জড়িত আছিল। তেওঁ মানাহ আঞ্চলিক সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতিৰ লগতে কনকলতা এমই স্কুলৰ প্ৰতিষ্ঠাপক শিক্ষক, অসম সাহিত্য সভাৰ আজীৱন সভ্য, মছলাবাৰী গাঁৱৰ প্ৰাক্তন সভাপতি আৰু গাতি অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে পুত্ৰ-বোৱাৰী আৰু চাৰিজন নাতিক ইহ সংসাৰত এৰি যায়।

# বাক্সাৰ অঞ্চলীত নায়নতৰা থিয়েটাৰৰ আখৰাগৃহৰ শুভ উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ২০ জুলাই ঃ** ২০২২-২৩ নাট্যবৰ্ষৰ বাবে সাজু হৈ উঠিছে বাক্সা জিলা তথা বিটিআৰৰ একমাত্ৰ ভ্ৰাম্যমাণ নাট্যদল নয়নতৰা থিয়েটাৰ। বাক্সা জিলাৰ অঞ্চলীস্থিত মুখ্য কাৰ্যালয়ত আজি নাট্যদলটোৰ আখৰাগৃহৰ শুভ উদ্বোধন কৰে অসমৰ জ্যেষ্ঠ কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে। আখৰা শিবিৰ মুকলি কৰি দিয়া ভাষণত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে কয় যে 'কোৰোনা মহামাৰীৰ কাৰণে কে'বাখনো থিয়েটাৰ বন্ধ হৈ পৰিছিল। কিন্তু লাহে লাহে আকৌ খুলিবলৈ আৰম্ভ কৰিছে। আজিৰে পৰা নয়নতৰা থিয়েটাৰ আৰম্ভ হৈছে আৰু ইয়াৰ গুৰিধৰোঁতা মুখ্য প্ৰযোজক নিকুঞ্জ দাসৰ লগতে নাট্যদলটোৰ সমূহ শিল্পী, কলা-কুশলীলৈ শুভেচ্ছা জনালোঁ। যোৱা দশককেইটাৰ সমান্তৰালকৈ আগন্তুক দিনত সকোলোৰে নয়নতৰা থিয়াটাৰক আদৰি ল'ব। লগতে অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰক এইবাৰো অসমৰ ৰাইজে আদৰি ল'ব। এক মাংগলিক কাৰ্যসূচীৰে আৰম্ভ কৰা অনুষ্ঠানটোত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ লগতে অতিথিৰূপে উপস্থিত থাকে বিটিআৰৰ অধ্যক্ষ কাতিৰাম বড়ো, ককলাবাৰী পৰিষদীয় সমষ্টিৰ এমচিএলএ মণ্টু বড়ো, নাট্যকাৰ ৰঞ্জিত দাসৰ লগতে বহুতো বিশিষ্ট ব্যক্তি। বিপ্লৱ শইকীয়া, অন্বেষা প্ৰিয়দৰ্শিনী, নাজিমুল ইছলাম, জয়ন্ত দাস, গীতাঞ্জলি বৰা আদিকে ধৰি বহুকেইগৰাকী অভিনেতা-অভিনেত্ৰীয়ে অভিনয় কৰিব লগা নয়নতৰা থিয়েটাৰত নাট্যকাৰ ড° সৰলা ভূএগাৰ 'কনকলতা', নাট্যকাৰ ৰঞ্জিত দাসৰ 'দেউতা তুমি ক'ত?' আৰু নাট্যকাৰ সমৰেন্দ্ৰ বৰ্মনৰ 'ৰাম নৱমী' তিনিখন নাটৰ জৰিয়তে অহা আগষ্ট মাহৰ শেষৰ ফালে ২০২২-২৩ বৰ্ষত নাট্যদলটোৱে দৰ্শকৰ মন জয় কৰিবলৈ ওলাই যাব। ইতিমধ্যে অসমৰ ভিন্ন প্ৰান্তৰ পৰা নয়নতৰা থিয়েটাৰক আমন্ত্ৰণ জনাইছে বুলি জানিবলৈ দিছে মুখ্য প্ৰযোজক নিকুঞ্জ দাসে।

## ধূলাৰ মৌছিটাত ভয়ংকৰ পথ দুৰ্ঘটনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধূলা, ২০ জুলাই ঃ** দৰঙৰ ধূলা আৰক্ষী থানাৰ অন্তৰ্গত মৌছিটাত সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। দুৰ্ঘটনাৰ ফলত ছানিদুল ইছলাম (১৫) নামৰ এগৰাকী কিশোৰ গুৰুতৰভাৱে আহত হয়। আহত কিশোৰগৰাকী দৈপাম আৰক্ষী চকীৰ অন্তৰ্গত দুলীয়াপাৰা গাঁৱৰ বুলি জানিব পৰা গৈছে। উল্লেখ্য যে সোমবাৰে আবেলি সময়ত কিশোৰগৰাকীয়ে মৌছিটা বজাৰৰ পৰা চাইকেলেৰে দুলীয়াপাৰালৈ গৈ থকা অৱস্থাত এএছ-২৭ চি-৭৮৭৭ নম্বৰৰ তীব্ৰ বেগী বালিভৰ্তি ডাম্পাৰ খনৰ এটা চকা ভৰিৰ ওপৰেদি যায়। লগে লগে ভৰি থেতেলা হৈ পৰে। গুৰুতৰভাৱে আহত কিশোৰজনক স্থানীয় ৰাইজে ততাতৈয়াকৈ মঙলদৈ অসামৰিক চিকিৎসালয় লৈ প্ৰেৰণ কৰে। সম্প্ৰতি চিকিৎসাধীন অৱস্থাত আছে কিশোৰগৰাকী। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল, গ্ৰাম্য অঞ্চলত অবৈধ বালি কঢ়িওৱা ট্ৰেক্টৰ, ডাম্পাৰৰ অতপালিৰ বাবেই মাজে-সময়ে সংঘটিত হৈ আহিছে সৰু-বৰ পথ দুৰ্ঘটনা।

## নগাঁৱত গ্ৰেপ্তাৰ তিনি চোৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২০ জুলাই ঃ** নগাঁও আৰক্ষীৰ এগৰাকী কনিষ্টবলৰ চৰকাৰী বাসগৃহৰ পৰা চুৰি হোৱা এ কে-৪৭ ৰাইফলৰ ৯০ জাঁই সক্ৰিয় গুলী আৰক্ষীৰ এটা দলে নিশা নগাঁও চহৰৰ ফৌজদাৰীপট্টীত অভিযান চলাই ফিৰোজ খান নামৰ এটা চোৰক গ্ৰেপ্তাৰ কৰাৰ লগতে উদ্ধাৰ কৰে চুৰি হোৱা ৯০ জাঁই গুলী। উল্লেখ্য যে ৯ জুলাইত নগাঁও আৰক্ষী ছাউনীৰ অন্তৰ্গত আৰক্ষীৰ চৰকাৰী আৱাসত থকা অৰুণজ্যোতি শইকীয়া নামৰ এজন কনিষ্টবলৰ পৰা চুৰি হৈছিল গুলীসমূহ। আৰক্ষীয়ে ফৌজদাৰীপট্টীৰ এটা পৰিত্যক্ত ঘৰত ফিৰোজে লুকুৱাই থোৱা অৱস্থাত আৰক্ষী কনিষ্টবল অৰুণজ্যোতি শইকীয়াৰ আৱাসৰ পৰা চুৰি হোৱা এ কে-৪৭ ৰাইফলৰ গুলীসমূহ উদ্ধাৰ কৰে। আনহাতে, আৰক্ষীয়ে ফিৰোজ খানৰ জিম্মাৰ পৰা মন্দিৰৰ পৰা চুৰি হোৱা ভগৱান শ্ৰীকৃষ্ণৰ এটি মূৰ্তিও উদ্ধাৰ কৰে। ইপিনে, কালি নিশা নগাঁৱৰ আৰক্ষী অধীক্ষক লীনা দলে নগাঁও সদৰ থানাত উপস্থিত হৈ ধৃত ফিৰোজক জেৰা চলায়। আনহাতে, চুৰি হোৱা এ কে-৪৭ ৰাইফলৰ গুলীৰ সন্ধানত আৰক্ষীয়ে চলোৱা অভিযানত চোৰ ফিৰোজৰ উপৰি ধিং সোণাৰি গাঁৱৰ শ্যাম হাজৰিকা, নগাঁও চহৰৰ চীনাপট্টীৰ হেদায়ৎ নগৰৰ হাফিজুৰ ৰহমান আৰু হুছেইন আলী নামৰ আন তিনিটা গভাইত চোৰক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে ধৃত হাফিজুৰ আৰু হুছেইন আলীয়ে কিছুদিন পূৰ্বে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ আইচিইউৰ অক্সিজেন পৰিবাহী পাইপ কাটি চুৰি কৰি নিয়ে। ইপিনে, ধৃত চোৰকেইটাৰ স্বীকাৰোক্তিৰ ভিত্তিত আৰক্ষীয়ে কালি নিশা চীনাপট্টী অঞ্চলত অভিযান চলাই বৃহৎ পৰিমাণৰ চুৰি আ-অলংকাৰ আৰু নগদ এক লাখ ৭২ হাজাৰ টকা উদ্ধাৰ কৰে। ইপিনে, আৰক্ষী নিৰেশত মূল্যৱান সামগ্ৰীৰ লগতে এ কে-৪৭ ৰাইফলৰ ৯০ জাঁই সজীৱ গুলী চুৰি কৰিবলৈ দুঃসাহস কৰা ফিৰোজ খান নামৰ চোৰটোক লৈ বহুতৰে মনত প্ৰশ্নৰ উদয় হৈছে। আৰক্ষীৰ তদন্তত হে ফিৰোজ খান এটা সাধাৰণ চোৰ নে আন কোনো উগ্ৰপন্থী সংগঠনেৰে জড়িত এই সমগ্ৰ বিষয় পোহৰলৈ আহিব।

## কামৰূপ জিলা কৃষি বিষয়াৰ কাৰ্যালয় শ্যামলী চৌহদৰ এখোজ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ২০ জুলাই ঃ** গছ থাকিলেহে মানুহ থাকিব, শুকান অঞ্চলতকৈ গছ-বিৰিখ বেছিকৈ থকা অঞ্চলত বৰষুণৰ মাত্ৰা সদায় বেছি। প্ৰকৃতিৰ ভাৰসাম্যতা ৰক্ষা হৈ থাকিলেহে মানুহে সুস্থভাৱে জীয়াই থকাটো সম্ভৱ। এই মন্তব্য গুৱাহাটী মহকুমা কৃষি বিষয়া নৱজ্যোতি জগন্নাথৰ। সেউজ আৱৰণ বৃদ্ধিৰ সামূহিক প্ৰয়াসক উদস্তগনি জনাই অসম চৰকাৰে হাতত লোৱা মুখ্যমন্ত্ৰীৰ প্ৰাতিষ্ঠানিক গছপুলি ৰোপণ প্ৰকল্পৰ অধীনত কামৰূপ জিলা কৃষি বিষয়া কাৰ্যালয়ৰ চৌহদতো গছপুলি ৰোপণৰ শুভাৰম্ভণি কৰা হৈছে। মহকুমা কৃষি বিষয়াগৰাকীয়ে জলফাই গছৰ পুলি এটি ৰোপণ কৰি তেওঁৰ ব্যক্তব্য প্ৰদান কৰে। গছপুলি ৰোপণ কাৰ্যত সহযোগ কৰি জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়াদ্বয় ক্ৰমে মুকুল বৰ্মন আৰু শংকৰ দত্তই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰচেষ্টাৰ শলাগ লয়। কাৰ্যালয় চৌহদত কালি তিনিটাকৈ ঔষধি তথা মূল্যৱান গছপুলি ৰোপণ কৰা হয়। লগতে অহা কেইদিনতো বিভিন্ন ধৰণৰ গছপুলি ৰোপণ কৰাৰ কথা বিষয়াদ্বয়ে জনায়। এই কাৰ্যসূচীত কাৰ্যালয়টোৰ সকলো বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। আজাদী কা অমৃত মহোৎসৱৰ সৈতে সংগতি ৰাখি ১৭ জুলাইৰ পৰা ১৫ আগষ্টলৈ এই প্ৰকল্পৰ অধীনত প্ৰতিটো চৰকাৰী কাৰ্যালয়, প্ৰতিষ্ঠান, শিক্ষানুষ্ঠানৰ চৌহদত বা আশে-পাশে ৭৫ জোপাকৈ গছপুলি ৰোপণৰ বাবে আহ্বান জনাইছে মুখ্যমন্ত্ৰীয়ে।



*খহনীয়া প্ৰতিৰোধৰ বাবে ব্যৱস্থা গ্ৰহণ ঢকুৱাখনাৰ জলসম্পদ বিভাগৰ*

## লাচিত বৰফুকনক লৈ লেখা আহ্বান ধেমাজি জিলা প্ৰশাসনৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ২০ জুলাই ঃ** লাচিত বৰফুকনৰ ৪০০সংখ্যক জন্মদিন উপলক্ষে ধেমাজি জিলা প্ৰশাসনে আহ্বান কৰা লেখাৰ বাবে সময় সীমা বৃদ্ধি কৰা হৈছে বুলি জানিব পৰা গৈছে। মহাবীৰ লাচিত বৰফুকনৰ জীৱন আৰু কৰ্মৰ ওপৰত আয়োজন কৰা এই লেখা প্ৰতিযোগিতাৰ বাবে পূৰ্বে ঘোষিত ৩১ জুলাইৰ সময়সীমা বৃদ্ধি কৰা বুলি জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই জনাইছে। তেওঁ জনোৱা মতে, সমাজৰ সৰ্বস্তৰৰ লোকৰ বাবে মুকলি থকা এই প্ৰতিযোগিতাত আগ্ৰহী লেখকে লাচিত বৰফুকনৰ সম্পৰ্কত ১০০ৰ পৰা ১,০০০ শব্দৰ ভিতৰত স্পষ্ট হাতৰ আখৰেৰে এ-ফ'ৰ আকাৰৰ কাগজত লিখি ধেমাজি জিলা উপায়ুক্তৰ কাৰ্যালয়লৈ অথবা ইমেইল যোগে dc.dhemaji.fb@gmail.com ঠিকনাত প্ৰেৰণ কৰিব লাগিব। ধেমাজি জিলা উপায়ুক্ত অসীম কুমাৰ ভট্টাচাৰ্যই সকলো শ্ৰেণীৰ লোকক এই লিখনি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। উপায়ুক্তই ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, চৰকাৰীৰ কৰ্মচাৰী, ব্যৱসায়ী প্ৰমুখ্যে বিভিন্ন শ্ৰেণীৰ জিলাখনৰ সকলো প্ৰান্তৰ লোকক এই প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰি জিলাখনলৈ গৌৰৱ কঢ়িওৱাৰ লগতে জাতীয় বীৰ জনাক জনাৰ-বুজাৰ আৰু জনোৱাৰ মহৎ উদ্দেশ্য সফল কৰি তুলিবলৈ আহ্বান জনাইছে। এই উদ্দেশ্যে জিলা উন্নয়ন আয়ুক্ত অৰূপ পাঠকৰ সভাপতিত্বত এখন সমিতিও গঠন কৰা হৈছে। ইয়াৰে ১০০খন নিৰ্বাচিত ৰচনা জিলা প্ৰশাসনৰ ৱেবছাইটত আৰু জিলা প্ৰশাসনৰ ফেইচবুক পেজত আপলোড কৰা হ'ব। প্ৰতিখন জিলাৰ শ্ৰেষ্ঠ বিবেচিত প্ৰথম পাঁচখন ৰচনা ৰাজ্যৰ সাধাৰণ প্ৰশাসন বিভাগলৈ প্ৰেৰণ কৰা হ'ব। ইয়াৰে নিৰ্বাচিত কিছু সংখ্যক ৰচনাৰ লিখকক লাচিত বৰফুকনৰ চাৰিশ বছৰীয়া জয়ন্তীৰ অনুষ্ঠানত বঁটা প্ৰদান কৰা হ'ব বুলি জিলা তথ্য আৰু জনসংযোগ বিষয়াই জনাইছে।

## বিগত দুমাহ ধৰি নিখোজ হৈ আছে বৰপেটা জনিয়াৰ এগৰাকী বিবাহিত যুৱক

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ২০ জুলাই ঃ** আজি পৰ্যন্ত সন্ধান ওলোৱা নাই প্ৰাণজিৎ ৰাজবংশী নামৰ ৩২ বছৰীয়া যুৱকজনৰ। বহু খা-খবৰ কৰিও নিৰুদ্দিষ্ট যুৱকজনৰ শুং-সূত্ৰ উলিয়াব পৰা নাই পৰিয়ালৰ লোকে। জানিব পৰা মতে ১৫ মে'ৰ পৰা সন্ধানহীন হৈ পৰে যুৱকজন। উল্লেখ্য যে দিন হাজিৰা কৰি পৰিয়াল পোহপাল দিয়া প্ৰাণজিৎ ৰাজবংশীয়ে অইন দিনাৰ দৰে সিদিনাও কামৰ সন্ধানত ঘৰৰ পৰা ওলাই আহিছিল। কিন্তু ঘৰৰ পৰা ওলাই অহা যুৱকজন পুনৰ ঘৰলৈ উভতি নগ'ল। সিদিনাৰ পৰা অজ্ঞাত কাৰণত নিখোজ হৈ পৰে যুৱকজন। বিগত দুমাহে শিৰত সেন্দূৰ আৰু কাষত দুই কণমানিক লৈ স্বামীলৈ বাট চাইছে পত্নী সুমিত্ৰা দাসে। ঘটনা সন্দৰ্ভত আৰক্ষীক অৱগত কৰা হৈছে যদিও আৰক্ষীয়েও প্ৰাণজিতৰ সন্ধান উলিওৱাত ব্যৰ্থ হৈছে। অৱশেষত স্বামীৰ সন্ধান পোৱাৰ আশাৰে সহায় বিচাৰি সংবাদ মাধ্যমৰ কাষ চাপে পত্নীয়ে। স্বামীক বিচাৰি উলিয়াবলৈ সংবাদ মাধ্যমৰ জৰিয়তে ৰাইজক কাতৰ আহ্বান জনায় পত্নী সুমিত্ৰা দাসে।

### মাগুৰ গাঁও পঞ্চায়ত কাৰ্যালয়ত জনতাৰ বিদ্ৰোহ

## পঞ্চায়ত সভাপতি, জিআৰএছক তুলাধুনা ৰাইজৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ২০ জুলাই ঃ** নগাঁও জিলাৰ ৰহা সমষ্টিৰ মাগুৰগাঁও পঞ্চায়তত কালি বানাক্ৰান্ত জনতাই কঁপালে পঞ্চায়ত কাৰ্যালয়। বানাক্ৰান্ত জনতাই পঞ্চায়ত সভাপতি মাইনুল হক মুৰ্দাবাদ, জিআৰএছ ভাস্কৰ ডেকা মুৰ্দাবাদ, আঁচনিৰ ধন পাবলৈ কিয় টকা লাগে আদি শ্ল'গানেৰে পঞ্চায়তৰ চৌহদ কঁপাই তোলে। দিনৰ প্ৰায় তিনি বজাত অঞ্চলটোৰ তিনি শতাধিক পুৰুষ মহিলাই কাৰ্যালয়টোত উপস্থিত হৈ বানত ঘৰ আদি বিধ্বস্ত হোৱাৰ পিছতো কিয় চৰকাৰে ঘোষণা কৰা ৩,৮০০ টকা নেপালোঁ বুলি প্ৰশ্ন উত্থাপন কৰে। বিশেষ বান সাহায্যৰ পৰা বঞ্চিত শ শ লোকে মাগুৰগাঁও পঞ্চায়ত কাৰ্যালয়ত উপস্থিত হৈ টকা নিদিলে এই পঞ্চায়তত কোনো কামেই নহয় বুলি আক্ষেপ প্ৰকাশ কৰে। আনকি ভোটাৰ তালিকাত নামভৰ্তি কৰিবলৈ প্ৰভাত দাস নামৰ এজন ব্যক্তিক টকা দিব লাগে বুলি একাংশ মহিলাই অভিযোগ উত্থাপন কৰে। উল্লেখ্য যে বিগত দুটাকৈ বানে ৰহাৰ মাগুৰগাঁও পঞ্চায়তৰো প্ৰায় প্ৰতিঘৰ লোকক বিস্তৰ ক্ষতি কৰিছিল। নষ্ট কৰিছিল ঘৰ-দুৱাৰ। এনে বান দুৰ্গতসকলক মুখ্যমন্ত্ৰীয়ে বিশেষ আঁচনিৰ জৰিয়তে ৩,৮০০ টকাকৈ দিয়াৰ কথা ঘোষণা কৰিছিল আৰু সেইমতে বিভিন্ন অঞ্চলৰ বানাক্ৰান্তসকলে লাভ কৰিছে এই বিশেষ সাহায্য। কিন্তু মাগুৰগাঁও পঞ্চায়তত ইয়াৰ ব্যাপক অনিয়ম হোৱাৰ অভিযোগ উঠিছে। পঞ্চায়তখনৰ শ শ পৰিয়াল এই সাহায্যৰ পৰা বঞ্চিত হৈছে। ইয়াৰ বিপৰীতে একাংশ ধনী তথা নেতাস্থানীয় লোকে এই সাহায্য পাবলৈ সক্ষম হৈছে। বঞ্চিত লোকসকলে ৰহা ৰাজহ চক্ৰ বিষয়া, ৰহা খণ্ড উন্নয়ন বিষয়া আদিৰ ওচৰলৈ গৈ কোনো সদুত্তৰ নোপোৱাত সোমবাৰে মাগুৰগাঁও পঞ্চায়ত কাৰ্যালয়ত এনেদৰে উত্তেজনাৰ সৃষ্টি কৰে। মাগুৰগাঁও পঞ্চায়তৰ সভাপতি তথা পঞ্চায়ত কৰ্মচাৰীৰ গাফিলতিৰ বাবেই বান দুৰ্গত শ শ লোক চৰকাৰী সাহায্যৰ পৰা বঞ্চিত হ'বলগীয়া হোৱাৰ অভিযোগ তুলি বঞ্চিত লোকসকলে ইয়াৰ এক উচিত তদন্ত দাবী কৰিছে। অন্যথা পঞ্চায়ত কাৰ্যালয়ত তলা লগাই তীব্ৰ প্ৰতিবাদ কৰাৰ ভাবুকি দিছে।

## অংকিত ডায়েগ্নষ্টিক চেণ্টাৰত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২০ জুলাই ঃ** টীয়কীয়া ৰাইজৰ সুবিধাৰ্থে টীয়কৰ অংকিত ডায়গ্নষ্টিক চেণ্টাৰত ২২ জুলাইত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন কৰা বুলি জানিব পৰা গৈছে। পুৱা ১১ বজাৰ পৰা অনুষ্ঠিত হ'ব লগা এই স্বাস্থ্য পৰীক্ষা শিবিৰত অভিজ্ঞ চিকিৎসক হিতেশ্বৰ শইকীয়াই চিকিৎসা প্ৰদান কৰাৰ লগতে বিনামূলীয়া পৰীক্ষা কৰা হ'ব বুলি জানিবলৈ দিয়ে।

## চতিয়াত জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত ২

**দৈনন্দিন বাৰ্তাৰ সেৱা, চতিয়া, ২০ জুলাই ঃ** বিশ্বনাথ জিলাৰ চতিয়া থানাৰ অন্তৰ্গত পুৰণা চেণ্টাৰত ১৩ জুলাইত প্ৰমোদ ভট্টাচাৰ্য নামৰ এজন ব্যক্তি জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱাৰ পিছত পুনৰ ইটাখোলাত দুজন ব্যক্তি জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হোৱাৰ খবৰ লাভ কৰা হৈছে। প্ৰাপ্ত খবৰ অনুসৰি চতিয়া ১নং ইটাখোলা গাঁৱৰ বাসিন্দা সত্য নাৰায়ণ গুপ্তা (৭২) যোৱা কেইবাদিনো ধৰি অত্যন্ত জ্বৰত ভুগি আছিল। পৰিয়ালৰ লোকে ১৭ জুলাইত তেজ পৰীক্ষা কৰাত জাপানীজ এনকেফেলাইটিছ ধৰা পৰে। লগে লগে পৰিয়ালৰ লোকে তেজপুৰস্থিত এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাৰ বাবে ভৰ্তি কৰায়। বৰ্তমান আক্ৰান্ত ব্যক্তিগৰাকী চিকিৎসাধীন হৈ আছে। স্বাস্থ্য বিভাগৰ এটা সূত্ৰই জনোৱা মতে ২নং ইটাখোলাৰ জাকিৰ আলী নামৰ এজন ব্যক্তিৰ চিৰাম টেষ্টত এনকেফেলাইটিছ ধৰা পৰিছে।

# নতুন বলাইত আলোকসন্ধানীৰ যোগ প্ৰশিক্ষণ সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২০ জুলাই ঃ** ডিব্ৰুগড় জিলাৰ বৃহত্তৰ বলাই অঞ্চলৰ বৌদ্ধিক স্বেচ্ছাসেৱী সংগঠন আলোকসন্ধানী অধ্যয়ন চক্ৰৰ উদ্যোগত বলাই জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ত যোৱা এক জুলাইৰ পৰা আৰম্ভ হোৱা গ্ৰীষ্মকালীন বিদ্যায়তনিক কৰ্মশালা, ২০২২ৰ অংগস্বৰূপে যোৱা ১৬ আৰু ১৮ জুলাইত দুদিনীয়া যোগ প্ৰশিক্ষণ কাৰ্যসূচী সম্পন্ন কৰা হয়। এশ চল্লিশগৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা এই কাৰ্যসূচীত 'যোগাসনৰ আদিপাঠ' শীৰ্ষক গ্ৰন্থৰ ৰচয়িতা, খোৱাঙৰ কঁঠালগুৰি মজলীয়া বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী চূড়ামণি সোণোৱালে সমল ব্যক্তিৰূপে সেৱা আগবঢ়ায়। পঞ্চম শ্ৰেণীৰ পৰা দশম শ্ৰেণী পৰ্যন্ত অধ্যয়নৰত প্ৰশিক্ষাৰ্থীসকলৰ লগতে আলোকসন্ধানীৰ বিদ্যায়তনিক কৰ্মশালা-২০২২ৰ কে'বাগৰাকীও সমল ব্যক্তিয়েও যোগ প্ৰশিক্ষণ অংশগ্ৰহণ কৰে। প্ৰশিক্ষাৰ্থীসকলক তিনিটা ভাগত বিভক্ত কৰি প্ৰশিক্ষণ আগবঢ়োৱা এই কাৰ্যসূচীত ধ্যান, প্ৰাণায়ামৰো প্ৰাৰম্ভিক জ্ঞান দিয়াৰ লগতে অনুশীলন কৰোৱা হয়। দুদিনীয়া কাৰ্যসূচীৰ অন্তত ১৮ জুলাইৰ বিয়লি অনুষ্ঠিত সামৰণী অনুষ্ঠানৰ আঁত ধৰি আলোকসন্ধানীৰ সভাপতি গকুল চন্দ্ৰ খাউন্দে যোগ প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা তথা এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ লগতে সমাজৰ সকলো লোকৰ সহযোগিতা কামনা কৰে। আলোকসন্ধানীৰ সম্পাদক গৌৰৱ শইকীয়াৰ লগতে ৰাহুল সোণোৱাল, ভূষণ সোণোৱাল, অমনদীপ গগৈ, দিশান্ত হাজৰিকা, যুগান্ত সোণোৱাল আৰু লীলাকান্ত হাজৰিকাই প্ৰশিক্ষণ সুকলমে সম্পন্ন হোৱাত সহযোগিতা আগবঢ়ায়। সামৰণী অনুষ্ঠানত আমন্ত্ৰিত সমল ব্যক্তি চূড়ামণি সোণোৱালক অংগবস্ত্ৰ আৰু গ্ৰন্থৰ টোপোলা যাচি সম্ভাষণ জ্ঞাপন কৰা হয়। প্ৰশিক্ষাৰ্থীবৃন্দৰ হৈ চয়নিকা সোণোৱাল আৰু দীপশিখা সোণোৱালে বক্তব্য প্ৰসংগত যোগ প্ৰশিক্ষণৰ গুৰুত্ব উপলব্ধি কৰাৰ উপৰিও পৰবৰ্তী সময়ত এনে প্ৰশিক্ষণ দীৰ্ঘম্যাদী হোৱাৰ আশা প্ৰকাশ কৰে। সমল ব্যক্তি চূড়ামণি সোণোৱালে প্ৰশিক্ষাৰ্থীসকলক উদ্দেশ্যি বক্তব্য আগবঢ়ায়। আলোকসন্ধানীৰ সভাপতি গকুল চন্দ্ৰ খাউন্দে যোগ প্ৰশিক্ষণ কাৰ্যসূচীৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়োৱা ব্যক্তি তথা অনুষ্ঠান-সংগঠনৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে কাৰ্যসূচীৰ সমাপ্তি ঘোষণা কৰে।

### বিধানসভাৰ অধ্যক্ষৰ সমষ্টিৰ হাঁহিনী গাঁও-পানীপোটা সংযোগী পথত ৰাইজৰ দুৰ্ভোগ

# এমাহ ধৰি নিৰ্মাণ হোৱা নাই বাঁহৰ দলং

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ২০ জুলাই ঃ** ওদালগুৰি জিলাৰ ৰতনপুৰ ভিচিডিচিৰ অন্তৰ্গত হাঁহিনীগাঁও বতাবাৰীত এইবাৰৰ প্ৰথমটো বানপানীতে কুলশী নদীৰ খৰস্ৰোতা বাঢ়নী পানীয়ে বক্স কালভাৰ্টৰ পশ্চিম দিশে পকী পথটোৰ এটা অংশ খহাই নিয়াৰ ফলত উক্ত বক্স কালভাৰ্টটো সম্পূৰ্ণ পথৰ পৰা মাটিত পোত খাই যোৱাত টংলা হাঁহিনী গাঁও-পানীপোটা সংযোগী পকী পথটোত ৰাইজৰ যাতায়ত স্তব্ধ হৈ পৰে। ফলত টংলা, হাঁহিনী গাঁও, বতাবাৰী, পানীপোতা, খাটুৱালপাৰা, আলিকাষ, ৰতনপুৰ আদি কে'বাখনো ৰাজহ গাঁৱৰ সহস্ৰাধিক ৰাইজে যাতায়াতৰ ক্ষেত্ৰত চৰম দুৰ্ভোগ ভুগিব লগা হৈছে। বিশেষকৈ স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ লগতে কৃষি কাৰ্যত ব্যৱহৃত ট্ৰেক্টৰৰ লগতে গৰু-ছাগলী অনা-নিয়া কৰাৰ ক্ষেত্ৰত চৰম দুৰ্ভোগ ভুগিব লগা হৈছে। উল্লেখ্য যে নিৰ্মাণৰ এবছৰ নোহোৱা বক্স কালভাৰ্টটো আৰু পকী পথটো বানপানীত এনেদৰে ভাগি-ছিগি যাব বুলি ৰাইজে ভবাই নাছিল। বিগত এমাহ দিন ধৰি ৰাইজে উপায়ান্তৰ হৈ ওচৰৰ ধাননি পথাৰেৰে বোকা-পানী গছকি যাতায়াত কৰিবলৈ বাধ্য হৈছে। ইফালে বিগত এমাহ ধৰি ঠিকাদাৰে কোনো ছাব ৰে' নিৰ্মাণ নকৰাকৈয়ে উক্ত বক্স কালভাৰ্টসহ ভাগি-ছিগি যোৱা পথটোত বাঁহৰ দলং নিৰ্মাণ কৰিবলৈ লোৱাত ক্ষোভিত হৈছে স্থানীয় ৰাইজ। তদুপৰি অতি লেহেমীয়া গতিৰে বাঁহৰ দলং নিৰ্মাণ কৰিবলৈ লোৱাৰ লগতে বাঁহৰ দলঙৰ বাবে যি কাঠৰ খুঁটা পুতিছে, সেই লৈও এতিয়া ৰাইজৰ চকু কপালত উঠিছে। অদক্ষতাসম্পন্ন ব্যক্তিৰ দ্বাৰা অতি নিম্ন মানৰ বাঁহৰ দলং নিৰ্মাণকাৰ্য দেখি স্থানীয় ৰাইজ ক্ষোভিত হৈছে। ৰাইজে অতি সোনকালে উন্নত মানৰ দলং নিৰ্মাণৰ পূৰ্বে যাতায়াতৰ বাবে সাধাৰণভাৱে হ'লেও ছাব ৰে' এটা নিৰ্মাণ কৰিবলৈ দাবী জনাইছে। লগতে নিৰ্মাণ কৰিবলগীয়া উক্ত বাঁহৰ দলংখনো বিভাগীয়ভাৱে উন্নত মানৰ বাঁহৰ দলং নিৰ্মাণ কৰিবলৈ দাবী জনায়। স্থানীয় ৰাইজে যথাসম্ভৱ পুনৰ পকী বক্স কালভাৰ্ট নিৰ্মাণ কৰাৰ লগতে কালভাৰ্টৰ দুই মূৰ পুনৰ পকী কৰি উন্নত মানৰ যাতায়াতৰ ব্যৱস্থা কৰিবলৈ অসম বিধান সভাৰ অধ্যক্ষ তথা পানেৰী বিধানসভা সমষ্টিৰ বিধায়ক বিশ্বজিৎ দৈমাৰী আৰু জিলা প্ৰশাসনৰ ওচৰত আবেদন জনাইছে।



*আইচিচি আৰু নেটফিৰ মাজত উত্তৰ-পূৰৱ সামগ্ৰিক বিকাশৰ বাবে স্বাক্ষৰিত হৈছে বুজাবুজিৰ চুক্তি*

# বেকিং উদ্যোগৰে মহিলা সবলীকৰণৰ বৃহৎ পদক্ষেপ

## মিতালী গগৈ দত্তৰ বেটাৰলাইভছ শীৰ্ষক ডিজিটেল প্লেটফৰ্ম মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২০ জুলাই ঃ** শেহতীয়াভাৱে পুৰুষৰ সমানেই মহিলাসকলো স্বাৱলম্বী হোৱাৰ এক বিপ্লৱ সূচনা হোৱাৰ সময়ত কি কৰোঁ, কি নকৰোঁ বুলি পৰিকল্পনা কৰি থকা উদ্যমী মনৰ মহিলাসকলৰ বাবে বেকিং উদ্যোগো এক লাভজনক আৰু সকলোৰে বাবে গ্ৰহণযোগ্য পেছা তথা অৰ্থ আহৰণৰ মাধ্যম হৈ পৰিছে। এই ক্ষেত্ৰত ৰাজ্যখনৰ এগৰাকী বৈপ্লৱিক উদ্যমী তথা বেকিং উদ্যোগৰ প্ৰশিক্ষক মিতালী গগৈ দত্ত এক আদৰ্শনীয় চানেকি হিচাপে পৰিগণিত হৈছে। মিতালীয়ে শেহতীয়াভাৱে বেকিং উদ্যোগক পেছা হিচাপে গ্ৰহণ কৰিব বিচৰা দূৰণিবটীয়া মহিলাসকলৰ বাবে উদ্যোগটোৰ প্ৰায়োগিক শিক্ষা প্ৰদানৰ বাবে বেটাৰলাইভছ (Batterlives) শীৰ্ষক এক ডিজিটেল প্লেটফৰ্ম মুকলি কৰিছে। অলপতে আনুষ্ঠানিকভাৱে অনলাইনযোগে বেটাৰলাইভছৰ এই ডিজিটেল প্লেটফৰ্ম বহুসংখ্যক উদ্যমী মহিলাৰ উপস্থিতিত আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। পূৰ্বতে ফুড সূত্ৰ হিচাপে পৰিচিত নৱ উন্মোচিত বেটাৰলাইভছৰ প্ৰতিষ্ঠাপক মিতালী গগৈ দত্তই প্ৰসংগত কয় যে ই হ'ল এক ডিজিটেল লাৰ্নিং প্লেটফৰ্ম আৰু ইয়াৰ জৰিয়তে অসমৰ বাহিৰেও বিশ্বৰ যিকোনো প্ৰান্তৰ বেকিং উদ্যোগ অথবা এই বিষয়ত জ্ঞান আহৰণৰ ইচ্ছুক যিকোনো পুৰুষ-মহিলাই আকাংক্ষিত পৰিপূৰক আৰু শেহতীয়া উদ্যোগ কৌশলসম্বলিত ব্যৱসায়িক জ্ঞান আৰু কৌশল আহৰণ কৰাৰ লগতে সাংসাৰিক মহিলাই নিজৰ সংসাৰ তথা ঘৰখনৰ লগতে সময় মিলাই যাৱতীয় শিক্ষা আহৰণৰ লগতে পেছা তথা ব্যৱসায় হিচাপে গ্ৰহণ কৰাৰ সকলো দিশ আয়ত্ত কৰিব পাৰিব। তেওঁ লগতে ২০১৫ চনতে জন্ম লাভ কৰা তেওঁৰ পূৰ্বৰ ফুড সূত্ৰ শীৰ্ষক প্ৰতিষ্ঠানৰ জৰিয়তে এতিয়ালৈ ১০,০০০ৰো অধিক লোকে এই বিষয়ত প্ৰশিক্ষণ লাভ কৰিছে বুলি জানিবলৈ দিয়ে। ইয়াৰ জৰিয়তে যিকোনো স্তৰৰ লোকক বহু সম্ভাৱনাময় এই কেৰিয়াৰ তথা পেছাবিধৰ ওপৰত শিক্ষা বা প্ৰশিক্ষণ প্ৰদানৰ বাবে আগ্ৰহী আৰু ইয়াৰ জৰিয়তে মহিলা সবলীকৰণৰ এক বৃহৎ বিপ্লৱ সৃষ্টি কৰাৰ বাবে আগ্ৰহী বুলি মন্তব্য প্ৰদান কৰে। উল্লেখ্য যে মিতালীয়ে শেহতীয়াভাৱে স্কুল অৱ এক্সেলেঞ্চৰ আন্টানু আৰু হৰিণিৰ দৰে বিখ্যাত প্ৰশিক্ষকৰ পৰা এক্সেলেঞ্চ ইনষ্টলেচন টেকনলজীৰ লাইফ কোচিং প্ৰশিক্ষণ আহৰণ কৰিছে। গুৱাহাটীস্থিত বেকিং উদ্যোগৰ এক বহু পৰিচিত উদ্যোগী মিতালীয়ে আজি বহু বছৰ ধৰি এই উদ্যোগত জড়িত থাকি সততে কেৱল ঘৰ ধৰি ৰখা মহিলাৰ ধাৰণাৰ উল্লেখযোগ্য প্ৰত্যাহ্বান হিচাপে পৰিগণিত হোৱাৰ লগতে মহিলাসকলৰ জীৱন আৰু জীৱিকালৈ আশাৰ সঞ্চাৰ সৃষ্টি কৰিছে। মিতালীৰ এই প্ৰশিক্ষণ কাৰ্যসূচীত বিষয় বিশেষে উপযুক্ত প্ৰশিক্ষণ প্ৰদান কৰা হয় আৰু কেক স্পঞ্চ, ফণ্ডেন্ট কেক, ফণ্ডেট টপাৰছ, টপাৰ এস্কপ্ৰেছন আৰু বাটাৰ ক্ৰীমৰ বিভিন্ন বেকিং তথা ব্যঞ্জন কৌশল প্ৰদান কৰা হয়।

# কমনৱেল্‌থ গেমছৰ ভাৰতীয় দলৰ লগত প্ৰধানমন্ত্ৰী মোদীৰ বাৰ্তালাপ




**নতুন দিল্লী, ২০ জুলাই ঃ** আসন্ন কমনৱেল্‌থ গেমছত অংশ ল'ব লগা ভাৰতীয় দলৰ সদস্যৰ লগত আজি ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে বাৰ্তালাপ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শুভেচ্ছা জ্ঞাপন কৰে। উল্লেখ্য যে বাৰ্মিংহামত দেশক প্ৰতিনিধিত্ব কৰিবলগীয়া ভাৰতীয় দলটোৰ সৈতে প্ৰধানমন্ত্ৰী মোদীয়ে মত বিনিময় কৰি কয় 'কিউ পাৰে হো চক্কৰ মে, কই নেহি হে টক্কৰ মে।' এই মন্ত্ৰৰে বিৰোধীৰ সন্মুখীন হ'বলৈ আহ্বান জনায় প্ৰধানমন্ত্ৰীয়ে। খেলুৱৈসকলৰ সৈতে হোৱা বৈঠকত প্ৰধানমন্ত্ৰী মোদীয়ে মেগা ক্ৰীড়া প্ৰতিযোগিতাখনৰ বাবে খেলুৱৈসকলৰ সাফল্য কামনা কৰাৰ লগতে ভাৰতীয় ক্ৰীড়াৰ ইতিহাসত এই সময় কেনেকৈ গৌৰৱময় কৰিব পাৰি তাৰ কামনা কৰে। উল্লেখ্য যে আসন্ন কমনৱেল্‌থ গেমছত ১৯ বিধ ক্ৰীড়াৰ ১৪১টা ইভেণ্টত ভাৰতক প্ৰতিনিধিত্ব কৰিব ২১৫ জন খেলুৱৈৰ এটা দলে। 'আপোনালোকে কি কৰিব লাগিব আৰু কেনেকৈ খেলিব লাগে তাৰ বিশেষজ্ঞ। মই মাথোঁ ক'ম, সম্পূৰ্ণ হৃদয়েৰে খেলক, সম্পূৰ্ণ শক্তিৰে খেলক আৰু কোনো ধৰণৰ চাপ নোহোৱাকৈ খেলক।' মোদীয়ে কয়। উল্লেখ্য যে অহা ২৮ জুলাইৰ পৰা আঠ আগষ্টলৈ বাৰ্মিংহামত অনুষ্ঠিত হ'ব কমনৱেল্‌থ গেমছ।

আন্তঃজিলা উশ্বু প্ৰতিযোগিতাত শিৱসাগৰ জিলালৈ আঠটা পদক, জিলা সমিতিৰ শুভেচ্ছা

# কেৰালাৰ ৰাষ্ট্ৰীয় জুনিয়ৰ উশ্বু প্ৰতিযোগিতালৈ শিৱসাগৰৰ বাস্তৱ বড়া, সুৰজ বড়া

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২০ জুলাই ঃ** গুৱাহাটীত অনুষ্ঠিত ১৯ তম্ আন্তঃজিলা জুনিয়ৰ ল'ৰা আৰু ছোৱালী শাখাৰ উশ্বু প্ৰতিযোগিতাত শিৱসাগৰ জিলা দলে আঠটা পদক জয় কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক খেলখনত শিৱসাগৰ জিলা দলে দুটা সোণ, তিনিটা ৰূপ আৰু তিনিটা ব্ৰঞ্জৰ পদকৰ সৈতে মুঠ আঠটা পদক জয় কৰিবলৈ সক্ষম হৈছে। প্ৰতিযোগিতাখনত ৭০ কেজি শাখাত বাস্তৱ বড়াৰ সোণৰ পদক, ৬০ কেজি শাখাৰ সুৰজ বড়াৰ সোণৰ পদক, ৭৫ কেজি শাখাৰ অংশুমান বড়া ৰূপৰ পদক, ৬৫ কেজি শাখাৰ মুন্না মিলিৰ ৰূপৰ পদক, ৫২ কেজি শাখাৰ প্ৰস্তুতি ফুকনৰ ৰূপৰ পদক, ৫৬ কেজি শাখাৰ দীপজ্যোতি গগৈ ব্ৰঞ্জৰ পদক, ৪৫ কেজি শাখাৰ উদয় ভাস্কৰ গগৈ ব্ৰঞ্জৰ পদক আৰু ৫৬ কেজি শাখাৰ আলিচা বড়াই ব্ৰঞ্জৰ পদক লাভ কৰে। আনহাতে, এই প্ৰতিযোগিতাত সোণৰ পদক জয় কৰা বাস্তৱ বড়া আৰু সুৰজ বড়াই আগন্তুক ১ পৰা ৬ ছেপ্টেম্বৰলৈ কেৰালাত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় উশ্বু প্ৰতিযোগিতাত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সুযোগ লাভ কৰিছে। পদক বিজয়ী প্ৰতিজন খেলুৱৈকে শিৱসাগৰ জিলা উশ্বু সন্থাৰ সম্পাদক প্লাৱন বড়াই আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জনাইছে।



## যোৰহাটত অলিম্পিক শিখা

**গুৱাহাটী, ২০ জুলাই ঃ** অসমৰ নতুন প্ৰতিভাৰ সন্ধানৰ উদ্দেশ্যেৰে অসম অলিম্পিক সন্থাই অসম চৰকাৰৰ সহযোগত গুৱাহাটীত প্ৰথম যুৱ অলিম্পিক অনুষ্ঠিত কৰিব। উক্ত প্ৰতিযোগিতাৰ লগত সংগতি ৰাখি অসম অলিম্পিক সন্থাৰ অলিম্পিক শিখা তিনিচুকীয়াৰ পৰা আৰম্ভ কৰি যোৰহাটত উপস্থিত হয়। যোৰহাট জিলা ক্ৰীড়া সন্থাৰ তৰফৰ পৰা এই শিখা আদৰণি জনোৱা হয়। যোৰহাট জিলা ক্ৰীড়া সন্থাৰ সভাপতি শান্তনু পূজাৰী আৰু সম্পাদক জুল খাউণ্ডৰ নেতৃত্বত জিলাখনৰ ক্ৰীড়াবিদৰ অংশগ্ৰহণেৰে এই শিখা আদৰণি জনাই এক শোভাযাত্ৰা উলিওৱা হয়।

# তেজপুৰত যুথ অলিম্পিক শিখাক বিপুল আদৰণি

**গুৱাহাটী, ২০ জুলাই ঃ** অসম অলিম্পিক সন্থাই ৰাজ্য চৰকাৰৰ সহযোগত গ্ৰামাঞ্চলৰ ক্ৰীড়া প্ৰতিভা ৰাষ্ট্ৰীয় পৰ্যায়লৈ উলিয়াই অনাৰ বাবে গুৱাহাটীত অনুষ্ঠিত কৰিছে অসম যুথ অলিম্পিক। ইতিমধ্যে ৰাজ্যজুৰি এক ক্ৰীড়াৰ পৰিৱেশ সৃষ্টিৰ লক্ষ্যৰে অসমৰ পাঁচখন জিলা সদৰৰ লগতে ধেমাজিৰ পৰা অসম যুথ অলিম্পিক শিখা লৈ যাত্ৰা কৰা অসম অলিম্পিকৰ যুটীয়া সম্পাদক হীৰেন গগৈৰ লগতে ৰেলীত অহাসকলক আজি বিশ্বনাথ জিলাৰপৰা শোণিতপুৰ জিলাত প্ৰৱেশ কৰাৰ লগে লগে জামুগুৰিহাটৰ দিকৰাই দলঙৰ সমীপত তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ সভাপতি জিতেন বৰঠাকুৰ সমন্বিতে সংগঠক-খেলুৱৈয়ে উষ্ম আদৰণি জনায়। পিছত তেজপুৰ ত্ৰিৱেনী পইন্টৰ পৰা দ্বি-শতাধিক ক্ৰীড়াবিদ, জিলা ক্ৰীড়া বিষয়া, আৰক্ষী, তেজপুৰৰ ক্ৰীড়াপ্ৰেমী ৰাইজৰ লগতে ক্ৰীড়া সন্থাৰ সভাপতি সমন্বিতে সদস্যসকলে শোভাযাত্ৰা কৰি তেজপুৰ পল' গ্ৰাউণ্ডলৈ আদৰি আনে। ইয়াত তেজপুৰ সমষ্টিৰ বিধায়ক পৃথ্বীৰাজ ৰাভাই যুথ অলিম্পিক শিখা গ্ৰহণ কৰে। আনহাতে, অসম অলিম্পিক সন্থাৰ উপ-সভাপতি ঋতুবৰণ শৰ্মাৰ উপস্থিতিত অনুষ্ঠিত আদৰণী সভাত তেজপুৰৰ বিধায়ক পৃথ্বীৰাজ ৰাভা, উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰ, তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ সভাপতি জিতেন বৰঠাকুৰ প্ৰমুখ্যে কে'বাগৰাকী প্ৰবীণ ক্ৰীড়াবিদে অংশগ্ৰহণ কৰে।

# প্ৰথম টেষ্টত শ্ৰীলংকাৰ বিৰুদ্ধে পাকিস্তানৰ জয়লাভ




**গল, ২০ জুলাই ঃ** পাকিস্তানে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা চলিত টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টত চাৰি উইকেটত জয়লাভ কৰিছে। উল্লেখ্য যে ঘৰুৱা দলটোৱে দিয়া ৩৪২ ৰানৰ বিজয়লক্ষ্য দৃঢ়তাৰে অনুসৰণ কৰি আজি অন্তিম দিনা পাকিস্তানে ছয় উইকেট হেৰুৱাই ৩৪৪ ৰান কৰি জয় অৰ্জন কৰে। কালি চতুৰ্থ দিনাৰ খেলৰ অন্তত পাকিস্তানে দ্বিতীয় ইনিংছত তিনিটা উইকেট হেৰুৱাই ২২২ ৰাণ কৰি সুন্দৰ স্থিতিত উপনীত হৈছিল। হাতত সাতটা উইকেট থকা অৱস্থাত বিজয়ৰ বাবে পাকিস্তানক প্ৰয়োজন হৈছিল ১২০ ৰানৰ। দলৰ অ'পেনাৰ আব্দুলা ছফিকে শতকীয় ইনিংছ খেলি বেটিং কৰি থকাৰ পাছত আজি ১৬০ ৰানত অপৰাজিত থাকি দলক বিজয়লক্ষ্যত উপনীত কৰোৱায়। বাবৰ আজমে কৰে ৫৫ ৰান। উল্লেখ্য যে টেষ্টখনত শ্ৰীলংকাই প্ৰথম ইনিংছত ২২২ ৰাণ কৰাৰ প্ৰত্যুত্তৰত, পাকিস্তানে বাবৰ আজমৰ (১১৯) শতকৰ সহায়ত ২১৮ ৰানত প্ৰথম ইনিংছ সামৰিছিল। আনহাতে, শ্ৰীলংকাই ৩৩৭ ৰানত দ্বিতীয় ইনিংছ সামৰি মুঠ ৩৪১ ৰানত অগ্ৰগতি লয়। প্ৰথম ইনিংছত শ্ৰীলংকাৰ হৈ ৭৬ ৰাণ কৰা চন্দিমলে দ্বিতীয় ইনিংছত অনবদ্য ৯৪ ৰাণ কৰি অপৰাজিত থাকে। আনহাতে, দলৰ হৈ কুশল মেণ্ডিছে ৭৬ আৰু ফাৰ্ণাণ্ডোৱে ৬৪ ৰাণ কৰে। পকিস্তানৰ হৈ মহম্মদ নাৱাজে পাঁচটা উইকেট দখল কৰে। মেচৰ শ্ৰেষ্ঠ হয় ছফিক।

## বিশ্বনাথৰ ৰাজপথত যুৱ অলিম্পিকৰ শিখা লৈ জিলা উপায়ুক্তৰ পদযাত্ৰা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২০ জুলাই ঃ** যুৱ অলিম্পিকৰ শিখা লৈ আজি বিশ্বনাথ নগৰত এক বৃহৎ সমদল উলিয়াই বিশ্বনাথ জিলা ক্ৰীড়া সন্থাই। উল্লেখ্য যে আজি বিশ্বনাথ নগৰত উপস্থিত হয় যুৱ অলিম্পিকৰ শিখা। বিশ্বনাথ জিলা ক্ৰীড়া সন্থাই বিশ্বনাথ চাৰিআলিৰ হোটেল কাজিৰঙাৰ সমীপৰ পৰা ক্লক টাৱাৰলৈকে অলিম্পিকৰ শিখা লৈ এক সমদল কৰে। এই সমদলত অংশগ্ৰহণ কৰে বিশ্বনাথ জিলা ক্ৰীড়া সন্থাৰ বিভিন্ন বিষয়ববীয়াৰ লগতে বিশ্বনাথ জিলাৰ উপায়ুক্ত মুনিন্দ্ৰ নাথ ঙাটে, অতিৰিক্ত উপায়ুক্ত বিশ্বজিৎ শইকীয়া, উপ-আৰক্ষী অধীক্ষক জয়ন্ত বৰুৱাৰ লগতে জিলাৰ আৰক্ষী প্ৰশাসনৰ বিভিন্ন উচ্চ পদস্থ বিষয়াসকল।

## এ ডিভিজনৰ ফুটবলত ভিক্টোৰিয়াছ ক্লাব জয়ী

**গুৱাহাটী, ২০ জুলাই ঃ** যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত হৈ থকা এ ডিভিজন ফুটবল লীগৰ আজি এ গ্ৰুপৰ এখন গুৰুত্বপূৰ্ণ খেলত ভিক্টোৰিয়াছ ক্লাবে ৰমাকান্ত ফুটবল ক্লাবক ২-১ গ'লত পৰাভূত কৰি সম্পূৰ্ণ পইন্ট লাভ কৰে। খেলখন প্ৰথমাৰ্ধত গ'লশূন্য হিচাপে সমাপ্তি ঘটে যদিও দ্বিতীয়াৰ্ধত ভিক্টোৰিয়াছ ক্লাবৰ ৰক্ষক বিভাগৰ খেলুৱৈয়ে ফাউল কৰাত ৰেফাৰী সমুন্ত দত্তই পেনাল্টিৰ নিৰ্দেশ দিয়ে আৰু ৰমাকান্ত ক্লাবৰ উদয় বড়াই গ'ললৈ ৰূপান্তৰিত কৰি ক্লাবক ১-০ ৰ অগ্ৰগতি প্ৰদান কৰে। পাছত ভিক্টোৰিয়াছ ক্লাবৰ কংকন কিশোৰ বড়াক ৰমাকান্ত ফুটবল ক্লাবৰ ৰক্ষক বিভাগৰ খেলুৱৈ গৰাকীয়ে ফাউল কৰাত ৰেফাৰীয়ে পেনাল্টি নিৰ্দেশ দিয়ে। ভিক্টোৰিয়াছৰ বসন্ত ভূএগ্ৰাই গ'ল দি ১-১ ত সমতা স্থাপন কৰে। ৮৮ মিনিটত ভিক্টোৰিয়াছ ক্লাবৰ বসন্ত ভূএগ্ৰাই দ্বিতীয়টো গ'ল দি দলক জয়ী কৰোৱাত মূখ্য ভূমিকা গ্ৰহণ কৰে। আজি খেল পৰিচালনা কৰে সুমন্ত দত্তই।লাইনত পৱন পাঠক আৰু বিমান বুঢ়াগোহাঁই। চতুৰ্থ ৰাজদীপ বড়া। ২১ জুলাইৰ খেল ঃ মিলনজ্যোতি সংঘ বনাম নেপথ্য ক্লাব।

## ভলীবল দল ঘোষণা

**গুৱাহাটী,২০ জুলাই ঃ** অহা ২২ৰ পৰা ২৭ জুলাইলৈ গুৱাহাটী মালিগাঁও ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া অসম যুথ অলিম্পিকৰ ভলীবল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ বাবে নিৰ্বাচিত হোৱা নলবাৰী জিলাৰ ল'ৰা আৰু ছোৱালীৰ দল দুয়োটা নলবাৰী ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক বুবুল তালুকদাৰে ঘোষণা কৰিছে। ল'ৰাৰ দলটো হ'ল ঃ নীলকণ্ঠ তালুকদাৰ, আনোৱাৰ হুছেইন, প্ৰীতম শৰ্মা, পৰশমণি শৰ্মা, অভিজিৎ ডেকা, পৃথু বৰুৱা, ৰিতু মণ্ডল, সঞ্জু দাস, গৌৰৱজ্যোতি ভূএগা, মৃণালজ্যোতি হালৈ, ভাৰ্গৱ ৰাজবংশী, অচিন্ত্য কলিতা। দলটোৰ প্ৰশিক্ষক গিৰীশ তালুকদাৰ, মেনেজাৰ বিপুল কুমাৰ সাউদ। আনহাতে ছোৱালী দলটো হ'ল ঃ ৰুমা বেগম, জেচমিন চুলতানা, পল্লৱী শৰ্মা, মমিনা বেগম, নীলাক্ষী ডেকা, দীক্ষিতা সাউদ, দুৱৰী তালুকদাৰ, বিপাশা দাস, ডলী তালুকদাৰ, জুৰী তালুকদাৰ, ভূপালী বৰুৱা, দীপান্বিতা ডেকা। দলটোৰ প্ৰশিক্ষক কল্পনা কলিতা, মেনেজাৰ অংকুৰ ডেকা।

# ৰাষ্ট্ৰীয় সাঁতোৰত ছটা পদক জয়েৰে অসমৰ অংশুমান কাশ্যপৰ চমক

**গুৱাহাটী,২০ জুলাই ঃ** ভুবনেশ্বৰত চলি থকা ৪৮সংখ্যক জুনিয়ৰ ৰাষ্ট্ৰীয় সাঁতোৰ প্ৰতিযোগিতাত দুৰ্দান্ত প্ৰদৰ্শনেৰে ছটাকে পদক অৰ্জনেৰে চমক সৃষ্টি কৰিছে অসমৰ অংশুমান কাশ্যপে। উল্লেখ্য যে ১৪ বছৰ অনূৰ্ধ্ব ল'ৰাৰ দ্বিতীয় গ্ৰুপৰ খেলত আজি অংশুমানে পাঁচটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰিছে। ইয়াৰ ভিতৰত চাৰিটা ব্যক্তিগত আৰু দুটা দলীয় ইভেণ্টত। ল'ৰাৰ ৫০ মিটাৰ আৰু ১০০ মিটাৰ ফ্ৰীষ্টাইলত ৰূপ আৰু ২০০ মিটাৰ ফ্ৰীষ্টাইলত ব্ৰঞ্জৰ পদক লাভ কৰাৰ বিপৰীতে দলীয় ১০০ আৰু ২০০ মিটাৰ ফ্ৰীষ্টাইল ৰীলেত ৰূপৰ পদক জয় কৰে। ইফালে,



কাইলৈ এটা ইভেণ্টৰ প্ৰতিযোগিতাত নামিবলৈ বাকী থকা অংশুমানে আজি ২০০ মিটাৰ একক মেদলিত ৰূপৰ পদক লাভ কৰি বৰ্তমানলৈকে অসম দলৰ সৰ্বাধিক পদকজয়ী প্ৰতিযোগী হিচাপে পৰিগণিত হৈছে। উল্লেখ্য যে ২০১৮ত হাৰিয়ানাৰ সোনিপটত অনুষ্ঠিত তৃতীয় সংখ্যক এছ এফ আই ৰাষ্ট্ৰীয় ক্লাব মীট সাঁতোৰ প্ৰতিযোগিতাত ব্যক্তিগত শাখাৰ ৫০ মিটাৰ ফ্ৰী ষ্টাইল, ৫০ মিটাৰ বেক ষ্ট্ৰক আৰু ৫০ মিটাৰ বাটাৰ ফ্লাইত সোণ, ফ্ৰী ষ্টাইল ৰিলে আৰু মেদলিত ৰূপৰ পদক অৰ্জনেৰে শ্ৰেষ্ঠ সাঁতোৰবিদৰ সন্মান লাভ কৰি প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ত উজলি উঠিছিল অংশুমান। কৃষি বিপণন পৰিষদৰ পৰিদৰ্শক পংকজ তামুলী আৰু দেৱজ্যোতি ওজা তামুলীৰ একমাত্ৰ সন্তান তথা যোৰহাট বাঘচোং ডনবস্ক'ৰ নৱম শ্ৰেণীৰ ছাত্ৰ অংশুমানে পাঁচ বছৰ বয়সৰ পৰাই যোৰহাট ছুইমিং ছ'চাইটীত নিয়মীয়াকৈ সাঁতোৰৰ প্ৰশিক্ষণ গ্ৰহণ কৰি আহিছে।

# এ ডিভিজন ফুটবল লীগত টাউন ক্লাব ছেমি ফাইনেলত

**দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী,২০ জুলাই ঃ** যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত এ ডিভিজন ফুটবল লীগৰ আজি বি গ্ৰুপৰ খেলত যোৰহাট টাউন ক্লাবে কেন্দ্ৰীয় ক্লাবক ২-১ গ'লত পৰাভূত কৰি সম্পূৰ্ণ পইন্ট লাভ কৰে। উল্লেখ্য যে বি গ্ৰুপৰ পৰা যোৰহাট টাউন ক্লাবে তিনিখন খেলত জয়ী হৈ ৯ পইন্ট সংগ্ৰহ কৰি প্ৰথমটো দল হিচাপে ছেমিফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰিছে। আজি খেলৰ প্ৰথমাৰ্ধৰ ১৬ মিনিটত যোৰহাট টাউন ক্লাবৰ ৰক্ষক বিভাগৰ খেলুৱৈ দেৱাশিস শইকীয়াই টাউনৰ গ'ল বক্সত কেন্দ্ৰীয় ক্লাবৰ ফৰৱাৰ্ড খেলুৱৈগৰাকীক ফাউল কৰাত ৰেফাৰী পৱন পাঠকে পেলাণ্টি নিৰ্দেশ কৰে। টীয়ক কেন্দ্ৰীয় ক্লাবৰ বিকাশ কৰ্মকাৰে পেলাণ্টি কাৰ্যকৰী কৰি কেন্দ্ৰীয় ক্লাবক ১-০ গ'লত অগ্ৰগতি প্ৰদান কৰে। কিন্তু দ্বিতীয়াৰ্ধত যোৰহাট টাউন ক্লাবে সংঘবদ্ধভাৱে কৌশল ৰচনা কৰি কে'বাটাও আক্ৰমণ ৰচনা কৰে আৰু ৮৩ মিনিটত যোৰহাট টাউন ক্লাবৰ ভৰত শইকীয়াই গ'ল দি ১-১ ৰ সমতা স্থাপন কৰে। ৯১ মিনিটত পুনৰ যোৰহাট টাউন ক্লাবৰ ভৰত শইকীয়াই গ'ল দি টাউন ক্লাবক ২-১ গ'লত জয়ী কৰায়। আজি খেল পৰিচালনা কৰে পৱন পাঠকে। লাইনত সুমন্ত দত্ত আৰু ত্ৰিনোজ বড়া তথা চতুৰ্থ ৰেফাৰী কুশল মিলি। ২০ জুলাইৰ খেল ঃ ভিক্টোৰিয়াছ ক্লাব বনাম ৰমাকান্ত ফুটবল ক্লাব।

# প্ৰথম এদিনীয়াত ইংলণ্ডৰ বিৰুদ্ধে দক্ষিণ আফ্ৰিকাৰ জয়




**লণ্ডন, ২০ জুলাই ঃ** দক্ষিণ আফ্ৰিকাই প্ৰথমখন মেচত ইংলণ্ডৰ বিৰুদ্ধে ৬২ ৰাণত জয়লাভ কৰি তিনিখনীয়া এদিনীয়া শৃংখলাত ১-০ ৰ অগ্ৰগতি লৈছে। পোনতে বেটিং কৰা দক্ষিণ আফ্ৰিকাই পাঁচ উইকেটত কৰে ৩৩৩ ৰাণ। ডুছানে ১৩৪ ৰাণৰ শতকীয় ইনিংছ খেলাৰ বিপৰীতে মাৰ্কৰামে ৭৭ আৰু মালানে ৫৭ ৰাণ কৰে। প্ৰত্যুত্তৰত, ইংলণ্ডে ২৭১ ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। দলৰ হৈ জ' ৰুটে ৮৬, বেয়াৰষ্ট'ৰে ৬৩ আৰু জেছন ৰয়ে ৪৩ ৰাণ কৰে।

# জি এছ এৰ ১৩ অনূৰ্ধ্ব ফুটবল প্ৰতিযোগিতা আৰম্ভ ৱাৰিয়ৰ্ছ, লায়নফ'ৰ্ড, চানমাৰিৰ জয়লাভ



**গুৱাহাটী, ২০ জুলাই ঃ** ১৩টা দলৰ অংশগ্ৰহণেৰে আজিৰে পৰা নেহৰু ষ্টেডিয়ামত আৰম্ভ হৈছে গুৱাহাটী ক্ৰীড়া সন্থাৰ অনূৰ্ধ্ব ১৩ ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয় ছিজন। আজি অনুষ্ঠিত প্ৰথম খেলত আছাম ৱাৰিয়ৰ্ছে এনকেএছএফচিচিক ১৬-০ গ'লত পৰাস্ত কৰে। আনহাতে, বিয়লি অনুষ্ঠিত এখন খেলত লায়নফ'ৰ্ড এফচিয়ে আকাশ এফচিক ৬-০ গ'লত পৰাস্ত কৰে। আন এখন খেলত চানমাৰি এফচিচিয়ে পেগাছাছ এফচিক ৪-৩ গ'লত পৰাস্ত কৰিবলৈ সক্ষম হয়। কাইলৈ হ'বলগা খেলসমূহ ঃ গুৱাহাটী ইয়ংষ্টাৰ এফচিচি বনাম উদয়ন কৃষ্টি সংঘ, গুৱাহাটী চিটী এফচি বনাম আছাম ৱাৰিয়ৰ্ছ এফচি (২-৩০ বজাৰপৰা) আৰু কাজিৰঙা এফচি বনাম চন্দ্ৰপুৰ এফচিচি, নাৰেংগী এফচিচি বনাম লায়নফ'ৰ্ড এফচি (৩-৪০ বজাৰপৰা)।

# অসম যুৱ অলিম্পিকৰ শিখা লৈ চিৰাং জিলা প্ৰশাসন-ক্ৰীড়া সন্থাৰ সমদল

**গুৱাহাটী, ২০ জুলাই ঃ** চিৰাঙত আজি অনুষ্ঠিত হয় অসম যুৱ অলিম্পিকৰ শিখা লৈ সমদল। উল্লেখ্য যে পশ্চিম অসম পৰিভ্ৰমণ কৰা শিখা চিৰাঙত উপস্থিত হয়। বঙাইগাঁও জিলাৰ পৰা চিৰাং জিলাৰ সদৰ কাজলগাঁৱস্থিত আলাৰী উদাংশ্ৰী প্ৰেমসিং ব্ৰহ্ম ক্ৰীড়া প্ৰকল্পত উপস্থিত হোৱাত চিৰাং জিলা প্ৰশাসনে আদৰণি জনায়। চিৰাং জিলা ক্ৰীড়া সন্থাৰ সভাপতি তথা চিদলী সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰীৰ সভাপতিত্বত অলিম্পিক শিখা লৈ চিৰাঙৰ খেলুৱৈসকলক উৎসাহ দিয়াৰ বাবে এখনি সভাও অনুষ্ঠিত হয়। এই সভাত চিৰাঙৰ পৰা প্ৰতিনিধিত্ব কৰা আন্তৰ্জাতিক আৰু ৰাষ্ট্ৰীয় কে'বাগৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে এক সমদল উলিওৱা হয়। সমদলত চিৰাঙৰ জিলা উপায়ুক্ত পি বিজয়া ভাস্কৰ ৰেড্ডী, অতিৰিক্ত উপায়ুক্ত ৰিংখাং মুছাহাৰী, উপ-আৰক্ষী অধীক্ষক লৱ কুমাৰ ডেকাই অংশ লয়। উল্লেখ্য যে অসম অলিম্পিক সন্থাৰ উপ-সভাপতি বিষ্ণুৰাম নুনিছাৰ নেতৃত্বত অহা অলিম্পিক শিখাই ইতিমধ্যে গোৱালপাৰা, ধুবুৰী, কোকৰাঝাৰ, বঙাইগাওঁ জিলা অতিক্ৰম কৰি আহিছে। চিৰাঙৰ পাছতে অলিম্পিক শিখা বৰপেটা, বাক্সা আৰু বজালী জিলাত উপস্থিত হ'ব বুলি নুনিছাই জানিবলৈ দিয়ে।

# ডিব্ৰুগড়ত অসম যুৱ অলিম্পিকৰ শিখা প্ৰজ্বলন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী, ২০ জুলাই ঃ** অসম অলিম্পিক সন্থাৰ উদ্যোগত আৰু অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সহযোগত অহা ২২ জুলাইৰ পৰা গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া অসম যুৱ অলিম্পিকৰ শিখা আজি ডিব্ৰুগড়ত প্ৰজ্বলন কৰা হয়। ডিব্ৰুগড় জিলাৰ পৰা যুৱ অলিম্পিকত অংশগ্ৰহণ কৰিবলগীয়া খেলুৱৈসকল আৰু ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ বিষয়ববীয়াসকলৰ উপস্থিতিত এই অলিম্পিক শিখা আনুষ্ঠানিকভাৱে প্ৰজ্বলন কৰে ডিব্ৰুগড় জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগুৱে। ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ মানৱজিৎ শইকীয়াৰ পৰা অলিম্পিক শিখা গ্ৰহণ কৰি জিলা উপায়ুক্ত পেগুৱে প্ৰজ্বলন কৰি অংগ্ৰহণকাৰীসকলক প্ৰতিযোগিতাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। লগতে ডিব্ৰুগড় জিলালৈ সুনাম কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। এই অনুষ্ঠানত ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ উপ-সভাপতি তথা অসম অলিম্পিক সন্থাৰ সদস্য ডাঃ ভাস্কৰজ্যোতি গগৈ, সন্থাৰ উপ-সভাপতি মানসজ্যোতি দত্ত, কোষাধ্যক্ষ ইমদাদ আহমেদ, আন আন বিষয়বীয়াসকল ক্ৰমে- প্ৰীতম দাস, প্ৰশান্ত দত্ত, বিদ্যুৎ বিকাশ দেউৰী, অঞ্জন বৰুৱাৰ উপৰি ডিব্ৰুগড় জিলাৰ ক্ৰীড়া বিষয়া সঞ্জয় উপাধ্যায় উপস্থিত থাকে। ইয়াৰ পিছতে শিখা প্ৰজ্বলন কৰি প্ৰতিযোগীসকলে জিলা উপায়ুক্ত কাৰ্যালয়ৰ পৰা ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ জালান আউটড'ৰ ষ্টেডিয়ামলৈ এক শোভাযাত্ৰা উলিয়ায়। জালান আউটড'ৰ ষ্টেডিয়ামত এই শোভাযাত্ৰাৰ আদৰণি কৰে ডিব্ৰুগড় জিলাৰ আৰক্ষী অধীক্ষক এছ মিশ্ৰই। ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক নিৰঞ্জন শইকীয়াই জনাইছে যে জিলাৰ পৰা ৩০০ খেলুৱৈয়ে যুৱ অলিম্পিকত অংশগ্ৰহণ কৰিব। উল্লেখ্য যে তিনিচুকীয়াৰ পৰা অহা এই শিখা ডিব্ৰুগড় জিলাৰ পৰা চৰাইদেউ, নাজিৰা, শিৱসাগৰ, যোৰহাট হৈ গুৱাহাটীলৈ নিয়া হ'ব।

## ৰাজস্থানী যুৱক সংঘৰ জয়লাভ

**গুৱাহাটী,২০ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নুৰুল আমিন প্ৰাইজমানী প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজিৰ খেলত নগাঁও ৰাজস্থানী যুৱক সংঘই ৰেডিয়েল ক্লাবক ১-০ গ'লত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। তুমুল প্ৰতিদ্বন্দ্বিতামূলক খেলখনত নগাঁও ৰাজস্থানী যুৱক সংঘৰ হৈ বিজয়সূচক গ'লটো অন্তিম সময়ত বিনন্দ খাটনিয়াৰে (৯০মিনিট) দিয়ে। নগাঁও ক্ৰীড়া সংস্থাৰ স্বীকৃত প্ৰথম ডিভিজনৰ মুঠ আঠটা ক্লাবৰ মাজত ৰাউণ্ড ৰবীন লীগ পদ্ধতিত আয়োজিত এই লীগৰ আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী ঘনশ্যাম দাসক সহায় কৰে কৃষ্ণকান্ত দাস, পাৰ্শ্বজ্যোতি দাস আৰু অ'হিদুজ জামানে। উল্লেখ্য যে, খেলখনত এন আৰ বাই এছৰ চন্দ্ৰ বসুমতাৰী শ্ৰেষ্ঠ খেলুৱৈৰূপে পৰিগণিত হয়।

# নুৰুল আমিন প্ৰাইজমানী প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল লীগ

**গুৱাহাটী,২০ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নুৰুল আমিন প্ৰাইজমানী প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ কালিৰ খেলত অম্লান গোষ্ঠীয়ে ত্ৰিনয়ন গোষ্ঠীক ২-১ গ'লত আৰু উদয় সংঘই বঢ়মপুৰৰ নৱম অসম আৰক্ষী বাহিনীক ২-১ গ'লত হৰুৱাই সম্পূৰ্ণ পইন্ট অৰ্জন কৰিছে। বিয়লি অনুষ্ঠিত প্ৰথমখন খেলত অম্লান গোষ্ঠীৰ হৈ ব্ৰজেন মুছাহাৰীয়ে দুটা গ'ল দিয়াৰ বিপৰীতে ত্ৰিনয়ন গোষ্ঠীৰ হৈ একমাত্ৰ গ'লটো দিয়ে প্ৰাঞ্জল ধৰে। অম্লান গোষ্ঠীৰ ব্ৰজেন মুছাহাৰী শ্ৰেষ্ঠ খেলুৱৈৰূপে বিবেচিত এই খেলখন পৰিচালনা কৰাত ৰেফাৰী ঘনশ্যাম দাসক সহায় কৰে শৈলেন ভূএগা, শোণিত কুমাৰ বৰা আৰু কৃষ্ণকান্ত দাসে। আনহাতে, নৈশালোকৰ খেলখনত উদয় সংঘৰ হৈ গ'ল দুটা মহেশ পাটৰে দিয়াৰ বিপৰীতে আৰু নৱম অসম আৰক্ষী বাহিনীৰ হৈ প্ৰান্ত বড়োৱে একমাত্ৰ গ'লটো দিয়ে। নগাঁও ক্ৰীড়া সংস্থাৰ স্বীকৃত প্ৰথম ডিভিজনৰ মুঠ আঠটা ক্লাবৰ মাজত ৰাউণ্ড ৰবীন লীগ পদ্ধতিত আয়োজিত এই লীগৰ আজিৰ নৈশালোকৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী পৱিত্ৰ বৰাক সহায় কৰে ৰয়েল ইছলাম, পাৰ্শ্বজ্যোতি দাস আৰু অ'হিদুজ জামানে। এইখন খেলত উদয় সংঘৰ মহেশ পাটৰ শ্ৰেষ্ঠ খেলুৱৈৰূপে পৰিগণিত হয়।

## বাক্সাৰ ঘোঁৰামাৰাত 'থিয়েটাৰ আইৰাখি'ৰ আখৰা শিবিৰৰ শুভ উদ্বোধন

# 'বড়ো থিয়েটাৰৰ প্ৰথমগৰাকী মহিলা প্ৰযোজক পাম্পুলী গয়াৰী আৰু থিয়েটাৰ আইৰাখি এক ইতিহাস হৈ ৰ'ব' ঃ বিনোদ মুছাহাৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ২০ জুলাই ঃ** 'বড়ো সংস্কৃতি, বড়ো ভাষা, সাহিত্যৰ লগতে বড়ো ভ্ৰাম্যমাণ থিয়েটাৰে সাংস্কৃতিক ক্ষেত্ৰখনত অগ্ৰগতি লাভ কৰিছে। বড়ো সংস্কৃতি, ভাষা, সাহিত্যৰ লগতে বড়ো ভ্ৰাম্যমাণ থিয়েটাৰক আগুৱাই নি চিৰস্থায়ী ৰূপত জীয়াই ৰাখিবলৈ সকলো ৰাইজ, চৰকাৰ আৰু শিল্পী সমাজে ঐক্যবদ্ধভাৱে আগুৱাই নিব লাগিব। বড়ো থিয়েটাৰৰ প্ৰথমগৰাকী মহিলা প্ৰযোজক পাম্পুলী গয়াৰী আৰু থিয়েটাৰ আইৰাখি এক ইতিহাস হৈ ৰ'ব।' এইদৰে কয় বিটিআৰৰ শালবাৰী সমষ্টিৰ টিচিএলচিচি অধ্যক্ষ বিনোদ মুছাহাৰীয়ে আজি শালবাৰী সমষ্টিৰ ৰূপহীৰ ঘোঁৰামাৰাত প্ৰথমবাৰৰ বাবে বড়ো ভাষাৰ মহিলা প্ৰযোজক পাম্পুলী গয়াৰীৰ দ্বাৰা প্ৰযোজিত 'থিয়েটাৰ আইৰাখি'ৰ আখৰা শিবিৰৰ শুভ উদ্বোধনী ভাষণত। উল্লেখ্য যে বড়ো কথাছবি আৰু ভ্ৰাম্যমাণ নাট্যজগতৰ মোহময়ী অভিনেত্ৰী পাম্পুলী গয়াৰীয়ে প্ৰযোজনা কৰা 'থিয়েটাৰ আইৰাখি' নামৰ বড়ো ভাষাৰ ভ্ৰাম্যমাণ নাট্যদলটো চলিত নাট্যবৰ্ষত জন্মলাভ কৰিছে। আজি থিয়েটাৰ আইৰাখিৰ আখৰা শিবিৰৰ শুভ উদ্বোধন কৰা হয়। এই



উদ্দেশ্যে অনুষ্ঠিত থিয়েটাৰ আইৰাখিৰ সম্পাদক নৰেশ্বৰ খেৰকটাৰীয়ে আঁত ধৰা উদ্বোধনী সভাত নাট্যদলটোৱে চলিত নাট্যবৰ্ষত মঞ্চস্থ কৰিবলগীয়া তিনিখন নাটৰ পাণ্ডুলিপি উন্মোচন কৰে বড়ো কছাৰী স্বায়ত্তশাসিত কল্যাণ পৰিষদৰ কাৰ্যবাহী সদস্য মহিপাল বড়োৱে। মহিপাল বড়োৱে তেওঁৰ ভাষণত অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনলৈ বড়ো ভাষাৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ লগতে নাট্যকাৰ-প্ৰযোজক, শিল্পী-কলা কুশলীৰ বহুত অৱদান আছে বুলি কয়। উদ্বোধনী সভাত শালবাৰী মহকুমা জনজাতি উন্নয়ন পৰিষদৰ অধ্যক্ষ বিউটী বসুমতাৰী, জ্যেষ্ঠ সাংবাদিক-নাট্যশিল্পী ৰাজীৱ তালুকদাৰ, সুদক্ষ তবলাবাদক লাচিত স্বৰ্গীয়াৰীয়ে বিশিষ্ট অতিথিৰূপে বক্তৃতা প্ৰদান কৰাৰ লগতে ইউপিপিএল নেতা সুৰেশ সৰকাৰ, চক্ৰধৰ বসুমতাৰী, অকণ দৈমাৰী, খনীন স্বৰ্গীয়াৰী, নাট্যকাৰ-পৰিচালক জয়কান্ত বসুমতাৰী, প্ৰবীণ অভিনেতা দাৰেন দুৰ্গা বড়ো, ধনীৰাম স্বৰ্গীয়াৰী, প্ৰবীণ অভিনেত্ৰী ছাতিমায়া গয়াৰীকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে নিমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰে। উল্লেখ্য যে চলিত ২০২২-২৩ বৰ্ষত থিয়েটাৰ আইৰাখিয়ে নাট্যকাৰ নৰেশ্বৰ খেৰকটাৰীৰ ৰচিত 'দাহা'(নিৰাশা), পাম্পুলী গয়াৰীৰ ৰচিত 'ফাখন'(চাকনৈয়া) আৰু জয়কান্ত ৰামচিয়াৰী ৰচিত 'হাথোফ্লা জৌংব্লাওনাই'(অগ্নিশিখাৰ ছাই) মঞ্চস্থ কৰিব। নাটসমূহ পৰিচালনা কৰিব নৰেশ্বৰ খেৰকটাৰী আৰু জয়কান্ত ৰামচিয়াৰীয়ে। সংগীত পৰিচালনা কৰিব দেৱ বসুমতাৰীয়ে, নৃত্য পৰিচালনা কৰিব অক্ষয় খাখলাৰীয়ে আৰু পোহৰৰ দায়িত্বত থাকিব কেশৱ কলিতা। তিনিখন নাটৰ লগতে তিনিখন গীতি নৃত্য-নাটিকাও মঞ্চস্থ কৰিব থিয়েটাৰ আইৰাখিয়ে। নাটসমূহত অভিনয় কৰিব ক্ৰমে পাম্পুলী গয়াৰী, নিৰিবিলি ৰামচিয়াৰী, জৌংমা বসুমতাৰী, মাইকেল বড়ো, সোণেশ্বৰ বড়ো, নৃপেন কছাৰী, ৰুগুনী বড়ো, শুকু বড়ো, অক্ষয় বড়ো, ধনজিৎ বসুমতাৰী, সৌমাইনা বসুমতাৰী, সানথুলি গয়াৰী, মিথিংগা ব্ৰহ্ম, জৌংসাৰ বড়োকে ধৰি প্ৰায় ত্ৰিশগৰাকী অভিনেতা-অভিনেত্ৰীয়ে।

## চণ্ডীচৰণ দাস সোঁৱৰণী ফুটবল লীগৰ চূড়ান্ত প্ৰতিযোগিতাৰ সামৰণি

# ট্ৰাইবেকাৰৰ সহায়ত নাচনশালী ফুটবল দল ৪-১ৰ ব্যৱধানত চূড়ান্ত বিজয়ী



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ভেৰগাঁও, ২০ জুলাই ঃ** ভেৰগাঁও মহকুমাৰ অন্তৰ্গত ক্ৰীড়া নগৰী টংলা ষ্টেডিয়ামত ১১ জুলাইৰ পৰা ২০ জুলাইলৈকে টংলা ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত চণ্ডীচৰণ দাস সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনত ট্ৰাই বেকাৰ পদ্ধতিৰ সহায়ত নাচনশালী ফুটবল দলে ৪-১ৰ ব্যৱধানত টংলা ক্ৰীড়া সন্থা ফুটবল দলক পৰাস্ত কৰে। আজি আবেলি ৪ বজাত টংলা অগ্নিনিৰ্বাপক বাহিনীৰ ইনচাৰ্জ ব্ৰজেন কলিতাই শুভ উদ্বোধন কৰা চূড়ান্ত খেলত টংলা ক্ৰীড়া সন্থা আৰু নাচনশালী ফুটবল ক্লাবৰ মাজত অনুষ্ঠিত হোৱা লীগ পৰ্যায়ৰ অন্তঃক্লাব খেলখনত আঠটা দলে অংশগ্ৰহণ কৰা বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে। চূড়ান্ত খেলখনত পুৰস্কাৰ দাতা বিশিষ্ট সমাজসেৱী বলিৰাম ডেকা, ক্ৰীড়াবিদ নমল ৰাভা, টংলা ক্ৰীড়া সন্থাৰ সভাপতি খৰ্গেশ্বৰ বৰা (জিন্না),সম্পাদক ভাৰত চন্দ্ৰ ৰাভা, ক্ৰিকেটৰ ইভেণ্ট সম্পাদক লোহিত নাথ উপস্থিত থাকে। পুৰস্কাৰ দাতা বলিৰাম ডেকাই বিজিত আৰু ব্ৰজেন কলিতাই বিজয়ী দলক ট্ৰফী প্ৰদান কৰে। খেলখন পৰিচালনা কৰে সোমেশ্বৰ বড়ো আৰু তেওঁক সহায় কৰে বিকাশ শৰণীয়া আৰু নিজুম বড়োৱে।

# বৰপেটাত উপস্থিত অসম যুৱ অলিম্পিক সন্থাৰ শিখা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ২০ জুলাই ঃ** বৰপেটাৰ ৫০জনীয়া দলে অংশ ল'ব যুৱ অলিম্পিকত। ৰাজ্যত প্ৰথমবাৰৰ বাবে হ'বলগীয়া যুৱ অলিম্পিক শিখা আজি বৰপেটাত উপস্থিত হয়। অলিম্পিক



সন্থাৰ উপ-সভাপতি বিষ্ণুৰাম নুনিচাৰ নেতৃত্বত অলিম্পিক শিখা বহন কৰি বৰপেটাত উপস্থিত হোৱাৰ পিছতে চহৰখনৰ মাজেৰে শিখা কঢ়িয়াই সমদল উলিওৱা হয়। অলিম্পিক শিখা আদৰণী অনুষ্ঠানত বৰপেটাৰ প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাস, বৰপেটা ক্ৰীড়া সন্থাৰ কাৰ্যকৰ্তাসকলৰ লগতে যুৱ খেলুৱৈসকলে অংশগ্ৰহণ কৰে। উল্লেখ্য যে ২২ জুলাইৰ পৰা ২৭ জুলাইলৈ অনুষ্ঠিত হ'ব লগা অসম যুৱ অলিম্পিকত ৩৩ টা ইভেন্টত ৪ হাজাৰ খেলুৱৈয়ে অংশ ল'ব। যুৱ অলিম্পিকত বৰপেটাৰ ৫০জনীয়া এটা দলে অংশ ল'ব। কাৰেটে, খো খো, এথলীট আৰু ভলীবলৰ মুঠ চাৰিটা ইভেন্টত বৰপেটাৰ খেলুৱৈয়ে অংশ ল'ব ।

# সাপকাটাত ৰাষ্ট্ৰীয় পতাকা বিক্ৰী কেন্দ্ৰ মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ২০ জুলাই ঃ** ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰা ৭৫ বছৰ উপলক্ষে কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি চৰকাৰে ঘোষণা কৰা 'হৰ ঘৰ ত্ৰিৰংগা' অভিযানৰ প্ৰতি লক্ষ্য কৰি আজি গোসাঁইগাঁও মহকুমাৰ সাপকাটাত ৰাষ্ট্ৰীয় পতাকা বিক্ৰী কেন্দ্ৰ মুকলি কৰা হয়। কচুগাঁও উন্নয়ন খণ্ডৰ অধীনৰ ক্লাষ্টাৰ লেভেল ফেডাৰেচনৰ উদ্যোগত সাপকাটা বজাৰত ৰাষ্ট্ৰীয় পতাকা বিক্ৰী কেন্দ্ৰটো শুভ উদ্বোধন কৰে কচুগাঁও উন্নয়ন খণ্ড বিষয়া ছানছুমা বসুমতাৰীয়ে। কচুগাঁও উন্নয়ন খণ্ডৰ অধীনৰ আত্মসহায়ক গোটৰ মহিলাসকলে নিজ হাতেৰে প্ৰস্তুত কৰা ৰাষ্ট্ৰীয় পতাকাসমূহ উক্ত কেন্দ্ৰত বিক্ৰী কৰিব। অনুষ্ঠানত খণ্ড প্ৰকল্প প্ৰবন্ধক প্ৰকাশ নাৰ্জাৰী, স্থানীয় ভিচিডিচিৰ সভানেত্ৰী পম্পী ভৌমিক, সাপকাটা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া শিৱপ্ৰসাদ কলিতাসহ কে'বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।



# বকোত দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ অন্তৰ্গত বকো ক্ৰীড়া সন্থাৰ উদ্যোগত এ ডিভিজন ফুটবল লীগ আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২০ জুলাই ঃ** ক্ৰীড়া প্ৰতিভাৰ জৰিয়তে জগত জয়ৰ লক্ষ্যৰে উদীয়মান যুৱচামে আৰম্ভ কৰিছে ক্ৰীড়া আন্দোলন। বিগত বছৰবোৰৰ দৰে এই বৰ্ষও দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ আন্তঃ ক্লাব এ ডিভিজন লীগ ফুটবল প্ৰতিযোগিতাখন আজিৰ পৰা আৰম্ভ হৈছে। উল্লেখ্য যে বকো ক্ৰীড়া সন্থাৰ উদ্যোগত আজিৰে পৰা বকো হাইস্কুল খেলপথাৰত আয়োজন কৰা প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে জিলা ক্ৰীড়া সন্থাৰ সভাপতি তথা প্ৰাক্তন মন্ত্ৰী ডাঃ কমলাকান্ত কলিতাই। জিলা ক্ৰীড়া সন্থাৰ সম্পাদক সুকুমাৰ মেধিয়ে আঁত ধৰা খেল উদ্বোধনী অনুষ্ঠানত বকোৰ প্ৰাক্তন বিধায়ক জ্যোতিপ্ৰসাদ দাসৰ উপৰিও বহুকেইজন বিশিষ্ট ক্ৰীড়া সংগঠক উপস্থিত থাকে। ইফালে বকো ক্ৰীড়া সন্থাৰ সভাপতি জগত চন্দ্ৰ দাস আৰু সম্পাদক কাম্বুৰাম ৰাভাই জনোৱা মতে, প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত বন্দাপাৰা জনতা সংঘই বনগাঁও এফচিক ৫-১ গ'লত হেৰুৱায়। আনহাতে লীগ খেলৰ দ্বিতীয়খন খেলত নংবাগ এফ চিয়ে বকো এফ চিক ১-০ গ'লত পৰাস্ত কৰে। আজিৰ পৰা আনুষ্ঠানিকভাৱে শুভাৰম্ভ হোৱা খেলত অতিথি হিচাপে উপস্থিত থাকে জিলা ক্ৰীড়া সন্থাৰ উপ-সভাপতি খগেন্দ্ৰজিৎ ঠাকুৰীয়া, বকো ক্ৰীড়া সন্থাৰ উপদেষ্টা পৰাণজ্যোতি দাস, ক্ৰীড়া সংগঠক সিদ্ধাৰ্থ ৰাভা, মনোৰঞ্জন ৰাভা, অনুপম দাসৰ উপৰিও বহুসংখ্যক ক্ৰীড়াপ্ৰেমী।



# তামুলপুৰৰ বিশিষ্ট সমাজকৰ্মী প্ৰয়াত প্ৰফুল্ল চন্দ্ৰ মহন্তৰ সোঁৱৰণী গ্ৰন্থ 'বটবৃক্ষ' উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২০ জুলাই ঃ** আধুনিক তামুলপুৰ নিৰ্মাতাসকলৰ অন্যতম, তামুলপুৰ পৌৰসভাৰ পৌৰপতি, শিক্ষাবিদ, বিশিষ্ট সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক তথা প্ৰবীণ সাংস্কৃতিক কৰ্মী প্ৰয়াত প্ৰফুল্ল চন্দ্ৰ মহন্তৰ সোঁৱৰণত প্ৰকাশ কৰি উলিওৱা 'বটবৃক্ষ' শীৰ্ষক এখন সোঁৱৰণী গ্ৰন্থ আজি প্ৰয়াত মহন্তৰ বাসগৃহত অনুষ্ঠিত এখন সভাত আনুষ্ঠানিকভাৱে উন্মোচন কৰে তামুলপুৰ সমষ্টিৰ বিধায়ক জলেন দৈমাৰীয়ে। উল্লেখ্য যে যোৱা বিশ জুনত চিকিৎসাধীন অৱস্থাতে অগণন গুণমুগ্ধ আৰু আত্মীয়-কুটুম্বক শোক সাগৰত পেলাই থৈ বিশিষ্ট সমাজকৰ্মীগৰাকী বৈকুণ্ঠগামী হৈছিল। আজি পৱিত্ৰ মাহেকীয়া তিথিত সোঁৱৰণী সমাজকৰ্মীগৰাকীৰ জীৱনৰ লগতে সমাজ জীৱনৰ বিষয়েও আলোকপাত কৰাৰ উপৰি সোঁৱৰণী গ্ৰন্থখন তামুলপুৰৰ বাবে এখন মূল্যৱান সম্পদ হৈ ৰ'ব বুলি মন্তব্য প্ৰকাশ কৰে। ছবছৰীয়া অসম আন্দোলন আৰু শিক্ষকৰ আন্দোলনৰ স'তে জড়িত হৈ কিদৰে আন্দোলনবোৰ পৰিচালনা কৰিছিল তাৰ ওপৰত বিশদ ব্যাখ্যা আগবঢ়ায় প্ৰয়াত মহন্তৰ একালৰ সতীৰ্থ অৱসৰী শিক্ষক মোহন চন্দ্ৰ দাসে। একালৰ সহপাঠী মোহন চন্দ্ৰ দাসে প্ৰয়াত মহন্তৰ স্কুলীয়া জীৱনৰ ওপৰতো আলোকপাত কৰে। তামুলপুৰৰ বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত আজিৰ সোঁৱৰণী গ্ৰন্থ 'বটবৃক্ষ' উন্মোচনী সভাত সম্পাদনা সমিতিৰ সভাপতিব্ৰজেন্দ্ৰনাথ ডেকা, মুখ্য সম্পাদক




গ্ৰন্থখনি উন্মোচনৰ পূৰ্বে প্ৰয়াত মহন্তৰ সহধৰ্মিণী বনদেৱী মহন্তই প্ৰয়াত স্বামীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তিপ্ৰজলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বটবৃক্ষ সম্পাদনা সমিতিৰ সম্পাদক ডুলুজিৎ দাসে আঁত ধৰা গ্ৰন্থ উন্মোচনী সভাত উন্মোচক তথা তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীয়ে প্ৰয়াত বিশিষ্ট শিক্ষাবিদ, গণেশ ৰাভা, উপ-সভাপতিদ্বয় ক্ৰমে বৰুণ ৰামচিয়াৰী, উমেশ দাস, উপদেষ্টা মণ্ডলীৰ লগতে তামুলপুৰ শাখা সাহিত্য সভাৰ কৰ্মকৰ্তাসকল, তামুলপুৰ পৌৰসভাৰ উপাধ্যক্ষ বাণীকান্ত বসুমতাৰী, পৰিয়ালৰ সকলো সদস্য তথা আত্মীয় স্বজন উপস্থিত থাকে।

# বিজেপিৰ ঢেকৰগড়া মণ্ডলৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট, ২০ জুলাই ঃ** ভাৰতীয় জনতা পাৰ্টীৰ যোৰহাট জিলাৰ ঢেকৰগড়া মণ্ডলৰ এখন কাৰ্যানিৰ্বাহক সভা আজি পশ্চিম নেইমছ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। সভাৰ প্ৰথমতে দলীয় পতাকা উত্তোলন আৰু ভাৰত মাতাৰ স্মৃতিচাৰণ ফটোত পুষ্পাঞ্জলি অৰ্পণ কৰি ধূপ-বন্তি প্ৰজ্বলন কৰে মণ্ডলৰ সভাপতি চিত্তৰঞ্জন দাসে। ঢেকৰগড়া মণ্ডলৰ উপ-সভানেত্ৰী লক্ষীমাই নেওগে আঁত ধৰা সভাত আদৰণী ভাষণ আগবঢ়ায় মণ্ডলৰ সভাপতি চিত্তৰঞ্জন দাসে। শোক প্ৰস্তাৱ পাঠ কৰে মণ্ডলৰ উপ-সভাপতি প্ৰদীপ দত্তই। সভাত ৰাজনৈতিক প্ৰস্তাৱ দাঙি ধৰে উপ-সভানেত্ৰী লক্ষীমাই নেওগে, ৰাজনৈতিক প্ৰস্তাৱৰ সমৰ্থনত বক্তব্য আগবঢ়ায় জিলা যুৱ মৰ্চাৰ প্ৰভাৰী জিতুমণি বৰাই। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে অসম ঔদ্যোগিক আন্তঃগাঁথনি উন্নয়ন নিগমৰ অধ্যক্ষ শান্তনু পূজাৰী। উক্ত সভাত মণ্ডল প্ৰভাৰীৰ দায়িত্বত উপস্থিত থাকি ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদ উপাধ্যক্ষ পুলক কছাৰীয়ে মণ্ডলৰ সাংগঠনিক ভেটিৰ ওপৰত বক্তব্য ৰাখে। সভাত যোৰহাট জিলা বিজেপিৰ সভাপতি হেমন্ত কলিতা, জিলা সাধাৰণ সম্পাদক অমৰজ্যোতি শইকীয়া, জিলা অনুসূচিত জাতি মৰ্চাৰ সভাপতি অনন্ত দাস, মণ্ডলৰ অন্তৰ্গত জিলাৰ কাৰ্যনিৰ্বাহক সদস্যসকল, বিভিন্ন মৰ্চাৰ সভাপতি আৰু সদস্যসকল, পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধিসকল (সভাপতি আৰু আঞ্চলিক সদস্য) তথা ৱাৰ্ড সদস্যসকল, পঞ্চায়তৰ শক্তি কেন্দ্ৰৰ প্ৰমুখসকল উপস্থিত থাকে।





# আমগুৰিৰ এঞ্জেল প্ৰিয়া শইকীয়াই পুনৰ গঢ়িলে অভিলেখ

## বঙাইগাঁৱত তিনিটা গ'ল্ড আৰু এটা ব্ৰঞ্জ পদক লাভ কৰি সাফল্য

**দৈনন্দিন বাৰ্তাৰ সেৱা আমগুৰি, ২০ জুলাই ঃ** শিৱসাগৰ জিলাৰ আমগুৰিৰ এঞ্জেল প্ৰিয়া শইকীয়াই বঙাইগাঁৱত অনুষ্ঠিত ৩৭সংখ্যক অসম ৰাজ্যিক টাইকোৱাণ্ডো প্ৰতিযোগিতাত তিনিটা গ'ল্ড আৰু এটা ব্ৰঞ্জ পদক লাভ কৰি সাফল্য কঢ়িয়াবলৈ সক্ষম হৈছে। বঙাইগাঁও জিলা টাইকোৱাণ্ডো এছ'চিয়েচনৰ উদ্যোগত অভয়াপুৰীত ১৭ জুলাইৰপৰা ২০ জুলাইলৈকে অনুষ্ঠিত টাইকোৱাণ্ডো প্ৰতিযোগিতাত এঞ্জেল প্ৰিয়া শইকীয়াই কিৰ'কীত এটা গ'ল্ড, পোমচে পেয়াৰত গ'ল্ড, টীমত গ'ল্ড আৰু ব্যক্তিগত পোমচেত এটা ব্ৰঞ্জসহ সৰ্বমুঠ তিনিটা গ'ল্ড আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ইতিমধ্যে এঞ্জেল প্ৰিয়া শইকীয়াই সৰ্বাধিক স্বৰ্ণ পদক অৰ্জনকাৰী শিশু হিচাপে অসম বুক অৱ ৰেকৰ্ডছত নাম অন্তৰ্ভুক্ত কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। আমগুৰিৰ পাৰ্থ শইকীয়া আৰু মধুস্মিতা ফুকন শইকীয়াৰ কন্যা, আমগুৰি ডনবস্ক' বিদ্যালয়ৰ ছাত্ৰী ৮ বছৰীয়া এঞ্জেলপ্ৰিয়াই এই পৰ্যন্ত টাইকোৱাণ্ডোত ৮ টা,পুমছে (ব্লকিং আৰু পান্সিং)ত ৩টা আৰু কাইৰোজি (ফাইটিং)ত ৫টা স্বৰ্ণপদকসহ মুঠ ১৬টা স্বৰ্ণ পদক অৰ্জন কৰি অভিলেখ সৃষ্টি কৰিছে। উল্লেখ্য যে এঞ্জেলপ্ৰিয়াই মাত্ৰ ৪ বছৰ বয়সতে ৰাজ্যিক পৰ্যায়ত প্ৰথমটো স্বৰ্ণপদক অৰ্জন কৰিছিল। টাইকোৱাণ্ডোৰ ব্লেকবেল্টধাৰী এঞ্জেলপ্ৰিয়াই দুটা ইভেন্টত শ্ৰেষ্ঠ যুঁজাৰুৰ কৃতিত্বও অৰ্জন কৰিছে। সেই সূত্ৰেই এঞ্জেলপ্ৰিয়া অসমৰ সৰ্বাধিকসংখ্যক স্বৰ্ণ পদক অৰ্জনকাৰী প্ৰথম কিশোৰী হিচাপে স্বীকৃতি লাভ কৰি অসম বুক অৱ ৰেকৰ্ডছত নাম অন্তৰ্ভুক্তিৰে ষ্টেট ৰেকৰ্ড চাৰ্টিফিকেটেৰে সন্মানিত হৈছে।










শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি